# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১১/০৮/২০২১ বুধবাৰ

**ইংৰাজী ১১-০৮-২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৪১।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ সদনৰ মজিয়াত দাঙি ধৰিছে সেই উত্তৰত মুঠে সন্তুষ্ট হোৱাৰ কথা নহয়। যি ধৰণৰ তথ্য ইয়াত বিচৰা হৈছিল প্ৰতিজন সদস্যই যদি ইয়াত অধ্যয়ন কৰে দেখা যাব যে এই উত্তৰৰ পৰা কৰবাত নহয় কৰবাত হাত সাৰিবলৈ চেষ্টা কৰি থকা হৈছে। বিগত সয়মত লক্ষ্য কৰিছো এই সদনৰ মজিয়াত দাঙি ধৰা উত্তৰ সমূহত বহু পৰিমাণে চালেবেৰে কোবোৱা উত্তৰ দিয়া হয়। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়লৈ সেই কথালৈ পাতনি নেমেলি পোনপতীয়াকৈ প্ৰশ্ন সুধিব বিচাৰিছোঁ। দেখা গৈছে কেৱল পুঁজিৰ নাটনিৰ কাৰণে চেঙা সমষ্টিত ধাৰ্য্যকৃত আঁচনি সমূহ বিগত সময়ত চেনচন হোৱা নাই বা গড়খহনীয়া প্ৰতিৰোধৰ কাম হোৱা নাই। গতিকে এইবাৰ যিহেতু পৰ্য্যাপ্ত পুঁজি আহিছে বা পুঁজি চৰকাৰে ইতিমধ্যে আৱন্টন পাইছে বা পাব, গতিকে চেঙা সমষ্টিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি গড়াখহনীয়া প্ৰতিৰোধৰ কাম কেনেধৰণে কৰিব সেই কথাটো জনাব লাগে। একেটা সময়ত মহোদয়, দেখা গৈছে যে ইয়াত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত চেগাচৰুকাকৈ গুৰুত্ব দিয়া হৈছে, কিন্তু দক্ষিণ পাৰত মুঠে গুৰুত্ব দিয়া হোৱা নাই। আৰু য'ত য'ত গড়াখহনীয়া বৰ্তমান হৈ আছে সেই কথাখিনি ইয়াতে উল্লেখ কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তেখেতৰ যিটো প্ৰশ্নৰ চাপ্লিমেন্ট আনিছে তাত মাইগুচেটতো অলপ বেলেগ তেখেতৰ। মানে কথাবিলাক অলপ আহফলীয়া। এই খন সদনত তিনিবাৰৰ কাৰণে উত্তৰ দিছো মই তেখেতক। ভালকৈ উত্তৰ দিছো, আন্তৰিকতাৰে উত্তৰ দিছো, তেখেতৰ সমষ্টিলৈ গৈছো, তেখেতক গৈ কৈ আহিছো যে কাম কৰিম। তাৰ পিছতো আহফলা কথা কব নাপায়। মই তিনিদিন আগত উত্তৰ দিছো, যোৱা পৰহিও উত্তৰ দিছো, তাৰ আগতেও তেখেতে চাপ্লিমেন্টত আনিছে, আন্তৰিকতাৰে উত্তৰ দিছো, কাম কৰিব বুলি কৈছো, তেখেতৰ সমস্যাখিনিৰ বাবে মই কথাও পাতিছো, ব্যক্তিগত ভাৱেও কথা পাতিছো, তাৰ পিছতো কৈ দিয়ে উত্তৰত সন্তুষ্ট নহয়। মাইগুচেট যদি নিগেটিভ হয় তেতিয়া কোনো কাম নহয়। গতিকে মই কৰিম পুঁজি সাপেক্ষে কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আৰু কিবা আছে, কি লাগে সেইটো কওক।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যেনেকৈ কথাটো কৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই বাৰে বাৰে কৈ আছো, শুনক, প্ৰশ্ন আৰু উত্তৰ, এনেকুৱা প্ৰশ্ন কিয় কৰিব,

শ্ৰীআশ্ৰাফুল হুছেইন শুনাচোন।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, চালেবেৰে কোবোৰা শব্দটো কি আমি অৰ্থ বুজি নাপালোঁ।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** যেনেকৈ উত্তৰটো বিচৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আশ্ৰাফুল মোৰ কথাটো শুনা, সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে, ময়ো আগৰ পৰাই উনুকিয়াই দি আছো যে যিকোনো প্ৰশ্ন কৰাৰ ক্ষেত্ৰত এনেকুৱা প্ৰশ্ন কিয় কৰিব? কব নেপাই, উত্তৰ ক্ষেত্ৰত আন্তৰিক কথা থকা নথকাটো কব নেপাই, উত্তৰ উত্তৰে হয়, উপৰোক্ত তাৰ পিছতো যদি ক্লিয়াৰ হোৱা নাই চাপ্লিমেন্টৰী প্ৰশ্ন কৰা। কিন্তু অন্য তেনেকুৱা ধৰণৰ বিষয়ত নকব। চাপ্লিমেন্টৰী কৰা।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** চাৰ, মন্ত্ৰী ডাঙৰীয়াই যেনেকৈ কথাখিনি লৈছে, আচলতে তেখেতৰ পাৰ্টিকুলাৰ এইটো প্ৰশ্নৰ ওপৰতে।

**মাননীয় অধ্যক্ষ ঃ** কি লাগে উত্তৰটো সোধা।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** চাৰ, পৰিশিষ্ট খ ত যিখিনি তথ্য সংলগ্ন কৰা হৈছে কেৱল নলবাৰী ওৱাটাৰ ৰিচোৰ্জ চাবডিভিজনৰ তথ্যখিনি কৰা হৈছে। একেলগে যদি বৰপেটা চাব ডিভিজনৰ হ'ল হৈ ইয়াত আমি আহি মাত্ৰ ২ মিনিট সময় পাইছো, সেই ২ মিনিটত সময়ৰ ভিতৰত গোটেইখিনি অধ্যয়ন কৰি শেষ কৰিব নোৱাৰো। যাৰ কাৰণে গোটেই এইখিনি ইনফৰমেচন।

**মাননীয় অধ্যক্ষ ঃ** কি কি থাকি গৈছে সেইটো সুধিব।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** সেই কথাটোৱে কৈছো যে বিগত সময়ত পি এ চি বহুদিন ধৰি বহা নাই, গতিকে গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ বহুকেইটা আঁচনিৰ বহু কাম বন্ধ হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** বহু কেইটা বহু কেইটা বুলি কব নালাগে। কি কৰিব লাগে সেইটো সুধিব, কৰিবনে নকৰিব।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** পি এ চি খন সোনকালে কেতিয়ালৈকে বহিব আৰু সেই পি এ চিৰ জৰিয়তে যাতে মোৰ সমষ্টিৰ কামখিনি কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে নিজেই যাব বুলি কৈছে একেলগে, আপোনাৰ কি প্ৰয়োজন আছে সেইটো কৈ দিয়ক।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সমস্যাটো ক'ত, তেখেত নতুন বিধায়ক সমষ্টিৰ প্ৰতি তেখেতৰ মৰম আছে, কিন্তু চিচ্টেমটো এতিয়াও জানি উঠা নাই। বাজেট যেতিয়া পাছ হয়, বাজেট এচেন্ট হয়, তাৰ পিছত ডি পি আৰ হয়, টেণ্ডাৰ হয়, এটা প্ৰচেচত কাম হয়। সেই প্ৰচেচটোলৈ নোজোৱাকৈ যদি আমি হুলস্থূল কৰো, কাম ক'ৰ পৰা হ'ব। এনেকুৱাটো নহয় যে চৰকাৰৰ পইচা ইমিদিয়েত কাৰোবাক কৰিব দি দিলোঁ, তেনেকুৱাটো নহয়। তথাপিটো ফ্লাড ডিলৰ কাম এইখন, তেখেতৰ সমষ্টিতো ফ্লাড ডিলৰ টকা গৈছে। মই আগতেও কৈছো ১৩২ টা অংশত টেম্পৰেৰী আৰু চেমিপাৰ্মেনেন্ট আমি প্ৰটেকচনৰ কাম চলাই আছোঁ, যি গৰকী বিধায়কে কয় ব্যক্তিগত ভাৱে লগত, লগত তাতে শাসক বিৰোধীৰ কথা নাই তেখেত লোকৰ হৈ অভিযন্তাক ফোন কৰো আৰু কাম কৰাৰ বহুতো হয়তো যদি অলপ ভাল মনৰে কয় স্বীকাৰে কৰিব, গতিকে মই কোনো তেনেকুৱা, মোৰ পৰা নেতিবাচক চিন্তাধাৰা নাই। কিন্তু মই আকৌ কৈছো, মই কিয় তেখেতৰ কথাটো কৈছো যে তেখেতক মই তিনিদিন উত্তৰ দিছোঁ, তাৰ পাছতো যদি তেখেতে কয় চালেবেৰে উত্তৰ দিয়া

বুলি, আৰু মই যিমানখিনি পাৰো উত্তৰটো ভালকৈ দিবলৈ চেষ্টা কৰো, মোৰ ভুল হ'ব পাৰে, গতিকে মই আকৌ কৈছো তেখেতক পুঁজি সাপেক্ষে চেষ্টা কৰিম, বহৰীৰ কামটো ডেফিনেটলি কৰিম, বাকীখিনি পুঁজি সাপেক্ষে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ধন্যবাদ, হৈছে।

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** এক মিনিটত এটা ভাল খৱৰ দি থও সদনত কেশৱ মহন্ত ডাঙৰীয়াই তাৰ গোটেই ক্ৰেডিট পাই আৰু বিষয়া সকলে, কৰ্মচাৰী সকলে, আগৰ চৰকাৰে পায়। এখন ড্ৰেজাৰ আমাৰ বিভাগে অৰ্ডাৰ কৰিছিলে ২০১৯ চনতে, কিন্তু কভিডৰ কাৰণে অহাত অলপ দেৰি হ'ল। আমাৰ কাৰণে ভাল খৱৰ সেই ড্ৰেজাৰখন এতিয়া মুম্বাই এয়াৰপোৰ্টত আহি পাইছে। এই ড্ৰেজাৰ খন হলে আমি এক ঘন্টাত ৪০ খন দাম্পাৰেৰে যিমান মাটি কঢ়িয়াব পাৰে সেই মাটি আমি খান্দিব পাৰিম। ড্ৰেজিং য'ত হ'ব তাৰ পৰা ১৫০ মিটাৰ দূৰত পাইপেৰে মাটিখিনি বা পানী মাটিৰ যি মিশ্ৰণ তাক আমি উলিয়াই দিব পাৰিম। তাত পাৰো বনাব পৰা যাব আৰু ট্ৰাকৰে বাহিৰলৈ পঠাই দিব পৰা যাব। বেছিকেলি এই কামটো ক'ত লাগিব ব্ৰহ্মপুত্ৰৰ ভিতৰত যে চেনেল বিলাক কাতিব লাগে, চেনেল কাতি দিলে নদীখন আগুৱাই গুচি যাব, মেইন চেনেললৈ গুচি যাব আৰু চাইডত আহি খহনীয়া নহ'ব। সেইটো খুব দৰকাৰী, সেইখন আহি মোম্বাই এয়াৰপোৰ্টত পাইছে। চেপ্তেম্বৰৰ শেষত আহি পোৱাৰ কথা নহলে অক্টোবৰত আহি পাব, আমি নবেম্বৰত কাম আৰম্ভ কৰিম। মই আকৌ কৈছো কেশৱ দাই এইটো কৰি গৈছে মই তেখেতক ধন্যবাদ দিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় আৰু বিধায়ক সকলে গণ্ডোগ'ল কৰিব অধ্যক্ষৰ তাত ফাৰ্চ হ'ব এইটো কামটো। এতিয়া আফতাব উদ্দিন মোল্লাহ। প্ৰশ্নবোৰ একেবাৰে to the point ক'ব।

**শ্ৰীআফতাব উদ্দিন মোল্লাহ (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বেছি কথা নকাও, মই বিধায়ক হোৱাৰ পিছতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰিছিলোঁ, কেইখনমান ঠাইৰ কথা কৈছিলো যে জলেশ্বৰ সমষ্টিত এনেকুৱা অৱস্থা হৈ আছে। সমস্যাটো এনেকুৱা দুৰ্ভগীয়া সমষ্টি জলেশ্বৰ, মানে ২৫ খন জি পি আমাৰ, তাৰে ১৩ খনৰ মাজেদি ব্ৰহ্মপুত্ৰটো বৈ গৈছে। ৰাতি পুৱা উঠি যিদিনাৰ পৰা বিধায়ক হৈছো, সেইদিনাৰ পৰা সদায় আহি কয় যে চাৰ আমাৰ ঘৰটো ভাঙি আছে, প্ৰতিদিনে। মই এটাই কথা কলো যে ১৩ খন জি পি। মই গাই দিছো জি পি কেইখন।

**মাননীয় অধ্যক্ষ ঃ** হ'ব নালাগে। আপুনি নাম্বাৰটো ক'লে জানিব। আপুনি বানপানীৰ লগত জড়িত প্ৰশ্নটো কওঁক।

**শ্ৰীআফতাব উদ্দিন মোল্লাহ (জলেশ্বৰ) ঃ** এই সংক্ৰান্তত আমি মন্ত্ৰী মহোদয়ক জনাইছিলোঁ, তেখেতে লিখিও দিছিল, আমাৰ বিভাগৰ মানুহ বিলাকক, মোৰ আগতে ফোনও কৰিছিল। কিন্তু দূৰ্ভাগ্যবশতঃ মোৰ কামটো হোৱা নাই। মই মন্ত্ৰী মহোদয় জনাইছিলো আৰু তেখেতে লিখিও দিছিল বিভাগৰ বিষয়ালৈকে, কিন্তু দুৰ্ভাগ্যবশতঃ সেই কামটো হোৱা নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এবাৰ জলেশ্বৰ গৈ spot verification কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ক'লো যে বাজেটখন আজি চাৰিদিন আগত সদনত পাছ কৰিলো। এতিয়া ৰাজ্যপালৰ চহী হোৱা নাই। গতিকে আমি gradually কাম কৰিম আৰু নিশ্চিতভাৱে জলেশ্বৰতো কাম কৰিম। যোৱা বাৰ আমি গোৱালপাৰাত Anti erosion measure to protect Brahmaputra Diek from channel 27 KM to 30 KM. কাঠগুৰি চিলাৰ ভিতৰ এৰিয়া, সেইখিনি আমি

যোৱা  বাৰ কৰিছো। মাননীয় বিধায়ক গৰাকীৰ সমষ্টিত মথাউৰিও বনাইছো যোৱা বাৰ। গতিকে নিশ্চয়কৈ কাম কৰিছো। এনেকুৱা নহয় যে আপোনাৰ সমষ্টিত কাম হোৱা নাই, বেলেগত কাম হৈছে, সেইটো নহয়, কাম সকলোতে হৈছে। কিন্তু এইবাৰৰ কথাটো হ'ল যে এইবাৰ বাজেটখন ল'লোহে, গতিকে নিশ্চয়কৈ কাম ল'ম, এক হাজাৰ কিলোমিটাৰ মথাউৰি যি PWD ৰোড বনাম সকলোৰে পাব। যাৰ সমস্যা বেছি আছে, তেখেতসকলে বেছিকৈ পাব সমস্যা কম থকাসকলে কমকৈ পাব। এইবাৰ প্ৰায় তিনিশ চাৰিশ কিলোমিটাৰ নতুন মথাউৰি বনাম আৰু সকলোৰে অলপ অলপ কৈ পাব, পূঁজি সাপেক্ষে কাম আৰু কৰিম। মই সদনত আস্বস্ত কৰিছো যে চেষ্টা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা সংমণ্ডলৰ প্ৰশ্নখিনিৰ উত্তৰ দিছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে **১৩২** টা ঠাইত temporary measure ত কাম চলিছে। মোৰ সমষ্টি কাহুৰ জাহিত যোৱা দুদিনৰ পৰা মানুহে প্ৰাৰ্থনা কৰি আছে, মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছো, তেখেতে positive response দিছে। গতিকে মোৰ সমষ্টিত কতো temporary measure ত কাম চলি থকা নাই। মই জনাত কাহুৰ জাহি, আমগুৰি, বৰদঙা  আদি কৰি এই কেইবাঠাইত যদি অতি সোনকালে কাম কৰাই দিয়ে। মই ভাৱো মানুহখিনি যথেষ্ট উপকৃত হ'ব।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক জনৰ লগত যোৱা দুই তিনিদিন আগত কথা পাতিছিলো আৰু তেখেতক কৈছিলো কাম খিনি আৰম্ভ কৰি দিবলৈ। যিহেতু তেখেতে সদনত কথাটো আকৌ কৈছে, ময়ো ক'ব পাৰিলো যে ইতিমধ্যে কৰা হৈছে, আপুনি কৰি লওঁক।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ মাজেৰেও ব্ৰহ্মপুত্ৰ নদী গৈছে। তাতে গুৱাহাটী বিশ্ববিদ্যালয় আৰু এফালে আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ আছে। ইতিমধ্যে কিছু গৰাখহনীয়া ৰোধৰ কাম আগৰ মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই কৰিছে। এতিয়া কিছু অংশ বাকী আছে। যদি সেইখিনি কৰা নহয়, তেনেহলে হয়তো সময়ত আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয় ও ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাব। গতিকে সদিলাপুৰৰ পৰা মাজিৰ গাঁৱলৈকে যি অংশত কাম হোৱা নাই। সেই অংশখিনিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী মহোদয়।

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াৰ লগত এদিন মই নিজে গৈ চাই আহি কামখিনি কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং **২৪২**, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰীকেশৱ মহন্ত (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীৰ হৈ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই ভালকৈ জানে। মই যিটো প্ৰশ্ন কৰিছিলো অসম চুক্তি যিটো হৈছে, এইটোৰ বৈধতা কি? আমি উত্তৰতো ঠিকে পাইছো যে ত্ৰিপাক্ষিক আলোচনা হৈছে আৰু এইটো বৈধ এটা চুক্তি। মোৰ প্ৰশ্নটো এনেকুৱা আছিল যদি অসম চুক্তি বৈধ হয়। আমি কেতিয়াবা শুনা পাওঁ যে অসম চুক্তিত লিখা আছে constitutional safeguard, admin-

istrative safeguard অসমীয়া ৰাইজৰ কাৰণে। আমি দেখা পাওঁ যে টাজ ভিভানটাত যেতিয়া মিটিং হয়। তেতিয়া মিটিঙত **৭১** চনৰ বিপৰীতে **৫১** চনতো দিয়ে। অৰ্থাৎ অসম চুক্তিত **৭১** মাৰ্চ লিখা আছে cut of year, তাত **৫১** তো কেনেকৈ হয়। ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে খিলঞ্জীয়াৰ ভূমি আইন আনিব। এতিয়া অসমীয়া আছে, খিলঞ্জীয়াৰ আইন কেনেকৈ আহিব। গোটেই বস্তুটো খেলিমেলি হৈ গৈছে। এতিয়া clause -6 ৰ report দিয়া হ'ব, submit কৰা নাই। কিন্তু খিলঞ্জীয়াৰ ভাষা সংস্কৃতিৰ বাবে **১শ** কোটি টকা ধাৰ্য্য কৰিছে। এই টকা কাৰ ক্ষেত্ৰত ব্যৱহাৰ হ'ব। সেইটো কাৰণে মই ভাৱো যে যদি Supreme Court ৰ judgement চাওঁ, two Indian Supreme Court Judges pass a ground breaking judgement, Gyan Sudha Misra & M. Katju that tribal people or Adivasi are decendent of the original inhabitants of India unlike remaining 92 % of the population who are decendents of the immigrants। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, বস্তুটো এনেকুৱা আছিলে যে অসম চক্তিত এটা কথা কোৱা হৈছে আৰু মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে এটা কথা ক'লে। তেওঁৰ definition তো বেলেগ। এতিয়া আমি কাৰ কথাটো মানিম।

**শ্ৰীকেশৱ মহন্ত (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীৰ হৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এখন ৰাজ্যত বা দেশত খিলঞ্জীয়া বুলি ক'লে তাত আৰু চুক্তি কৰিবলগীয়া কথা নাই। গতিকে খিলঞ্জীয়াৰ বিষয়তো অসম চুক্তিৰ লগত সম্পৰ্ক কৰি দিব লগা বিষয় নহয়। খিলঞ্জীয়াৰ বিষয়তো ইয়াত সকলোৱে জানে যিবিলাক ভূমি পুত্ৰ, যিবিলাক ইয়াৰ indegenous people যিবিলাক আজি UNESCO লৈকে সূত্ৰ আনিছে যে কোন কোন খিলঞ্জীয়া হ'ব পাৰে, সেইটো বেলেগ। অসম চুক্তি মতে clause -6 ত আছে অসমীয়া ৰাইজৰ সাংস্কৃতিক , সামাজিক ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা সংৰক্ষণ আৰু বিকাশৰ বাবে যেনে ধৰণে দৰকাৰ সাংবিধানিক আইনগত আৰু প্ৰশাসনিক ৰক্ষণা-বেক্ষণাৰ ব্যৱস্থা কৰিব। অসমীয়াৰ সূত্ৰতো এতিয়ালৈকে হোৱা নাই, বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আমি কিছুমান বিধায়কে জানো যে স্বৰ্গীয় প্ৰণৱ গগৈ ডাঙৰীয়া যেতিয়া অধ্যক্ষ হৈ আছিল অসমীয়া সূত্ৰৰ বিষয়ে যথেষ্টখিনি আলোচনা হৈছিল। ঠিক তেনেকৈ অসমীয়াৰ সংজ্ঞাৰ বাবে **২০০৬** চনৰ অক্টোৱৰ মাহতে অসম চৰকাৰৰ মন্ত্ৰী সভাত এখন কেবিনেট চাব কমিটি হৈছিল। সেই কেবিনেট চাব কমিটিতো বৰ বিশেষ ইয়াৰ সূত্ৰ নোলালে বা আধাৰুৱা হৈ থাকিল। প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় প্ৰণৱ গগৈ ডাঙৰীয়াই সকলো দল লৈ প্ৰায় **৫৩** টা সংগঠনক লগত লৈ বিধান সভাত মাতি আলোচনা বিলোচনা কৰিছিল। কিন্তু ইয়াৰ সমাধান সূত্ৰতো বিধান সভাত উত্থাপন কৰাৰ সময়ত শাসকীয় দলৰ পৰা যথেষ্ট আপত্তি অহাৰ কাৰণে মীমাংসালৈ যাব নোৱাৰিলে।

ইয়াত সদস্য গৰাকীয়ে যিটো খিলঞ্জীয়া শব্দটো অসম চক্তিৰ লগত সম্পৰ্ক কৰি আলোচনা কৰিব লগীয়া নাই। অসম চুক্তি নহলেও খিলঞ্জীয়া ইয়াত আছিল আৰু থাকিব আৰু খিলঞ্জীয়াক যিকোনে চৰকাৰে সাংবিধানিক ভাৱে ৰক্ষণা-বেক্ষণা দিব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অধিক তৎপৰতা গ্ৰহণ কৰিছে খিলঞ্জীয়া সকলৰ কাৰণে, সেইটো ভাল বাৰ্তা । কিন্তু সাংবিধানিক ভাৱে সকলো খিলঞ্জীয়া উপকৃত হ'ব। অসম চুক্তিয়ে খিলঞ্জীয়াক চুই যাব। অসম চুক্তিৰ লগত খিলঞ্জীয়াক জড়িত কৰি খিলঞ্জীয়াৰ বেলেগ কৈ বাখ্যা কৰিব লগীয়া নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। 2nd supplementary.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বুজি পালো। মোৰ 2nd supplementary আছিল (গ) নং প্ৰশ্নটো যিটো আছিল যে বঙ্গভাষী মানুহ **২৮.৯২** শতাংশ। ইতিমধ্যে আমি চালো যে associate language হিচাপে বড়ো দিয়াক হৈছে, আমি ভাল পাইছো আৰু আদৰণি জনাইছো। মোৰ কথাটো আছিল যে **২৯ শতাংশ** বঙ্গভাষী মানুহ সিহঁতৰ associate language কৰিবৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি ? আলটিমেটলী যিটো কথা ক'লে আমাৰ পাৰ্লিয়ামেন্টৰী মিনিষ্টাৰ ডাঙৰীয়াই যে, মই ৰাজনীতি কৰি আছো, মই ৰাজনীতি কৰিবলৈ বিচৰা নাই । আপোনালোকে বড়ো মানুহক দিছে আমাৰ আপত্তি নাই । আগন্তক দিনত বেংগলী মানুহক দিব নেকি এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ উত্তৰ অসম চুক্তি বিভাগৰ পৰা দিব পৰা নহয়। চৰকাৰৰ মনোভাব কি আছে, প্ৰয়োজন হ'লে মাননীয় মুখ্যমন্ত্ৰীয়ে জনাব পাৰে। পাৰ্লিয়ামেন্টৰী এফেয়াৰ্চ মিনিষ্টাৰে জনাব পাৰে। কিন্তু মই এইটো দায়িত্ব সহকাৰে জনাব নোৱাৰিম। কিন্তু এই ক্ষেত্ৰত অসম চুক্তিৰ ভিত্তিত কি হ'ব , এই বিষয়টো নাই। গতিকে এইটো আজিৰ প্ৰশ্নৰ আওতাত নপৰে । ধন্যবাদ

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া বিৰোধী দলৰ মাননীয় দলপতি।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ অনুসৰি যি বিদেশী নাগৰিকৰ সংজ্ঞা আৰু সমস্যা, এই ক্ষেত্ৰত নতুন নাগৰিকত্ব আইন অহাৰ পিচত কিবা স্থিতি সলনি হ'ব নেকি? এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথা হ'ল তেখেতে যিটো কথা প্ৰশ্ন কৰিলে এইটো আচলতে ক্লজ-৫ ত আছে। এই প্ৰশ্নটোৰ লগত ৰিলেটেড নহয়। তথাপিও ক্লজ-৫ ত যিখিনি কথা কৈছে - আপুনি কৈছে পিছত নাগৰিকত্ব সংশোধনী আইন আহিলে কি হ'ব? এই ক্ষেত্ৰত এটা কথা কোৱা উচিত হ'ব। সেইটো হৈছে " নাগৰিকত্ব সংশোধনী আইন" আজিৰ দিনটোত আইনখন আমাৰ ইয়াত বলবৎ হোৱা নাই। আমাক নিৰ্দেশো দিয়া নাই আৰু চুপ্ৰিম কোৰ্টতো কেইবাটাও কেচ চলি আছে, চাবজুডিছ হৈছে । গতিকে চাবজুডিছ বিষয় এটা আমি ইয়াত কথা পতা উচিত হ'বনে নহয়- গতিকে মই ইমানতে সামৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া দূৰ্গা দাস বড়ো ।

**শ্ৰীদূৰ্গা দাস বড়ো, কলাইগাওঁ** ঃ অধ্যক্ষ মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো যে, ৬ নং দফা ইমপ্লিমেনটেশ্যনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ হোম ডিপাৰ্টমেন্টে ২ বছৰ সময় দিছিল। দুই বছৰ পাৰ হ'বলৈ হ'ল চাগৈ তাৰ ভিতৰত হ'বগৈনে সেই ৰিপোৰ্টটোৰ বিষয়টো?

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্লজ- ৬ ৰ ক্ষেত্ৰত এটা ৩৫ বছৰীয়া দীঘলীয়া সময় গ'ল। এই বিষয়টো লৈ বিষয়া পৰ্য্যায়ত কেইবা খনো ট্ৰাই পাৰ্টাইট কমিটি কৰা হৈছিল য'ত নৰ্থ ইষ্টৰ জইন্ট চেক্ৰেটেৰী, হোম - সদৌ অসম ছাত্ৰ সন্থা আৰু ৰাজ্য চৰকাৰ আছিল। সেইবিলাকৰ ফলপ্ৰসু কোনো ৰিপোৰ্ট নোলাল। দুই তিনিবাৰ হৈছিল । এতিয়া শেহতীয়াভাবে, বলিষ্ঠ পদক্ষেপ নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যোৱা চৰকাৰখনে লৈছিল। এজন হাইকোৰ্টৰ জৰ্জক দি কমিটি কৰি দিছিল, য'ত ৰাইজৰ মানুহো আছিল। সেই কমিটিখনৰ যিটো ৰিপোৰ্ট দিছিল তাত এইটোও লিখা আছে যে এই ৰিপোৰ্টটো আইনগতভাবে প্ৰয়োগ কৰাৰ বিষয়খিনি চৰকাৰে চালি জাৰি চাবলৈ দুই বছৰ সময় দিয়া হৈছে। এতিয়া নিশ্চয় এই বিষয়টো প্ৰক্ৰিয়াৰ মাজত আছে। আমি আশা কৰিম যে

আমি এই প্ৰক্ৰিয়াৰে আগবাঢ়িব যাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আমিনুল ইছলাম,মানকাছাৰ

**মোঃ আমিনুল ইছলাম (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত এটা বস্তু লক্ষ্য কৰিছো যে অসম চুক্তিটো বৈধ বুলি ইয়াত উত্তৰত আহিছে। কিন্তু মই দেখিলো যে ক্লজ- ৫- ১৯৭১ চনৰ ২৪ মাৰ্চৰ মিড নাইটলৈকে যিখিনি মানুহ আহিছে সেইখিনি মানুহ ইণ্ডয়ন আৰু পিচত যিখিনি আহিছে সেইখিনি বিদেশী এই কথাটো আছে। এই ত্ৰিপাক্ষিক চুক্তিটো চিটিজেনশ্বিপ এক্ট ১৯৫৫ , চেকশ্যন- ৬ এমেণ্ড কৰা হ'ল। এমেণ্ড কৰি চেকশ্যন ৬ (এ) ইনচাৰ্ট কৰা হ'ল। ইনচাৰ্ট কৰি তাত স্পষ্টভাবে কোৱা হ'ল যে অসমৰ ক্ষেত্ৰত ১৯৭১, ২৪ মাৰ্চ-২৫ মাৰ্চ আৰু remaining rest of India, এইখিনি 1951। এই কথাখিনি আমাৰ চিটিজেনশ্বিপ এক্ট ১৯৫৫ ত কোৱা হ'ল। পৰৱৰ্ত্তী সময়ত আমি দেখিলো যেতিয়া 'কা' অনা হ'ল আৰু 'কেব'ৰ পৰা এই 'কা' পাচ হৈ গ'ল তেতিয়া এই 'কা' টোৱে অসম চুক্তি, আসাম এৰ্কোড, ১৯৫৫ আৰু চেকশ্যন- ৬ (এ) চিটিজেনশ্বিপ এক্ট ভায়োলেশ্যন কৰিলে। আজি চেন্ট্ৰেল গৰ্ভমেন্টৰ দুটা এক্ট - চিটিজেনশ্বিপ এক্ট, ১৯৫৫ আৰু 'কা' মাজত কনট্ৰাডিক্ট হৈ আছে। এই দুটাৰ মাজত কনট্ৰাডিক্ট হ'লে , আমি দেখিছো যে যেতিয়া এইটো লৈ চুপ্ৰিম কোৰ্টত কেচ চলিছিল তেতিয়া আমি দেখিছিলো যে সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰে , ষ্টেট গৰ্ভমেণ্টে যিটো এফিডএভিদ চুপ্ৰিম কোৰ্টত দিলে তাত কিন্তু ১৯৭১,২৫ মাৰ্চ বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ বুলি উল্লেখ আছিলে। এটা দা চেইম টাইম চেন্ট্ৰেল গৰ্ভমেণ্টে এটা এফিডএভিদ দিলে চুপ্ৰিম কোৰ্টত - এচ পাৰ আসাম এৰ্কড দিয়া হ'ল কিন্তু এইখিনি হোৱাৰ পিছত ষ্টেট গৰ্ভমেন্টৰ যিটো এফিডএভিদ, চেন্ট্ৰেল গৰ্ভমেন্টৰ যিটো এভিদএভিড, অসম চুক্তিৰ ক্লজ ৫, চিটিজেনশ্বিপ এক্ট ১৯৬৫, ইমান খিনি থকাৰ পিচতো যেতিয়া 'কা' আনিলে এটা চেলফ্ কনট্ৰাডিকশ্যন হ'ল- তেতিয়া হ'লে এইটো স্পষ্ট কৰিব নেকি যে প্ৰকৃততে ' কা' বৈধ হৈছেনে? (ক) নং প্ৰশ্নত অসম চুক্তিৰ বৈধতা থকা বুলি কৈছে আৰু এটা কথা হ'ল, ক্লছ -৬ লৈ যেতিয়া হাই লেভেল কমিটি বনাই দিয়া হ'ল এই হাই লেভেল কমিটিৰ যিটো ৰিক'মেণ্ডেশ্যন গ'ল - সেই ৰিক'মেণ্ডশ্যন আকৌ চেভাৰেল আৰ্টিকুল অফ দি ইণ্ডিয়েন কনষ্টিটিউশ্যন সেইটোক কনট্ৰাডিক্ট কৰিছে। সেইখিনিৰ কাৰণে আকৌ লিগেল কমিটিৰ হাতত তুলি দিয়া হৈছে। তেতিয়া হ'লে অসম চুক্তিৰ বৈধতা ক'ত থাকিল?

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা দাঙি ধৰিছে আটাইখিনি কথা চেন্ট্ৰেল এক্ট, চিটিজেন এক্ট ১৯৬৫ হওঁক, বাকী পিছৰ আইনৰ কথাই কওঁক ১৯৪৬ ৰ ফৰেইনাৰচ এক্টৰ কথাই কওঁক , ১৯৩১ যিখিনি নাগৰিকৰ নাম পঞ্জীয়ন কৰা যিখন এক্ট সেইখনৰ কথাই কওঁক গোটেইখিনি কথা অসম চুক্তিৰ লগত জড়িত হৈ আছে। কিন্তু আটাইকেইখন আইনে কেন্দ্ৰীয় চৰকাৰৰ হাতত থকা আইন আৰু আটাইকেইখন আইনে সফল কৰা আৰু সংশোধন কৰা এই গোটেই বিষয়টো আমি বিধান সভাৰ মজিয়াত সমাধান কৰিব নোৱাৰিম। যিটো বস্তু আমি কৰিব নোৱাৰো সেইটো আমাৰ পৰা বা ৰাজ্য চৰকাৰৰ পৰা উত্তৰ বিচাৰিলে বৰ বিশেষ লাভ নহ'ব বুলি মই ভাবো। এইটো পাৰ্লিয়ামেন্টৰ বিষয়, পাৰ্লিয়ামেন্টৰ আইন, আৰু পাৰ্লিয়ামেন্টৰ মজিয়াৰ পৰা ইয়াৰ সমাধান আহিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, প্ৰশ্ন সংখ্যা- ২৪৩

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে অসম চৰকাৰৰ দুগ্ধ

উন্নয়ণ বিভাগৰ অধীনত কিমান সংখ্যক দুগ্ধ প্ৰক্ৰিয়া আৰু প্ৰকল্প অসমত আছে?এইটো কিমান সংখ্যক আছিল উত্তৰটো মই নাপালো। কিন্তু তাৰ ভিতৰত কিমান কাৰ্য্যক্ষম হৈ আছে? আমাৰ ৮ টা ঠাইত operational বুলি দেখাইছে আৰু ২ টা ঠাইত non-operational আৰু ৩ টা ঠাইতunder construction. এতিয়া কথা হৈছে যে ইয়াত নগাওঁ operational বুলি লিখা আছে। কিন্তু মই জনাত প্ৰায় দুবছৰ হৈ গ'ল য'ত কলং-কপিলী নামৰ এটা ব্ৰেণ্ড গৈ গাখীৰ, ক্ৰীম, ঘিউ বা পনীৰ এইবিলাক তৈয়াৰ কৰিছিল আৰু নগাওঁৰ চাহিদাটো পূৰণ হৈছিল। আজি দুবছৰ ধৰি কলং-কপিলী নামৰ ব্ৰেণ্ডটো বন্ধ হৈ আছে। য'ত আমাৰ সীতাজখলাই হওঁক বা মাননীয় বিধায়ক পদ্ম হাজৰিকা ডঙৰীয়াৰ নেতৃত্বত কন্যকা এই ধৰণৰ ব্ৰেণ্ড দুখন নগাওঁত চলিছিল। দুবছৰ ধৰি বন্ধ হৈ আছে। ইয়াত কিন্তু operational list ত আছে। যিহেতু এইটো বন্ধ হৈ আছে গতিকে কেতিয়াৰ পৰা এইটো operational হ'ব, ইয়াৰ বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত তেখেতে কৈছে যে আমাৰ যি কেইটা ইতিমধ্যে Milk Processing Unit আছে, তাৰে Milk Processing Unit তেজপুৰ আৰু শিলচৰতো অকাৰ্য্যক্ষম হৈ আছে। বাকীকেইটাৰ ক্ষেত্ৰত আমাৰ নগাওঁৰ যিটো বেবেজীয়াত আছে সেইটো বন্ধ হৈ আছে। ইয়াত বেবেজীয়াৰ বিষয়টো ইতিমধ্যে আমি নগাঁওত যিখন Milk Union আছে তাৰ লগত ৪০ খন সৰু সৰু প্ৰাথমিক দুগ্ধ উন্নয়ন সমিতি আছে। সেই দুগ্ধ উন্নয়ন সমিতিৰ ফালৰ পৰা এটা কথা তেখেত সকলে প্ৰস্তাৱ দিছিল। সেই প্ৰস্তাৱটো দিছিল National Programme for Dairy Development (NPDD) ৰ ওপৰত। দিয়াৰ ক্ষেত্ৰত তেতিয়া এটা কথা ঠিক হ'ল যে বিভাগে আন এটা প্ৰকল্পৰ কথা নগাওঁত দিছিল। গতিকে দিল্লীত ঠিক কৰিলে যে ইয়াত নতুন প্ৰকল্পৰ প্ৰয়োজন নাই। নগাওঁৰ যিটো দুগ্ধ উন্নয়ণ প্ৰকল্প আছে সেইটোকে শক্তিশালী কৰিব। তাৰ কাৰণে যিটো প্ৰস্তাৱ এই প্ৰস্তাৱ ইতিমধ্যে বহুখিনি আগবাঢ়িছে। আমাৰ যিখিনি বিভাগ L R, Co-operation আৰু P&D এই গোটেইখিনিয়ে পাৰ কৰি এতিয়া বিত্তবিভাগৰ Economic Affairs বিভাগত আছে। তেওঁলোকেও অতি সোনকালে চিগ্‌নেল হৈ যাব বুলি দিছেই। তেওঁলোকৰ পৰা অহাৰ লগে লগে চীফ চেক্ৰেটাৰীলৈ ফাইলটো আহিব আৰু নতুন ধৰণে শক্তিশালী কৰিবৰ কাৰণে পৰ্য্যায়টো আমি পাম। গতিকে মাননীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই যিখিনি কথা কৈছে তেখেতৰ সেই বিষয়টো এনেধৰণে সমাধান হোৱাৰ ফালে আগবাঢ়িছে। এমাহ মানৰ ভিতৰত আমি নিশ্চয় ভাল খবৰ পাম।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা পৰিপূৰক প্ৰশ্ন আছিল যে ২০০৮ চনতে NBDD যিটো আমাৰ Dairy Development Board, ৰামূল, আসাম মিল্ক ইণ্ডিয়া লিমিটেড আৰু অসম চৰকাৰৰ মাজত এখন ত্ৰিপাক্ষিক চুক্তি হৈছিল। এই চুক্তিৰ কাৰণটো আছিল যে অসমত যাতে দুগ্ধ উৎপাদনৰ ক্ষেত্ৰখন সংগঠিত কৰি উন্নয়ন কৰিব পাৰি। গতিকে ২০০৮ চনৰ পৰা কিমান শতাংশ দুগ্ধ পালকক সংগঠিত কৰিলে আৰু তেওঁলোকৰ ৰামূলৰ পৰা আজি কিমান কেপাচিটিৰ গাখীৰ স্থানীয় গ্ৰুপৰ পৰা ক্ৰয় কৰিছে আৰু কিমান শতংশ বাহিৰৰ পৰা আহিছে? এই বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আৰু দুই এটা কথা তাত যোগ দি

মই ক'বলৈ বিচাৰিছো। এতিয়া হৈছে কি অসমত আজিৰ দিনটোত গাখীৰৰ চাহিদা হৈছে ২৫৮৮ মিলিয়ন লিটাৰ আৰু আমাৰ ইয়াত প্ৰডাকশ্যন হৈছে ৯৭০ মিলিয়ন লিটাৰ। এতিয়া আমি এইখিনি যদি চাওঁ১৬১৮ মিলিয়ন লিটাৰ আমাৰ ডেফিচিট আছে। এই গোটেই কথাখিনি আমি বজাৰত যদি চাওঁ সংগঠিত ৰূপত মাত্ৰ ৫ শতাংশ আছে আৰু বাকীবিলাক অসংগঠিত ৰূপত আছে প্ৰায় ৯৫ শতাংশ। গতিকে এতিয়া আমাৰ ইয়াত Co-Operative কৰি এই গোটেইবিলাক সংগঠিত ৰূপত আনিবলৈ ঠিক কৰা হৈছে আৰু সংগঠিত ৰূপত আনি গাখীৰৰ চাহিদা বৃদ্ধি কৰাৰ কাৰণে এইবাৰ বাজেটত কেইবাটাও কথা আহিছে। সকলোৱে শুনিছে মই আকৌ ক'ব বিচৰা নাই। গতিকে এইখিনি নতুন উদ্যোগ হিচাপে দুগ্ধ ক্ষেত্ৰখনত লোৱা হৈছে। এই ক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় চৰকাৰে যিটো কথা কৈছে ৰামূল ইয়াৰ মাজত যিখন চুক্তি হৈছে এই বিষয়টো সমবায় বিভাগৰ আওঁতাত পৰে। ইয়াৰ লগতে ভেটেনাৰী ডিপাৰ্টণ্টেটো এই বিভাগৰ লগত জড়িত হৈ থকা নাই। এইটো Co-Operative বিভাগে কৰিব আৰু Co-Operative বিভাগে কমিটি গঠন কৰিব। গতিকে এই বিষয়টো Co-Operative বিভাগৰ লগত আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়া।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডিব্ৰুগড় আৰু লাহোৱাল সমষ্টিৰ সীমামূৰীয়া অঞ্চলত আমাৰ এটা Milk Plant আছে। ইয়াত প্ৰায় ২০০০ লিটাৰ আজিৰ ডেটত তাক বৰ্দ্ধিত কৰি প্ৰায় ৩,৫০০ লিটাৰ গাখীৰ তৈয়াৰ হয় আৰু ডিব্ৰুগড় চহৰত বিশেষকৈ এইখিনি প্ৰায় ৫ হাজাৰতকৈ বেছি উপভোক্তাই এই গাখীৰখিনি পোৱাৰ ব্যৱস্থা কৰা হয়। কিন্তু এতিয়া এইটো অতি জৰাজীৰ্ণ অৱস্থাত আছে আৰু সঁচা কথা ক'বলৈ হ'লে এইখন ৰাম ভৰসাত চলি আছে। আমাৰ লাহোৱালৰ বিধায়ক আৰু মই নিজেও যথেষ্ট কষ্ট কৰি এই গাখীৰখিনি চলাই আনি ৰাইজক দিয়াৰ ব্যৱস্থা এটা কৰি থকা হৈছে। এতিয়া মই এটা গুৰুত্বপূৰ্ণ কথা ইয়াত উত্থাপন কৰিব বিচাৰিছো যে আমাৰ চৰকাৰে আগন্তুক দিনত Milk ATM দিয়াৰ ব্যৱস্থা কৰিব পাৰিব নেকি? কাৰণ Milk ATM হ'লে ৰাইজৰ খুব ভাল হ'ব। মোৰ সমষ্টিত ৫ টা Milk ATM আছে। মই যথেষ্ট সফল হৈছো। এই ব্যৱস্থাটো কৰাৰ কিবা আঁচনি চৰকাৰে ল'ব নেকি?। যিহেতু আজি কৃষিমন্ত্ৰী নাই আমাৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই উত্তৰটো দিলে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী মহোদয়, একেলগে আপুনি দুইজনৰ চাপলিমেণ্টৰীটো কৈ দিয়ক।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাখীৰৰ যিটো বিষয় আজি ইয়াত আলোচনা হৈছে আৰু মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে এইটো আচলতে স্ব-নিৰ্ভৰশীল হ'বলৈ হ'লে এই দুগ্ধ বিপ্লৱটোক আমি সঠিক পৰিকল্পনাৰে আগুৱাই নিয়াৰ প্ৰয়োজন আছে। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। কিন্তু আমি যদি চাওঁ যে ২০০৮ চনত NPDD ক সেই সময়ত গাখীৰৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে অসমৰ দায়িত্ব দিয়া হৈছিল আৰু অসমখন তিনিটা ভাগত ভগাই লৈছে। কামূল, ৰামূল আৰু ইমূল। এতিয়া ৰামূলটো আমাৰ নগাওঁকে ধৰি এইকেইখন জিলাত চলি আছে। ইমূল আৰু কামূল এইকেইটা পাৰ্টত কিন্তু দুগ্ধ উৎপাদনৰ কাৰণে সংগঠিত ৰূপত কোনো কাম হোৱা নাই। আমাৰ যিটো ৯৫ শতাংশ unorganise গো-পালক আছে, তেওঁলোকক সংগঠিত কৰিবলৈ যি কো-অপাৰেটিভৰ ব্যৱস্থা মন্ত্ৰী ডাঙৰীয়াই কৈছে সেই কো-অপাৰেটিভ Registration ৰ যিটো ডাইৰী ডিপাৰ্টমেণ্টৰ হাতত তেওঁলোকৰ অথ'ৰিটিটো আছিল সেইটো Co-operative এ নিজৰ হাতলৈ লৈ গুচি গ'ল। তাৰ কাৰণে সংগঠিত কৰাৰ ক্ষেত্ৰত ডাইৰী ডিপাৰ্টমেণ্টে যি খিনি পৰিকল্পনা হাতত লৈছে এই বিপ্লৱটো আচলতে সঠিকভাৱে আগুৱাই লৈ

যোৱা নাই। NDDB চেপ্তেম্বৰ মাহত তেওঁলোকৰ ম্যাদ আচলতে শেষ হৈ গ'ল। এতিয়া তেওঁলোকক আকৌ দিয়াৰ সিদ্ধান্ত লৈছে। কিন্তু যিখন বোৰ্ড, সেই বোৰ্ড খনত কিন্তু অসমৰ এজনো ডাইৰেক্টৰ নাই। গতিকে অসমৰ ড্ইৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰামূল যেনেকৈ কাৰ্য্যক্ষম হৈ আছে ঠিক তেনেকৈ শোণিতপুৰৰ পৰা ধেমাজি, লখিমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাটলৈকে এই গোটেই অঞ্চলটো un-organize হৈ আছে, তাত ইমূলটো কাৰ্য্যক্ষম হৈ থকা নাই। অথচ আমাৰ কেন্দ্ৰীয় চৰকাৰৰ ৪২ কোটি টকা ইমূলৰ নামত আছে। গতিকে, এইটো কাৰ্য্যক্ষম কৰিবৰ বাবে আমাৰ প্ৰশান্ত ফুকন ডাঙৰীয়াই যিটো কথা কৈছে, তেনেকৈ তেজপুৰতো আছে। আমাৰ যিবোৰ Dairy Farm আছে, সকলোবোৰ আচলতে Dead Farm হৈ আছে। সেইখিনি সক্ৰিয় কৰি সংগঠিত ৰূপত কৰিবৰ কাৰণে NDDB ৰ Board of Directors ত আমাৰ ৰাজ্যখনৰ মানুহ থকাৰ ব্যৱস্থা কৰিব লাগে আৰু এই বিপ্লৱটো তৰান্বিত কৰি কাম কৰাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়, দুয়োগৰাকী সদস্যৰ উত্তৰটো একেলগে দিব।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আমাৰ মাননীয় সদস্য প্ৰশান্ত ফুকন ডাঙৰীয়াৰ উত্তৰটো দিছো। তেখেতে লাহোৱালৰ যিটো কথা ক'লে, সেইটো Town Milk Supply Scheme, Lahowal, Dibrugarh বুলি আছে। তেখেতে ইতিমধ্যে ইয়াৰ গোটেই কথাখিনি কৈছেই। ইয়াৰ capacity বঢ়াবলগীয়া হৈ আছে। লাহোৱালৰ এইটো আঁচনিত আগতে ২০০০ ৰ capacity আছিল আৰু সেই capacity বঢ়াবৰ বাবে RIDF XXV ৰ অধীনত ইয়াক strengthening কৰাৰ পৰিকল্পনা কৰি থকা হৈছে। গতিকে, সদস্যগৰাকীয়ে আশা কৰা ধৰণে অতি সোনকালে ইয়াৰ strengthening হ'ব।

আনহাতে, মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই যিকেইটা কথা দাঙি ধৰিছে, সেইকেইটা প্ৰকৃততে খুব প্ৰয়োজনীয় কথা যে আমাৰ যিটো দুগ্ধ বিপ্লৱ আছে, সেই ক্ষেত্ৰত যথেষ্টখিনি সুবিধা আছে আৰু যথেষ্ট সুবিধা আহিছেও, কেৱল তাৰ প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰে। এই দুগ্ধ সমবায় বিলাকৰ আমাৰ সমবায় বিভাগৰ লগত চুক্তি হৈছে। আচলতে, ইয়াৰ লগত জড়িত থাকিবলগীয়া বিভাগটো হৈছে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অধীনস্থ দুগ্ধ বিভাগ। সেয়েহে, আজি এই বিষয়টোত পৰামৰ্শ আহিছে। কিন্তু, মই যিহেতু বিভাগীয় মন্ত্ৰী নহয়, গতিকে কথাটো মই সেই ধৰণে কৈ দিয়াটো উচিত নহ'ব। সদনৰ মজিয়াৰ আপোনালোকৰ এই বাৰ্তাটো মই বিভাগক দিম যাতে তেওঁলোকে এই ধৰণে আগবাঢ়িব পাৰে, এইখিনি মই দায়িত্ব লৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছেই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সততে কৈ থাকে যে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত এখন অসমকো কৰিব লাগিব বা 'আত্মনিৰ্ভৰশীল অসম' কৰিব লাগিব। এই ক্ষেত্ৰখনত অসমত যদি সঁচাকৈয়ে আগুৱাই নিব লাগে তেন্তে কিছু ক্ষেত্ৰত আমি গুৰুত্ব দিব লাগিব আৰু তাৰ ভিতৰত উল্লেখযোগ্য ক্ষেত্ৰখন হ'ল পশুপালন বিভাগ। আজি মোৰ Unstarred Question এটাত বিভাগে উত্তৰ দিছে যে অসমত দৈনিক গড়ে ৪.৬৭ মিলিয়ন লিটাৰ গাখীৰ উৎপাদন হয় আৰু অসমত দৈনিক গড়ে ৭.০৯ মিলিয়ন লিটাৰ গাখীৰৰ প্ৰয়োজন হয়। অৰ্থাৎ অসমত যিমান গাখীৰৰ প্ৰয়োজন হয় তাতকৈ উৎপাদন কম হয়। কিন্তু, যোৱা সময়ছোৱাত দেখিবলৈ পাইছো যে বিভিন্ন গো-পালক সকলে গাখীৰ বিক্ৰী কৰিবলৈ বজাৰ নাপাই মুকলিকৈ পেলাই

দিছে। অথচ, যি সময়ত গো-পালকসকলে গাখীৰ পেলাই দিছে, সেই সময়ত বাহিৰৰ পৰা গাখীৰ অসমত আনিবলগীয়া হৈছে। গতিকে, এই ক্ষেত্ৰত আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ হৈ যিহেতু স্বাস্থ্য মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে, গতিকে, তেওঁৰ পৰা জানিব বিচাৰিছো যে পৰৱৰ্তী সময়ত আত্ম-নিৰ্ভৰশীল অসম কৰাৰ ক্ষেত্ৰত এই বিভাগটোক পুনৰুজ্জীৱিত কৰাৰ বাবে তথা গো-পালকসকলক লাভান্বিত কৰাৰ বাবে আৰু অসমত উৎপাদিত গাখীৰৰ যি চাহিদা হয়, সেই চাহিদা পূৰণ কৰাৰ বাবে বিভাগে কি কি ব্যৱস্থা হাতত লৈছে আৰু ল'ব?

**माननीय অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে গাখীৰ পেলাই দিয়া সম্পৰ্কত যিখিনি কথা কৈছে, সেইয়া যোৱা বছৰৰ লকডাউনৰ সময়ত দোকান-বজাৰ বন্ধ হোৱাৰ ফলত গাখীৰ উৎপাদকসকলে গাখীৰ বিক্ৰী কৰাত অলপ অসুবিধাত পৰিছিল। কিন্তু, এইবাৰ লকডাউন হোৱা নাই যদিও, containment zone হোৱাৰ পিছত এনেধৰণৰ ঘটনা হোৱা নাই। আজি সন্মানীয় সদস্যগৰাকীয়ে যি পৰামৰ্শ দিছে তাৰ বাবে গৰুৱেই নহয়, গৰু, ম'হ, সকলোখিনি বেলেগ বেলেগ ধৰণে ইয়াত আনি চৰকাৰে এইবাৰ বাজেটত নতুন নতুন প্ৰকল্প লোৱাৰ কথা ঠিক কৰিছে। ইয়াৰ লগতে সংগঠিত ব্যৱস্থাটোৰো প্ৰয়োজন হৈছে। এই সংগঠিত ব্যৱস্থাটো উৎপাদন আৰু মাৰ্কেটিং, দুয়ো ক্ষেত্ৰতে লাগিব আৰু ইয়াৰ বাবে চৰকাৰে ইতিমধ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। মই আশা কৰিছো, এই বাজেটৰ পিছৰ পৰা দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত এক সু-সংগঠিত ব্যৱস্থাৰে আগবাঢ়িব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ২৪৪। মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মীন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অতুল বৰা, (দিছপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা ইমান দীঘলীয়া উত্তৰ বিচৰা নাছিলো। মই মীন বিপ্লৱৰ কথা কোৱা নাছিলো। নীল বিপ্লৱৰ কথাহে বিশেষকৈ উপস্থাপন কৰিছিলো। কিন্তু, সচিবালয়ৰ কোনোবাই হয়তো নীল বিপ্লৱক মীন বিপ্লৱ হিচাপে লিখি দিয়াৰ পিছত মন্ত্ৰী মহোদয়ে দীঘলীয়াকৈ উত্তৰ দিবলগীয়া হৈছে। গতিকে, মোক ইমান উত্তৰ নালাগে। মই কেৱল জানিব বিচাৰিছো যে নীল বিপ্লৱৰ নামত কিবা অঘটন বা কেলেংকাৰী হৈছে নেকি? পুখুৰী নখন্দাকৈয়ে পুখুৰী খন্দা বুলি কৈ টকা উলিয়াই নিছে নেকি, তাৰ উত্তৰ দিয়ক। উত্তৰত মন্ত্ৰী মহোদয়ে এনে নাই হোৱা বুলি কৈছে, কিন্তু মই হোৱা বুলি কৈছো আৰু তাৰ বাবে মই ১২ ডিচেম্বৰ, ২০২০ চনৰ অসমীয়া প্ৰতিদিনৰ বাতৰি এটা দাঙি ধৰিব বিচাৰিছো- *'মহাগাণনিকৰ প্ৰতিবেদন উদঙালে নীল বিপ্লৱৰ ভেকো-ভাওনা, ৩৮৪ টা পুখুৰী নখন্দাকৈয়ে বিষয়া-ঠিকাদাৰে ভগাই খালে ৭৭ কোটি টকা। ৯ খন জিলা ভ্ৰমণ কৰি AG য়ে বিচাৰি নাপালে এটাও পুখুৰী'*। তেখেতে মোক এই সন্দৰ্ভতহে উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মীন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদস্য অতুল বৰা ডাঙৰীয়াই কৈছে যে তেওঁ মীন বিপ্লৱৰ ওপৰত প্ৰশ্ন কৰা নাছিল। কিন্তু, মই গোটেই প্ৰশ্নকেইটা যদি পঢ়ি দিওঁ, তেতিয়া আপুনি গম পাব যে তেওঁ কি বিচাৰিছে আৰু মই কি দিছো। তেওঁৰ প্ৰথমটো প্ৰশ্ন আছিল- 'চৰকাৰে ২০১৬ চনৰ পৰা আজি পৰ্যন্ত অসমত কিমান পুখুৰী খন্দাৰ আঁচনি গ্ৰহণ কৰিছিল? জিলা কেইখনৰ নাম জনাব।' অধ্যক্ষ মহোদয়, পুখুৰী খন্দাৰ কাম বিভিন্ন শিতান, যেনে- SOPD, RIDF, Blue Revolution আদিৰ জৰিয়তে হয়। এই গোটেইখিনি কথা উল্লেখ নকৰিলে

আমি উত্তৰটো কেনেদৰে দিম ? বাকী কথাখিনি যেনে মীন বিপ্লৱ আঁচনিৰ জৰিয়তে ২০১৬ চনৰ পৰা আজি পৰ্য্যন্ত কিমান পুখুৰী খন্দা হ'ল ? এই ক্ষেত্ৰত ২০১৬ চনৰ পৰা আজিলৈকে মীন বিপ্লৱৰ কথা ক'বই লাগিব। গতিকে মই ভাৱো আমাৰ বিভাগে কোনোপধ্যেই মনেসজা উত্তৰ দিয়া নাই। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত AG ৰ para ৰ ক্ষেত্ৰত মই আপোনাক কব পাৰো ইয়াতে মীন বিপ্লৱত কোনো বিষয়া, ঠিকাদাৰ নিয়োগ হোৱাই নাই চাৰ। কাৰণ আপোনালোক জ্ঞাত আছে, আমাৰ চৰকাৰ অহাৰ পাছত সদন সাক্ষী আছে। আমি প্ৰতিজন মাননীয় বিধায়কলৈ চিঠি দিছিলো যে 'ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ' আমি এটা কাৰ্য্যসূচী লৈছিলো এইটো যাতে কৃতকাৰ্য্য কৰিব পৰা যায়, তাৰ কাৰণে আপোনালোকে হিতাধিকাৰীৰ নাম খিনি বাঁচনি কৰি দিয়ক। মাননীয় বিধায়ক সকলৰ পৰা হিতাধিকাৰীৰ নাম বাঁচনি হৈ আহিল। উপায়ুক্তক সভাপতি হিচাপে লৈ কমিটি এখন কৰি দিয়া হল। কমিটিৰ ফালৰ পৰা লিষ্টখন দিয়া হল। দিয়াৰ পাছত পুখুৰী খন্দাৰ কাম আৰম্ভ কৰা হল। আজিৰ দিনত আপোনালোকক কব পাৰো হয়, AG ৰ এটা para আছে, ইয়াতে উত্তৰত মই কৈছো যে পুখুৰী নখন্দাকৈ ধন উলিয়াই নিয়া কোনো তথ্য চৰকাৰৰ হাতত নাই। আনকি বিয়াগম দুৰ্নীতি হোৱাৰ তথ্যও চৰকাৰ হাতত নাই । কথাটো খাতাং যে নাই। আৰু মীন বিপ্লৱৰ সম্পৰ্কত আৰু AG ৰ প্ৰতিবেদনৰ সম্পৰ্কত চৰকাৰ জ্ঞাত। হয়, AG য়ে যি প্ৰতিবেদন দিলে, সেই প্ৰতিবেদনত তেওঁলোকে চাৰিটা পইন্ট দিছিল, ইয়াতে কৈছে specified side created under the scheme SOPD, no existence of pond at specified side. চাৰ কথাটো এনেকুৱা আৰু সদনও সাক্ষী আছে। ইয়াত ৰাজহ মন্ত্ৰী বহি আছে । ৰাজহ মন্ত্ৰীৰ জৰিয়তে allotment and settlement প্ৰায় ৩ লাখ ৩০ হাজাৰ দিয়া হৈছে। তাৰ আগতে বহুখিনি ৰাইজে যেতিয়া আবেদন কৰে, তেওঁৰ দাগ, পট্টা আদিৰ নম্বৰ দি দিয়ে। কিন্তু স্থানীয় ঠাইতগৈ কেতিয়াবা এই দাগ, পট্টাৰ মিল থকা দেখা নায়ায়। সেই কাৰণে যেতিয়া এনেকুৱা ধৰণৰ কথা হল আমি AG ক জনালোঁ। AG আহি যেতিয়া ফিল্ড ভেৰিফিকেচনত গৈছে তেতিয়া আমাৰ DO ক জনোৱা নাই। তেওঁ চাৰ্কোল অফিচাৰক লৈ কিছুমান ঠাইত দেখিলে যে specified ঠাইত নাই, হয়তো ৫ নম্বৰ পট্টাত নাই, ৬ নম্বৰ পট্টাত পোৱা গৈছে। এইটোৰ এটা কাৰণ আছে চাৰ, যেতিয়া আমাৰ বিধায়ক সকলে কলে তেতিয়া হিতাধিকাৰী লিখি দিলে যে আমাৰ ইমান পট্টা নম্বৰ ।practically এই পট্টা নম্বৰ টো যদি authentic হব লাগে তেতিয়া পাটোৱাৰীৰ তাত যাব লাগে, পাটোৱাৰীয়ে certified কৰি দিব লাগে। এটা পুখুৰী খন্দাৰ কাৰণে হিতাধিকাৰী আমি বাচনি কৰিছো কমিটিৰ জৰিয়তে, তেওঁলোকে ইমানখিনি হয়তো দেখা নাই। এনেকুৱা ধৰণৰ খেলিমেলি হৈছে । পুখুৰী খন্দাৰ কাম হৈছে, কোনো ঠাইত হয়টো দাগ পট্টাৰ অসুবিধা হৈছে। সেইটোক লৈ আমি AG ক লিখিলো এতিয়া AG agree কৰিছে যে হয়, আমাৰ হিতাধিকাৰীকলৈ ক'ত পুখুৰীটো খান্দিছে আৰু এনেকুৱা ধৰণৰ কথা খুব বেছি ৩ শতাংশ মানহে হব। আমাৰ ইয়াতে যিখিনি টকা দিছো গোটেই খিনি টকা ডিভিডি ব্যৱস্থাত গৈছে, হিতাধিকাৰীৰ হাতত গৈছে, ৰিভলভিং ফাণ্ড in an arround ২০ হাজাৰ দিলো। বাকী টকা second and third phase ত যাব।যিবিলাক মানুহে পুখুৰী খন্দা নাই তেতিয়া হলে ৰিভলভিং ফাণ্ডৰ সেই ২০ হাজাৰ টকা তেওঁৰ হাতত আছে। এনেকুৱা দুই-চাৰিৰ পৰা তথ্য আহিছে। কিন্তু কথাটো হৈছে ক'ভিড ১৯ সংক্ৰমন হৈ থকা কাৰণে তেওঁলোকে এটা কাৰণ দেখাইছে যে শ্ৰমিক লগাব পৰা নাই, কিন্তু আমি কামখিনি কৰিলো। প্ৰথম ফাণ্ডটোহে দিয়া হৈছে, দ্বিতীয়া ফাণ্ড এতিয়ালৈকে আমি দিয়াই নাই এতিয়ালৈকে। এই ক্ষেত্ৰত মই ভাবো যে আমাৰ মাননীয় সদস্য মহোদয়ে গোটেই খিনি কথা

জানিব।

মাননীয় অধ্যক্ষ ঃ এতিয়া second supplementary.

**শ্ৰীঅতুল বৰা (দিশপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে কি প্ৰশ্নটোত মীন বিপ্লৱ বুলি দিছে, মই মীনটো ব্যৱহাৰ কৰা নাই, মই নীল বিপ্লৱ বুলি দিছিলো, বিভাগত মীন লগাইদিছে। মই নীলতে থাকিব খুজিছিলো আৰু মই এই নীল বিপ্লৱৰ কথাহে কৈছো। ইয়াত যিটো লৈছে মই অতুল বৰাই এইখিনি কোৱা নাই নহয়, কাৰো বিৰুদ্ধে মই allegation দিয়া নাই নহয়। এইটো হৈছে মহাগাণনিক ৰ পৰা অহা allegation। তাৰ পিছত ৭দিন মই বাতৰি কাকত পঢ়িলো আৰু ৭ দিনৰ পিছতো তেওঁলোকে স্পষ্টীকৰণ দিয়া নাই। মই কৈ আছো যে তেখেতে যিখিনি দিছে, সেইখিনি লৈ মই যোৱা নাই, সোধা নাই। মই এই বিষয়ত তেখেতক প্ৰশ্ন কৰিছিলো যে 'ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ'। মইকৈছে ঘৰে ঘৰে মাছৰ দোকান। ঘৰে ঘৰে অৰুণাচলী মদ বুলি কৈছিলো। এতিয়া আপুনিও চাব কিছুমান পুখুৰীত মাছ নাই। পুখুৰী বিলাকত মদৰ বটলহে পাব। আপোনালোকে দৰকাৰ হলে পৰীক্ষা কৰক।

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰশ্ন কৰক । যিহেতু এইটো প্ৰশ্নোত্তৰ কাল।

**শ্ৰী অতুল বৰা (দিশপুৰ)** ঃ ইয়াত মাত্ৰ এটা কথা মহাগাণনিকৰ প্ৰতিবেদলে উদঙালে নীল বিপ্লৱ । এইটো নীল নে (Nil) । এই খিনিয়ে মোৰ ক'বলগীয়া ।

**মাননীয় অধ্যক্ষঃ** ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নীল বিপ্লৱৰ কথা চলি আছে।

**মাননীয় অধ্যক্ষঃ** নীল বিপ্লৱ নহয়, মীন বিপ্লৱহে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত নীল বিপ্লৱ দিছে। সঁচাকৈ অসমত প্ৰত্যেক ঘৰে ঘৰে প্ৰত্যেকজন মানুহে মাছ ব্যৱহাৰ কৰো। বাহিৰৰ পৰা অহা মাছৰ দ্বাৰা আমাৰ চাহিদাখিনি পূৰণ হয়। অধ্যক্ষ মহোদয়, বিপ্লৱ হলে বিভাগৰ যি বিষয়া সকল আছে, মন্ত্ৰী মহোদয়ক মই নকওঁ, তেখেতৰ বহুত দায়িত্ব আছে। ক'ৰনাৰ বিৰুদ্ধে বিপ্লৱ চলিছে, মন্ত্ৰী মহোদয় প্ৰত্যেক গাওঁত আৰু প্ৰত্যেক চাব-ডিভিজনত গৈছে। বানপানীৰ বিৰুদ্ধে বিপ্লৱ চলিছে, মন্ত্ৰী মহোদয়ে গোটেই অসমত ঘূৰিছে। মীন বিপ্লৱ ইমান গুৰুত্বপূৰ্ণ আমাৰ খেতিয়ক সকল গৰীৱ মানুহ পুখুৰী হব লাগে আমাৰ চাহিদা। এই বিপ্লৱ কিন্তু আমি দেখা নাই। ওপৰৰ পৰা আৰম্ভ কৰি মই মন্ত্ৰী মহোদয়ক নকওঁ যে, তেখেত ঘৰে ঘৰে যাব লাগে। Sub-Division যাব লাগে বিষয়া সকল গৈ কিবা পৰামৰ্শ দিছে নে কিবা কৰিছে। তেওঁলোকে নিজে পুখুৰী খান্দি নিজে পুখুৰীত মাছ দিছে। কিন্তু প্ৰত্যেক বাৰে মাছবোৰ বানপানীত উটি যায়। ইয়াৰ পিছত সেই সকলক সহায় কৰা বিশেষ বিপ্লৱ আমি মাননীয় অধ্যক্ষ মহোদয় আমি দেখা নাই। পুখুৰী বিলাক খান্দি individually হিচাপ বহুত দিছে। পুৰণি বিলাকত ৰং চং সানি ৰিপোৰ্ট দি পইচা উলিয়াই আনে নে কি কৰে। বিপ্লৱ হলে বিপ্লৱৰ নিচিনা গোটেই অসমে দেখিব লাগিব আৰু পুখুৰীৰ যিসকল মালিক তেওঁলোকে সকলো সুবিধা পাব লাগিব। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কি positive পদেক্ষপ লব সেইটো তেখেতৰ পৰা জানিব বিচাৰিছো। উত্তৰটো একেলগে দিব।

**মাননীয় অধ্যক্ষঃ** উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ অধ্যক্ষ মহোদয়, একেলগে দিব চাৰ। মীন বিপ্লৱ আমাৰ যিটো মীন উন্নয়ন নিগম আছে, এই নিগমৰ ১৫৮ টা বিল আছে। এই নিগমৰ মীন উৎপাদনৰ যি ব্যৱস্থা, এইটো তাৰ পৰাই বৃদ্ধি হয়। কিন্তু ইমান দুৰ্নীতিত নিমজ্জিত হৈছে। যিসকল বিষয়া কৰ্মচাৰী

নিযুক্তি দিব লাগে, সেই নিযুক্তি খিনি কোনো ধৰণৰ পেপাৰত বিজ্ঞাপন নিদিয়াকৈ পিছ দুৱাৰেদি নিযুক্তি দিয়া । এই বিষয়টোৰ সম্পৰ্কত মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো, যিহেতু এটা মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন অৱসৰ প্ৰাপ্ত ন্যায়ধীশৰ দ্বাৰা তদন্ত হব লাগে। এতিয়া যিখিনি নিযুক্তি দিছে ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ত ডাঙৰীয়াই কৈছে যে বিপ্লৱ দেখা পোৱা নাই। কিন্তু আপুনি জানিলে আপোনাৰ ভাল লাগিব যে আমি যেতিয়া দায়িত্ব ল'লো, ২০১৬ চনৰ পাছতে চৰকাৰে, তেতিয়া আমাৰ উৎপাদন ৩ লাখ মেট্ৰিকটনৰ তলত আছিল। আজিৰ দিনত এই যে বিভিন্ন শিতানৰ জৰিয়তে কাম কৰিছে, এই কামেই ৩.৯৩ লাখ মেট্ৰিকটন উৎপাদন কৰিছে।

(গণ্ডগোল)

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীক উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত, আমি যি সকলে কাম কৰিছো RIDF ৰ জৰিয়তে low revolution ৰ জৰিয়তে ঠিক তেনেকৈ RKVY ৰ জৰিয়তে এই কামখিনিটো হৈছে। নহ'লে মাছৰ উৎপাদন কেনেকৈ বাঢ়িলে। আপোনালোকে কওঁকচোন?

**(গণ্ডোগোল))**

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মানুহে নিজে নিজে পুখুৰী খান্দে।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** আপুনিতো পিছত অহা নেতা হয়।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** বহকচোন ইমান point of order আছে এটাৰ পিছত এটা।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে গ্ৰামোন্নয়ন মন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয় জানিব বিচাৰিছিলো বিধান সভাৰ পৰিক্ৰমাৰ ভিতৰত মোৰ সমষ্টিৰ jobcard related বিষয় আনিছিলো। অলপমান মন্ত্ৰী মহোদয়ে এই বিষয়ে ক'ব।

**মাননীয় অধ্যক্ষঃ** কোনটো বিষয়ৰ ওপৰত।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ পৰিক্ৰমাৰ ভিতৰতে আনিছিলো। মন্ত্ৰী মহোদয়ে অলপ জনালে সুখী হ'লোহেঁতেন।

**মাননীয় অধ্যক্ষঃ** Rule য়ে নাই। কিবা কথা-বতৰা আছে নেকি দুজনৰ মাজত।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মন্ত্ৰী মহোদয়, অলপটো ক'ব পাৰে। আপোনাৰ সেইদিনা মনত আছে। কথাটো।

**মাননীয় অধ্যক্ষঃ** কোনটো বিষয়ে ক'ব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয়ে ক'ব। Enquiry দিম বুলি কৈছিল।

**মাননীয় অধ্যক্ষঃ** এতিয়া Agenda নাই নহয়।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Agenda নহ'লেতো এযাৰ ক'ব পাৰে। বিধান সভাৰ আছিল।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ কি কথা আছে। মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছু দিন আগতে তেখেতে এটা ব্লকৰ দূৰ্নীতি সন্দৰ্ভত এটা অভিযোগ দিছিল আৰু সেই

অভিযোগটো লিখিত ৰূপত আপোনাক দিছিল আৰু প্ৰত্যুত্তৰত মই কৈছিলো যে, এইটো আমি Enquiry কৰিম বুলি কৈছিলো আৰু তেখেতে সেই enquiry report কথা সুধিছে। ইতিমধ্যে আমি সেই বিষয়টো লৈ enquiry কৰিছো আৰু enquiry কৰাৰ পাছত আমাৰ সেইটো ব্লকৰ যিগৰাকী বি ডি অ' সেই বি ডি অ' গৰাকীক যোৱা পৰহি আমি suspension কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো হৈয়ে থকা কথা। আপোনাৰ কোনটো বিষয়। Point of order কি?

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ওপৰত আলোচনা কৰিছিলো।

**মাননীয় অধ্যক্ষঃ** কোনটো বিষয়ৰ ওপৰত আপুনি বিসংগতি কি দেখিছে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি বিধান সভাত এটা resolution দিল্লীত পঠাব লাগে। কা আমি নামানো।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষঃ** হৈছে বহক।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা starred question no. আছিল 248. ইয়াত যিটো উত্তৰ দিছে ফৰেষ্ট ডিপাৰ্টমেণ্টৰ পৰা, দেখা গৈছে যে, উত্তৰ শুদ্ধ নহয়।

**মাননীয় অধ্যক্ষঃ** শুদ্ধ নহয়, এইটো ঠিক কৰি দিম।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপ ক'ব লাগে এই কাৰণে যে বালিৰ মহলটো অবৈধভাৱে গোৱালপাৰা জিলাৰ উপায়ুক্ত আৰু ডিএফ'ই চলাই আছে যাৰ কাৰণে সদনত উত্তৰ দিয়াৰ পৰা বিৰত আছে।

**মাননীয় অধ্যক্ষঃ** উত্তৰ দি দিব পিছত। বহক, হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা breach of privilege motion আনিছিলো। Now I like to request you inder Rule 161 read my complain of breach of privilege. Sir, subject, notice in writting to make a complain of breach of privilege.

**মাননীয় অধ্যক্ষঃ** মই সেইটো বিষয়ে পাইছো। আপুনি যিটো নটিচ দিছিল। কিন্তু সেই নটিচ দিয়াৰ বিষয়ে ইতিমধ্যে আপুনি raise কৰিছে, আৰু ইতিমধ্যে ইয়াত মই কথা দিছো যে সেই বিষয়ে আমি বিহিত ব্যৱস্থা লম আৰু কিয় তেনেকুৱা হৈছে, সেইটো আমি officially department ৰ পৰা আমি কৈফিয়ৎ টো বিচাৰিম আৰু আহি থকা দিনটোত যাতে তেনেকুৱা ধৰণৰ নকৰে। সেইকাৰণে আজিকালি হাউচৰ intervention আৰু ৰ প্ৰয়োজন নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি সিদ্ধান্ত ল'ব whether it is a breach of privillege or not. কিন্তু under article 161, I can read the statement then the house will decide. I will make a short statement.

**মাননীয় অধ্যক্ষঃ** নিজৰ ফৰামৰ আইনটো চাই থাকিলে কেনেকৈ হ'ব। Speaker favour ত কিমান আইন আছে। এইটো কিমান আছে। মই উত্তৰটো দিলো আৰু আপুনি ইতিমধ্যে যিটো বিষয় আনিছে, মই হাউচত সিদ্ধান্ত দিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা আপুনি just short

statement. মই কেইটামান কথা ক'ব।

**মাননীয় অধ্যক্ষঃ** Statement সেইটোহে, যিটো বিষয়ত আপুনি raise কৰিছে, সেই বিষয়ত আমি ইতিমধ্যে take up কৰিছো। মন্ত্ৰী মহোদয়।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিহেতু কোনোবাই যদি ৰিপ্লাই নিদিয়ে, তেনেহ'লেতো অলপ বিধায়ক জনৰ বা সদস্য জনৰ ক'ৰবাত নহয় ক'ৰবাত অসুবিধা হয়। মই এইটোহে ক'ব খুজিছো ভৱিষ্যতে যাতে কোনো বিষয়াই এনেকৈ নকৰে,আপুনি যাতে এটা Rulling দিয়ে।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী সকলক মই অনুৰোধ জনাইছো, প্ৰশ্নবিলাক যেতিয়া যায় তেতিয়াহ'লে অলমান এই গোটেই বিষয়বিলাক চায়, যাতে যিমান পাৰে correctly উত্তৰবিলাক আহে। এতিয়া বহুতখিনি প্ৰশ্ন তেনেকুৱা আহিছে যে, not related. যি বিভাগক সন্মানীয় সদস্য সকললে প্ৰশ্ন কৰিছিল, এই বিভাগ বিলাকে এই প্ৰশ্নবোৰ আমাৰ লগত relation নাই বুলি উত্তৰ দি দিছে। কিন্তু এতিয়া কিছুমান মইয়ো চাইছো, সেইটো অকনমান confusion হয়। Actually এই বিভাগৰ লগৰ লগত সম্পৰ্ক থকা যেনে হয় আৰু অন্য কোনটো বিভাগৰ অধীনত এইটো বিষয় পৰিব, সেইটো কোনো clear নাই। সেইটোৰ কাৰণে গোটেইখিনি চাই মই সেইটোৰ কাৰণে কৈছো ইয়াৰ বিষয়ে প্ৰত্যেকটো বিভাগৰ পৰা আমি ইয়াৰ কাৰণটো বিচাৰিম আৰু ইয়াৰ পাছত আহি থকা দিনটোত তেনেকুৱা হ'ব নোৱাৰে। বিভাগটো এতিয়া ক'ত পৰিব। Labour Employment ৰ কথা আহি গৈছে। ক'ৰবাত T&T ৰ কথা আহি গৈছে। কিন্তু বিষয়টো T&T ৰে হ'ব লাগে। কিন্তু T&T য়ে এতিয়া কৈছে আমাৰ লগত related নহয়। কিন্তু তেতিয়াহ'লে কাৰ লগত। সেইটো আমিও confusion হৈ আছো। ইয়াত যিহেতু মন্ত্ৰী মহোদয় সকলো আছে, নিজৰ বিভাগত যাতে এই বিষয়ত অলপ এই প্ৰশ্ন যিহেতু হাউচত হৈছে, এই বিষয়ত serious হ'ব লাগে। Further যাতে এনেকুৱা ধৰণৰ নহয়। বাকী যখিনি আমি পাইছো, সেইটো আমি বিভাগলৈ ইয়াৰ ওপৰত আমি বিতং তথ্য বিচাৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rulling ত আমি অত্যন্ত সন্তুষ্ট আৰু মন্ত্ৰী মহোদয়ৰ উত্তৰতো সন্তুষ্ট।

**মাননীয় অধ্যক্ষঃ** Raise কৰিব নালাগে।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পূৰ্বৰ বিধান সভাতো এনেকুৱা হওঁতে আপোনাৰ আসনৰ পৰাই পূৰ্বৰ অধ্যক্ষই Rulling দিছিল। Additional Chief Secretary সকলক এই বিষয়ত যাতে কোনো ভুল ভৱিষ্যতে নহ'বলৈ।

গতিকে এই rulling যোৱাৰ পাছতো এতিয়াটো হৈ আছে। গতিকে আপুনি আৰু এবাৰ Additional Chief Secretary আৰু সকলোকে যাতে কয়, কাৰণ বহু কেইটা প্ৰশ্ন এনেকুৱা হৈছে। মোৰ কেইবাটাও হৈছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো খুৱ ভাল আলোচনা হৈছে। এইটো আমি বিভাগক ক'ব নালাগে। আমাৰ ইয়াত মন্ত্ৰীয়েহে ক'ব। বিভাগক ক'ব নোৱাৰো আৰু এইটো খুৱ ভাল হৈছে যে, চৰকাৰেও কৈছে এটা ভাল healthy discussion হৈছে আচলতে যদি প্ৰশ্ন কৰ্তাই দীঘলীয়া প্ৰশ্ন কৰোতে যদি দুই এটা তেওঁৰ বিভাগত নপৰে, নিয়ম আছে, আমি মন্ত্ৰী থাকোতেও সেই বিভাগটোৰ পৰা প্ৰশ্ন আনি উত্তৰটো দিয়ে। যাতে আপোনাৰ প্ৰশ্ন কালত উত্তৰ যাতে পায়। গতিকে সেই ধৰণৰ ব্যৱস্থা ভাল হ'ব। এটা ভাল আলোচনা এটা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মইও কৈছো, মন্ত্ৰী সকলে বিভাগৰ লগত, কাৰণ মন্ত্ৰীয়েতো নবনায়। এইটো মইও জানো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দায়িত্বটো মন্ত্ৰীৰ। ইয়াত বিভাগটোলৈকে আহি নিদিয়ে। যদি আপোনাৰ কিবা কাৰণত চাৰিটা প্ৰশ্নৰ দুটা যদি নিজৰ বিভাগত নপৰে, তেতিয়া বেলেগ বিভাগৰ পৰা আনি উত্তৰটো দিয়াৰ নিয়ম আছে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মন্ত্ৰী সকলৰ কথা কৈছে ঠিকে আছে, সেইটো আমি মানি লৈছো। বিধায়ক সকলৰ কথা কৈছে, সেইটোও মানি লৈছো। কিন্তু অধ্যক্ষ মহোদয়, এটা বিষয় আমি চাব লাগে যে আমাৰ কিছুমান নতুন বিধায়কে আইন সন্দৰ্ভত বা বিভিন্ন নীতি নিয়মৰ সন্দৰ্ভত অধ্যয়ন নকৰাকৈ বিভিন্ন সময়ত সদনৰ ভিতৰতে হওঁক বা বাহিৰতেই হওঁক, বিভিন্ন মন্তব্য দিলে এটা ভুল বাৰ্তা যায়। আজিৰ পৰা কিছুদিন পূৰ্বে আমাৰ বিধায়ক অখিল গগৈ ডাঙৰীয়াই পঞ্চায়ত সন্দৰ্ভত বাহিৰত এটা বাৰ্তা দিছিল, ভিতৰটো এটা বাৰ্তা দিছিল আমাৰ অসম চৰকাৰে টেক্স আৰোপ কৰা বুলি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টীকৰণ কৰিছে যে কোনো ধৰণৰ নতুন টেক্স আৰোপ কৰা হোৱা নাই। তাৰ পিছতো দিয়া এই বাৰ্তাটো গাঁৱৰ ৰাইজৰ বহুত ক্ষতি কৰিছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ বাহিৰত কথা ওলালে আমি বহুত কথা আনিব পাৰো। আমি সদনৰ বাহিৰৰ নহয়, ভিতৰত কথা কৈ আছে।.....হুলস্থূল....

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াক আমাৰ অসম পঞ্চায়ত আইনৰ নিয়মাৱলীখন আপোনাৰ জৰিয়তে প্ৰদান কৰিছো। তেওঁ যাতে কিতাপখন পঢ়ি চায়।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে তেনেকে আপোনাক দিব নোৱাৰে। নিয়ম অনুযায়ী মন্ত্ৰীয়ে তেওঁৰ কৰ্মচাৰী হতুৱাই দিব পাৰে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইক্ষেত্ৰত ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ মহোদয়** ঃ এইটো আলোচনা নহয়। এটা গুৰুত্বপূৰ্ণ বিষয়। আপুনি ক'ব নালাগে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে মোৰ নামটো যিহেতু আনিছে, মোক অলপ ক'বলৈ সুযোগ দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ বহক, আপুনি ক'ব নালাগে। এটা নিয়মানুৱৰ্তিতা আমাৰ থাকিব লাগে। বিৰোধী দলপতি ডাঙৰীয়াই ক'লে, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'লে। এতিয়া দুটাকৈ মঞ্জুৰী সকলোকে দিয়া আছে। BAC ত আমি দুটা মঞ্জুৰী বাচি লৈছিলো। এটা হ'ল ৬৪- পথ আৰু দলঙত। মঞ্জুৰী নং ৩৯- সামাজিক নিৰাপত্তা, কল্যাণ আৰু পোষণ। এতিয়া প্ৰথমে মঞ্জুৰী নং ৬৪ ৰ ওপৰত আলোচনা কৰিম।

মাননীয় মন্ত্ৰী মহোদয়ে প্ৰস্তাৱটো লে কৰিব।

**শ্ৰী পিযুষ হাজৰিকা (মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰী)** ঃ মই ৰাজ্যপালৰ অনুমোদনক্ৰমে গড়কাপ্তানী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ প্ৰস্তাৱ কৰিব খোজা যে ২০২২ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৬৪-পথ আৰু দলঙৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ২০০০ লাখ টকা মঞ্জুৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মই ইয়াৰ ওপৰত আগতে কৈ লৈছো যে, ইয়াৰ ওপৰত কিছুমান Amendment আছে যিহেতু Amendment দিয়া আছে, মই অনুৰোধ কৰিছো যে আলোচনাটো আমি

আগত কৰি পিছত move কৰি শেষ কৰি দিম। নহ'লে double হৈ যাব। আমাৰ বিধান সভাৰ প্ৰক্ৰিয়াত দুটা বস্তু খেলি-মেলি হৈ থাকে। এটা হ'ল আলোচনা আৰু আনটো হ'ল Consideration। আমি এটা সময়ত নিৰ্ধাৰণ কৰি লৈছিলো। কিন্তু ইয়াত মঞ্জুৰীটোৰ ওপৰত Amendment টো আছে। গতিকে Amendment টো কৰি move কৰিলে আলোচনাটো নালাগে। Amendment টো যি সকলে move কৰিব তেওঁলোকৰ মাজৰে যদি ২/৩ জনে বক্তব্য ৰাখে তেনেহ'লে টাইমটো গুচি যায়। গতিকে এতিয়া আমি আলোচনাটো কৰো আৰু যদি কিবা স্পষ্টীকৰণ থাকে, তেতিয়া সংশোধনী move কৰাৰ সময়ত কৰিলেই হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২১-২০২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক সমূহৰ তালিকাৰ ৩৬-৩৮ পৃষ্ঠাত থকা পথ আৰু দলং শিতানৰ ৬৪ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ২০,০০০.০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**শ্ৰী আমিনুল ইছলাম (বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, যদিও ২০,০০০.০০ লাখ টকাৰহে মজুৰী বিচাৰিছে, তাৰ ওপৰত আমি সংশোধনী আনিছো। Hon'ble Sir, I beg to move that the total provision of Rs. 200 Crore means 20,000.00 lakh under supplementary demand for grant no. 64 in respect of Roads and Bridges at pages 36-38 of the list of supplementary demands be reduced by Rs. 100 that means the amount of the whole supplementary demand of Rs. 20,000.00 or Rs. 200 crore be reduced by Rs.100.

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি গড়কাপ্তানী বিভাগৰ ওপৰত এই পবিত্ৰ সদনত মই কেইটামান কথা সন্মানীয় মন্ত্ৰী মহোদয়ৰ ওচৰত উপস্থাপন কৰিবলৈ ওলাইছো। প্ৰথম কথা হৈছে যে, এই লোক নিৰ্মাণ বিভাগৰ যিমান কাম হয়, এই প্ৰত্যকটো কামৰ এটা estimate হয়। এই estimate বোৰ অতি গুৰুত্বপূৰ্ণ । এই estimate বোৰ বনাওঁতে ভৱিষ্যতে তেওঁলোকে কামটোৰ যি Tender কৰিব তাৰ ওপৰত বহু আসোঁৱাহ থাকে। যেতিয়া আমি এটা ৰাস্তা বনাবলৈ যাঁও, তাত বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হওঁ। তাত মাটি অধিগ্ৰহণৰ পৰা আৰম্ভ কৰি বিজুলী বাতিৰ খুটাৰ পৰা টেলিফোনৰ খুটালৈকে বিভিন্ন ধৰণৰ আসোঁৱাহ থাকে। সেই কাৰণে এই কাম সমূহ কেতিয়াও সময়মতে হৈ নুঠে। সেয়েহে estimate বনোৱাৰ সময়তে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে, ত্ৰই estimate বনাওঁতেই মাটি অধিগ্ৰহণৰ কাম বা light post বা cable আদিবোৰ সন্নিবিষ্ট কৰি তেওঁলোকে যাতে নিবিদা আহ্বান কৰে। ৰাস্তাৰ বাবে মাটি অধিগ্ৰহণৰ কামটো জিলা উপায়ুক্তৰ জৰিয়তে আহি দিশপুৰলৈকে আহে। তাৰ বাবে বহু সময় লাগি যায়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যিবোৰ জিলা বা মহকুমা ভিত্তিত মাটি অধিগ্ৰহণৰ কাম হয়, সেই কামখিনি উপায়ুক্তৰ কাৰ্য্যালয়ত বা মহকুমা ভিত্তিক সেই Civil SDO ৰ level তেই কামখিনি শেষ কৰাৰ বাবে যাতে এটা নিৰ্দেশ দিয়া হয় যাতে এইবোৰ আকৌ দিশপুৰলৈ নাহে। মই আন এটা কথা আহ্বান কৰিব খুজিছো যে আমাৰ এই যি নিবিদা গ্ৰহণ প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াটো জুলাই মাহতে বাৰিষা সময়তে আৰম্ভ হ'ব লাগে। কাৰণ অসম খনত যথেষ্ট বৰষুণ হয়। বৰষুণ হয় কাৰণে প্ৰত্যেকটো ৰাস্তাৰ কাম কৰিবলৈ যাওতে আমি ৬ মাহ মানহে সময় পাও। সেই

কাৰণে এই নিবিদা গ্ৰহণ প্ৰক্ৰিয়াৰ এলোটমেন্টৰ যি প্ৰক্ৰিয়া থাকে, এই এলোটমেন্ট প্ৰক্ৰিয়াটো জুলাই, আগষ্ট, চেপ্তেম্বৰৰ ভিতৰত শেষ হ'ব লাগে আৰু অক্টোৱৰ মাহৰ পৰা যাতে কামখিনি কৰিব পাৰে। এই কামখিনি আৰম্ভ হোৱাৰ লগে লগে মই এটা কথা ইয়াত উল্লেখ কৰিব খুজিছো যে আমি প্ৰগ্ৰেছটো মনিটৰিং কৰিব লাগে। আমি বিভিন্ন সময়ত দেখো যে আমাৰ ৰাজ্য খনত যিবোৰ কাম হৈছে প্ৰত্যেকটো কামেই সময়তকৈ বেছি দেৰীকৈ সম্পন্ন হয়। তাৰ ফলত প্ৰাইছ এচকালেচন হয়, চৰকাৰৰ ওৰচলৈ আকৌ টকা মঞ্জুৰীৰ কাৰণে কাগজ আহে, এইবোৰ কৰি থাকোতে আমাৰ যিটো কাম দুবছৰত হ'ব লাগে সেইটো কাম গৈ ৬ বা ৮ বছৰৰ প্ৰয়োজন হয়। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক আহ্বান জনাব খুজিছোঁ যে আমাৰ এখন প্ৰগ্ৰেছ মনিটৰিং কমিটি লাগে আৰু সেই কমিটি খনত আমাৰ যি সকল স্থানীয় বিধায়ক আছে, সেই জনপ্ৰতিনিধি সকলক লৈ আৰু ওচৰত যি স্থানীয় ব্যক্তি থাকে সেই ব্যক্তি সকলক লৈ যদি এখন মনিটৰিং কমিটি কৰা যায় তেতিয়াহ'লে কাম এক্সিগিচন কৰাৰ সময়ত সেই সংবিধি জনে অন্তত কামখিনি নিয়াৰিকৈ কৰিব পাৰে আৰু বিভাগীয় অভিযন্তা সকলেও এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। সেই কাৰণে এই প্ৰগ্ৰেছ মনিটৰিং কমিটি খন থাকিলে সময়ে সময়ে অন্তত বিধায়ক গৰাকীয়ে এটা খতিয়ান ল'ব পাৰিব যে এই কামটো ২ বছৰৰ ভিতৰত আছে, গতিকে শতাংশ অনুযায়ী কোন মাহত কিমান কাম হ'ব। সংবিধি জনে প্ৰকৃততে সেই কামটো কৰিছে নে নাই, তেওঁ টকা পইচা পাইছে নে নাই এই গোটেই কথাখিনিৰ লগত যদি তেওঁৰ জড়িত কৰা যায়, কিন্তু জনপ্ৰতিনিধি জনো তেওঁৰ এই দায়িত্ব পালনত সফল হ'ব আৰু ৰাইজে লোক নিৰ্মাণ বিভাগৰ ৰাস্তাপদূলিৰ যি গুৰুত্বপূৰ্ণ সেইখিনিও কৰি আছে, যথেষ্ট ফলপ্ৰসূ হ'ব বুলি মই ধাৰণা কৰিছোঁ। ইয়াৰ লগতে আৰু এটা অতি গুৰুত্বপূৰ্ণ কথা হৈছে কি আমাৰ ৰাস্তা বিলাক যেতিয়া আমি কৰিলো তাৰ পিছত ৰাস্তাবোৰ পুনৰবাৰ ভাঙিবলৈ আৰম্ভ কৰে। এতিয়া পি এম জি এচ ৱাই ৰ ৰাস্তা আমি যেতিয়া বনাও তাৰ ৫ বছৰলৈ সংবিধি সকলক এটা পিৰিয়ড থাকে, সেই পিৰিয়ডত তেওঁলোকে মেৰামতি কৰি যায়। কিন্তু অন্যান্য যি ৰাস্তা আছে সেই ৰাস্তা বিলাকত সেই খিনি নীতি নিয়ম পালন কৰা নহয়, সেইবাবে মই এইটো আহ্বান জনাব খুজিছো যে পি এম জি এচ ৱাইৰ যিটো চিচটেম আছে তেওঁলোকে ৫ বছৰৰ অন্তৰে অন্তৰে সেই ৰাস্তা মেৰামতি কৰাৰ যিটো চিচ্‌টেম আছে সেই চিচ্‌টেমখিনি অসমৰ লোকনিৰ্মাণ বিভাগে অন্যান্য ৰাস্তাৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰিব লাগে। ইয়াৰ লগত আৰু এটা কথা মই সংযোজিত কৰিব খুজিছোঁ যে আমাৰ বহুত জিলা আছে যিবিলাক জিলাত এতিয়া আমাৰ শিলবালিৰ অভাৱ হৈছে। কাৰণ সকলো ঠাইতে আমি উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিছোঁ, গতিকে বিভিন্ন ঠাইত যিবোৰ নতুন নতুন বালিৰ মহল আছে বা শিল কোৱাৰী আছে সেই বিলাক অন্তত চৰকাৰে এটা নীতিগত ভাৱে আৱন্টন দি অলপ সৰলীকৰণ কৰি সেইবোৰৰ কাৰণে আমাৰ ওচৰৰ নগা ৰাজ্যয়ে হওঁক বা অন্যান্য মিজো পাহাৰেই হওঁক বা কাৰ্বি পাহাৰেই হওঁক বা অৰুনাচলেই হওঁক তাৰ পৰা পাথৰ খিনি অনাৰ ক্ষেত্ৰত, বালি অনাৰ ক্ষেত্ৰত অকমান সৰলীকৰণ কৰি দিয়ে যাতে, সংবিধি সকলে সহজলভ্য ভাৱে সেই বস্তুখিনি আনি কাম কৰিব পাৰে। ইয়াৰ লগত এটা কথা আহিছে যে কোৱালিটি কন্ট্ৰোল, এই কোৱালিটি কন্ট্ৰোলৰ ক্ষেত্ৰত মোৰ এটা ক'বলগীয়া কথা আছে আমাৰ পি এম জি এচ ৱাই ৰ কোৱালিটি কন্ট্ৰোল কৰিবৰ কাৰণে আজি কেন্দ্ৰীয় চৰকাৰৰ এটা নীতি আছে। তেওঁলোকে তিনি তৰপীয়া পলিচি আছে। এই কোৱালিটি কন্ট্ৰোল যিটো পি এম জি এচ ৱাইত আছে এই কোৱালিটি কন্ট্ৰোলটো আমি আমাৰ অসমৰ বিভিন্ন ৰাস্তাত আমি যদি কৰো তেতিয়া মই ভাৱো যে আমাৰ ৰাস্তাবিলাক আয়ুসটো বাঢ়িব। বিশেষকৈ

আমি আমাৰ ইয়াতে যিবোৰ প্ৰেভাৰ ব্লকৰ ৰাস্তা বনাইছো সেই প্ৰেভাৰ ব্লকৰ ৰাস্তা বিলাকত আপোনালোকে মন কৰিব আমাৰ লগে লগে প্ৰেভাৰ পাৰি গ'ল কাষত ধালাই কৰি দিলে লগে লগে গাড়ী চলি গ'ল কাষৰ সেই ৰালখন ভাঙি থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি সমাপ্ত কৰক।ইতিমধ্যে আপোনাৰ দলে দিয়া সময় আপোনাৰ সমাপ্ত হৈছে।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** আপুনি মোক ৫ মিনিট দিব লাগিব, নহ'লে কথাখিনি নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ দলে দিছে, দলক সোধক। অনুগ্ৰহ কৰি সমাপ্ত কৰক। আৰু যদি আপোনাক ৫ মিনিট দিও, আপোনাৰ দলে দিয়া লিষ্টখনৰ এজন বক্তাক কাটি দিব লাগিব ইয়াৰ পৰা।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** ঠিক আছে, মই যিখিনি ক'লো, সেইখিনিৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিলোঁ যাতে পৰৱৰ্তী সময়ত আমাৰ এই কাম খিনি কৰা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া নৰ কুমাৰ দলৈ ডাঙৰীয়া।

**শ্ৰীনৰ কুমাৰ দলৈ (ঢকুৱাখানা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২১ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ পথ আৰু দলং শিতানৰ ৬৪ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য কৰা দুশ কোটি টকা মঞ্জুৰীৰ ক্ষেত্ৰত বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধিতাৰে মই মোৰ বক্তব্য আগবঢ়াবলৈ বিচাৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে এই সম্পৰ্কে জ্ঞাত যে, আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছতে ৰাজ্যখনৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থালৈ যুগান্তকাৰী পৰিবৰ্তন অনাৰ প্ৰয়াস কৰা হৈছে। যাতায়াত আৰু যোগাযোগ ব্যৱস্থা হৈছে উন্নয়নৰ মূল চালিকা শক্তি। যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন অবিহনে এখন ৰাজ্যৰ সৰ্বাংগীন উন্নয়ন কেতিয়াও সম্ভৱ নহয়। সমাজৰ একেবাৰে শেষৰ গৰাকী ব্যক্তিৰ কাষলৈও উন্নয়নৰ পোহৰ লৈ যোৱাটো হৈছে আমাৰ চৰকাৰৰ লক্ষ্য। এই লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাই সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। সমাজৰ শেষৰগৰাকী ব্যক্তি আৰু চৰকাৰৰ মাজত যোগাযোগ স্থাপনৰ ক্ষেত্ৰত যাতায়াত ব্যৱস্থাৰ উন্নতি সাধনে কিধৰণে সুদূৰপ্ৰসাৰী ভূমিকা পালন কৰিব সেয়া আমি সকলোৱে অনুভৱ কৰিব পাৰো। আমাৰ বাবে সৌভাগ্যৰ বিষয় যে, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিগত চৰকাৰৰ কাৰ্যকালত লোকনিৰ্মাণ বিভাগৰ দায়িত্ব লোৱাৰ পিছৰে পৰা অসমত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ যি উন্নয়ন সাধন হৈছে সেয়া স্বাধীনোত্তৰ কালত নজিৰবিহীন। বিগত সময়চোৱাত ৰাজ্যখনত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ যি অভূতপূৰ্ব উন্নয়ন সাধন হৈছে সেয়া আজি সকলোৱে স্বীকাৰ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত হোৱা যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ এই যুগান্তকাৰী পৰিৱৰ্তনৰ বাবে অসম সদায় তেখেতৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। অধ্যক্ষ মহোদয়, লোকনিৰ্মাণ (পথ) বিভাগে যোৱা পাঁচটা বছৰত কেইবা হেজাৰ কিলোমিটাৰ দৈৰ্ঘৰ পথ আৰু এহেজাৰতকৈয়ো অধিক সংখ্যক পকী দলং নিৰ্মাণ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, লোক নিৰ্মাণ (পথ) বিভাগৰ অধীনত আমাৰ ৰাজ্যখনত ৰাজ্যিক ঘাঁইপথ, জিলাসমূহৰ প্ৰধান পথ, গ্ৰামীণ আৰু নগৰীয়া পথ সমূহক সামৰি প্ৰায় ৫৫ হেজাৰ কি. মিটাৰ পথ আছে। চেন্ট্ৰেল চেক্টৰ স্কীম, চেন্ট্ৰেলী স্পনচৰ্ড স্কীম, এক্সটাৰনেলী এইডেড প্ৰজেক্টছ, নাবাৰ্ডৰ সহযোগিতাৰে হোৱা প্ৰকল্প আৰু ৰাজ্যৰ নিজা উৎসৰ পৰা লোক নিৰ্মাণ (পথ) বিভাগে

ৰাজ্যখনত বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে।

অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শিতাৰ ফলস্বৰূপে ৰাজ্যিক ঘাইপথ সমূহ আৰু গুৰুত্বপূৰ্ণ জিলা পথসমূহক পৰৱৰ্তী প্ৰজন্মৰ হাইস্পীড্ ৰোড কৰিড'ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে আমাৰ চৰকাৰে 'অসম মালা' নামেৰে অভিলাসী আঁচনি গ্ৰহণ কৰিছে আৰু এয়া সম্প্ৰতি পূৰ্ণগতিত চলি আছে। ইতিমধ্যে এই আঁচনিৰ অধীনত ৩৪৩ কি. মিটাৰ পথ সামৰি লোৱা হৈছে।

এইখিনিতে মই উল্লেখ কৰিব বিচাৰিছো যে, দীৰ্ঘদিন ধৰি অৱহেলিত হৈ থকা লখিমপুৰ নগৰ আৰু বেবেজীয়াৰ মাজত নিঃশ্চিহ্ন হৈ থকা পথটো এক কিলোমিটাৰ দৈৰ্ঘৰ এখন গুৰুত্বপূৰ্ণ দলঙেৰে ঘূণাসুঁতিত সংযোজিত কৰাৰ বাবে এইবাৰ বাজেটত ঘোষণা কৰা হৈছে। এই উল্লেখনীয় পদক্ষেপৰ বাবে লখিমপুৰ জিলাৰ এজন প্ৰতিনিধি হিচাপে মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে, স্বাধীনতাৰ পিছৰ দীঘলীয়া সময়চোৱাত অসমত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আছিল মাত্ৰ দুখন। কিন্তু আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছত বিগত চমু সময়ছোৱাৰ ভিতৰতে ধলা-শদিয়া আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল দলঙৰ নিৰ্মাণ সম্পূৰ্ণ কৰি ইতিহাস সৃষ্টি কৰা হৈছে। মাজুলী যোৰহাট সংযোগী দলং আৰু ধুবুৰী-ফুলবাৰী সংযোগী সৰ্ববৃহৎ দলং সহ মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত পাচঁখনকৈ দলং নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

ৰাজ্যখনৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ অন্যএক অভূতপূৰ্ব উন্নয়নৰ নিদৰ্শন হৈছে ২৬০৮.৬৭ কোটি টকাৰ পুঁজিৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলং।

**২০২৩** বৰ্ষৰ আগষ্ট মাহৰ ভিতৰত এই দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। সেইদৰে, ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী আৰু শুৱালকুছি সংযোগী বৃহৎ দলং নিৰ্মাণৰ বাবেও আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ বাবে প্ৰাৰম্ভিক কাম কাজ আৰম্ভ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাই গ্ৰাম্য অঞ্চলৰ যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। **২০০০** বৰ্ষত এই আঁচনিৰ উদ্বোধনৰ পিছত PMGSY 1, PMGSY 2 ৰ অধীনত আৱণ্টিত **২৮,৭১৩** কিলোমিটাৰ পথৰ ভিতৰত **২৮,৩৮০** পদ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। **২০১৯** বৰ্ষত PMGSY 3 গ্ৰহণ কৰা হয় আৰু ইয়াৰ বিপৰীতে **২০২০-২১** বৰ্ষত অসমে **২৭৮০** কিলোমিটাৰ পথ আৱন্টন লাভ কৰে। এই পথ সমূহৰ কাম বিভিন্ন পৰ্য্যায়ত আছে আৰু প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনা আঁচনিৰ অধীনত যিসমূহ পথৰ ইতিমধ্যে পাঁচ বছৰীয়া মেৰামতিৰ ম্যাদ উকলি গৈছে, এই পথসমূহক মেৰামতিৰ যো জা চলোৱা হৈছে। এইদৰে কেন্দ্ৰীয় পথ পুঁজিৰ অধীনত **২০১৬-১৭** বৰ্ষত বৰ্তমানলৈকে **৫৫৭** কিলোমিটাৰ পথ কাম আৰু **২৯** খন দলঙৰ বাবে অসমে আৱন্টন লাভ কৰিছে। এইসমূহ কামো সম্প্ৰতি বিভিন্ন পৰ্য্যায়ত আছে।

মাননীয় অধ্যক্ষ মহোদয়, স্থল সংযোগৰ উন্নয়নৰ বাবে আন এক উল্লেখনীয় পদক্ষেপ হৈছে ড'নাৰ মন্ত্ৰালয়ৰ পুঁজিৰে NESIDS আঁচনিত গ্ৰহণ কৰা তিনিটা প্ৰকল্প। ইয়াৰ অধীনত যোৰহাটৰ ৰে'লৰে লেভেল ক্ৰচিং গেটত থ্ৰি লেনযুক্ত অভাৰব্ৰীজ, দিয়ুংমুখ হৈ লংকাৰ পৰা উমৰাংছুলৈ টু লেনযুক্ত পথ নিৰ্মাণ আৰু শিৱসাগৰৰ চিৰিপুৰীয়া ঘাটত দিখৌ নৈৰ ওপৰত পকী দলঙৰ লগতে আজানপীৰ দৰগাহ হৈ চিৰিপুৰীয়াৰ পৰা **৩৭** নং ৰাষ্ট্ৰীয় ঘাঁইপথলৈ পথ নিৰ্মাণৰ কাম সম্প্ৰতি চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত যান-যঁটৰ সমস্যাৰ সমাধানৰ অৰ্থে দিশপুৰ চুপাৰ মাৰ্কেটত নিৰ্মাণ হৈ থকা ফ্লাই অভাৰৰ কাম চলিত বৰ্ষতে সম্পূৰ্ণ কৰি তোলা হ'ব। সেইদৰে চেৰাৰভাটিত এখন ফ্লাই অভাৰৰ কাম আৰম্ভ কৰা হৈছে। একেদৰে এ টি ৰোডত মালিগাঁৱৰ পৰা কামাখ্যা গেটলৈ এখন চাৰিলেন যুক্ত ফ্লাই অভাৰ নিৰ্মাণৰ কামো চলি আছে। এই কামসমূহে আজি উন্নয়নৰ চানেকী বহন কৰিছে।

আৰ আই ডি এফ নাবাৰ্ডৰ অধীনত **২০১৬-১৭** বৰ্ষৰ পৰা **২০২০-২১** বৰ্ষলৈ অসমত প্ৰায় **১,০০৪** কিলোমিটাৰ পথৰ আবন্টন লাভ কৰা হৈছে আৰু এই সমূহৰ কাম সম্প্ৰতি বিভিন্ন পৰ্য্যায়ত আছে। শেহতীয়াকৈ তিনিখন আৰ চি চি দলংসহ **৮০.৭৮** কিলোমিটাৰ পথৰ বাবে নাবাৰ্ডে **৯৮.১২** কোটি টকা আবন্টন দিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমাৰ চৰকাৰে বানমুক্ত অসম গঢ়াৰ সংকল্প লৈছে। আমাৰ ৰাজ্যত **৪,৪৭৮.৮৬** কিলোমিটাৰ মথাউৰি আছে। যিয়ে ৰাজ্যখনত বাঢ়নী পানী প্ৰতিৰোধৰ প্ৰাথমিক নিয়ন্ত্ৰনৰ মাধ্যম হিচাপে কাম কৰি আছে আৰু ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলসমূহত যোগাযোগৰ গুৰুত্বপূৰ্ণ মাধ্যম হিচাপেও কাম কৰি আছে। উল্লেখযোগ্য যে, এই সমূহৰ বেছিভাগ বান প্ৰতিৰোধী ব্যৱস্থাই হৈছে পুৰণি আৰু এই সমূহৰ শক্তিশালীকৰণৰ যথেষ্ট প্ৰয়োজন আছে। বানমুক্ত অসম বঢ়াৰ প্ৰতিশ্ৰুতিৰে আমাৰ চৰকাৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ **১,০০০** কিলোমিটাৰ মথাউৰিক চলিত বৰ্ষতে পথ তথা মথাউৰিলৈ ৰূপান্তৰিত কৰাৰ বাবে আৰু সেইসমূহক শক্তিশালী কৰাৰ বাবে প্ৰস্তাৱ লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ শক্তিশালী নেতৃত্বত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ এই অবিৰত ধাৰা আহিবলগীয়া দিনবোৰতো অব্যাহত থাকিব।

সেয়ে আমি অনুভৱ কৰো যে, পথ আৰু দলং শিতানৰ **৬৪** নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য কৰা পুঁজিৰ ক্ষেত্ৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেয়া তেখেতসকলে প্ৰত্যাহাৰ কৰিব লাগে আৰু আমাৰ চৰকাৰৰ এই উন্নয়নী যাত্ৰাত সহযোগিতা আগবঢ়াব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। AIUDF দলক **২৫** মিনিট সময় দিয়া হৈছে। এতিয়া মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও)ঃ** Hon'ble Deputy Speaker Sir, thank you for giving me the opportunity to speak out on cut motion. Sir, বিগত যোৱা পাঁচ বছৰত আগৰ পুৰণা যথেষ্ট কাম roads and bridges ৰ ওপৰত কৰিছে। সেই কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ লগতে মই দুই তিনিটা point আঙুলিয়াই দিব খুজিছো যে এই কামখিনি কৰিব যাওঁতে rural roads যিখিনি আছে, PMGSY ৰ ক্ষেত্ৰত বহুত গাঁৱলীয়া ৰাস্তাৰ কাম যেতিয়া অনুমোদন হয়, অনুমোদন কৰাৰ পিছত যেতিয়া ঠিকাদাৰে কাম কৰিব যায়, সেই মূহুৰ্তত দেখা যায় যে মাটিৰ গৰাকীৰ লগত বিবাদত লিপ্ত হোৱা। যেতিয়া বিবাদত লিপ্ত হয়, তেতিয়া কামটো লেহেমীয়া গতিত হয় আৰু কেতিয়াবা কামটো নোহোৱা হৈ থাকে। ইয়াৰ মুল কাৰণতো হৈছে যেতিয়া বিভাগে DPR তৈয়াৰ কৰে, সেই সময়ত যদি সেই গাঁৱৰ মুল মানুহজন বা পঞ্চায়তৰ সভাপতি জন, তেখেতসকলক মাতি বহি আলোচনা কৰি DPR তৈয়াৰ কৰে আৰু NOC লৈ লয়। তেতিয়া হলে মই ভাৱো এই যিটো কাম পোৱাৰ পিছত

খেলিমেলি হয়, সেইটোও কমি যাব।

তাৰ পিছত আৰু দেখা পোৱা যায় যে PMGSY roads ৰ ক্ষেত্ৰত একেলগে বহু কামৰ পেকেজ বনোৱা হয়। পেকেজ বনোৱাৰ লগে লগে এজন বা দুই জন ঠিকাদাৰে একেলগে চাৰি পাচঁটাকৈ কোটি টকাৰ কাম পাই। এই কাম পোৱাৰ পিছত ঠিকাদাৰ সকলে কি কৰে এটা কাম আৰম্ভ কৰি দিয়ে আৰু বাকী কামবিলাক পেলাই থৈ দিয়ে। এটা কামৰ যেতিয়া বিল ৫০ শতাংশ পাই, তেতিয়া সেই অনুমোদন পোৱা পিছৰ কামটো আৰম্ভ কৰে। সেই কাৰণে time bound থকা কামখিনি কৰিব নোৱাৰে। আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিম এই PMGSY ৰ কামখিনি পেকেজ নকৰি যদি এটা এটা ঠিকাদাৰক কাম দিয়া হয়, যাতে লোকেল ঠিকাদাৰে কাম পায়। মই এটাই অনুৰোধ কৰিম যদি সমষ্টিৰ বিধায়কক confidence ত লৈ এই কামখিনি যদি কৰে, হয়তো আপোনাৰ কাম কৰাৰ সময়ত যিখিনি অসুবিধাৰ সন্মুখীন হব লগীয়া হয় বা কোনটো ঠিকাদাৰক কাম দিলে ভাল হব, সোনকালে হব, এই পৰামৰ্শ ললে ভাল হব।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা proposal মই দেখা পাইছো, যোৱা বছৰৰ যিবিলাক কাঠৰ দলং আছে। এই কাঠৰ দলং বিলাক convert কৰি RCC bridge বনাব। কিন্তু এনেকুৱা কিছুমান ঠাই আছে। য'ত কাঠৰ দলঙে নাই, তাত RCC দলং কেনেকৈ বনাব। কিন্তু তাত দলঙৰ খুব প্ৰয়োজনীয়তা আছে। মই সেই কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে অসমৰ এনেকুৱা ঠাইবিলাকত survey কৰি দলং দিয়াৰ ব্যৱস্থা কৰিব লাগে লগতে PMGSY roads ৰ ক্ষেত্ৰত ১,০০০ জনসংখ্যা থকা ঠাইত ৰাস্তা হ'ব বুলি আছে। কিন্তু CNCPL 2002 চনত যিটো survey হৈছে, তাত ১,০০০ জনসংখ্যা থকা বহু গাঁৱৰ নাম নাই। মই অনুৰোধ কৰিম যাতে ইয়াৰ পিছৰ survey ত এই গাঁৱৰ ৰাস্তা বিলাক PMGSY অধীনত লৈ কামখিনি কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অলপ আগতে আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে কৈ গৈছে যে এইবাৰ অসমত ৩,০০০ কিলোমিটাৰৰ মথাউৰিৰ কাম আৰম্ভ কৰিব। মই ধন্যবাদ জ্ঞাপন কৰিছো ইয়াৰ লগতে এটা পৰামৰ্শ দিব খুজিছো। আমি দেখা পাইছো এই মথাউৰিৰ কাম ভালকৈ rolling নোহোৱাৰ কাৰণে বা compaction নোহোৱাৰ কাৰণে মথাউৰি বিলাক ভাঙি যায়, ইয়াৰ ওপৰত ৰাষ্টা বনোৱা কষ্টকৰ হব আৰু ৰাস্তাও lasting নকৰিব। মই পৰামৰ্শ কৰিম পিছলৈ যিবিলাক মথাউৰি বনোৱা হব, সেই বিলাক compaction কৰি বনোৱা হয়, যাতে ইয়াৰ ওপৰত ৰাষ্টা ধুনীয়াকৈ বনাব পাৰি।

মাননীয় অধ্যক্ষ মহোদয় লগতে মই এটা ৰিপোৰ্ট আপোনাৰ সন্মুখত দাঙি ধৰিব খুজিছো।National Crime Records Bureau has revealed that Assam has recorded 3,843 Traffic Accident death in 2019 in Assam. The highest in the North East out of 3843 , 1479 died in the National highways and 717 people died in the state highways and rest 1400 dies on the other roads like rural road . Hon'ble Sir almost all the National Highways has converted in to four laneing but it is very regret to mention that during the last tenure this government has revealed that within very short period of

time National Highway 15 from Baihata to Tezpur will be converted in to four lane and it was highlighted and published in media also but it is still now it has not been sanctioned neither it is sanction nor DPR has prepared. So I would like to request Hon'ble concern Minister to prepare these DPR and to sanction this road from Baihata to tezpur to reduce the accident rates. To reduce the rush heavy traffic and to reduce the accident rates . That sir Hon'ble Ex-Chief Minister Mr. Sarbananda Sonowal once visited in the bank of river Brahmaputra in the constituency of Lahorighat and express before the media that there will be a new bridge construction over the river Brahmaputra connecting Morigaon – Nagaon and Darrang – Udalguri these four districts . Now sir it takes four to five hours to reach people from one district to another district as it is 245 KM away from each district . So I would like to request and I would like to remind the concern minister to keep the promise of Hon'ble Ex- Chief Minister by sanctioning a bridge connecting these two districts mainly Morigaon and Darrang and if it happens if the construction would have been happened then I think and I hope it will be very helpful to the people of four districts . That sir, one more sir, in my constituency under PMGY total number of Bridge and roads were sanctioned in the name of one contractor namely Mr. Rajkumar Jain in the year 2017 and 2018 bearing package No As16151, As16152, As1683, As1689 and As16149. But it is very regrettably mentioned that already four years has passed but works has not done by 50%. So I would like to bring the attention of the Hon'ble Minister to take necessary action stern action against the contractor, so that it would be completed very soon. These contractors are, there are large numbers of contractor in our area, in our Assam also . But only one fellow, one contractor namely Mr. Rajkumar Jain has got 8 (Eight) numbers of works. He has just completed only one work and rest 7 (Seven) works has

not completed during these 4(four) years. So repeatedly I would like to request Hon'ble concerned Minister to look into the matter seriously, so that the people will get easy and help.

**Hon'ble Deputy Speaker**:- Thank you. Regarding road accident মই এটা কথা ক'ব বিচাৰিছো, মন্ত্রী ডাঙৰীয়া আছে সদনত, নগাঁৱৰ পৰা লামডিঙলৈ যিটো ফ'ৰ লেন, তাতে খুব ৰং ডিৰেকশ্যনত গাড়ীবিলাক আহি থাকে। ময়ো বহু কেইবাৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিছো। ময়ো এই ৰাস্তাৰে অহা -যোৱা কৰো। তাত ট্ৰেফিকটো কনট্ৰ'ল কৰিব লাগে। এটা দিশতে গাড়ী বিলাক আহি থাকে, হঠাৎ টাৰ্নিঙ লৈ লয়। দুৰ্ঘটনাবিলাক প্ৰায়ভাগ ৰং ডিৰেকশ্যনৰ বাবে হয়। এইটো অকনমান যদি কনট্ৰ'ল কৰিব পাৰে তেন্তে সেই ঠাইত হোৱা দুৰ্ঘটনাৰ পৰা মানুহ ৰক্ষা পৰিব। এইটো চাব । এতিয়া অগপ দল। তেওঁলোকৰ ১৫ মিনিট সময় আছে। দুগৰাকী বক্তাৰ নাম দিছে গতিকে এগৰাকীয়ে ৮ মিনিট আৰু আন গৰাকীয়ে ৭ মিনিট সময় ক'ব পাৰিব। এতিয়া পৃথ্বিৰাজ ৰাভা ডাঙৰীয়া।

**শ্ৰীপৃথ্বিৰাজ ৰাভা (তেজপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে বিৰোধী দলৰ তৰফৰ পৰা লোক নিৰ্মাণ বিভাগত যি পুঁজি আবণ্টন দিয়া হৈছে ২০০ কোটি টকাৰ তাৰ ওপৰত কৰ্তন প্ৰস্তাৱ আগবঢ়াইছে। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ, ইউ পি পি এল এই গোটেই কেইটা মিত্ৰ জোটঁৰ ফালৰ পৰা যি চৰকাৰ গঠন হ'ল মাননীয় মুখ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত, আজি এই চৰকাৰে তিনি মাহ কাম কৰিলে। এই তিনি মাহত লোক নিৰ্মান বিভাগৰ পৰা যিবোৰ কাম অসমত কৰিবলৈ আৰম্ভ কৰিছে বা কৰিব এয়া অসমৰ ৰাইজৰ কাৰণে সৌভাগ্যৰ কথা। অসম মালাৰ জৰিয়তে অসমৰ প্ৰতিটো সমষ্টিত প্ৰতিখন জিলাত যি পথ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে ৫৫ হাজাৰ কিলোমিটাৰতকৈ অধিক পথ, পঞ্চায়ত, নগৰ আৰু বিভিন্ন অঞ্চলত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছে ই অতি সুখৰ কথা, ভাল কথা। ব্ৰহ্মপুত্ৰৰ ওপৰত যি দলঙৰ ব্যৱস্থা কৰিছে, কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ধন আবন্টন দিছে। যিটো ব্যৱস্থা হাতত লৈছে বা ল'ব অসমৰ মানুহৰ কাৰণে অতি সৌভাগ্যৰ কথা। সেইদৰে প্ৰধানমন্ত্ৰী চড়ক যোজনাৰ অধীনত অসমৰ বিভিন্ন জিলাত, বিভিন্ন সমষ্টিত যি কাম কৰাৰ ব্যৱস্থা কৰিছে সেয়া অসমৰ মানুহৰ কাৰণে আনন্দৰ কথা- গৌৰৱৰ কথা। এই আঁচনিৰ যোগেদি এটা কথা কোৱা হৈছে যে প্ৰধানমন্ত্ৰী চড়ক যোজনাৰ অধীনত যদি পথ নিৰ্মান কৰা হয় আৰু সেই পথ যদি ৫ বছৰৰ ভিতৰতে বেয়া হয় তেন্তে এই পথ মেৰামতি কৰাৰো ব্যৱস্থা কৰা হৈছে। হয়, এটা কথা ঠিক অসমৰ ৰাইজে অনুভৱ কৰে যে গাঁও পঞ্চায়ত লেভেলতে হওক বা পৌৰসভাৰ অধীনতে হওক যিবোৰ বাট পথ, নলা-নৰ্দমা আদি নিৰ্মাণ কৰা হয়, নিৰ্মাণ কৰি উঠাৰ কেইমাহমান পিছত যদি বেয়া হয়, চৰকাৰে মেৰামতি কৰাৰ ব্যৱস্থা ৰাখিব লাগে। যিজন ঠিকাদাৰে বাট পথ বা দলংখন বা নলা নৰ্দমা নিৰ্মাণ কৰিছিল, তেওঁলোকক এটা সময়সীমা বান্ধি দিব লাগে যাতে এই সময়সীমাৰ ভিতৰত যদি দলং, নৰ্দমা, বাট-পথ বেয়া হয় তাক পুনৰ মেৰামতি কৰাব লাগিব, এই ব্যৱস্থাটো ৰাখিব লাগে। ' প্ৰধান মন্ত্ৰী চড়ক যোজনা 'ৰ অধীনত মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এই ব্যৱস্থাটো ৰাখিছে। অসমৰ চৰকাৰেও প্ৰতিটো গাওঁ পঞ্চায়ত আৰু পৌৰ সভাৰ এলেকাত এনেধৰণে দলং, নৰ্দমা, বাট পথ নিৰ্মাণ কৰাৰ পাছত সেই ঠিকাদাৰ জনক এটা অবলিগেশ্যন ৰাখিব লাগে যাতে তেওঁলোকে ভৱিষ্যতে এই বাট -পথ নিৰ্মাণ কৰাৰ পিচত যদি নিৰ্দিষ্ট সময়ৰ আগত বেয়া হয় তাক তেওঁলোকে

পুনৰ মেৰামতি কৰিব লাগিব, এইটো ব্যৱস্থা ৰাখিব লাগে। আৰু এটা ডাঙৰ কথা, আসমৰ বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে যি ব্যৱস্থা লোৱা হৈছে তাৰ লগতে এই ক্ষেত্ৰত জলসম্পদ বিভাগে আৰু লোক নিৰ্মাণ বিভাগে খুব সুন্দৰ এটা দায়িত্ব লৈছে বা ব্যৱস্থা কৰিছে যে ১০০০ কি.মি নিৰ্মাণ কৰা মথাউৰিৰ ওপৰেৰে গাড়ী-ঘোৰা চলাৰ বাবে ব্যৱস্থা কৰা হৈছে।

গতিকে বেচি দিঘলীয়া নকৰো। খুউব কম সময় দিয়া হৈছে মাত্ৰ ৮মিনিট। এই কৰ্তন প্ৰস্তাৱ সম্পৰ্কত মই এটা কথা ক'ব লাগিব যে আজি বহুত দিনৰ পৰা অৰ্থাৎ সদস্য নোহোৱাৰ দিনৰ পৰা মোৰ এটা কথা মনত খেলাই আছে যে আমি লোক নিৰ্মাণ বিভাগে প্ৰতিটো মহকুমা আৰু জিলা পৰ্য্যায়ত চৰকাৰী মাটি ৰাখি বা চৰকাৰী মাটিত এনেধৰনৰ ঘৰ নিৰ্মাণ কৰিব লাগে যিটো ঘৰে সকলো সময়তে জিলা প্ৰশাসন, মহকুমা প্ৰশাসন আদিত যিবোৰ কাম কৰিবলৈ ব্যৱহাৰ কৰা হয়, যেনে ইন্টাৰভিউ পতা হয় ল'ৰা-ছোৱালীৰ কাৰণে বিভিন্ন চাকৰিৰ। নিৰ্বাচনৰ ক্ষেত্ৰত সেই ঘৰ বিলাক ব্যৱহাৰ কৰা হয় আৰু আমি সেই ঘৰবিলাক ব্যৱহাৰ কৰি আছো কলেজ আৰু স্কুল আদিত। যেতিয়া আামি নিৰ্বাচনৰ সময়ত এই কামৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰো আৰু শেষ হয়, তেতিয়া কলেজ আৰু স্কুলবিলাকৰ সেইখিনি সময়ৰ কাৰণে যথেষ্ট অসুবিধা হয়। গতিকে মই এটা অনুৰোধ কৰিম লোক নিৰ্মান বিভাগক যাতে প্ৰতিতো মহকুমা আৰু জিলাত এনে কিছুমান ঘৰ তৈয়াৰ কৰিব দি নিৰ্মাণ কৰিব লাগে যি বোৰ ঘৰ ভৱিষ্যতে জিলা প্ৰশাসনে মহকুমা প্ৰশাসনে সেইবোৰ ঘৰক নিৰ্বাচনৰ ক্ষেত্ৰ বা বিভিন্ন ইন্টাৰ্ভিউ ক্ষেত্ৰত বিভন্ন সভা-সমিতিৰ ক্ষেত্ৰত সেইবোৰ ঘৰ ব্যৱহাৰ কৰিব পাৰে যাতে স্কুলকলেজ শিক্ষা অনুষ্ঠানত ইয়াৰ প্ৰভাৱ বা অসুবিধা নহয়। গতিকে মই বিৰোধী পক্ষৰ যি কৰ্তন প্ৰস্তাৱ সেই কৰ্তন প্ৰস্তাৱটো উঠাই লবৰ কাৰণে অনুৰোধ কৰিছো আৰু যিবোৰ কথা বিৰোধী পক্ষই ইতিমধ্যে কৈছে এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত কিন্তু এটা কথা দেখা গৈছে যে প্ৰতিতো কথা প্ৰত্যেকজন বিধায়কে কথা কওঁতে কামৰ কথা কৈছে। যে ইমান কাম হোৱা নাই, কাম কৰিব লাগিলে ধন লাগিবই আৰু ধনৰ কাৰণে এই যে ২০০ কোটি টকা ধৰা হৈছে লোক নিৰ্মাণ্ণ বিভাগত সেই ২০০ কোটি কৰা টকা কোনো ধৰণৰ কৰ্তন প্ৰস্তাৱ মই মানি নলও। আৰু এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো বুলি কৈ মই মোৰ বক্তব্য সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, গাওঁ অঞ্চলৰ ৰাস্তাৰ কথা কওঁতে মই মন্ত্ৰী ডাঙৰীয়াক এটা কথা অনুৰোধ জনাব খুজিছো যে গাওঁ বিলাকত কিছু কিছু জেগাত বালি মহল বা পাথৰ কুৰৱী থাকে। এই বিলিক অঞ্চলতো গাৰৰ যিটো specific ৯ টনৰ ৰাস্তা দিয়া হয়, কিন্তু তাত বালিৰ ২৫-৩০ টন উজনৰ ট্ৰাক আহে। গতিকে গাওঁলীয়া অঞ্চলতো য'ত বালিৰ মহল বা পাথৰ কুৰৱী আছে এই বিলাক ৰাষ্টাত তেনেকুৱা ২৫-৩০ টনৰ কেপাচিটি ৰাষ্টা যদি বনাই তেতিয়া ৰাষ্টাবোৰ লাষ্টিং কৰিব নহ'লে ৬ মাহতে ৰাষ্টা বেয়া হৈ যায়। গতিকে এইটো যদি কৰিব পৰা যায় মই ভাবো এইখিনি অঞ্চলৰ ৰাষ্টা বিলাকো লাষ্টিং কৰিব। এতিয়া মই ইউ পি পি এল দলৰ জয়ন্ত বসুমতাৰী ডাঙৰীয়াক ক'বলৈ অনুৰোধ কৰিলো। আপোনাৰ সময় ১০ মিনিট।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে মই আপোনাক ধন্যবাদ যাঁচিছো যে আজি বিৰোধী পক্ষই অনা cut-motion ত মই অংশ গ্ৰহণ কৰাৰ কাৰণে মই বিৰোধী পক্ষই অনা লোক নিৰ্মাণ বিভাগৰ যিটো cut-motion মই মোৰ দলৰ হৈ আৰু মই ব্যক্তিগতভাৱে বিৰোধীতা কৰিছো। কিয় কৰিছো ইয়াৰ যুক্তিটো হ'ল যে আমি BTR ৰৰ অন্তৰ্গত সমষ্টিৰ পৰা আমি নিৰ্বাচিত হৈ আহিছো BTR ৰৰ ৪ খন জিলা আছে, Kokrajhar, Chirang, Baksa আৰু Udalguri এই চাৰিখন জিলা ভূটান ৰাষ্ট্ৰৰ হিমালয় পৰ্বত মালা পাদদেশত আছে , তাত

বহুতো নদ-নদী, tributories বিলাক ভুটানৰ পৰা বৈ আহে। তাত আজি স্বাধীনতাৰ পিচত অসমত যি চৰকাৰ আহিছে বা বৰ্তমান যি চৰকাৰ এই চৰকাৰেও সুনিৰ্দিষ্ট কিছুমান পলিচি লৈ তেনেকৈ ১০০০ দলং RCC লৈ convert কৰাৰ এটা সিদ্ধান্ত লৈছে, আৰু ইয়াৰ দ্বাৰা তেনেকৈ বহুতো কাঠৰ দলংও RCC bridge ত convert কৰা হিছে। তথাপিতো আজি তেনেকৈ কৰিবলগীয়া বহু দলং আছে, ৰাষ্টা আছে boarder area বিলাকতো তেনেকৈ ৰাষ্টা আজি পৰ্য্যন্তত ৩০ ৰ পৰা ৪০ শতাংশহে বৰ্ডাৰ ৰোডচ বনোৱা হৈছে। আৰু ৬০-৬২ শতাংশ আজিলৈকে আধাৰুৱা হৈ আছে, অৰ্থাৎ বনাবলৈ বাকী আছে। দেখা গৈছে মোৰ চিদলী সমষ্টিৰ মোৰ knowledge ত আছে এতিয়াও ১০ খন কাঠৰ দলং আাছে RCCহোৱাৰ কোনো আশা নাই, এই দলঙৰ দীৰ্ঘ কমপক্ষেও ২০ ৰ পৰা ৩০-৩৫ মিটাৰ মান হব। সেইকাৰণে আৰু মোৰ সমষ্টিত ৩০ ৰ পৰা ৩৫ মিটাৰ RCC দলং, য'ত নেকি কাঠৰ দলংও নাই তাত দলং বনাব লগা আছে। সেইকাৰণে transportation হ'ল development ৰ এটা মাপ কাঠী। যদি আমাৰ communication & transportation ৰ ব্যৱস্থা নাথাকে তেতিয়া হ'লে আমি economic development ৰ কথাই কওঁক বা তেনেকৈ আজি অসমখন উন্নত পাঁচখন ৰাজ্যৰ সমপৰ্য্যায়ত কৰিবলৈ বিচৰা হৈছে , সেই উন্নয়ন কেতিয়াওঁ ন'হ বগৈ। প্ৰডাকচন আমি বিচাৰিছো, আজি বহু কেইটা বিভাগৰ ও পৰত আলোচনা হ'ল, আমাৰ ফুদ প্ৰডাকচন, তেনেকৈ মাছ, মাংস প্ৰডাকচন কৰাৰ, এই প্ৰডাকচন বিলাক যদি আমি চাপ্লাই কৰিব লাগে, এঠাইৰ পৰা অন্য ঠাইলৈ লৈ যাব লাগে তেতিয়া হ'লা road communiction হ'ব লাগিব। Road commision অবিহনে আমি ভাবিব নোৱাৰো। সেই কাৰণে দেখা গৈছে যে আজি ইয়াত Kokrajhar,chirang,Baksa & Udalguri ত যিবিলাক নদী আছে যেনে আই, নাংগল, মাখৰা, মানস, বেকী, পহুমৰা, পাগলা নদী, মঠনগুৰী, বাল্টি, খুলচি, ভৰলু, চান্দনা, গুলণ্ডী, ধনশ্ৰী, ৰৌতা আদি নদী বিলাকৰ ওপৰত দলং নাই। সেই কাৰণে মই ক'ব খুজো এই দলং বিলাক কেতিয়া বনোৱা হ'ব? আজি এনেকুৱা জৰাজীৰ্ণ অৱস্থাত আছে কিছুমান অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, এখন দলং হ'লে ১ কিলোমিটাৰ বা ২ কিলোমিটাৰ ৰাষ্টা খোজ কাঢ়ি স্কুল বা কলেজত উপস্থিত হ'ব পাৰে। কিন্তু দলং এখন নোহোৱাৰ কাৰণে তেওঁলোকে আজি ১০ কিলোমিটাৰ ১৫-২০ কিলোমিটাৰ তেনেকৈ ঘুৰি যাব লগা হয়। তাত দেখা গৈছে, সময়ৰ যথেষ্ট নাটনি হৈছে। সময় তেওঁলোকে মিলাব পৰা নাই, তাত খৰচৰ কথাও আহি যায়। সেই দলং আৰু ৰাষ্টা বনাব লাগিলে তেতিয়া আমাৰ লোক নিৰ্মাণ যিটো বাজেট বঢ়োৱাৰ প্ৰস্তাৱ আমাৰ মন্ত্ৰী বা বিভাগৰ পৰা দিয়া হৈছে। আজি বিৰোধী পক্ষৰ ফালৰ পৰা কৰ্তন কৰিবলৈ বিচৰা হৈছে, যদি আমি অসমক পাচখন ৰাজ্যৰ সমপৰ্য্যাত ল'ব লাগে তেতিয়া হ'লে সেইখিনি কাম নিশ্চয়কৈ কৰিব লাগিব। মোৰ সমষ্টিত আজি 'আসাম মালা' এটা প্ৰ'জেক্ট আছে, চাপাগুৰীৰ পৰা আৰম্ভ কৰি ভূটানৰ ওচৰলৈকে ৪১ কিলো মিটাৰ ৰাষ্টা বনাব লগা আছে আৰু এইটো ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই, এই বছৰ ফেব্ৰুৱাৰী মাহত যেতিয়া অসমত আহিছিল, তেতিয়া তেখেতে Inauguration কৰি গৈছিল আৰু এইটো এটা ভাল প্ৰকল্প য'ত আমি দেখিছো আজি Kokrajhar জিলাত এখন Airport বনোৱা হ'ল, 'ৰূপশ্ৰী' Airport. বৰ্তমান মুহূত্বত আমি যদি 'ৰূপশ্ৰী' Airport যাব লাগে, তেন্তে ২.৩০ ঘন্টা যাব লাগে। কিন্তু, এই ৰাস্তাটো যদি হয় তেন্তে আমি এক ঘণ্টা বা এক ঘণ্টা পোন্ধৰ মিনিটৰ ভিতৰতে এয়াৰপোৰ্টলৈ গৈ পাম। উপাধ্যক্ষ মহোদয়, কোকৰাঝাৰৰ পৰা ৰূপসীলৈকে 'আসাম মালা'ৰ অধীনত ৰাস্তাৰ কাম আছে যিটো এতিয়ালৈ হোৱা নাই । যদি বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনে তেন্তে এই প্ৰজেক্টবোৰ কিদৰে হ'ব । উন্নয়ন হ'ব লাগিলে

road communication আমাক লাগিবই । সেয়েহে, বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱটো মই মানি ল'ব পৰা নাই । উপাধ্যক্ষ মহোদয়, মোৰ চিডলী সমষ্টিৰ পাটাবাৰী অঞ্চলৰ কথা যোৱাকালিও কৈছিলো। তাত প্ৰসূতিক মেডিকেললৈ নিবলগীয়া হ'লে নাঁৱেৰে নিব লাগে । বহু মহিলাই নাঁৱতে শিশু জন্ম দিব লগা হৈছে । আজি তাত দলং নথকাৰ বাবে এনে অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছে । গতিকে, তেনে অঞ্চলত বসবাস কৰা জনসাধাৰণৰ মনোভাৱ বিৰোধী সকলে জনাটো উচিত। চৰকাৰে অসমক উন্নতিৰ জখলাত আগুৱাই লৈ যোৱাৰ বাবে যিবোৰ আঁচনি লৈছে, সেইবোৰ আঁচনি ৰূপায়ণ কৰিবলৈ হ'লে কৰ্তন প্ৰস্তাৱ নিশ্চয় আনিব নালাগে। মই বিৰোধী পক্ষক আহ্বান জনাইছো যে তেখেত সকলে যাতে এই কৰ্তন প্ৰস্তাৱটো উঠাই লয়। এইখিনিতে মই আমাৰ বিভাগীয় মন্ত্ৰীক জনাব বিচাৰিছো যে আমাৰ জনসাধাৰণে আমাক যি পিছপৰা বুলি অনুভৱ কৰে সেইয়া আমাৰ যোগাযোগৰ ব্যৱস্থা নোহোৱাৰ বাবে পিছ পৰি আছে । সেইটো লাগিলে road communicationয়েই হওঁক বা tele-communication য়েই হওঁক, যিকোনো ধৰণৰ communication হ'ব পাৰে । এই পিছপৰা অঞ্চলবোৰত শিক্ষাৰ ব্যৱস্থা নাই, তাত ৰাস্তা নাই আৰু লকডাউনৰ সময়ত ছাত্ৰ-ছাত্ৰীক মোবাইলৰ যোগেৰে অনলাইন শিক্ষা দিয়াৰ যি ব্যৱস্থা কৰা হৈছে তাত communication ৰ সুবিধা নথকাৰ বাবে এই ব্যৱস্থাৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে বিৰত থাকিব লগা হৈছে । এনেবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই মই আজি কৈছো যে বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে সেয়া তেওঁলোকে উঠাই ল'ব লাগে । জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ বাবে আমাক ৰাস্তা, দলং লাগিব আৰু এইবোৰ বনোৱাৰ বাবে আমি সহযোগ কৰিব লাগে । উপাধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে 'আসাম মালা' ৰ আধাৰত কোকৰাঝাৰ ৰূপসী এয়াৰপোৰ্টলৈ যি ৰাস্তা নিৰ্মাণৰ কাম লোৱা হৈছে, তাৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব আৰু কেতিয়া সম্পূৰ্ণ হ'ব ? মোৰ সমষ্টিৰ চাপাগুৰিৰ পৰা উত্তৰে ভূটানলৈকে ৪১ কিলোমিটাৰলৈকে 'আসাম মালা' ৰ যি আঁচনি, সেই আঁচনি কেতিয়াৰ পৰা আৰম্ভ হ'ব ? ওদালগুৰি জিলাত ধনশিৰি নদীত এখন দলঙৰ কামৰ বাবে পুঁজি আৱন্টন হৈছিল, কিন্তু তাৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই, গতিকে কি কাৰণত হোৱা নাই মই জানিব বিচাৰিছো । মোৰ সমষ্টিৰ আই নদীত এখন দলঙৰ কাম প্ৰায় দুই বছৰ আগৰ পৰাই কৰি আছে, কিন্তু, ইয়াৰ নিৰ্ধাৰিত সময় হয়তো উকলি গৈছে । এতিয়ালৈকে ইয়াৰ ৩০-৪০% কামহে কিজানি হৈছে। বাকী কাম কেতিয়া শেষ হ'ব ? এই দলংখনৰ কাম সম্পূৰ্ণ হ'লে পাটাবাৰী অঞ্চলৰ জনসাধাৰণে বিভিন্ন সমস্যাৰ পৰা পৰিত্ৰান পাব । অৱশেষত, মই বিৰোধী পক্ষক তেওঁলোকৰ কৰ্তন প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনাই, কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা বি.পি.এফ. দলৰ দূৰ্গা দাস বড়ো। আপোনাৰ সময় ১০ মিনিট ।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আৰু সদন। কৰ্তন প্ৰস্তাৱৰ সুবাদতে মই বক্তব্য ৰাখিব বিচাৰিছো । এই কৰ্তন প্ৰস্তাৱ যদি নানিলোহেঁতেন তেন্তে উপৰোক্ত বক্তা সকলে চৰকাৰী পক্ষক নিজৰ নিজৰ সমস্যাবোৰৰ কথা ক'বলৈ সুবিধা নাপালেহেঁতেন । ইয়াৰ বাবে তেওঁলোকে আমাক এবাৰ এবাৰকৈ ধন্যবাদ দিব লাগে । উপাধ্যক্ষ মহোদয়, ১০০০ কাঠৰ দলং পকী কৰাৰ সিদ্ধান্ত যোৱা বছৰৰেই আছিল । কিন্তু, এই সিদ্ধান্ত মতে কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই । এই কথাবোৰ কোনো এগৰাকী মাননীয় মন্ত্ৰীয়ে নোট কৰা নাই । আমাৰ বাইদেউ বহি থাকোতে নোট কৰা যেন লাগিছিল, কিন্তু নাই, কোনেও কৰা নাই ।

**মাননীয় উপাধ্যক্ষ ঃ** নোট কৰি আছে ।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** বাইদেউৰে নোট কৰি আছিল । তেওঁ মোক নোট কৰিবলৈ কৈ গৈছে । এতিয়া মই নোট কৰি আছো ।

**উপাধ্যক্ষ ঃ** মই লক্ষ্য কৰি আছো । আপুনি কিয় চিন্তা কৰিছে ? আপোনাৰ উত্তৰটো পাব ।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ কাৰ্য্যকালত ১০০০ খন কাঠৰ দলং পকী কৰাৰ কথা কৈছিল, কিন্তু, মই আপোনালোকক এটা বিশেষ কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যোৱাবাৰ যি ১০০০ খন কাঠৰ দলং RCC কৰা বা আপোনালোকে এখনো কাঠৰ দলং নাৰাখে বুলি কৈছিল, কিন্তু বহুতো সদস্যই য'ত কাঠৰ দলং নাই তাত দলঙৰ প্ৰয়োজনীয়তাৰ কথা কৈছিল । তেনেকুৱা কথাবোৰ মইয়ো বাকী সদস্যৰ দৰে আপোনাক পুনৰবাৰ মনত ৰাখিব কৈছো। অলপ আগতে চৰকাৰী পক্ষৰ এগৰাকী সদস্যই বি. টি চি. এলেকাৰ নদীবোৰ কিমান খৰস্ৰোতা সেই বিষয়ে কৈছে । যিদিনা এই নদীৰ পানী আহে সেইদিনাই ওচৰ -পাজৰৰ অঞ্চলবোৰ ধ্বংস কৰি থৈ যায় । আপোনালোকে জানে- যি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত শদিয়াত ৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং হৈছে, সেই একেখন নদীৰ ওপৰত গুৱাহাটীত মাত্ৰ ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং। বি. টি. চি. এলেকাত যিহেতুকে নদীবিলাকৰ সৃষ্টি হোৱা বাবে দলং বোৰ ডাঙৰ ডাঙৰ । যিটো ৰাজ্য চৰকাৰৰ বাকীবোৰ দিনত দৃষ্টিগোচৰ হোৱাই নাছিল । কিন্তু, বি. টি. চি. চৰকাৰ হোৱাৰ পিছত ইয়াত কিছু দলং হৈছে । মাননীয় সদস্য গৰাকীয়ে যিকেইখন দলঙৰ নাম কৈছে, সেইকেইখন অতিকৈ প্ৰয়োজন আৰু তেওঁক মই সমৰ্থন কৰিছো । দ্বিতীয়তে, PMGSY ৰ অধীনৰ ৰাস্তাবোৰ কেতিয়াবা মাটিৰ অভাৱত বা কেতিয়াবা ৰাস্তাৰ দুয়োপাৰে পূৰ্বতেই মাটি বহল নোহোৱাৰ বাবে ৰাস্তাৰ চাইড বান্ধৰ কাম নকৰাকৈ গুছি আহে। যাৰ ফলত, ৰাস্তাটো অতি সোনকালে বেয়া হয় । এই কথাখিনিত চৰকাৰে দৃষ্টিগোচৰ এই কাৰণেই ৰখা ভাল যে- শ শ কিলোমিটাৰ ৰাস্তা এই চাইড বান্ধটো নবনোৱাৰ বাবে বেয়া হৈছে । চৰকাৰে ২০০ কোটি টকাৰ পুনৰ আৱণ্টন বিচাৰিছে আৰু আমি ইয়াতকৈও বেছি ধন আৱণ্টন দিবলৈ বোধহয় বেয়া নাপাম, কিয়নো আমিও ৰাজ্যখনৰ উন্নয়ন বিচাৰো । ১০০০ কিলোমিটাৰ মথাউৰি ৰাস্তা হ'ব বা ৰাস্তাক মথাউৰি কৰিব । ই এক সুন্দৰ পদক্ষেপ । আমিও এনে হ'ব লাগে বুলি কল্পনা কৰি আছিলো। এনে ব্যৱস্থা হ'লে remote area ৰ মানুহখিনিৰ যাতায়তৰ ক্ষেত্ৰত সুবিধা হ'ব । কিন্তু দুৰ্ভাগ্যৰ কথা যে বি. টি. চি.ত মথাউৰি নাই বুলি ক'লেও হয়, গতিকে, এই benefit টো আমি তাত নাপাম। । PWD মন্ত্ৰী মহোদয়ে দৃষ্টি ৰখা উচিত যে BTC Hills area, Karbi Anglong, North Cachar ইত্যাদি পিছপৰা ঠাইত, য'ত এনে benefit বোৰ নাপায় তাত ratio basis ত অতিৰিক্ত RCC Bridge দিয়া বা বেয়া হৈ থকা ৰাস্তাবোৰ ঠিক কৰা কথা চিন্তা কৰিব লাগে । গতিকে এই দুটা অঞ্চলত আপোনালোৰে দৃষ্টি ৰখা উচিত বুলি ভাৱো আৰু আপোনালোকে নিশ্চয় জানে আজি কেইবছৰ মান আগতে মংগলদৈ, কালাইগাওঁ, টংলা ৰাষ্টাত বৃটিছৰ দিনৰে একেবাৰে Nerrow Bridge উঠাইছে, অবশ্যে এতিয়া ৰাস্তাটো ডাঙৰ হৈ গল। কিন্তু এতিয়াও বহু Narrow Bridge আছে যিবিলাকৰ কাৰণে এফালৰ গাড়ী পাৰ হৈ যোৱাৰ পাছত হে আনফালৰ গাড়ী যাব পাৰে। গতিকে এই Nerrow Bridge বিলাক উঠাই যাতে বহল কৰিব পাৰি তাৰ ব্যৱস্থা কৰিলে ভাল হয়। এতিয়া বাইহাটা চাৰি আলিৰ পৰা তেজপুৰলৈ যিটো National Highway গৈছে, সেই National Highway টোত থকা ৰাস্তা আৰু দলং বিলাক কিছু পৰিমাণে বহল কৰা দেখি আমি আচৰিত আৰু নিৰাশ হৈ গৈছো, তাৰ মানে তাত আৰু Four

Lane Road নহব চাগে। এতিয়া কথাটো হল মই যি Nerrow Roads/Bridges widening কৰাৰ কথা কৈছো, আৰু আমাৰ দলগাওঁৰ বিধায়কে তেজপুৰ পৰ্য্যন্ত যি Four Lane Roads/Bridges বনোৱাৰ কথা কৈছে। তাৰোপৰি Assam Mala Scheme ৰ under ত থকা ৰাস্তাবিলাকো Four Lane Standard ৰ হৈছে কিন্তু বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ পৰ্য্যন্ত ব্যাপি থকা National High Way টো Four Lane Standard ৰ কৰা হোৱা নাই। মই এটা কথা আপোনালোকৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে - আমাৰ অসমত By-pass Road ৰ খুব প্ৰয়োজন। যিহেতুকো আপোনালোকে দেখা পাইছেই, নগাঁও চহৰখনৰ ৰাস্তা বিলাকক Four Lane Road লৈ Convert কৰোতে যি By-pass Road বনোৱা হৈছিল তাৰ ফলত বহুতো সুবিধা হৈছিল, কোনো মানুহে অবাৰত সময় নষ্ট কৰিব লগীয়া নহৈছিল।

ঠিক তেনেদৰে মংগলদৈ চহৰখনটো By-pass Road এটা বনোৱাৰ খুব প্ৰয়োজন আছিল। ইতিমধ্যে By-pass সংক্ৰান্তত তিনিশ কোটিৰো অধিক টকাৰ Project লোৱা হৈছে কিন্তু মাটিৰ কাম খিনি এতিয়াও হোৱা নাই। প্ৰায় বাৰ বছৰ ধৰি মাটিৰ কামখিনি নোহোৱাৰ কাৰণে Four Lane Project টো আধৰুৱাকৈ পৰি আছে। মই ভাৱো গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে প্ৰায এক বা ডেৰ মাহৰ ভিতৰতে কাম খিনি সম্পন্ন কৰি এই সমস্যাটো সমাধান কৰিব পাৰিব। মই মংগলদৈ চহৰখনৰ By-pass Road ৰ নিৰ্মণ কামটো অনতি পলমে কৰি দিয়াৰ কাৰণে অনুৰোধ জনালো।

ভৈৰৱকুণ্ড হ'ল অসমৰ এটা বিখ্যাত পৰ্য্যটনথলী আৰু এই পৰ্য্যটনথলীলৈ BTC কে ধৰি অসমৰ বিভিন্ন অঞ্চলৰ পৰা পৰ্য্যটক যায়। কিন্তু আপোনালোকে জানি আচৰিত হব যে মাজবাটৰ পৰা ভৈৰৱকুণ্ডলৈ যাব লগা হ'লে প্ৰায় গুৱাহাটী বা মংগলদৈ হৈ ঘূৰি যাব লাগে। আপোনলোকে যদি চিকাৰীডাঙাৰ পৰা ভৈৰৱকুণ্ডলৈ এটা ৰাস্তা নিৰ্মাণ কৰে, তেতিয়া ভ্ৰমণকাৰী বা পৰ্য্যটক সকলে দুঘন্টাৰ ঠাইত মাত্ৰ ১৫ মিনিটতে সেই ঠাইত উপস্থিত হ'ব পাৰিব। গতিকে চিকাৰীডাঙাৰ পৰা ভৈৰৱকুণ্ডলৈ এটা ৰাস্তা নিৰ্মাণৰ Project হাতত ললে সকলোৰে সুবিধা হ'ব।

ওদালগুৰি সমষ্টি আৰু কালাইগাওঁ সমষ্টিটো এটা নতুন ৰাস্তা বনোৱাৰ খুব প্ৰয়োজন আছিল। বৰিগাঁওৰ পৰা বৰকলা পৰ্য্যন্ত মাত্ৰ ১০ কিঃ মিঃ ৰাস্তা যদি বনাই দিয়া হয়, তেতিয়া ওপৰোক্ত দুয়োটা সমষ্টিৰ পৰা গুৱাহাটীলৈ অহা পথচোৱা বহু চমু হৈ যাব। বৰিগাঁওৰ পৰা বৰকলা পৰ্যন্ত পথচোৱাই কেইবাখনো গাওঁ চুই যায় যেনে - বৰুৱাখোলা, বাগিছা চুবা, বতীয়ামাৰী, পুনীয়া, তেজীয়াল গাওঁ, নাপতীপাৰা আদি। এই ১০ কিঃ মিঃ ৰাস্তাটো একাবেকা নহয়, একেবাৰে চিধা ৰাস্তা। এই ৰাস্তাটো বনাবলৈ হয়টো ১০ কোটি টকাৰো প্ৰয়োজন নহব। মই বৰিগাঁওৰ পৰা বৰকলা পৰ্য্যন্ত পথচোৱা নিৰ্মাণ কৰিবলৈ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

তাৰোপৰি মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি গড়কাপ্তানী বিভাগক সামৰি কিছু কথা জনাব বিচাৰিছো যে - নতুন চৰকাৰে নতুন আঁচনিৰে সমগ্ৰ ভাৰতবৰ্ষৰ উন্নতি কৰাৰ যি "সব কা সাথ, সব কা বিকাশ" বুলি আপোনালোকৰ শ্লোগান আছে, তাৰ দ্বাৰা যোগাযোগ ব্যৱস্থাৰ যি উন্নতি সাধন কৰাৰ লক্ষ্য আছিল সেই উদ্দেশ্য আগত ৰাখি ৰাজ্যৰ সকলো বাট-পথ, দলং আদি নিৰ্মাণ কৰি ভাৰতৰ ভিতৰতে পঞ্চমখন উন্নত ৰাজ্য হিচাপে অসম খনক গঢ়ি তোলক।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাক্সবাদী কমিউনিষ্ট পাৰ্টীৰ শ্ৰী মনোৰঞ্জন তালুকদাৰ। বক্তব্য উত্থাপনৰ বাবে আপোনাক পাচ মিনিট সময় দিয়া হল।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে

মোৰ বক্তব্য সদনত ৰাখিব বিচাৰিছো। এই ক্ষেত্ৰত ভাস্কৰ বৰুৱাই যিটো প্ৰস্তাৱ আগবঢ়াইছে যে আমাৰ লোকনিৰ্মাণ বিভাগৰ অধীনত যিবিলাক ৰাস্তা, দলং আদি নিৰ্মাণ কৰা হয়, সেই বিলাক উপযুক্ত তদাৰকৰ অভাৱত বা নিৰ্মাণ কাৰ্য্যত হস্তক্ষেপ নকৰাৰ ফলত বছৰ বছৰ ধৰি এইবিলাকৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ নহয়। মোৰ সমষ্টিত BTR ৰ অন্তৰ্ভুক্ত তিনিখন দলং নিৰ্মাণ কাৰ্য্যত জড়িত ঠিকাদাৰে প্ৰায় ৫ বছৰৰ মানৰ আগতে কাম অৰ্ধসমাপ্ত কৰি পলায় যায়। ফলত এতিয়া তাত নতুন আঁচনিও ল'ব নোৱাৰি আৰু বাকী ৰোৱা কামখিনিও সমাপ্ত কৰিব পৰা নাই। সেইকাৰণে মই ভাৱো যে বিধান সভাৰ প্ৰতিটো সমষ্টিৰ বিধায়ক সকলক লৈ এখন Monitoring Committee গঠন কৰা হয়, তেতিয়া এই Monitoring Committee এ সমষ্টিৰ অন্তৰ্গত ৰাষ্টা, দলং আদিৰ নিৰ্মাণ কাৰ্য্য বিলাক পৰ্য্যৰেক্ষণ বা তদাৰক কৰিব পাৰিব আৰু স্থানীয় ৰাইজেও উন্নত মানদণ্ডৰ কাম কম সময়তে সম্পন্ন হোৱা দেখা পাব। ইয়াৰোপৰি মই দেখিবলৈ পাইছো যে আধাৰশীলা স্থাপন হোৱাৰ প্ৰায় ডেৰ বছৰ মানৰ পাছত হে ঠিকাদাৰে কাম বিলাক আৰম্ভ কৰিবলৈ লয়। আধাৰশিলা স্থাপনৰ পিছদিনাখনৰ পৰা নিৰ্মাণ সম্পৰ্কীয় কাম বিলাক আৰম্ভ কৰিলে ৰাইজৰ মাজত বিভাগটোৰ প্ৰতি আস্থা বাঢ়িব আৰু কামকাজ বিলাকো সুচাৰুৰূপে হ'ব।

ইয়াত যি Package System ৰ কথা কোৱা হৈছে, মই ভাৱো Package System ত কাম কৰিলে দুই চাৰিজন ডাঙৰ ঠিকাদাৰৰ লাভ হয়, যিহেতুকে ডাঙৰ ঠিকাদাৰ বিলাকে নিজে কাম নকৰি সৰু ঠিকাদাৰক Sub-contact ত কাম বিলাক কৰিবলৈ দিয়ে যাৰ ফলশ্ৰুতিত কাম বিলাকৰ গুণগত মানদণ্ড আৰু বেয়া হোৱা দেখা যায়। সেইবাবে Package System নকৰি প্ৰায় এক ডেৰ কোটি মানৰ সৰু সৰু আঁচনি গ্ৰহণ কৰি বিভিন্ন জনৰ দ্বাৰা কাম বিলাক কৰোৱা হয় তেতিয়া হয়তো অলপ তীব্ৰগতিত লোক নিৰ্মাণ বিভাগৰ কাম বিলাক নিৰ্ধাৰিত সময়ৰ ভিতৰতে সম্পন্ন কৰিব পৰা যাব যেন অনুভৱ হয়। মই মোৰ সমষ্টিৰ বৰপেটা ৰোডত দেখিবলৈ পাইছো যে বৰপেটা চহৰৰ প্ৰায় ১০ কোটি টকাৰ দুটাকৈ ৰাস্তা আজি ডেৰ বছৰে নিৰ্মাণৰ একো কাম নকৰাকৈ কেৱল শিল বালি পেলাই আধৰুৱা কৈ থৈ দিছে। ফলত বৰপেটা চহৰত প্ৰবেশ কৰাটো এক প্ৰকাৰ অসাধ্য হৈ পৰিছে। এই কামৰ লগত জড়িত Chief Engineer, Executive Enginner, Superintending Enginner সকলে কিদৰে এইটো কৰি আছে মই বুজি পোৱা নাই। সেইকাৰণে Monitoring Committee এখন গঠন কৰাটো অতি প্ৰয়োজন হৈ পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়ে ৰাস্তা বিলাকৰ গুণগত মানদণ্ড উন্নত কৰাৰ বাবে যি কথা কৈছে. মই তাত একমত, ২৫ টন বহন ক্ষমতা থকা ৰাষ্টা নিৰ্মাণ কৰিব লাগে। মোৰ সমষ্টিৰ বাবে এইটো অতি প্ৰয়োজন বুলি মই অনুভৱ কৰো যিহেতুকে মোৰ সমষ্টিৰ মাজেৰে বেকী নদীখন বৈ গৈছে আৰু এই বেকী নদীখন শিল বালিৰ ভঁৰাল আৰু এই ভঁৰালৰ গইনা লৈ তাত বৈধ অবৈধ বহুতো কোৱেৰী গঢ লৈ উঠিছে, এইবিলাকে JCB, excavator আদি লগাই শিল-বালি উঠায়ে আছে, Dumper বিলাকে টানিয়ে আছে। গতিকে এনে ধৰণৰ গধুৰ যান-বাহনে আমাৰ ৰাস্তা বিলাকৰো যথেষ্ট ক্ষতি সাধন কৰিছে। সেইবাবে ৰাস্তা বিলাক শক্তিশালীকৈ নিৰ্মাণ কৰাটো অতি প্ৰয়োজন হৈ পৰিছে। কাৰণ বকী নদীখনো থাকিব, উন্নয়নৰ কাৰণে শিল-বালি আদিও কঢ়িয়াব লাগিব। কিন্তু এইটো কৰিবলৈ যাওঁতে আমাৰ ৰাস্তা বিলাক ধ্বংস হৈ যায় তেন্তে সেইটোওটো হ'ব দিব নোৱাৰি। যোৱা কালি মই পৰিবহন মন্ত্ৰীৰ লগত এই সম্পৰ্কত কথাও পাতিছিলো কাৰণ গধুৰ যান বাহন বিলাকৰো বন বিভাগৰ লগত কৰ সংগ্ৰহণ ক্ষেত্ৰত কিবাকিবি সমস্যাৰ উদ্ভৱ হৈছে। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়ে কোৱাৰ দৰে আমি যদি ২৫ টন বা ৩০ টনৰ ৰাস্তা নিৰ্মাণ কৰো তেতিয়া হয়টো বিশেষ

অসুবিধা নহব। মোৰ সমষ্টিত বৰ্তমান এইটো অতি প্ৰয়োজন হৈ পৰিছে। মই আগতেওঁ উল্লেখ কৰিছো যে মোৰ সমষ্টিৰ প্ৰায় ৬৭খন গাওঁ BTR ৰৰ অন্তৰ্গত আৰু BTR টো হৈছে মানস অভয়াৰণ্য আৰু ভূটানৰ লগত সংলগ্ন Boarder Area আৰু এই Boarder এলেকাত বৰ্তমাললৈকে ৰাস্তা-ঘাট উন্নয়নৰ বাবে বিশেষ একো গুৰুত্ব দিয়া হোৱা নাই। **বিগত দিনত কি ধৰণৰ দৃষ্টিভংগীৰে কাম কাজ কৰিলে বিধায়ক সকলে যদি কৈ যায যে মই BTR ত কাম নকৰো, এই ধৰণৰ কথা-বতৰা ওলাইছিল। নকৰিলে আৰু নকৰাৰ ফলত এতিয়া গোটেই BTR অঞ্চলটোত ৰাস্তাঘাটৰ প্ৰয়োজন আছে, ধ্বংস হৈ আছে। আমি কেনেকৈ ৰাস্তা-ঘাট বান্ধিব পাৰিম। এই সম্পৰ্কত বিশেষ চিন্তা কৰা দৰকাৰ আৰু এই ক্ষেত্ৰত মোৰ এটা ক'ব লগা আছে। লোকনিৰ্মাণ বিভাগৰ আঁচনিত বিধায়ক বিলাকক কেনেকৈ যুক্ত কৰা হওঁক, বিভিন্ন স্কীম SOPD ৰ হওঁক বা RIDF হওঁক ইয়াৰ আঁচনি বিলাক পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত বিধায়ক বিলাকে পৰামৰ্শ দিয়ে। কিন্তু বিগত দিনবোৰত মোৰ অভিজ্ঞতা হৈছে, আৰু এই সময়টো মই লক্ষ্য কৰিছো, যে কিছু কিছু বিধায়কক সমষ্টিত গৈ যদি মন্ত্ৰীয়ে হস্তক্ষেপ কৰে কি আঁচনি মন্ত্ৰীয়ে উত্থাপন কৰে আৰু মন্ত্ৰীৰ আঁচনি মতে কাম হ'ব, বিধায়ক তাতে উপেক্ষিত হ'ব, আৰু এই ধৰণৰ কাণ্ড-কাৰখানা ঘটাটো বাঞ্চনীয় নহয়। সুস্থ গণতন্ত্ৰ ৰ কাৰণে, vibrant democracy কাৰণে এইটো উৎকৃষ্ট কথা নহয়। এই অসুস্থ বাতাবৰণ এটা চলি আছে। এইটো নিত্যান্তই বন্ধ হোৱাৰ দৰকাৰ। বিধায়কক আস্থাত লৈ বিধায়কৰ পৰামৰ্শ মতে যাতে কামবিলাক আগবাঢ়ে আৰু সেই কাৰণে মই কৈছো বিধায়কক লগত লৈ মনিটৰিং কমিটি পৰ্য্যন্ত বনাওঁক। কৰি পেলাই ঠিকাদাৰৰ মাতকবৰি চলিছে, সেই ঠিকাদাৰৰ মাতব্বৰি আৰু কিছু দুষ্ট বিষয়াৰ লগত ঠিকাদাৰৰ লগত যদি যুক্তি হৈ ৰাস্তাৰ কাম বছৰৰ পিছত বছৰ ধৰি পেলাই থ'ব একোখন দলং আধা কৰি গুছি যাব, কোনো ব্যৱস্থা গ্ৰহণ নকৰিব। ৰাস্তাও নাবান্ধিব, এই ধৰণৰ ব্যৱস্থাৰো যাতে অৱসান হয় আৰু অৱসান নোহোৱাকে টকা বঢ়াই থাকিলে একো কাম নহ'ব। মই উপাধ্যক্ষ মহোদয়ক কথাটো আকৌ উনুকিয়াই থ'ব বিচাৰো যে শক্তিশালি ৰাস্তা হওঁক, য'ত প্ৰয়োজন তাতে হওঁক, বিধায়কক গুৰুত্বপুৰ্ণ ভূমিকা ল'বলৈ দিয়া হওঁক, আৰু তাৰ কাৰণে ভাস্কৰ বৰুৱাই কোৱাৰ দৰে মনিটৰিং কমিটি এখন কৰক। যাতে সময় মতে কাম আৰম্ভ হয় আৰু সময় মতে কাম শেষ হওঁক, এইটো নিশ্চিত কৰাৰ কাৰণে আবেদন জনাই প্ৰস্তাবটো সমৰ্থন জনাইছো।**

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ। আমাৰ কেতিয়াও বৈষম্যমূলক আচৰণ নহয়, চৰকাৰৰ ফালৰ পৰা । সেই কাৰণে যোৱা কালি বি এ চি মিটিংত আপুনিও আছিল। প্ৰত্যেকগৰাকী বিধায়কৰ কাৰণে ১.৬৬ ছেকেণ্ডকৈ পৰে, আৰু ৫ মিনিট আমি কৰিছো আৰু এটা খুব বেয়া পৰম্পৰা হৈছে মই এটা অনুৰোধ কৰিব খুজিছো সকলো বিধায়কক। নিজৰ বক্তব্যটো দিয়াৰ লগে লগে বিধান সভাৰ কক্ষ এৰি গুছি যায়। এইটো ৰুল ২৭৫ টো আপোনালোকে পঢ়িব। যেতিয়া চিনিয়ৰ চিনিয়ৰ বিধায়ক সকল ইয়াৰ পৰা গুছি যায় তেতিয়া নতুন নতুন বিধায়কসকলে ভাবে যে এইটো পৰম্পৰা। স্পীচটো দি ওলাই যাব লাগে। এইটো develop কৰাটো উচিত নহয় ৰুলটো চাব। স্পীচ দিয়াৰ পিছতে one can not leave the House immediately. এতিয়া মই শ্বেৰমান আলি আহমেদ ডাঙৰীয়াক অনুৰোধ কৰিছো আপোনাৰ সময় ১৫ মিনিট দলে দিছে, আৰু যদি সময় বঢ়াই গৈ থাকে তেতিয়াহলে পিছৰ বক্তাৰ সময় কাটি গৈ থাকিব।

(মাননীয় উপাধ্যক্ষ মহোদয়ে সদন ত্যাগ কৰে, মাননীয় অধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰে)

**মাননীয় অধ্যক্ষ ঃ** তেতিয়া নতুন নতুন বিধায়কসকলে ভাবে যে এইটো পৰম্পৰা। স্পীচটো দি

ওলাই যাব লাগে। এইটো কৰাটো উচিত নহয় ৰুলটো চাব। এতিয়া মই শ্বেৰমান আলি আহমেদ ডাঙৰীয়াক অনুৰোধ কৰিছো আপোনাৰ সময় ১৫ মিনিটৰ বেছি হ'ব নালাগে।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মই কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে দুযাৰমান কম। মই প্ৰথমতেই PMGSY ৰ আঁচনিৰ যোগেদি মোৰ বক্তব্য আৰম্ভ কৰিব খুজিছো। প্ৰধান মন্ত্ৰী গ্ৰামচড়ক যোজনাৰ মূল লক্ষ্য হ'ল দেশখনৰ ভিতৰত থকা প্ৰতিটো চুবুৰী পকী ৰাস্তাৰে সংযোগ কৰা। মাননীয় উপাধ্যক্ষ মহোদয় সদন জ্ঞাত যে ২০০১ চনত এই প্ৰধান মন্ত্ৰী গ্ৰামচড়ক যোজনা আৰম্ভ হৈছিল তেতিয়াই আচলতে আমাৰ প্ৰতিখন গাওঁ, আৰু চুবুৰী এটি এটি পকী ৰাস্তাৰে সংযোগ হ'ব লাগিছিল। আৰু আজি এই প্ৰধান মন্ত্ৰী গ্ৰামচড়ক যোজনা আৰম্ভ হোৱা প্ৰায় ২০ বছৰ পাছত মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়াও শ শ গাওঁ পকী ৰাস্তাৰে সংযোগ হোৱা নাই। Simple হিচাপ, আমাৰ প্ৰায় ২৬০০০ ৰেভিনিউ গাওঁ আছে। এখন গাঁৱত যদি দুটাকৈ চুবুৰী ধৰো, ৫২০০০ টা ৰাস্তা থাকিব লাগিছিল। এটা থূল-মূল হিচাপ কৈছো। মোৰ এখন গাওঁ আছে সত্ৰ খনৰা। তাৰ জনসংখ্যা ৩৩ হাজাৰ। তাত প্ৰায় ১৫ টা চুবুৰী আছে। avarage চুবুৰী দুটাকৈ ধৰিলেও আমি মিনিমাম ৫২০০০ টা ৰাস্তা আৰু এই ৫২০০০ টা ৰাস্তাৰ যদি এটা এটা ৰাস্তাৰ দৈৰ্ঘ্য ১ কিঃমিঃ হয়, আমি প্ৰধান মন্ত্ৰী গ্ৰামচড়ক যোজনা(১)ৰ অধীনত প্ৰায় ৫২ হাজাৰ কিঃমিঃ ৰাস্তা পাব লাগিছিল কিন্তু নাইপোৱা। আমি এতিয়ালৈ খুব সম্ভৱ ২০,০০০ কিঃ মিঃ অতিক্ৰম কৰা নাই। এইটোৱে প্ৰমান কৰে, হয়, there were some serious anomalies in the process of implementing the PMGSY Road আজিও আপুনি বহুতো ব্লকত চাব, গাৱত চাব, প্ৰতিটো ৰেভিনিউ গাঁৱত habitation টো বাদেই দিয়ক, প্ৰতিখন ৰেভিনিউ ভিলেজ সংযোগ হোৱা নাই। ইয়াৰ পাছত অৰ্থাৎ ২০০১ চনৰ পাছত আমাৰ বাইদেউ তেতিয়া গড়কাপ্তানি মন্ত্ৰী আছিল, ২০১৫ চনত সংশোধনীৰ কাৰণে State ৰ পৰা প্ৰস্তাৱ গ'ল, যে আমাৰ বহুতো গাওঁ বৈ গ'ল,চুবুৰী বৈ গ'ল। সংশোধনী হ'ল আৰু সংশোধনী হোৱাৰ পাছতো গোটেইখিনি habitation বা গাওঁ আজিলৈ সংযোগ হোৱা নাই। মই এই কাৰণেই প্ৰথমেই এই কথাটো উল্লেখ কৰিছো যে এতিয়া PMGSY (3) আৰম্ভ হৈছে, PMGSY (3) ৰ পাছত PMGSY (4) হ'ব, তাত আৰু এটা আমি সুযোগ পাম, প্ৰতিটো গাওঁ বা চুবুৰী, এটা এটা পকী ৰাস্তাৰে all weather road ৰে সংযোগ কৰাৰ কাৰণে। এই যে বিষয়াসকলৰ গাফিলতিৰ কাৰণে আমাৰ যে ৫২০০০ টা ৰাস্তা আমি minimum পাব লাগিছিল, নাপালো, মই সেই কাৰণে আপোনাৰ জৰিয়তে মাননীয় গড়কাপ্তানি মন্ত্ৰী আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক আজি উপস্থিত আমাৰ মাননীয় মন্ত্ৰী সকলৰ যোগেদি অনুৰোধ জনাব খুজিছো যে PMGSY (4) যেতিয়া আৰম্ভ হ'ব। it is going to be started very soon, may be in the month of September or at the end of August. যাতে প্ৰত্যেকজন বিধায়কক জড়িত কৰি কোনো বিধায়কৰ সমষ্টিত কোনো এটা ৰাস্তা বা এটা চুবুৰীও বাদ নপৰে। কাৰণ State ৰ ইমান resource নাই, আমি কেন্দ্ৰৰ ফালৰ পৰা এই টকাখিনি পাওঁ। গতিকে এইটো last chance.আৰু এই chance. টো PMGSY (4) হয়, আমাৰ আগৰ গড়কাপ্তানি মন্ত্ৰী, বৰ্তমানৰ মাননীয় মুখ্য মন্ত্ৰী, আৰু আমাৰ কেইজনমান বিষয়াৰ বিশেষ উদ্যোগত, আমাৰ অসমৰো এজন বিষয়াই এই কেন্দ্ৰীয় কমিটিত আছিল, তেওঁলোকৰ বিশেষ উদ্যোগত, মাত্ৰ ৬ খন State ক এই সুবিধা দিছে যে আৰু এটা chance দিয়া হ'ল new connectivity, PMGSY (4) ত। গতিকে মই সদনৰ জ্ঞাতাৰ্থে আৰু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি দৃষ্টি আৰ্কষণ কৰিছো যাতে এইবাৰ আৰু আমি বাদ নপৰো।

এইবাৰলৈ নতুন ৰাস্তা creation যাতে minimum ৫২০০০ কিঃমিঃ হয়। মাননীয় উপাধ্যক্ষ মহোদয়, PMGSYটো নতুন habitation connection ৰ সুবিধা নাই। improvement, এতিয়া চলি আছে PMGSY (3) । PMGSY (3) টো নতুন ৰাস্তা নতুন connection ৰ সুবিধা নাই। PMGSY (3) ৰ মূল কথাটো হ'ল, যে আগতে আমি যিবোৰ সৰু সৰু ৰাস্তা বনালো, এই গোটেইকেইটা মিলি এটা throught via ৰাস্তা বনোৱা, connecting School, connecting health facility, connecting agricultural market, এইটো হ'ল অৰ্থাৎ আগৰ ৰাস্তাটোৰ riding Quality improve কৰা With widening if necessary, traffic density চাই প্ৰয়োজন বশতঃ ৫.৫ মিটাৰ বা ৭ মিটাৰলৈ বহল কৰাৰ কাৰণে কি provision টো আহিছে। মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু PMGSY (3) চলি আছে, এইক্ষেত্ৰত, PMGSY (3) ৰ মূল criteria হ'ল, এটা দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে হৈছে, প্ৰথম অৱস্থাত there are district rural road plan বনোৱা হ'ল, তাত প্ৰত্যেকটো ৰাস্তা plotting কৰা হ'ল, plotting কৰাৰ পাছত ১০ বা ২০ টা ৰাস্তা মিলি এটা major link Road উলিওৱা হ'ল। এইটো through via road হ'ব আৰু সেই ৰাস্তাবোৰ selection হোৱাৰ কাৰণে, কেইবাটাও condition আছে। (১) দহ বছৰ পুৰণা হ'ব লাগিব। (২)Minimum length of the MRL should be 5 K.M. আৰু যিবোৰ ৰাস্তা MRL হিচাপে selection হ'ব তাৰ minimum 3 k. m. বৃদ্ধি হ'ব লাগিব, these are the necessary condition. এই condition. মতে ৰাস্তা selection কৰাৰ পাছত আমাৰ ইঞ্জিনিয়াৰ সকলে ৰাস্তা বনোৱাৰ পাছত কোনটো ৰাস্তা হ'ব। অসমতটো শ শ হৈছে, কিন্তু সকলোটো ল'ব নোৱাৰিব। ভাৰত চৰকাৰে দিছে, ৪৩৭৫ কিঃমিঃ গোটেই অসমৰ কাৰণে। গতিকে এই criteria কৰাৰ কাৰণে কেনেকৈ কৰিব এইটোও ধৰি দিছে যে প্ৰতিটো ৰাস্তাৰ against ত নাম্বাৰিং হ'ব। নাম্বাৰিং কিহৰ ওপৰত ভিত্তি কৰি হ'ব স্কুল থাকিলে, ৫ নম্বৰ, কলেজ থাকিলে ১০ নম্বৰ, Agricultural market থাকিলে ১০ নম্বৰ, প্ৰত্যেক প্ৰত্যেকটো ৰাস্তাৰ নাম্বাৰ পালে। নাম্বাৰ পোৱাৰ পাছত system য়ে automatic generate কৰিলে, Department ৰ ইঞ্জিনিয়াৰ বোৰৰ হাত নাই যে এই কেইটা ৰাস্তা criteria মতে পৰিছে মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া যিখিনি ৰাস্তা automatic generated হৈছে সেই ৰাস্তাও ৪৩৭৫ ৰ ওপৰত । যদি ৫০০০ কিঃ মিঃ হৈছে, দিব লাগিব ৪৩৭৫ কিঃমিঃ amongst all the blocks. blockআমাৰ basic unit. মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাটো মই এই কাৰণেই আনিছো, যে distribution of the 4375 K.M. has not been done rationally.

মাননীয় অধ্যক্ষ মহোদয়, সকলো বিলাক criteria fulfil কৰি eligible ৰাস্তা হৈছে, কিন্তু গোটেই অসমত ব্লক বিলাকত ৰাস্তা বিলাক distribute কৰোতে যি ধৰণে rationally কৰিব লাগিছিল, তেনেদৰে কৰা হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দাঙি ধৰিব খুজিছো। আমাৰ বটদ্ৰৱা part-I block. তাৰ জনসংখ্যা হ'ল ১১,৫৬৩, কপিলী part-I block ৰ জনসংখ্যা ২৮, ১৭২ আৰু মাছখোৱাৰ জনসংখ্যা হ'ল ২৯,৫৭৫। আনহাতেদি আন কিছু ব্লক আছে, যোৰহাট ব্লকৰ জনসংখ্যা হ'ল ২,২৯,০০০, ছিপাঝাৰ জনসংখ্যা ২,২৯,০০০ বালিপাৰাৰ জনসংখ্যা ২,৬০,০০০ আৰু মোৰ মন্দিয়া ব্লক অসমৰ সবাতোকৈ বেছি জনসংখ্যা থকা ব্লক জনসংখ্যা হৈছে ৩,৪৬,০০০। মাননীয় উপাধ্যক্ষ মহোদয়, বিভাগে গোটেই ব্লক বিলাকত mechanically ২০ কিঃমিঃ কৈ দিলে। মাছখোৱাত মাত্ৰ ২৯,০০০ জনসংখ্যা তেওঁলোকক

২০ কিঃমিঃ পাব আনহাতে যোৰহাটত ২,২৯,০০০ জনসংখ্যা আৰু তেওঁকো মাত্ৰ ২০ কিঃমিঃ দিছে। totally irrotional যদি তেওঁৰ যোগ্য ৰাস্তা নাথাকে সেইটো বেলেগ কথা, তেওঁৰ যদি auto generated ৰাস্তা নাথাকে, সেইটো বেলেগ কথা। কিন্তু নিয়মটো হ'ল যে, যি বিলাক eligible ৰাস্তা থাকে, total sanction length হৈছে ৪৩৭৫ divided by 3,11,00,00 ২০১১ চনৰ census মতে। তাৰ লগত পূৰণ হৈছে population of the block. এনে ধৰণৰ কৰিলে কাৰো প্ৰতি অন্যায় নহ'লহেতেন। আমাৰ মন্দিয়া ব্লকৰ জনসংখ্যা ৩,৪৬,০০০ কিন্তু মইও মাত্ৰ ২০ কিঃমিঃ পাইছো। মোৰ ব্লকত ২৭ টা পঞ্চায়ত আছে। মই এটা উদাহৰণ দিব বিচাৰিছো। অকল মোৰেই নহয়, যোৰহাট হৈছে, ছিপাঝাৰ হৈছে। ৩,৪৬,০০০ জনসংখ্যা, পঞ্চায়ত ২৭ টা ডেৰটা সমষ্টি মিলাই মোৰ ব্লক। entire বাঘবৰ ১৭ টা পঞ্চায়ত আৰু জনিয়াৰ ৮ টা পঞ্চায়ত। ইমানখিনি মিলাই মোক দিলে মাত্ৰ ২০ কিঃমিঃ পথ। আনহাতেদি সমষ্টিত ৩ টা ব্লক, তেওঁ ৬০ কিমিঃ পালে অথচ তেওঁৰ জনসংখ্যাও মোৰ ও ভাগৰ এভাগ। this is gross irregular. গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে, এতিয়াও সময় আছে। মই তেখেতক অনুৰোধ কৰিছো যাতে ৰাস্তাসমূহ population pattern ত দিয়ক। শাসক বিৰোধী বুলি কথা নাই, equally distribute কৰক। মোৰ ১৫ টা ৰাস্তা system এ select কৰিছে। eligible বুলি as per the condition. কিন্তু মোক ১৫ টা ৰাস্তা নালাগে। মই population হিচাবে proportional length পাব লাগে ৪৮ কিঃমিঃ। মই বিভাগীয় বিষয়া সকলক কৈছিলো যে ৪৮ কিঃমিঃ নালাগে, ৪৪ কিঃমিঃ দিলেই হ'ব। মাত্ৰ ৪ টা ৰাস্তা বিচাৰিছিলো, কিন্তু দিয়া নাই। অথচ মোৰ কাষৰ কোনোবা এটা সমষ্টিয়ে ৪০ কিঃমিঃ পাইছে। তেওঁৰ proportional মোৰ আধা। তেওঁৰ দুটা ব্লক থকাৰ কাৰণেই ৪০ কিঃমিঃ পথ পাইছে। This is gross injustice. এতিয়াও যিহেতু allocation final হোৱা নাই, মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰো যে, এই ৪৩৭৫ elligible ৰাস্তা proportional to the population হিচাপে যাতে দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয়, এই PMGSY ৰাস্তাৰ ক্ষেত্ৰত কেইটামান খুব গুৰুতৰ বিসংগতি আছে যিটো মই আগতেও উল্লেখ কৰিছো। আমাৰ side bump ৰ কথা এজনে কৈছে। কিন্তু side bump নাই। formation with হ'ব লাগে। কিন্তু আমি গৈ ৩.৭৫ মিটাৰহে পাওঁ। side bump নাই যদি বনাইছে compaction হোৱা নাই। compaction should be layer. মাননীয় উপাধ্যক্ষ মহোদয়, যেতিয়া আমি সদনত প্ৰশ্ন কৰো যে, quality বেয়া হৈছে, তেওঁৰ উত্তৰ দিয়ে যে আমাৰ SQM আছে, NQM আছে, তেওঁলোকে regular visit কৰিছে। I with authority want to request you, want to opine that perhaps it is the high time that we should institute enquiry against the SQM and NQM. NQM এ যোৱাকালি visit কৰি আহিছে আৰু পিছদিনাখন visit কৰি দেখা পাইছে যে, ৬ ইঞ্চিৰ টাইত ২ ইঞ্চি আছে। what is this ? মাননীয় উপাধ্যক্ষ মহোদয়, মই এই সদনৰ ৰেকৰ্ড ৰ কাৰণে মাত্ৰ ৩ টা ৰাস্তা request কৰিছো। সম্পূৰ্ণ হোৱা নাই। quality control কৰক। তেতিয়া SQM/NQM ৰ কি quality সেইটো ধৰা পৰিব। মই কেইটামান পেকেজ ক'ব খুজিছো। AS01242, AS01265 এই কেইটা কাম কৰা দেখুৱাইছে ৮০ শতাংশ, কিন্তু ৬০ শতাংশ ৰ ওপৰত হোৱা নাই। কেনেকৈ ৮০ শতাংশ হ'ল। প্ৰায় ৩ কিঃমিঃ পথ এতিয়াও বাকীয়েই আছে। How physical progress is shown as 80% আৰু দুটা pack-

age আছে, AS01331, AS01211, এই দুটাৰ progress দেখুৱাইছে ৬৫ শতাংশ কিন্তু তাত ৪০ শতাংশৰ ওপৰত progress হোৱা নাই। এই চাৰিটা ৰাস্তাৰ বাবে অনুৰোধ কৰিছো যাতে আমাৰ মুখ্যমন্ত্রী মহোদয়ে বেলেগ device ৰ যোগেদি এই SQM/NQM ৰ ওপৰত ভৰষা নকৰি enquiry কৰক। It is our asset. we are getting money from the centre. আমাৰ ইমান বেছি টকা নাই যে ৰাস্তা আমি বাৰে বাৰে repairing কৰি থাকিম। কেন্দ্রৰ পৰা পাইছো যিহেতু ভালদৰে বনাব লাগে যাতে এইবোৰ আমাৰ asset হয়। কাৰ গাফিলতিৰ কাৰণে বাৰে বাৰে এইবোৰ হৈছে? সেইটো চাব লাগে। যাতে আমাৰ ৰাজ্যখন এই যোগাযোগৰ ক্ষেত্ৰত আগবাঢ়িব পাৰে। Communication is the primary factor for development of entrepreneurship. Without development of entrepreneurship, it is simply impossible to solve the unemployment problem of the state. মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু ৪ টা মান পইন্ট কম। এই PMGSY ৰ ৰাস্তা বিলাক যদি বিভাগে যোগাত্মক ভাবে লয়, তাত আমি plantation কৰিব পাৰো বন বিভাগৰ জৰিয়তে তেতিয়া আমাৰ side bump permanent হ'ব। আমাৰ Assam Energy deve. corporation য়ে ৯০ শতাংশ চাবচিডিত Street light দিয়ে। সেইখিনিও যদি আমি convergence কৰি লওঁ তেতিয়া এই ৰাস্তা বিলাক আমাৰ permanent resource হ'ব। মোৰ তাৰ বন বিভাগৰ ৰ পৰা দুটা scheme গৈছে। কিন্তু PWD এ আজিলৈ NOC দিয়া নাই। This should be taken very seriously. দ্বিতীয়তে, ৰাস্তাৰ কাষত electric post পোতে, pipeline বহুৱাই। মই আগতে কেইবাৰো commission ৰ এই কথাটো জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** You please try to conclude. আপোনালোকৰ শেষত কমলাক্ষ দে' পুৰকায়স্থ আছে। তেওঁ কথা কবলৈ সময় নাপাব। If you conclude, he will not be allowed.

**শ্রী শ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো খুৱ গুৰুত্বপূৰ্ণ । It is the property of the PWD. কিন্তু এইটো PWD এ গুৰুত্ব নিদিয়াৰ কাৰণে যেতিয়া ৰাস্তা বনাবলৈ যায়, এই electric post বোৰ উঠাবলৈ যাওঁতে কেৰেলাতকৈ গুটি দীঘল হৈ যায়। ৰাস্তাৰ নামত যদি ১ কোটি আছিলে, electric post উঠাওঁতে ২ কোটি টকা খৰচ হৈ যায়। উজনি অসমত বহুকেইখন দলং ব্ৰহ্মপুত্ৰৰ ওপৰত হৈছে, আমি খুৱ ভাল পাইছো। কিন্তু নামনি অসমত পঞ্চৰত্ন আৰু গুৱাহাটীৰ পৰা প্ৰায় ২০০ কিঃমিঃ ত দুখন দলংৰ ইতিমধ্যে এটা প্ৰস্তাৱ দিছো। বৰপেটা জিলা সত্ৰখনৰ বা বামুনদংৰাৰ পৰা নগৰবেৰা শিমলীতললৈ এখন দলং বনাব লাগে ব্ৰহ্মপুত্ৰৰ ওপৰত। তাঘাইটাৰীৰ পৰা দৌলাশাললৈ highway তেতিয়াৰ আমাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই যথেষ্ট গুৰুত্ব সহকাৰে কেন্দ্ৰীয় চৰকাৰক লিখিছিলে। তেওঁলোকৰ বিবেচনাধীন হৈ আছে। এই তাঘাইটাৰীৰ পৰা দৌলাশাললৈ যদি highway হৈ যায়। it will be economic hub of not only for lower Assam, but for the entire Assam. মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মন্দিয়াৰ পৰা বাঘবৰলৈ এটা ৰাস্তা হৈ আছে economic importance head ত। কিন্তু মন্দিয়া বজাৰৰ ওচৰত থকা ব্ৰীজখন হোৱা নাই। মই কৈছো মন্দিয়া বজাৰৰ ২০ কিঃমিঃ ভালদৰে কৰক। it is the centre point for agricultural market for around 10 lakh people, বাঘবৰ সমষ্টি, জনিয়া সমষ্টি, চেঙা সমষ্টি

আৰু বৰপেটা সমষ্টি কেইটাৰ কেন্দ্ৰ বিন্দু। মই সেইকাৰণে কৈছো ২০ কিঃমিঃ এটা ভালদৰে কৰক। যদি এতিয়া টকা দিব নোৱাৰে পিছত আমি SOPD ৰ দ্বাৰা দিব। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, অভিযন্তাক কাৰ জোৰত আজি ৯ মিটাৰকৈ এই ৰাস্তা কৰি আছে মই কৈছো যে বাকীখিনি কৰি লওঁক, আৰু প্ৰপোজেল পঠিয়াওক। যদি চৰকাৰে নিদিয়ে তেতিয়া দেখা যাব। How the Executive Engineer could dare to construct the road as nine meters? আজি মন্দিয়া উন্নয়ন হ'লে গোটেই অসমত কৃষিৰ উৎপাদন, মাছৰ উৎপাদন হলে অৰ্থনৈতিক বিপ্লৱৰ সূচনা হ'ব, মাননীয় উপাধ্যক্ষ মহোদয়, আৰু দুটা পইন্ট কৈ মই সমাপ্ত কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ সময়টো আপুনি মোটামোটি শেষ কৰিলে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** যোৱা বছৰ এই সদনত আমাৰ চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আছিল। মোৰ পি এম জি এচ ৱাই ৰ ৰাস্তাৰ পৰা ১০ টা দলং অভিযন্তাৰ ভুলৰ কাৰণে লেফ্‌টআউত হৈ গ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি ১৯ মিনিট ক'লে, এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ সময়টো আগৰ বক্তাই ২ মিনিট খৰচ কৰিছে, এতিয়া আপুনি জাকিৰ হুছেইন ডাঙৰীয়াৰ সময়টো কিয় খৰচ কৰি আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** বিজেপিৰ সভাত *সব কা সাথ সব কা বিকাশ* আদি কৈ থাকে। ২০১৯-২০, ২০২০-২১ ত আমি বিধায়ক বোৰে এচ ও পি ডি ৰ টকাও নাপালো, আৰ আই ডি এফৰ টকাও নাপালো আৰু চিগ্‌নেচাৰ আঁচনিৰ টকাও নাপালো আৰু যেতিয়া আমাৰ শাসক পক্ষৰ মন্ত্ৰী সকলে কয় সবকা সাথ সবকা বিকাশ মেড ইন আসাম, তেতিয়া মোৰ মনটো ভাল লাগে। কিন্তু ২০১৯-২০, ২০২০-২১ ত আমাৰ বহু বিধায়কে এক পইচাও পোৱা নাই। এতিয়া শুনিছো আৰ আই ডি এফত ৪৩ টা সমষ্টিত টকা দিয়া হৈছে, কিন্তু আমাক দিয়া নাই। সেই সময়ত মন্ত্ৰীয়ে কৈছিল বিৰোধীৰ বিধায়কসকলক তেখেতৰ কক্ষলৈ মাতিব আৰু মাতি তেওঁলোকক টকা দিব।

**মাননীয় উপাধ্যক্ষ ঃ** বহক, বহক।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** কিন্তু, কিয় আজি এনেকুৱা হ'ল? I am talking with authority. আমাৰ এনেকুৱা বহুত বিধায়ক আছে মোক ধৰি যি সকলে যোৱা তিনিটা বছৰে এচ ও পি ডিৰ নামত এক টকাও পোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি শেষ কৰক।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** আৰ আই ডি এফৰ নামত এক পইচাও পোৱা নাই, চিগ্‌নেচাৰ প্ৰজেক্টৰ নামটো পোৱা নাই, আনকি এই বছৰো আমাৰ বহুতে পোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি সমাপ্ত কৰক, আপোনালোকৰ দলপতিয়ে কৈ আছে সমাপ্ত কৰিবলৈ। আপোনালোকে সময় দিব, নামৰ লিষ্ট দিব কিন্তু সেই বোৰ অনুসৰণ নকৰে। কথা হৈছে কি আমাৰ প্ৰত্যেক গৰাকী বিধায়কৰে দায়িত্ব আছে, নিজৰ সমষ্টিত কাম কৰাৰ সময়ত চাব লাগে যে থিকনেচটো কিয় ইমান কম হৈ আছে, এইটো কথা বিধান সভাত ক'লে নহ'ব। সমষ্টিত গৈ আপোনালোকে কাম কৰা ঠাইত থাকক, তেতিয়াহে কামটো ভাল হ'ব। এনেকুৱা মানসিকতা আমি ল'ব লাগিব।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** আজি এই মনিটৰিং কমিটি খনত বিধায়ক সকল থাকিব লাগে বুলি

প্ৰস্তাৱ এটা লব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক। অনুগ্ৰহ কৰি গণ্ডগোল নকৰিব। আপোনালোকে যে যুক্তিৰ কথা কৈছে এই ক্ষেত্ৰত যদি চোৱা যায়, কাৰ্বি আংলঙৰ এটা সমষ্টিত ৩ হাজাৰ বা ৩৫০০ বৰ্গ কিলোমিটাৰ হ'ব, as compared to 700/800 বৰ্গ কিলোমিটাৰ থকা বেলেগ সমষ্টিতকৈ। জনসংখ্যাকলৈ ৰাস্তা নবনাই, ৰাস্তা বনাই আমাৰ যিটো এৰিয়া তাতহে ৰাস্তা বনায়। ক'বলৈ গ'লে মোৰ সমষ্টিত বহুত অতিৰিক্ত ৰাস্তাৰ প্ৰয়োজন আছে, পি এন জি এচ ৱাইৰ পেৰামিটাৰ হৈছে জনসংখ্যা। মই এই কথাটো জানো, ঠিক আছে মোৰ সমষ্টিৰ বিষয়ে কবলৈ সুবিধা নাই। এতিয়া পৰৱৰ্তী বক্তা শ্ৰী তেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰীয়ে ২০২২ চনৰ ৩১ মাৰ্চত বহন কৰিবলগীয়া কিছুমান খৰচৰ কাৰণে মঞ্জুৰী নং ৬৪ ত যি প্ৰস্তাৱ আগবঢ়াই ইয়াৰ সমৰ্থনত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াৰ বিৰুদ্ধে কেইটামান কথা কব বিচাৰিছো। এটা সময় আছিল যি সময়ত আমি ৰাস্তা বিচাৰি ফুৰিছিলোঁ। আবেদন কৰি থাকো, ৰাস্তা নহয়হে নহয়, কিন্তু ২০১৬ চনত পৰিৱৰ্তনৰ নামত অহা বিজেপিৰ যি মিত্ৰজোঁটৰ চৰকাৰে ৰাস্তা আৰু দলং নিৰ্মাণৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সূচনা কৰিছে ই অসমৰ ৰাইজক আকৃষ্ট কৰিছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** ৰাস্তাবোৰ নহয়, এনেই কৈ থাকে এইবোৰ।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়ে মই ক'ব নালাগে। আমি যেতিয়া ফেচবুক বা সামাজিক মাধ্যম চাওঁ তেতিয়া দেখা পাওঁ যে বহুত মানুহে সেই ৰাস্তাবোৰত চেল্‌ফি মাৰি পঠিয়ায়। কেতিয়াবা চাহ বাগানৰ মাজৰ ৰাস্তাত, কেতিয়াবা সুন্দৰ দলং এখনৰ মাজত চেলফি উঠে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** এই বিলাক এনেই কোৱা কথা।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি তেখেতক ক'ব দিয়ক।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই যি বুজিলো যি সকল মানুহৰ গাঁৱৰ লগত সম্পৰ্ক নাই তেওঁলোকে ৰাস্তাবোৰ দেখা নাই। কাৰণ আমি কেতিয়াবা চাইকেলত ঘূৰো, কেতিয়াবা গাড়ীত ঘূৰোঁ, সেয়েহে ৰাইজৰ মাজত ৰাস্তাবোৰ দেখা পাঁও। সেই ৰাস্তাবোৰ দেখিলে গম পাও যে ৰাস্তাবোৰ কেনেকুৱা ধৰণৰ হৈছে।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি মনে মনে থাকক।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি এচ ও পি ডি, পি এম জি এচ ৱাই, আৰ আই ডি এফ এইবোৰ শিতানত ৰাস্তা বনাই আছো। তাৰোপৰি চিড'ল ট্ৰাইব চাবলেণ্ড, চিড'ল কাষ্ট চাব লেণ্ডতো যথেষ্ট পৰিমাণে কাম হৈ আছে আৰু সেই কাৰণে মই ভাৱো সঁচা অৰ্থত এই চৰকাৰ খনে ৰাস্তা যোগাযোগৰ উন্নয়নৰ ক্ষেত্ৰত ৰাইজৰ পৰা আশীৰ্বাদ পাইছে আৰু সেয়েহে আমি বিধান সভালৈ আহিছোঁ আৰু চৰকাৰ বনাইছোঁ। বিৰোধীয়ে যিমানে কওঁক বা নকওক সৰ্বসাধৰণ ৰাইজ বা দুখীয়া মানুহে যেতিয়া বেমাৰত পৰে আৰু গাড়ী এখন বিচাৰি যায় তেতিয়া গাড়ীখনে নাযাও বুলি কয়, কাৰণ ৰাস্তা বেয়া। কিন্তু এতিয়া ফোন এটা কৰি ৰাস্তাৰ নাম কোৱাৰ লগে লগে গাড়ী আহি যায়। এইটো হৈছে ডাঙৰ সফলতা। বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনিছে আমিও আলোচনা কৰাৰ সুবিধা পাইছো। কিন্তু না বুলি কৈছে সেইটো ডাঙৰ কথা। যিয়ে দেখিও নেদেখাৰ ভাও ধৰা

বুলি অনুমান হৈছে। আমি ভাৰো কাঠৰ দলং নিৰ্মাণৰ যোৱা চৰকাৰে যি প্ৰস্তাৱ লৈছিল দুলীয়াজান বিধান সভা সমষ্টিত কাঠৰ দলং আছিল যদিও কিবা কাৰণত তালিকাত অন্তৰ্ভূক্ত নহ'ল। এই দলঙবোৰ অন্তৰ্ভূক্ত কৰিবলৈ মই অনুৰোধ জনাইছো। ব্ৰহ্মপুত্ৰৰ এখন অন্যতম উপনদী হৈছে বুঢ়ীদিহিং, মোৰ তিনিটামান ৱাৰ্ড আছে । তেলপানী গাঁও পঞ্চায়তত তিনিটা ৱাৰ্ড আছে। তাত দলং নথকাৰ বাবে সেই তিনিটা ৱাৰ্ডলৈ যাবৰ কাৰণে মোৰ গোটেই দিনটোৰ প্ৰয়োজন হয়। গতিকে তেলপানী গাওঁ পঞ্চায়তৰ দ্বিমুৰা আৰু চহৰীকটা সংযোগী বুঢ়ীদিহিং দলংখন যাতে বনাই দিয়ে তাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো, এই খন অতি গুৰুত্বপূৰ্ণ দলং। সেই চহৰীকটা, কেন্দুগুৰী আৰু গুৰীয়াকাটা অঞ্চলৰ ৰাইজ টেঙাখাট থানালৈ আহিব লাগে, তেওঁলোকে টেঙাখাট উন্নয়ন খণ্ডলৈ আহিব লাগে আৰু তেওঁলোকে ডিব্ৰুগড় আৰু দুলীয়াজানলৈ আহিব লাগে। কিন্তু দলং নোহোৱাৰ বাবে তেওঁলোকৰ যথেষ্ট কষ্ট হয়। যেতিয়া তেওঁলোকে টেঙাখাট মডেল হস্পিতালললৈ আহিব লাগে তেতিয়া দলং নোহোৱাৰ বাবে যথেষ্ট অসুবিধা হয়। সেয়েহে বুঢ়ীদিহিঙৰ ওপৰত এখন দলং দিয়াৰ বাবে মই চৰকাৰক অনুৰোধ কৰিছো। যোৱাবাৰো মই আৱেদন কৰিছিলো, গতিকে এইটো বিবেচনা কৰিবলৈ অনুৰোধ কৰিছো। টেণ্ডাৰৰ ক্ষেত্ৰত এটা কথা কওঁ যে যিহেতু আমি ডি আৰ এচ চি ৱৰ্কচ ত আছিলো আৰু তাত এটা সিদ্ধান্ত লোৱা হৈছিল যে বহুত সময়ত পি এম জি এচ ৱাইৰ আঁচনিৰ কাম বোৰৰ ক্ষেত্ৰত ১০ শতাংশ, ১৫ শতাংশ তলত নিবিদা মাৰি ঠিকাদাৰ সকলে কাম লয় আৰু এই ১০ বা ১৫ শতাংশৰ তলত নিবিদা মাৰা যিটো প্ৰৱনতা আছে ঠিকাদাৰ সকলৰ তাৰ ফলত কামৰ মানদণ্ড কেতিয়াও ভাল নহয়। গতিকে এই ক্ষেত্ৰত ঠিকাদাৰসকলে এটা দায়িত্ব লব লাগে। কাৰণ তেওঁলোকে কম ৰেটত টেণ্ডাৰ দি কাম লয়। তাৰ ফলত কামবোৰৰ মানদণ্ড অতিকৈ নিম্নমানৰ হয়। গতিকে এই ক্ষেত্ৰত বিভাগে ব্যৱস্থা ল'ব লাগে। আমি বাজেটত দেখিছো যে এইবাৰ নিবিচৰাকৈ বহুত বস্তু দি দিছে। গতিকে আমি অসম মালাৰ বিষয়ে শুনা নাছিলো, মোৰো এতিয়া প্ৰায় ৪৭ বছৰ চলি আছে। কিন্তু যোৱা বাজেটত এই অসমমালা শব্দটো দেখা পালো। ৫ টা বিধান সভা সমষ্টি যেনে মৰাণ, টিংখং, নাহৰকটীয়া, তিয়াজাং, দিগবৈ সংযোগী এটা ৰাস্তাৰ প্ৰপোজেল ইতিমধ্যে আহিছে। ডি পি আৰো প্ৰস্তুত হৈছে আৰু তাৰ ইলেক্ট্ৰিকেল কামো কিবা কিবি কাৰণত হোৱা নাই। কাৰণ তাত কিবা অলপ ফৰেষ্ট লেণ্ডৰ সমস্যা আছে। গতিকে অসমমালাৰ যোগেদি কেইবাটাও সমষ্টি সংযোগ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। electrical ৰ কাম অলপ কিবা কাৰিকৰী কাৰণ হোৱা নাই যদিও এটা ফৰেষ্ট পৰি গৈছে, তাৰ কাৰণেও ৰখি গৈছে। গতিকে অসম মালা দৰে আচঁনি আনি ইতিমধ্যে কেইবাটাও সমষ্টি সংযোগ কৰাৰো প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই কাৰণে মই দেখিছো যে অসম মালাত ইতিমধ্যে কেইবাটাও অনুষ্ঠানৰ অৰ্থ সাহাৰ্য্য প্ৰায় ৫৫০ কিলোমিটাৰ ৰাষ্টা বনোৱাৰ কথা বাজেটত উল্লেখ কৰিছে। তাৰ কাৰণে আমি দেখিছো AIIB, ASRIP প্ৰায় ২৫০ কিলোমিটাৰ তাৰ পিছত ADB, ARNIP ৰ অৰ্থসাহাৰ্য্যতো চৰকাৰে ৰাষ্টা বনোৱাৰ ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি আৰু এটা বাজেটত দেখিছো যে চলিত বৰ্ষত ৪ টা ৰাষ্টাৰ প্ৰকল্পৰ কাম হাতত লোৱাৰ কথা উল্লেখ কৰিছে। প্ৰথমটো হ'ল কোকৰাঝাৰৰ পৰা বাশবাৰী হৈ ৰূপচী বিমান বন্দৰলৈ ৭৪ কিলোমিটাৰ ৰাষ্টাৰ কথা এই বাজেটত আহিছে। প্ৰায় ৫০ কিলোমিটাৰ ৰৌতাৰ পৰা মিছামাৰীলৈ যোৱা ৰাষ্টাৰ কথা proposal ত আহিছে। ২৮ কিলোমিটাৰ ঘগ্ৰাবস্তি হৈ গহপুৰ ঢলপুৰলৈ যোৱাৰ ৰাষ্টাৰ কথা প্ৰস্তাৱত আহিছে আৰু ৩৮ কিলোমিটাৰ ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথত বিজুলীৱন তেঙেৰী সংযোগী ৰাষ্টাৰ কথা আহিছে। লক্ষিমপুৰ, বেবেজীয়া, ঘূণাসুতি

সংযোগী ৰাষ্টাৰ কাৰণে প্ৰায় এক কিলোমিটাৰ দলংৰ কথা ইয়াত আহিছে। কুমাৰীকাটা, জালাহৰ মাজত পাগলদিয়া নদীৰ ওপৰতো প্ৰায় **১.২** কিলোমিটাৰ দলংৰ প্ৰস্তাৱ আহিছে আৰু ইতিমধ্যে গাওঁ সমূহত যিবিলাক ৰাষ্টা আছে, এই ৰাষ্টাবিলাকৰ অৱস্থা জৰীপ কৰিবৰ কাৰণে বিভাগকে ব্যৱস্থা গ্ৰহণ কৰিছে। এই কাৰণে মই ভাৱো আচলতে এখন দায়িত্বশীল চৰকাৰ, দায়িত্বশীল মন্ত্ৰী যেতিয়া থাকে, তেতিয়া হ'লে ৰাইজৰ আবেগ অনুভুতিৰ সমস্যা মন্ত্ৰীয়ে বুজি পাই বা চৰকাৰখনে বুজি পাই, তেওঁলোকে নিজাববীয়াকৈ এইবিলাক পদক্ষেপ গ্ৰহণ কৰে। এই কাৰণে মই ধন্যবাদ জনাইছো এখন চৰকাৰক যে বিজেপি চৰকাৰ যদি অসমত নাহিলহেতেন স্বাধীনতাৰ **৭০** টা বছৰত আমাৰ চাহ বাগিছাৰ ৰাষ্টা বিলাক আজি ICDP ৰাষ্টা পালো। **৬০** বছৰত এটা ৰাষ্টা নোপোৱা ঢুলীয়াজান বিধান সভা সমষ্টিত পাচঁ বছৰত **১৭** খন চাহ বাগিছাৰ ৰাষ্টা ICDP ৰে নিৰ্মাণ কৰি ভাৰতীয়া জনতা পাৰ্টি মিত্ৰজোঁটৰ চৰকাৰে প্ৰমাণ কৰি দিলে যে জাতীয় দায়িত্ব কি, অসমৰ উন্নয়ন আধাৰ কি। গতিকে যোনে কি কওঁক নকওঁক, অন্তত মই ঢুলীয়াজান সমষ্টিৰ বিধায়ক হিচাপে আজি এই কথা গৌৰৱৰে ক'ব পাৰিম যে পাচঁ বছৰত **১৭** খন চাহ বাগিছাৰ ৰাষ্টা বনাই আৰু এই কাৰণে এখন চৰকাৰক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আগতে আমি দেখিছিলো কাৰপেটিং ৰাষ্টা ঠিকে বনাই। তিনিমাহ নহওঁতে ৰাষ্টাবিলাক ভাঙি যায়। মই বিধায়ক হোৱাৰ সময়তে মোৰ সমষ্টিত ৰাষ্টা হ'ল **২০১৭** চনত। তাত এতিয়ালৈকে মেৰামতি কৰিব লাগে বুলি কব লগীয়া হোৱা নাই। মেৰামতিৰ কাৰণে আমি লিখাই নাই। সেই কাৰণে মই ভাৱো যেতিয়া চৰকাৰৰ হৃদয় উৰ্দ্ধ থাকে, কাম কৰাৰ চিন্তা যেতিয়া ভাল থাকে, ৰাষ্টাৰ কামো ভালকৈ হয় থাকে। যেতিয়া কাম হৈ থাকে কোনোবাই চাব নাযায়, কোনো ধৰণৰ কেয়াৰ নকৰিব, বিভাগ বা ঠিকাদাৰৰ লগত কথা নাপাতিব। পোনপতীয়াকৈ আহি বিধান সভাত কব যে quality বেয়া। যদি quality বেয়া, তেতিয়া হ'লে মোৰো দায়িত্ব আছে, মোক ৰাইজে দায়িত্ব দিছে। কমিটিৰ কথা ক'ত আহিলে। মোক ৰাইজে ভোট দি পঠিয়াছে যে এইখন সমষ্টিত কোনো কামৰ ক্ষেত্ৰত যিকোনো দায়িত্ব মই পালন কৰিব লাগিব। ইয়াৰ কাৰণে মোৰ কাৰো অনুমতিৰ প্ৰয়োজন নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, PMGSY ৰাষ্টাৰ tender যেতিয়া কোনোবাই পাই, আমি দেখো যে পাচঁবছৰৰ বৈধতা থাকে। মই ভাৱো অসমত যিবিলাক ৰাষ্টা নিৰ্মাণ কৰা হয় SOPD তে হওঁক, এই ক্ষেত্ৰত আমি ঠিকাদাৰ বিলাককো বাধ্যতামুলক কৰাতো প্ৰয়োজন আছে। যিহেতু কাৰপেটিং ৰোড কৰোবাত সমস্যা থাকে। কিন্তু মই ভাৱো আমি সকলোৰে যদি মিলি এই কাম কৰো, তেতিয়া হ'লে নিশ্চয় sustainable হ'ব আৰু ভাল quality ৰ কাম আমি পাম। মাননীয় মন্ত্ৰী মহোদয়ে যোৱা কাৰ্য্যকালত PWD মন্ত্ৰী হিচাপে যিটো নৱজাগৰণ আৰম্ভ কৰিছিল। এই নৱজাগৰণ আৰু অধিক তাৰম্ভিক ভাৱে কৰিবৰ কাৰণে পূৰণৰ মূখ্যমন্ত্ৰী হিচাপে দায়িত্ব লৈছে আৰু মই ভাৱো যি প্ৰস্তাৱ বা মজুৰী আনিছে, তাৰ পইচা মোৰ মতে আৰু দহ গুণ বঢ়াব লাগে আৰু এই ৰাষ্টাৰ কাম কৰিব লাগে বুলি অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীপোনাকণ বৰুৱা।

**শ্ৰীপোনাকণ বৰুৱা (চাবুৱা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কব খুজিছো যে **২০** হাজাৰ লাখ টকা নহয়, তাতকৈ অধিক ধন এই শিতানত মঞ্জুৰ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, বিগত পাঁচটা বছৰ অসমৰ বাট পথ উন্নয়নৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী সেইসময়ৰ লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী আৰু তেখেতৰ আগত আছিল মাননীয় পৰিমল শুক্লবৈদ্য

ডাঙৰীয়াই এই বিভাগৰ মন্ত্ৰী হিচাপে পাচঁটা বছৰত যিমান পথ নিৰ্মাণ কৰা হ'ল, এই শিতানত। মই ভাৱো সৰ্বকালৰ অধিক এই পাঁচটা বছৰত নিৰ্মাণ কৰিছে। তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী আৰু শাসকীয় পক্ষৰ ফালৰ পৰা এই সম্পৰ্কত বিভিন্ন কথা আলোচনা কৰা হৈছে, বিভিন্ন সমস্যাৰ কথা উথ্থাপন কৰা হৈছে। এটা গুৰুত্বপূৰ্ণ কথা মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰাব বিচাৰিছো, কথাটো হৈছে আমি সাতভনী এক আছিলে। পৰবৰ্তী সময়ত ৭ খন ৰাজ্যত বিভক্ত হলো। বিভক্ত হোৱাৰ পিছত আমাৰ ৰাইজে বেলেগ ৰাজ্যৰ লগত সীমা নিৰ্ধাৰণ সঠিকভাৱে নোহোৱাৰ কাৰণে বা বিভিন্ন কাৰণত আমাৰ মাজত বিভিন্ন সময়ত আশান্তিৰ পৰিস্থিতিৰ সৃষ্টি হয়। গতিকে মই আজিৰ সদনত মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিম যে আমাৰ ৰাজ্যত লগত লাগি থকা অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মনিপুৰ, মিজোৰামৰ যি বাট পথ আছে, সেই পথ বিলাক নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে। বোৰ্ডাৰ ৰোড বিলাক যদি আমি ভালকৈ নিৰ্মাণ কৰো, তেতিয়াহ'লে মই ভাৱো এই সমস্যাখিনিৰ সমাধান কৰিব পাৰিম। মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে এই কথাটো অতি গুৰুত্বসহকাৰে ল'বৰ কাৰণে অনুৰোধ জনাইছো।

মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই চাহ বাগিছাৰ প্ৰসংগত উল্লেখ কৰিছে আৰু যোৱা পাচঁটা বছৰত প্ৰতিখন চাহ বাগিছাত এক কোটি টকা সাহাৰ্য্য প্ৰদান কৰি বাগিছাৰ পথ নিৰ্মাণ কৰি এটা যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে, তাৰ কাৰণে ধন্যবাদ জনাইছো। আৰু যোৱা সময়ছোৱাত যিসমূহ চাহ বাগিছাত এক কোটি টকা প্ৰদান কৰিব পৰা নগ'ল সেই বাগিছাসমূহত দিবৰ কাৰণে অনুৰোধ জনাইছো। চাবুৱা সমষ্টিৰ কেইবাখনো চাহ বাগিছা এই আঁচনিত অন্তৰ্ভুক্ত নহ'ল। সেইখিনি মোকলাই দিয়াৰ কাৰণে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাইছো। ইয়াৰ লগে লগে PMGSY ৰ শিতানত বা অসম মালাৰ জৰিয়তে চৰকাৰে যিখিনি কাম কৰিছে তাৰ কাৰণে আদৰণি জনাইছো। এই বিলাকৰ জৰিয়তে সকলো সমষ্টিতে যদি কাম কৰিব পাৰে, তাৰ কাৰণে অনুৰোধ জনাব বিচাৰিছো। ইয়াৰ লগে লগে আৰু এটা গুৰুত্বপূৰ্ণ পথ কামাখ্যা মন্দিৰলৈ যোৱা পথটো অতি গুৰুত্বপূৰ্ণ । এই মন্দিৰলৈ দেশ বিদেশৰ পৰ্য্যটক পৰিদৰ্শন কৰিবলৈ আহে। মনোবাঞ্ছা পূৰণ কৰিবলৈ আহে। নুনমাটিৰ পৰা মালিগাঁও ৰেল ষ্টেশ্যনলৈ থকা পথটোৰ লগত সংলগ্ন আমাৰ যিটো ৰেল লাইন আছে , এই ৰেল লাইনৰ যিবিলাক ৰেল গেটসমূহ সঘনে ৰেল চলাচল কৰি থকা বাবে ৰেলগেট সমূহ বন্ধ হৈ থাকে ফলত বহুতো যান-যঁটৰ সৃষ্টি হয়। গতিকে এই যান-যঁটৰ প্ৰতি লক্ষ্য ৰাখি তাতে ফ্লাই অভাৰ এখনৰ ব্যৱস্থা কৰিবলৈ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই সদনক অনুৰোধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই যিহেতু তিনিচুকীয়া- ডিব্ৰুগড় জিলাৰ চাবুৱা সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো গতিকে মই মোৰ চাবুৱা সমষ্টিটোৰ দুই এটা কথা চুই যাব বিচাৰিছো। চাবুৱা বিধান সভা সমষ্টি এটা ঐতিহাসিক বিধান সভা সমষ্টি । এই সমষ্টিত ঐতিহাসিক মোমাই তামুলী নামৰ এটা পথ আছে। যিটো পথ আজি কেন্দ্ৰীয় মন্ত্ৰী, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ ঘৰৰ সন্মুখেৰে গৈছে। গাতে লাগি আছে ব্ৰহ্মপুত্ৰ নদী। সেই পথটো বহু অংশ ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিছে তথাপিতো এই পথটো জীয়াই আছে সেই পথটো তিনিচুকীয়াৰ পৰা চাবুৱা সমষ্টিৰ ৰঙাগঢ়া হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ গৃহ সমষ্টিৰ সন্মুখেৰে দীনজান সামৰিক চাউনী হৈ লাহোৱাল সমষ্টিৰ ৰহমৰীয়া, মাইজান আৰু ডিব্ৰুগড় মেডিকেল কলেজলৈকে এই পথটো আছিল। এই পথটো ব্ৰহ্মপুত্ৰই কিছু কিছু অংশত খহাই নিয়াৰ ফলত

বেকা বেকীকৈ চলি আছে, এই পথটো নোহোৱা হৈ যোৱা নাই , আছে এতিয়াও, পুনৰ উদ্ধাৰ কৰি জৰাজীৰ্ণ হৈ থকা এই পথটো বহল কৰি আধুনিক ব্যৱস্থাৰে পুনৰ নিৰ্মাণৰ বাবে মই অনুৰোধ জনালো। অধ্যক্ষ মহোদয় চাবুৱা সমষ্টিত আৰু এটা গুৰুত্বপূৰ্ণ পথ হ'ল- হাতীআলি পথ। তাহানি কালত আহোম ৰজা, স্বৰ্গদেউসকলে ডিব্ৰু- চৈখোৱা ৰিজাৰ্ভ যিখন আছে তাৰ পৰা ৰাজধানী গড়গাওঁলৈ হাতী ধৰি আনিবলৈ এই পথটো ব্যৱহাৰ কৰিছিল। সেই পথটোৰ এটা ঐতিহাসিক পথ হিচাপে গুৰুত্ব আছে। গতিকে এই পথটোও অত্যাধুনিক ভাবে নিৰ্মান কৰিবলৈ অনুৰোধ জনালো। আৰু এটা গুৰুত্বপূৰ্ণ পথ আছে- কাৰ্জন ৰোড নামেৰে জনাজাত। যেতিয়া গৰৰ্নৰ জেনেৰেল লৰ্ড কাৰ্জন চাবুৱা চাহ বাগিছালৈ আহিছিল তাৰ পৰাই পথটো কাৰ্জন নামে জনাজাত হ'ল। চাবুৱা ৰেল ষ্টেশ্যনৰ পৰা চাবুৱা চাহ বাগিছালৈ ডেৰ কি.মি পথটোৰ দৈৰ্ঘ্য , লৰ্ড কাৰ্জন যেতিয়া আহিছিল তেতিয়া এই পথটোৰ ওপৰত ৰেড কাৰ্পেট পাৰি দিয়া হৈছিল। কিন্তু পৰৱৰ্ত্তী সময়ত এই পথটো অকনো গুৰুত্ব নাপালে। ঐতিহাসিক পথ হিচাপে এইটো সংৰক্ষণ কৰাৰ বাবে মই অনুৰোধ জনালো। আৰু এটা গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰিছো মই যিখন চাহ বাগিছাত জনম লৈছো সেইখন হ'ল ' মাউত চাহবাগিছা '। এই চাহ বাগিছাৰ লগত সংলগ্ন হৈ আছে জলকোণীয়া চাহবাগিছা। মাউত চাহ বাগিছা তিনিচুকীয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত এটা অংশ দুলীয়াজান সমষ্টিত। জলকোণীয়া চাহ বাগিছা চাবুৱা সমষ্টিৰ অন্তৰ্গত। বৃটিছ যুগৰ চাহ বাগিছা আছিল। স্বাধীনতাৰ পিচত বৃটিছৰ আমোলত সেই পথটিৰে বৃটিছ চাহাব জীপ লৈ মাউত চাহবাগান আৰু জলকোনীয়া চাহ বাগানলৈ অহা যোৱা কৰিছিল। কিন্তু স্বাধীনতাৰ পিচত সেই পথটো আজিলৈকে নিৰ্মান নহ'ল। এতিয়া সেই পথটিত মানুহে কাটি কাটি খেতি পথাৰৰ অংশত পৰিনত কৰিছে। সেই পথটোত এখন ডাঙৰ দলং আছে, যাতায়তৰ বাবে অসুবিধা হয়, বাঁহৰ সাঁকোৰে ৰাইজে পাৰ হয়। গতিকে মই অনুৰোধ জনাম এই ঐতিহাসিক পথটি পুনৰ উদ্ধাৰ কৰিব লাগে। এই পথটো যাতায়তৰ উপযোগী কৰিলে পানীতোলাৰ পৰা টেঙাখাতলৈ পোনপোটীয়া যোগাযোগ হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, তিনিচুকীয়া জিলাত মটক ৰাজ্য আছিল। মটক ৰাজ্যৰ ঐতিহাসিক যি পথ ৰঙাগড় আলি পথ, দোৱা আলি পথ, ৰাজগড় আলি পথ আৰু চাউলধোৱা পুখুৰীৰ ৰাজকাৰেঙ পথ- এই পথকেইটা পুনৰ নিৰ্মাণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াৰ জৰিয়তে মাননীয় বিৰোধী পক্ষৰ সদস্যসকলক অনুৰোধ কৰিছো যে তেওঁলোক যিটো কাট মোশ্যন আনিছে সেইটো উঠাই লওঁক। তাৰ বিপৰীতে ইয়াৰ বাবে যি পুঁজি ধৰিছে তাক দ্বিগুন কৰিবলৈ দাবী জনাবলৈ অনুৰোধ জনাইছো। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** Point of order Sir, হায়াৰ অফিচাৰ নাই।

( কথা কটা-কটি, বাদ-বিবাদ )

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া point of order নহয়। বহক আপুনি ।........ বহক, বহক । কমিশ্যনাৰ দুগৰাকী আছে পি ডব্লিউ ডি, নেশ্যনেল হাইৱে আছে। আপুনি অফিচাৰসকলক ইমান ইৰেচপনচিব্‌ল বুলি কিয় ভাবিছে।

silence please, .....keep silence please. এতিয়া এআইইউডিএফৰ টোটেল ২৫ মিনিট আছে, ১০ মিনিট আপোনালোকৰ গ'ল আৰু ১৫ মিনিট আছে।... এতিয়া সুজামউদ্দিন লস্কৰ ।

**শ্রী সুজাম উদ্দিন লস্কর (কাটলিছেড়া) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, কর্তন প্রস্তাবের সমর্থনে কিছু বলার সুযোগ দেওয়ার জন্য আমি আপনাকে অশেষ ধন্যবাদ জানাই। মাননীয় উপাধ্যক্ষ মহোদয়, অসমের মধ্যে আমার সমষ্টিতে সব চেয়ে বেশি দরকার এই PMGSY যোজনার রাস্তা। প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনা ২০০১ সালে আরম্ভ হয়েছিল। যখন ভারতে প্রধানমন্ত্রী মাননীয় অটল বিহারী বাজপেয়ী ছিলেন। সেইসময় বলা হয়েছিল যে গ্রামে ১০০০ জনসাধারণ থাকবে সেখানে রাস্তা হবে। কিন্তু দুঃখের বিষয়, হল যে- রেভিনিউ ভিলেজগুলো কোর-নেটের মাধ্যমে ঢোকানো হয়, কিন্তু আমার জেলা হাইলাকান্দিতে বেশির ভাগ রেভিনিউ ভিলেজের নামই নেই। ২০১৬ সালে আমি বিধায়ক নির্বচিত হওয়ার পর দৌড়ঝাঁপ করে দেখি যে কোর-নেটের ভিতরে যে ভিলেজগুলো আছে সেইগুলোর রাস্তা হবে, বাকি ভিলেজগুলোর হবে না। আজ আমাদের বহু নতুন বিধায়ক নির্বাচিত হয়ে এসেছেন। যদিও ২০০১ সালের পর থেকে ২০ বছর হয়ে গেছে, কিন্তু যদি সরকার আবার নতুন করে সার্ভে করে, তাহলে প্রত্যেক বিধায়কের সমষ্টিতে যেগুলো ভিলেজ বাদ পড়েছে, প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনার অধীনে সেগুলোর কাজ হবে। আমার সমষ্টিতে বহু রাস্তার দরকার। কিন্তু প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনায় ভিলেজগুলো অন্তর্ভুক্ত না হওয়ার জন্য সেংশন পাইনি। ২০০৬-০৭ সালের ১৬ নম্বর আর ৪৩ নম্বর প্যাকেজ দুটোর রাস্তার কাজ আজ পর্যন্ত চলছে, সম্পূর্ণ হয়নি। আমার সমষ্টির মধ্যে সব থেকে শ্রেষ্ঠ রাস্তা ১৬ প্যাকেজের। কাটলিছড়া ব্লক বাউন্ডারি থেকে জানলাছড়া সেই ২৭ কিলোমিটারের রাস্তার মধ্যে এখনও পাঁচ কিলোমিটার অসম্পূর্ণ। আমি আগের বার বিধায়ক থাকার সময় থেকে এই সদনে বার বার এই প্রশ্নটি উত্থাপন করেছি। আট কোটি টাকা সেংশন হয়েছিল। সেটার কাজ সম্পূর্ণ হয়েছে, কিন্তু ৫ কিলোমিটার এখনও বাকি। নন্দগ্রাম PMGSY প্যাকেজের ৪৩ -এ তিন কিলোমিটার বাকি। এই দুটো প্যাকেজের কাজ সম্পূর্ণ করার জন্য আমি অনুরোধ করছি। আমার সমষ্টিতে PMGSY গ্রেড ওয়ানে সার্ভে হয়েছিল সাতটি। আমার সমষ্টিতে ৫ টা রাস্তা ও ২ টা ব্রিজ ছিল। কিন্তু সেটাও আজ পর্যন্ত সেংশন হয়নি। এইবার বিধানসভায় আমি একটি প্রশ্ন করেছিলাম, উত্তর পেয়েছি, ভারত সরকারের আওতাধীন রয়েছে। ডবল ইঞ্জিনের সরকার- অর্থাৎ অসমেও বিজেপি, দিল্লিতেও বিজেপি। তাই আমি অনুরোধ করছি আমাদের মাননীয় মুখ্যমন্ত্রীর কাছে যে দৌড়ঝাঁপ করে যদি এইগুলো সেংশন করে আনা হয় তাহলে আমার সমষ্টির সাতটা রাস্তার কাজ হবে। রাজ্যের বিভিন্ন সমষ্টিতে যেগুলো রাস্তার কাজ বাকি আছে, সেগুলোও হবে। PMGSY ফেস II তে আমার সমষ্টিতে একটি রাস্তাও সেংশন হয়নি। যেগুলো রাস্তা সেংশন হয়নি, আমি অনুরোধ করছি যে কি কারণে সেগুলো হয়নি ? প্রত্যেকটি সমষ্টিতে হয়। কিন্তু আমার সমষ্টি কেন বাদ যায় ? আজ বহু দিন থেকে অসম-মিজোরাম সমস্যা চলছে। সেই সীমান্ত এলাকায় আমাদের উপাধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়, আর আমিও গিয়েছিলাম। আমাদের অসম-মিজোরাম সমস্যার মূল কারণ হচ্ছে, আমাদের বরাক ভ্যালিতে ১৬২ কিলোমিটার অসম-মিজোরাম সীমান্ত রয়েছে, কিলোমিটারের হিসাবে। আমার কাটলিছড়ায় ১০০ কিমি, বাকিটা রাতাবাড়ি, পাথারকান্দি ও ধলাইয়ে। যদি এই বর্ডার এলাকায় রাস্তা নির্মাণ করা না হয় তাহলে আমাদের জমি যতটুকু গেছে, আরও যাবে। আমার সমষ্টিতে ৭-৮ টা রাস্তা ও ব্রিজের দরকার এগুলো যেন অতি সত্বর করা হয়, তাহলে আমাদের এই সীমান্ত এলাকা সুরক্ষিত থাকবে। আমার সমষ্টিতে বিগত সময়ে কিছু ছোট ছোট ব্রিজ হয়েছে। কিন্তু তিনটি বড় ব্রিজের দরকার, যেগুলো তিন বার মেজারমেন্ট করা হয়েছে। আধিকারিকরা গিয়েছেন, কিন্তু আমি সেংশন পাইনি। লালাছড়াতে একটি সেতুর

দৰকার যেটা প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনার রাস্তা দুদিকে আছে। আবদুল্লাপুর থেকে লালাছড়া, ভিলাইপুর থেকে ফাইসেন— কিন্তু মাঝখানে ব্রিজ নেই। এই ব্রিজটা আমাদের একটা স্টেট রোড, সেই রোডের মাঝখানে ব্রিজ নেই । ফেস ওয়ানে সার্ভে হয়েছিল, কিন্তু আজ পর্যন্ত সেটা সেংশন হয়নি।

**মাননীয় উপাধ্যক্ষ ঃ**- সুজাম উদ্দিন মহাশয়, আপনার সময় শেষ হয়েছে। প্লিজ কনক্লুড করেন।

**শ্রী সুজাম উদ্দিন লস্কর (কাটলিছেড়া)** ঃ- রূপাছড়াতে একটি ব্রিজের দরকার। কালিছড়াতেও একটি ব্রিজের দরকার। এবার যাতে কিছু নতুন প্রকল্প হাতে নেওয়া হয়, যাতে এই বড়-বড় ব্রিজগুলো করা সম্ভব হয়। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Next speaker AKhil Gogoi.  ৫ মিনিট ।

**শ্রী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ যিহেতু সময় কম। গতিকে খুব পোনপটীয়াকৈ ক'ম। পথ মানে আমি জানো যে এইটো এটা সামাজিক সুচলতা, Social convenience. পথে অৰ্থনীতিৰ মৌলিক ৰূপান্তৰ কৰে। Economic Transformation আনে। পথে আনে অৰ্থনৈতিক প্ৰাণচঞ্চলতা। Economic Vibrance . গতিকে Public Works Departmentটো অত্যন্ত গুৰুত্ব পূৰ্ণ বিভাগ। অৰ্থনৈতিক বিকাশৰ মূল চালিকা শক্তি। মোৰ দ্বিতীয় কথাটো ক'বলগীয়া হ'ল যে মই আগতেও কৈ আহিছো, যেতিয়াই ক'বলৈ সুযোগ পাইছো, বাহিৰতো কৈছো মন্ত্ৰী সকলক লগ পাওঁতেও কৈছো যে প্ৰত্যেকটো ডিপাৰ্টমেণ্টৰে এটা Vision থাকিব লাগে। প্ৰত্যেকটো ডিপাৰ্টমেণ্টৰ কাম কৰাৰ এটা Road Mape থাকিব লাগে। যেনেকৈ ধৰক যি পি ডব্লিউ ডি ডিপাৰ্টমেণ্টৰ নেশ্যনেল হাইওৱেৰ ক্ষেত্ৰত স্প্ৰেড হাইওৱে ৰ সংযোগ, ষ্টেট হাইওৱেৰ লগত PWD ৰ পথবিলাক সংযোগ, PWD ৰ লগত গাঁৱৰ পথৰ সংযোগ, গাঁৱৰ পথৰ লগত চুবুৰীৰ পথৰ সংযোগ আৰু চুবুৰীৰ পথৰ লগত ভূ-বাটৰ সংযোগ। ইয়াৰ এটা ৰোড মেপ প্ৰত্যেক Excutive Engineer ৰ অফিচত এটা ডিজিটেল মেপ থকা দৰকাৰ লগতে অসম চৰকাৰ আৰু মন্ত্ৰীৰ হাততো তাৰ সম্পূৰ্ণৰূপে এটা Book থকা দৰকাৰ যে অসমত কিমান পথ আছে, কিমান কিলোমিটাৰ আছে, কোনটো পথ কেতিয়া বনাব লাগিব, কেনেকুৰাকৈ বনাব লাগিব তাৰ ইকোন'মিক দিশ বিলাক কেনেকুৰা ধৰণৰ? মই ভাৱো যে এই আটাইবিলাকৰ এটা Vision আৰু Road Mape থকা দৰকাৰ আৰু মই এতিয়ালৈকে লোক নিৰ্মাণ বিভাগত সেই Vision দেখা নাই। সেই কাৰণে আজি এই বক্তব্যৰ জৰিয়তে মই সেই Vision গ্ৰহণ কৰাৰ বাবে আহ্বান জনালো।

তিনি নম্বৰ, কেৱল Vision থাকিলে নহ'ব। গোটেই Vision টো ৰূপায়ণৰ কাৰণে লাগিব সঠিক গৱেষণা। গতিকে মই ভাৱো যে PWD ডিপাৰ্টমেণ্টৰ যিটো Research wing সেইটো যথেষ্ট পৰিমাণে দুৰ্বল। সেইকাৰণে Research wing টো অতি শক্তিশালী কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। আমি দেখিবলৈ পাইছো যে অসমৰ ক'ৰবাত ধেমাজীৰ নিচিনা ঠাইত একেবাৰে বালিৰে পথ নিৰ্মাণ কৰিবলগীয়া হয়। বান বিধ্বস্ত পথ আছে। গোটেই অসমত সমতলৰ পথসমূহ আছে আৰু একেটা সময়তে কাৰ্বি আংলং, উত্তৰ কাছাৰৰ পথ বিলাক একেবাৰে পাহাৰীয়া ৰাস্তা। গতিকে এই সমস্ত ৰাস্তা বেলেগ কোনো ৰাজ্যতে চাগৈ এনেকুৰা ধৰণৰ ডাইভাৰচিটি নাই। মই ভাৱো যে ইয়াৰ কাৰণে অত্যন্ত গুৰত্বপূৰ্ণ ভাৱে আমি লোক নিৰ্মাণ বিভাগৰ Research wing টো শক্তিশালী কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। তাৰ পিছত মই ক'ব খুজিছো যে অসমত এতিয়া ৰাষ্ট্ৰীয় ঘাই পথবিলাকত সাতখন টোলগেট তৈয়াৰ কৰা হৈছে। বিজেপি চৰকাৰ অহাৰ লগে লগে অসমত

টোলগেট আৰম্ভ হৈ গ'ল। অৰ্ধ সমাপ্ত পথত টোলগেট নিৰ্মাণ কৰা হৈছে আৰু টোলগেটত সদায় গুণ্ডাকৰ বা গুণ্ডাগিৰি বাতৰিকাকত, সংবাদ মাধ্যমত পঢ়ি আহিছো। গতিকে মই বক্তব্যৰ জৰিয়তে দাবী উত্থাপন কৰিছো যে অসমৰ সকলো টোলগেট সম্পূৰ্ণ পথ নিৰ্মাণ নোহোৱা পৰ্য্যন্ত বন্ধ হ'ব লাগে। উপাধ্যক্ষ মহোদয়, মই অনুৰোধ জনাওঁ যে এই কথাটোত চৰকাৰে গুৰুত্ব দিব লাগে। পঞ্চমতে মই ক'ব খুজিছো উপাধ্যক্ষ মহোদয়, তেখেতসকলে মোৰ সময় কাটি আছে। গতিকে মোৰ সময় বঢ়াই দিব লাগিব। এখেতসকলে হুলস্থূল কৰিছে উপাধ্যক্ষ মহোদয়, মোক আৰু Extra সময় দিব লাগিব।

(গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, Please ক'ব দিয়ক।

(গণ্ডগোল চলি থাকে)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চমতে, মই ভাৱো যে আমাৰ অসমখন কেইটামান ক্ষেত্ৰত Historic । মই ভাৱো যে আজি অসমক এক নং ৰাজ্য কৰাৰ কথা কৈছে। অসমৰ গোটেই ৰিজাৰ্ভ বেংকৰ Document বোৰ মই চাইছিলো আৰু চাওঁতে দেখিছিলো যে অসম এটা ক্ষেত্ৰতে এতিয়ালৈকে পাঁচ নং ৰাজ্য হৈ আছে। এটা ক্ষেত্ৰত পাঁচখন ৰাজ্যৰ ভিতৰত পৰিছে। সেইটো হৈছে Roads. Roads ৰ ক্ষেত্ৰত আপোনালোকে যদি চায়, তাৰ কাৰণে বিজেপি চৰকাৰ প্ৰশংসাৰ পাত্ৰ নহয়, Historically হৈছে। আপুনি নেশ্যনেল হাইৱেৰ ক্ষেত্ৰত দেখা পাব যে নেশ্যনেল হাইৱেৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমখন ১১ নং ৰাজ্য। সামগ্ৰিকভাৱে পথৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসম পঞ্চম ৰাজ্য ওপৰৰ পৰা। এইটো ভাল ৰিজাল্ট আৰু State Highway ৰ ক্ষেত্ৰত অসম ১৬ নং ৰাজ্য। এইটো বিজেপিয়ে কৰা নাই। এইটো Historically হৈছে। তাৰ কাৰণখিনি যদি ক'ব লাগে মই ক'ব পাৰো কিন্তু একেটা সময়তে মই এই কথাটোকে ক'ব খুজিছো আজি গোলাঘাটৰ

(গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** ক'ব দিয়ক, Please এক মিনিট আছে। ক'ব দিয়ক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এক মিনিট নহয়, মোক চাৰি মিনিট সময় দিব লাগিব। উপাধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে আজি গোলাঘাট সমষ্টিটোৰ পথবোৰ যথেষ্ট উন্নত। কিন্তু মোৰ শিৱসাগৰ সমষ্টিৰ পথ যদি আপুনি চায়, ইমান বেয়া পথ এইটো ভাবি আপুনি আচৰিত হ'ব। ইমান ওচৰতে শিৱসাগৰত বেয়া পথ কেনেকৈ আছে? গতিকে মই আশা কৰো যে এই বৈষম্য বন্ধ হ'ব লাগে আৰু শিৱসাগৰ সমষ্টিৰ উন্নয়ন মুখ্যমন্ত্ৰীৰ সমষ্টিৰ সমানে হ'ব লাগিব। এইটো আমাৰ প্ৰত্যেকজন বিধায়কৰে দাবী হোৱা উচিত।

(গণ্ডগোল)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, মোক ক'বলৈ দিব নে নিদিয়ে?

(পুনৰ গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** এওঁ কথা কৈছে, ক'ব দিয়ক, Please sit down. আপোনালোকে বাৰে বাৰে উঠিবলৈ কি আছে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ ডিপাৰ্টমেণ্টৰ মূল যি কেইটা সমস্যা, সেই সমস্যাকেইটা হ'ল ডিপাৰ্টমেণ্টৰ পৰ্য্যাপ্ত আঁচনি নাই আৰু পৰ্য্যাপ্ত পুঁজি নাই। মোক যদি তাৰ উদাহৰণ দিবলৈ কয়, দেখা পাব SOPD.

(পুনৰ গণ্ডগোল)

**माननीय उपाध्यक्ष ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া উত্তৰ দিব আহিব কোনেও আৰু কথা ক'ব নোৱাৰিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, আজি কেন্দ্ৰীয় চৰকাৰৰ আঁচনি যদি চাওঁ যে CRF আৰু NLCPR ৰ এই দুটা আঁচনিত পৰ্য্যাপ্ত পুঁজিৰ অভাৱ। কেৱল কেন্দ্ৰীয় চৰকাৰৰ এটা পুঁজিয়ে চলি আছে। এই ক্ষেত্ৰত মই চৰকাৰক আহ্বান জনাইছো যাতে এইটো হ'ব লাগে।

**माननीय उपाध्यक्ष ঃ** হ'ব। আপোনাৰ সময় শেষ হৈছে।

**অখিল গগৈ (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, মোক কথাকেইটামান ক'বলৈ দিব লাগে। এই ডিপাৰ্টমেণ্টটো এতিয়া সম্পূৰ্ণৰূপে ঠিকাদাৰৰ অধীনত চলি আছে। ৫-৬ জন মান ঠিকাদাৰে বিভাগটো চলাই আছে । চিংকি নামৰ গৌতম কনষ্ট্ৰাকশ্যনৰ অনুপম শৰ্মা, অনিল দাস আৰু আনন্দ জৈনৰ নিচিনা কেইজনমান ঠিকাদেৰে মাত্ৰ গোটেই বিভাগটো চলাই আছে।

(পুনৰ গণ্ডগোল)

**माननीय उपाध्यक्ष ঃ** Please, Please.

**অখিল গগৈ (শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয় মই শেষ কথাটো ক'ব খুজিছো, এই বিভাগটোৰ উন্নয়নৰ আটাইতকৈ ডাঙৰ বাধাটো হ'ল- এই বিভাগৰ দায়িত্বত যেতিয়ালৈকে পূৰ্বৰ মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য আছিল, ই নিকাভাৱে আছিল, কিন্তু যেতিয়া নতুন গড়কাপ্তানি মন্ত্ৰী আহিল, লগে লগে বিভাগত ৩% কৈ অবৈধ commission লোৱা কাম আৰম্ভ হ'ল। ..... Interruptions.....

(সদনত শাসকীয় পক্ষৰ বিধায়কসকলে তীব্ৰ বিৰোধিতা কৰে)

**माननीय उपाध्यक्षঃ** Please সকলোৱে বহক। আপোনাৰ ওচৰত যদি প্ৰমাণ আছে, তেন্তে নিশ্চয় action হ'ব। বিধান সভাত evidence লৈহে কথা ক'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত CBI ৰ enquiry হ'ব লাগে।

**माननीय उपाध्यक्षঃ** Please conclude.

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** বিভাগৰ commission টো উঠাব লাগে..... Interruptions.....

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, শিৱসাগৰততো commission ৰাজ আৰম্ভ হৈ গৈছে। যোৱাকালি বিধায়ক এগৰাকীয়ে কৈছে (অখিল গগৈক উদ্দেশ্যি) আপুনি ১০ কোটি টকা বিচাৰিছে। আপোনাৰ বিৰুদ্ধে এনে ধৰণৰ বহুতো অভিযোগ আছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, CBI ৰ enquiry লাগে।

**শ্ৰী হেমাংগ ঠাকুৰীয়া (পলাশবাৰী)ঃ** কাজিৰঙাৰ অৰ্কিড পাৰ্কত কি কি হৈ আছে সকলোৱে জানে।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** আপোনাৰ বিৰুদ্ধেহে CBI ৰ enquiry লাগে।

**माननीय उपाध्यक्षঃ** Please সকলোৱে বহক। এতিয়া আপুনি commission ক লৈ এটা গুৰুতৰ অভিযোগ আনিছে, আপুনি ইয়াৰ কিবা evidence, proof দিব পাৰিব নেকি?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই CBI ৰ enquiry বিচাৰিছো।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**শ্ৰী দিপায়ন চক্ৰৱৰ্ত্তী (শিলচৰ)ঃ** উপাধ্যক্ষ মহোদয়, এখেতে (অখিল গগৈক উদ্দেশ্যি) বাতৰি কাকতত অহাৰ বাবে সদায় সদনক misguide কৰি থাকে, তেওঁৰ ওপৰত action ল'ব লাগে।

**মাননীয় উপাধ্যক্ষঃ** Please সকলোৱে বহক। অসমৰ ৰাস্তা-ঘাট, দলং নিৰ্মাণৰ কাৰণে সদনত ইমান এটা ভাল বিষয় আলোচনা হৈ আছে। আপোনালোকে নিজৰ সমষ্টিৰ প্ৰয়োজনীয়তাখিনি ক'ব লাগে। তেতিয়াহে আপোনালোকে আপোনালোকৰ নিজৰ সমষ্টিৰ কাম লৈ যাব পাৰে। কিন্তু, আপোনালোকে ইয়াৰ পৰা ফালৰি কাটি কিবা প্ৰমাণ থাকে, নাথাকে এইবিলাক কি কথা কৈ আছে? Please, আপোনালোক সকলোৱে নিজৰ নিজৰ সমষ্টিৰ কথা চিন্তা কৰক আৰু মন্ত্ৰীসকলে সকলো সমষ্টিৰ কথা চিন্তা কৰিব।

এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, PWD ৰ Roads and Bridges ৰ ..... Interruptions.....

(শাসক-বিৰোধীৰ মাজত তৰ্ক-বিতৰ্ক)

**মাননীয় উপাধ্যক্ষঃ** Please বহক । এগৰাকী মহিলা বিধায়িকাই কথা ক'বলৈ লৈছে, আপোনালোকে সন্মান কৰা উচিত। আপোনালোকে মহিলাৰ প্ৰতি সন্মান ৰখা উচিত। Please silence. কোনো কথাই নক'ব। নন্দিতা বাইদেউ, এতিয়া আপুনি কওঁক।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, PWD ৰ Supplementary Demandৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ আহিছে, সেই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ ক'ব বিচাৰিছো। Supplementary Demand ত Embankment cum Road Construction ৰ বাবে ২০০ কোটি টকা আৱন্টনৰ কথা উত্থাপন কৰিছে। যদিও মই কৰ্ত্তন প্ৰস্তাৱ আনিছো, মই ভাৱো এইখিনি কাম কৰাৰ বাবে বিভাগক ইয়াতকৈ বেছি পুঁজিৰ প্ৰয়োজন আছে। যিহেতু ই এক পৰম্পৰা, সেইটো ৰক্ষা কৰি আমি PWD ৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে দু-আষাৰ ক'বলৈ সুযোগ পাওঁ। এই বিভাগৰ বিভিন্ন আঁচনিৰ ওপৰত যিবোৰ আঁসোৱাহ, সমস্যা আমাৰ দৃষ্টিগোচৰ হয় সেই কথাবোৰ আমি ...... Interruptions.....

(সদনত অধ্যক্ষই পুনৰ আসন গ্ৰহণ কৰে)।

(সদনত মাননীয় মুখ্যমন্ত্ৰীৰ আসনৰ সন্মুখত সদস্য শ্ৰী অখিল গগৈ থিয় হৈ থকা পৰিলক্ষিত হয়)

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, এনেকৈ আহি কথা পতাটো নিয়ম নহয়। সদনখন ভালকৈ চলিব দিয়ক।

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ, অলপ আঁতৰৰ পৰা কওঁক।

(সদনত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** অধ্যক্ষ মহোদয়, আমি কথা কোৱাৰ সুযোগখিনি পাম নে নাই? ইয়াত এনেকুৱা এটা পৰিৱেশৰ হৈছে........ Interruptions.....

**মাননীয় অধ্যক্ষ ঃ** কিয় সুযোগ নাপাব, আপুনি কৈ থাকক। ..... Interruptions.....

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, Rule এ কৈছে- 'A member shall not approach the Chair personally in the House.' আপোনাক কেনেকৈ

personally approach কৰে? He may send sheet to the Officers at the table, if necessary. গতিকে, এগৰাকী সদস্যই তেনেকৈ approach কৰিব নোৱাৰে। ..... Interruptions.....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ক শিৱসাগৰৰ বিষয়ে এখন কাগজ দিছিলো, সেই সম্পৰ্কত সুধিব গৈছিলো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** নহয়, বেলেগ কথা পাতিছে। আমি নাজানো নহয়, তেওঁক কি দিছে।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্যসকল। আজি এইটো কথা সদনত উত্থাপন হোৱাত মই ভাল পাইছো। মই লক্ষ্য কৰিয়েই আছিলো। আচলতে, সদনত যেতিয়া এটা আলোচনা হৈ থাকে আৰু আলোচনাৰ সময়ত যিগৰাকী সদস্যই কথা কৈ থাকে, তেওঁৰ ওচৰত কোনো সদস্যই যাব নালাগে। আনকি, যিজনে কৈ থাকে তেওঁৰ লগত আসনত থকা মানুহজনো সদস্যগৰাকীয়ে কৈ থকা সময়ত তেওঁৰ আসনত আহিব নালাগে যাতে তেওঁ অন্যমনস্ক নহয়। এইয়া হ'ল নিয়ম। গতিকে যেতিয়া আলোচনা হৈ থাকে, তেতিয়া কাকো disturb দিব নাপায়। কিবা কাৰণত যদি দূৰত আছে তেন্তে কাষেৰে আহি যাব পাৰিব। এই নিয়মতেই সকলো চলি আছে। আজি উত্থাপন হোৱা ভালেই হ'ল। কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াইতো সদায় তাতেই বহি থাকে, এইফালে (শাসকীয় দলৰ আসনৰ ফালে) অহা-যোৱা কৰিয়েই থাকে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ বহু বিধায়ক অনবৰতে সেইফালেই বহি থাকে।

**মাননীয় অধ্যক্ষঃ** সেইকাৰণে আজিয়েই কথাখিনি কৈ দিলো। এতিয়া নন্দিতা দাস, আপুনি কওঁক।
এতিয়া সন্মানীয় সদস্যাই তেওঁৰ কথা ক'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, ভুল বাৰ্তা যাব ..... Interruptions.....

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ আপুনি বহক।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** PMGSY ৰ ক্ষেত্ৰত আমি কিছু সমস্যা দেখা পাওঁ। ই এটা খুব ভাল আঁচনি আৰু ইয়াৰ দ্বাৰা আমি গাঁৱৰ ৰাস্তাবোৰ নিৰ্মাণ কৰিব পাৰো। কাৰণ Roads and Bridges ৰ ক্ষেত্ৰত কেন্দ্ৰৰ পৰা PMGSY ৰ অধীনতে সৰ্বাধিক fund আছে। আমি যদি ভৌগোলিক দিশত অসমখনক গুজৰাট, ৰাজস্থান বা অন্যান্য ৰাজ্যৰ লগত তুলনা কৰো, তেন্তে আমাৰ যি পৰিৱেশ বা জলবায়ু সেইটো অন্য ৰাজ্যৰ লগত নিমিলে। কিন্তু, PMGSY ৰ ক্ষেত্ৰত যিবোৰ গাইডলাইন বা model estimate থাকে বা estimate ৰ পইচাৰ যি head থাকে, সেইবোৰৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন অলপমান ব্যতিক্ৰম হ'বই লাগিব। বিশেষভাৱে, আমাৰ অসমখন যিহেতু flood affected area, আমাৰ প্ৰত্যেক বাৰেই বহুত ৰাস্তা বানপানীৰ ফলত নষ্ট হয়। কিন্তু, যেতিয়া PMGSY ৰ ৰাস্তাৰ কাম sanction, tender হয়, তেতিয়া ঠিকাদাৰজনে কাম কৰিবলৈ গ'লে ৰাইজৰ মাজত বৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। কাৰণ তেওঁলোকে ঠিকাদাৰক কামটো কৰিব দিব নিবিচাৰে। ৰাইজৰ demand থাকে যে ৰাস্তা বনোৱাৰ আগতে তাত মাটি পেলাব লাগিব। ৰাস্তাটো বহুত তলত আছে, বানপানীয়ে ৰাস্তাটো ভাঙি লৈ গৈছে, গতিকে আগতে মাটি পেলোৱাৰ পিছতহে কামটো কৰিবলৈ দিব। আমাৰ এনেধৰণৰ বহুত ঘটনা ঘটি থাকে। মোৰ লগত এবাৰ এনেকুৱা এটা ঘটনা ঘটিছিল যে মই Deputy Commissioner ৰ লগত কথা পাতি PMGSY ৰ ৰাস্তা বনাবলৈ, ৰাইজৰ অসুবিধাবোৰ সমাধান কৰিবলৈ MLA Fund ৰ

পৰা ৫ লাখ টকা দিবলগীয়া হ'ল। এয়া এটা উদাহৰণহে মাথো। যিহেতু আমাৰ মাটিৰ প্ৰয়োজনীয়তাটো বেছি আৰু estimate ত মাটিৰ পৰিমাণটো কম থাকে, গতিকে, মাটিৰ percentage টো বঢ়াব লাগে। PMGSYৰ ক্ষেত্ৰত আগতে যিবোৰ ৰাস্তা বনোৱা হৈছিল আমি জানিছিলো যে PMGSY আহিলে ৰাস্তা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহে আৰু বিভাগে ৰাস্তা বনায়। এটা সৰলীকৰণ নিয়ম আছিল। কিন্তু এতিয়া যিখিনি GL হৈছে যে PMGSY ৰ ক্ষেত্ৰত Pavement Condition Index বুলি এটা বস্তু আহিছে। ইয়াৰ কাৰণে ৰাস্তাটোৰ এটা মাৰ্কিং কৰা হৈছে যে 'a' পৰা ওপৰলৈ গৈ থাকিলে ৰাস্তাটোৰ কণ্ডিচন ভাল 'b' ৰ পৰা ৰাস্তাটো হয়তো খুউব বেয়া হৈছে। আকৌ 'c' ৰ পৰা ভাল। গতিকে ইয়াৰ এভাৰেজ লেভেলটো যদি 'c' ধৰা হয়, ৰাস্তাটো বাদ পৰি যায়। এনেকুৱা ধৰণে অলপ ভাল, মাজতে খুউব বেয়া, আকৌ ভাল- এনেকুৱা ধৰণৰ গাইডলাইন নপৰা ৰাস্তা আমাৰ বেছিভাগ সমষ্টিতে আছে। গতিকে চাৰ এই দুটা PMGSY ৰ ক্ষেত্ৰত সমস্যা। এতিয়া মই SDRF ৰ এটা কথা ক'ব বিচাৰিছো। SDRF ৰ শিতানত ৰাস্তা নিৰ্মাণৰ কাম আগতে চলি আছিল, চলি থাকে। বানপানী হোৱাৰ পাছত District Level Disaster Authority ৰ প্ৰগ্ৰেমৰ এখন মিটিং হয়। সমষ্টিৰ যিমানবোৰ ৰাস্তা বেয়া হয় আমি তালৈ পঠিয়াই দিও। কিন্তু এই ৰাস্তাবোৰ কেতিয়াবা Sanction নহয়। কমিচনাৰ লেভেলত পৰি থাকে। তেনেকুৱা সময়ত আমাৰ SOPD ৰ কাম আহি যায়। তেতিয়া আমি সেই ৰাস্তাটো SOPD ক দিলো। SOPD ক দিয়াৰ পিছত SDRF ত দিয়া ৰাস্তাবিলাক কেতিয়াবা আহি যায়। এইধৰণৰ হোৱাৰ বাবে মই লাষ্টত ২ কোটি টকা হেৰুৱাব লগীয়া হৈছে। সেয়েহে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আমি যেতিয়া বানপানীৰ সময়ত ৰাস্তাৰ লিষ্ট দিওঁ, সময়টো পাৰ হোৱাৰ পাছত সেই ৰাস্তাবোৰ Sanction কৰাটো বন্ধ কৰিব লাগে। বিভাগলৈ চিঠি দিব লাগে যে এই ৰাস্তাবিলাক তোমালোকে আৰু নপঠিয়াবা। এইবোৰ আমি বন্ধ কৰি দিলো। এনেকুৱা এটা আসোঁৱাহ আমি মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিলো। বোৰ্ডৰ ক্ষেত্ৰত মই চাৰ কব বিচাৰিছো, আপুনি জানে যে বৰ্ডাৰৰ এটা মেজৰ ইচ্ছ্যু হৈ আছে। মোৰ অসম-মেঘালয় বৰ্ডাৰত ৰাণী, মাকৈ গুৰী, বামুনমাৰা আদি বিভিন্ন ঠাইত আমাৰ যিবিলাক PMGSY ৰ ৰাস্তা Sanction হৈছে, সেই ৰাস্তাবোৰ আমি বনাব পৰা নাই। যোৱা ৫ বছৰে এই ৰাস্তাবিলাক মেঘালয় চৰকাৰে বনাব দিয়া নাই। আমাক বাধা প্ৰদান কৰিছে। এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়লৈ আমি চিঠি লিখিছিলো, কিন্তু কোনোধৰণৰ সু-সমাধান নাপালো। অসমৰ ক্ষেত্ৰত এইটো দুৰ্ভাগ্যজনক। কাৰণ তেওঁলোকে আমাৰ মাটিত সোমাই আহি তেওঁলোকে ৯ কিলোমিটাৰ ৰাস্তা বনালে। আমাৰ Sanction হোৱা ৰাস্তা কিন্তু বনাব পৰা নাই। বিভাগৰ পৰা গম পালো যে এতিয়া আৰু তাত ৰাস্তা বনাব পৰা নাযাব যিহেতু গণ্ডগোল হৈ আছে। গতিকে মই ভাবো যে বৰ্ডাৰৰ ক্ষেত্ৰত সুকীয়া এটা ফাণ্ড থাকিব লাগে। আগতে যেতিয়া মন্ত্ৰী মহোদয়ে মিটিঙত আমাক মাতিছিল, তেতিয়া মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে বৰ্ডাৰৰ কামবিলাক SOPD ক দিব নালাগে। বৰ্ডাৰৰ কাম আমি যিমান হয় সিমানে ভাল পাওঁ। কিন্তু আমাৰ ফাণ্ডৰ পৰা কোটা যাব নালাগে, সেই ক্ষেত্ৰত বেলেগকৈ এটা ফাণ্ড হৈ থাকক। এইটো এটা ব্যৱস্থা চৰকাৰে কৰিব লাগে। বাকী চাৰ বিগত চৰকাৰৰ দিনত ১ হাজাৰ এচ পি টি ব্ৰীজ, আৰ চি চি কৰাৰ এটা প্ৰস্তাৱ আমি পাইছিলো। সেই মতে কিছু নিৰ্মাণো হ'ল। কিন্তু আমি দেখিলো যে ১ হাজাৰ ব্ৰীজ বনাবৰ বাবে যিটো আঁচনি চৰকাৰে লৈছিল তাৰে বৰবেছি ২০০-৩০০ মান ব্ৰীজহে অসমত নিৰ্মাণ হ'ল। এই ক্ষেত্ৰত মই ভাবো যে তেওঁলোকে যি ১ হাজাৰ ব্ৰীজ বনোৱাৰ প্ৰস্তাৱ লৈছিল সেইখিনি

ফাইনেনচিয়েল ইয়েৰত সম্পূৰ্ণ কৰিব লাগিছিলে কিন্তু সম্পূৰ্ণ নোহোৱাৰ ফলত আৰু কিছুমান এচ পি টি ব্ৰীজ আৰ চিচি কৰাৰ কাৰণে প্ৰয়োজন আহি পৰিছে। গতিকে এইখিনি চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। এচ পি টি ব্ৰীজ আমাৰ ৰুৰেল কানেক্টিভিটিৰ ক্ষেত্ৰত খুউব প্ৰয়োজনীয়। কিন্তু আমি কৈছো যে PWD ৰ ৰাস্তাত নপৰা, PMGSY ৰ ৰাস্তা নপৰা বহু এচ পি টি ব্ৰীজ আছে। গতিকে চৰকাৰে কিবা এটা গাইড লাইন দি হ'লেও এই ব্ৰীজ সমূহ পেলোৱাৰ ব্যৱস্থা কৰিব লাগে। মই আৰু এটা কথা ক'ব বিচাৰিছো যে মোৰ সমষ্টিৰ জলজলী নদীৰ ওপৰত এখন দলং দিয়াৰ কথা কৈছিল মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই। তেওঁলোকৰ এখন ডাঙৰ দলীয় সভাত ঘোষণা কৰিছিল যে জলজলী নদীৰ ওপৰত বক্ৰাদিয়া-নগৰবেৰা কানেক্টেড এখন দলং তেওঁ দিব। এই ব্ৰীজখন খুউব দৰকাৰী। ১ লাখ মানুহ সেই ফালে অহা-যোৱা কৰে। য'ত এটা ব্লক অফিচ, চাৰ্কোল অফিচ, দুখন কলেজ, দুটা বিডিঅ' অফিচ সকলোবিলাক কানেক্টেড হৈ আছে। তাতে দলংখন সোনকালে কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া উৎপল বৰা।

**শ্ৰীউৎপল বৰা (গহপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া, এআইইউডিএফৰ হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, দুৰ্গা দাস বড়ো ডাঙৰীয়া আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই লোক নিৰ্মাণ বিভাগৰ মঞ্জুৰী নং ৬৪ ৰ পথ দলং নিৰ্মাণৰ ক্ষেত্ৰত সন্মানীয় মুখ্যমন্ত্ৰী তথা লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই উত্থাপন কৰা যি ২০ হাজাৰ লাখ টকা মঞ্জুৰী কৰিব লাগে বুলি বিচাৰিছিল তাৰ কৰ্তন প্ৰস্তাৱ হিচাপে তেওঁলোক ১০০ টকা হ্ৰাস কৰাৰ যি প্ৰস্তাৱ আনিছে তাৰ তীব্ৰ বিৰোধিতা কৰি মই কিছু কথা ক'বলৈ বিচাৰিছো। আজি এখন সমাজ, এখন ৰাজ্য তথা দেশ এখন যদি প্ৰগতিৰ পথত আগবাঢ়িব লাগে, অৰ্থনৈতিক দিশত যদি আগবাঢ়িব লাগে তেতিয়াহ'লে কৃষি উৎপাদনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে, যাৰ ভিতৰত আমাৰ যাতায়ত ব্যৱস্থাৰ ভিতৰত পথ আৰু দলং অত্যন্ত আৱশ্যকীয় আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই যি প্ৰস্তাৱ কৰিছে সেই প্ৰস্তাৱ মতে আমি ২০ হাজাৰ লাখ টকা দিয়াৰ কাৰণে সমৰ্থন জনাইছো। অৰ্থনৈতিক বিকাশৰ মূল সুঁতি হিচাপে যাতায়ত ব্যৱস্থা, কমিউনিকেশ্যন চিষ্টেমটো যেতিয়ালৈকে ভাল নহ'ব, তেতিয়ালৈকে অৰ্থনৈতিক দিশত আগবাঢ়ি যোৱাত জটিলতাৰ সৃষ্টি হ'ব। মই এজন চহা খেতিয়কৰ কথা ক'ব বিচাৰিছো। ভিতৰুৱা অঞ্চলত কৃষি-সামগ্ৰী উৎপাদন কৰে, সেই খাদ্য সামগ্ৰীৰ উচিত মূল্য পাবলৈ হ'লে প্ৰথম যাতায়ত ব্যৱস্থাটোৰ বিশেষ প্ৰয়োজন হয়। নহ'লে তেওঁ সেই উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। পথ-দলঙৰ ক্ষেত্ৰত ইয়াতকৈ আৰু বেছি টকা আচলতে আৱণ্টন দিব লাগে। লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০১৬ চনৰ পৰা লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি আহিছিল আৰু ৰাস্তা-পদূলিৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। হয়তো আজি আমাৰ চৰকাৰখন দ্বিতীয় বাৰৰ কাৰণে শাসনলৈ অহাৰ মূল আহিলাটোৱে হৈছে আমাৰ যাতায়ত ব্যৱস্থাৰ উন্নতিৰ কাৰণ। অসমৰ ৰাইজে ডেভলপমেণ্ট পাইছিল, স্বাধীনতাৰ পাছত ৰাস্তা-পদূলিৰ ক্ষেত্ৰত যিখিনি কাম হোৱা নাছিল সেই কামবিলাক কৰিবলৈ ১২৬ গৰাকী বিধায়কে কিন্তু সক্ষম হৈছিল। গতিকে আমি ভাৰিছো life skill Development ব্যৱস্থাটো আমাক লাগিব যাতায়াত ব্যৱস্থা comunication system ত। আমাৰ গহপুৰ সমষ্টিত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ লক্ষ্য আছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুবাৰ গহপুৰ সমষ্টিলৈ ২০১৬ চনৰ পাছত গৈছিল আৰু আমিও SOPD ৰ G ৰ অধীনত বা পি এম জি এচ ৱাই, Phase 1, Phase 2, Phase 3 ত আমি

বহুখিনি ৰাস্তা প্ৰায় পি এম জি এচ ৱাইত ১৩৬ কিলোমিটাৰ ৰাস্তা SOPD ত প্ৰায় ১৯৭ কিলোমিটাৰ আৰু আমি প্ৰায় RIDM NABARD ৰ পৰা ৮ খন দলং পাবলৈ সক্ষম হৈছিলো Thousand Number SOPD Bridge ৰ নামত তিনিখনকৈ দলং পাবলৈ সক্ষম হৈছিলো। এইখিনিতে মোৰ সমষ্টিৰ কথা অলপমান ক'ব লাগিব। যিহেতু গহপুৰ সমষ্টিটো যথেষ্ট বানপানীয়ে গৰকা সমষ্টি। দক্ষিণ অঞ্চল ব্ৰহ্মপুত্ৰ নদীখনৰ খহনীয়া, মথাউৰিৰ সমস্যা আৰু উত্তৰ অংশটোত ৮ খন পাহাৰীয়া নদীয়ে যথেষ্ট ভাৱে গহপুৰৰ কৃষিভূমি অনিষ্ট কৰে। গহপুৰৰ জনজীৱন ব্যাহত কৰে। গতিকে তেনেক্ষেত্ৰত আমাৰ বাজেটত আমি এটা নতুন দিশ দেখা পাইছো যে মথাউৰিবিলাক এহাজাৰ কিলোমিটাৰ road cum bundh বনোৱাৰ যি সিদ্ধান্ত লৈছে, এই সিদ্ধান্ত আচলতে খুব সুন্দৰ সিদ্ধান্ত। আমাৰ চৰকাৰ খনৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তথা আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ বাজেটত যিখিনি উল্লেখ কৰিছে, এইক্ষেত্ৰত road cum bundh ৰ ক্ষেত্ৰত যথেষ্ট, কেৱল মোৰ সমষ্টিতে নহয়, সমগ্ৰ অসমত বানে গৰকা অঞ্চলবিলাকত road cum bundh ৰ এই নতুন যিটো ভিজন হিচাপে লৈছে, এই ভিজনটোৱে যথেষ্টভাৱে প্ৰভাৱ পেলাব। আমাৰ সমষ্টিটোৰ প্ৰায় ২৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা বৰ পুৰণিকলীয়া মথাউৰি আছে, মই আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সাক্ষাততে জলসম্পদ মন্ত্ৰী ডাঙৰীয়াৰ তথা আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীক মই আহ্বান জনাইছো যাতে এই ২৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিতো সম্পূৰ্ণভাৱে road cum bundh নিৰ্মাণ কৰি যাতে ব্ৰহ্মপুত্ৰৰ খহনীয়া আৰু বানে গৰকা অঞ্চলখিনিক যাতে আমি সুন্দৰভাৱে ৰক্ষা কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগে। মই আহ্বান জনাইছো মোৰ সমষ্টিত কেৱল মোৰ সমষ্টিয়ে নহয়, মোৰ কাষৰীয়া বিহালী সমষ্টি জড়িত এটা old anti road যিটো আছিল, বৃটিছৰ দিনৰ পৰাই এটা ৰাস্তা আছিল প্ৰায় ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ। National Highway NH 15 য়ে যি মতে যায়, তাতকৈ এই ৰাস্তাটোৰেদি গ'লে খুব কম সময়ৰ ভিতৰত আমি আমাৰ লক্ষ্যস্থানত উপনীত হ'ব পাৰো আৰু আমি shortage time, shortage road ৰ মাজেদি গ'লে আমি economic development ৰ কাৰণে উপকৃত হ'ব পাৰো আৰু প্ৰায় দেৰ লাখ জনবসতি অঞ্চল সাঙুৰি ল'ব পৰা যায়। এই মোনাবাৰী বৰঙাবাৰী ৰোড। এই ৰাস্তাটোৰ লগত ইতিহাস জড়িত হৈ আছে। স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ য'ত জন্ম হৈছিল, সেই বৰঙাবাৰীৰ জন্মস্থানত এই ৰাস্তাটো শেষ হৈছেগৈ আৰু ইয়াতে প্ৰায় ১২ খন গাঁও পঞ্চায়ত আৰু প্ৰায় দেৰ লাখ connectivity সংযোগ হ'ব। গতিকে মই আহ্বান জনাইছো আৰু ধন্যবাদো জনাইছো। বিত্তমন্ত্ৰী ডাঙৰীয়ানী আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে এইবাৰ অসম মালাত যি আঁচনি ধৰিছে, তাত গহপুৰ, ঘগৰাবস্তী হৈ ধলপুৰলৈ যিটো ৰাস্তা প্ৰায় ২৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটি ৰাস্তা বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ এই বাজেট বক্তৃতাত আছে। গতিকে তাৰ কাৰণে মই বিত্তমন্ত্ৰীক বিশেষভাৱে ধন্যবাদ জনাইছো আৰু লগতে এই ৩২ কিলোমিটাৰ ৰাস্তা অসম মালা হওক বা would bank ৰে এ ডি বি যিকোনো প্ৰজেক্টত ধৰি বুৰৈ আৰু বৰগাং নদীৰ ওপৰত দুখন আৰ চি চি দলং নিৰ্মাণ কৰি এই ৰাস্তাচোৱা যদি নিৰ্মাণ কৰি দিয়া হয়, তেতিয়া বিশেষভাৱে এই ভিতৰুৱা অঞ্চলটোত চাহ বাগিচাই আমাৰ যিখিনি small tea growers আছে, লগতে আমাৰ যিসকল খেতিৰ লগত জড়িত কৃষক সকলৰ যথেষ্ট উপকাৰ হ'ব। মই আহ্বান জনাইছো, এই মোনাবাৰী আৰু বৰঙাবাৰী য'ত ইতিহাস জড়িত হৈ আছে। য'ত স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ নাম জড়িত হৈ আছে। এই ৰাস্তাকেইটা যাতে নিৰ্মাণ কৰা কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। মই মাত্ৰ আৰু দুটামান কথা কৈ সামৰিব ওলাইছো। এইবাৰ মাজতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষভাৱে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলঙৰ

কথা কৈছিল আমি ধন্যবাদ জনাইছো অসম চৰকাৰক যে আমাৰ গহপুৰ নুমলীগড় ব্ৰহ্মপুত্ৰৰ এই দলংখন নিৰ্মাণ কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়াইছে আৰু ইতিমধ্যে কিছু কাম আগবাঢ়িছে বুলি গম পোৱা গৈছে। মই জানিব বিচাৰিছো এই গহপুৰ নুমলীগড় দলংখন কেতিয়া আৰম্ভ হ'ব যাতে আমাৰ বগীবিলৰ পিছত এইখন দ্বিতীয়খন দলং হয়। আমি উত্তৰপাৰ দক্ষিণপাৰ সংযোগ কৰিব পাৰো। কেইবাখনো জিলাৰ যাতায়ত ব্যৱস্থা আমি সুন্দৰ কৰিব পাৰো তাৰ কাৰণে এই গহপুৰ নুমলীগড় ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া দলংখন যাতে খুব দ্ৰুতভাৱে কৰিব পৰা যায়, তাৰ কাৰণে মই আহ্বান জনালো। দুটামান পৰামৰ্শ আছে। মই লোকনিৰ্মাণ বিভাগৰ ক্ষেত্ৰত নিজে ব্যক্তিগতভাৱে সন্তুষ্ট, যিহেতু আমাৰ বহু সন্মানীয় সদস্যই কৈছে quality। Quality মই যিটো দেখিছো লোকনিৰ্মাণ বিভাগে যিমানখিনি কাম কৰি আছে, মই মোৰ সমষ্টিত quality assurance কিন্তু আমি পাইছো আৰু আমাৰ বিধায়ক সকলৰো এটা দায়িত্ব আছে। কাম যেতিয়া আৰম্ভ হয়, কাম চলি থাকে সেই কাম চলি থকা সময়ত আমিতো চাবৰ কাৰণে কোনো অথৰিটি বা পাৰমিশ্যন নালাগে। গতিকে আমি নিজে যদি কামৰ quality বিলাক অলপ চাবলৈ যাওঁ, নিশ্চয় কাম সুন্দৰভাৱে ৰূপায়িত হ'ব। মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো। আজি সদনৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, মই অলপমান আহ্বান কৰিব বিচাৰিছো যে আমাৰ পাঁচ বছৰ maintenance period থাকে PMGSY ৰাস্তাত, SOPD ৰ ৰাস্তাত তিনি বছৰ maintenance থাকে। গতিকে এই যি maintenance period পাৰ হৈ যায়, অধ্যক্ষ মহোদয়, তাৰ পাছত আমি black toping ৰাস্তা বিলাকত কিছু কিছু porthole দেখা পোৱা যায় যে সৰু সৰু কেইটামান গাঁত হৈছে আৰু সেই গাঁত কেইটাৰ কাৰণে tender call কৰিবলৈ বা estimate senction কৰিবলৈও যথেষ্ট জটিল হয়। এটা সময়ত আমি সৰু থাকোতে দেখিছিলো যেতিয়া PWD ৰাস্তা বিলাকত, PWD worker বিলাকে Patch repairing কৰি নিৰ্মাণ কৰে।

**মাননীয় অধ্যক্ষঃ** আমি ৰিপ্লাইটো দিব খুজিছো অলপ পাছতে। কাৰণ সময় নাই। ২ টা বাজিব, নহ'লে ৰিপ্লাইটো নাপাব।

**শ্ৰীউৎপল বৰা (গহপুৰ) ঃ** কেইটামান কথা ক'ব খুজিছো। অকনমান চুটি কৰি দিম। খালী Patch repairing ত divisionwise যদি সৰু-সুৰা maintenance ৰ কাৰণে প্ৰত্যেকজন executive engineer ক responsibility দিয়ে, যিহেতু department ৰ labour থাকে, department ৰ worker থাকে তেতিয়াহ'লে ৰাস্তা বিলাকৰ longivity টো বাঢ়িব। আৰু এটা কথা ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে, আমি Fifth Assam Finance ৰ জৰিয়তে অসমত থকা কাঠৰ দলং কিছুমান মেৰামতি কৰিবৰ কাৰণে এটা ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু আমাৰ সমষ্টিৰ সৰু সৰু ল'ৰাবিলাকে কামবিলাক কৰিছিল। আজিলৈকে কিন্তু Fifth Assam Finance ৰ টকাতো সেই ঠিকাদাৰসকলে পোৱা নাই। তাত দিয়াৰ কিবা ব্যৱস্থা এটা গ্ৰহণ কৰিব পাৰে নেকি ? তাৰ কাৰণে আপোনাৰ জৰিয়তে জনাইছো। গতিকে বহু কথা ক'বলৈ আছিল। সময় যিহেতু নাই, এইখিনিকে কৈ মই বিৰোধীয়ে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী আমিনুল ইছলাম। চাৰি মিনিট দিয়া আছে। ডেৰটা বজাত ৰিপ্লাই হ'ব।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ২৫ মিনিট সময়।

**মাননীয় অধ্যক্ষঃ** সকলোৰে সময়টো এতিয়া কটা যাব ৰিপ্লাইৰ কাৰণে। সকলো গিলেটিনত গুচি যাব।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে, এখম ৰাজ্যৰ কাৰণে Road Communication কিমান important. আমাৰ ৰাজ্যৰ Road Communication ৰ ওপৰত CAG ৰ দুটামান কথা যেতিয়া road বিলাক ডিজাইন কৰ হয়, সেই সময়ত road বিলাকত কিমান ওজনৰ গাড়ী যাব, কিমান ট্ৰেফিক হ'ব এই বিলাকৰ এটা অধ্যায়ণ হ'ব লাগে। CAG এ কৈছে যে, অসমত তেনেকুৰা কোনো ধৰণৰ অধ্যায়ণ হোৱা নাই, যিটো অতন্ত্য গুৰুত্বপূৰ্ণ। দ্বিতীয়তে, CAG আৰু এটা কথা কৈছে যে, আমাৰ অসমখন high seismic ও one ভূমিকম্পৰ কাৰণে। ইয়াত ৰাস্তা আৰু দলং বনোৱাৰ সময়ত এই seismic ও one ৰ ওপত গুৰুত্ব দিয়া হোৱা নাই। এইটেঙ্গ CAG এ হাতে লোতে ধৰা পেলাইছে। মই আৰু বেছি details ত নাযাওঁ। মোৰ সমষ্টিৰ কথাও আছে। আমি দেখিছো যে, অসমত existing national highway 2775.503 KM. কিন্তু মোৰ জিলাখনত 1 KM ও national highway নাই। Construction ত ১৯৩.৭৪৬ কিঃমিঃ চলি আছে অসমত। কিন্তু মোৰ জিলাত দিয়া হৈছে ৫৭.৮৭০ কিঃমিঃ। কৰ পৰা কোনটো ৰোড তাৰ কোনো ডিজাইন বা মেপ আমাৰ চকুত এতিয়ালৈ পৰা নাই। আমি লক্ষ্য কৰিছো যে যিহেতু cut motion ৰ matter আমিনগাঁৱৰ পৰা বৰপেটালৈ যোৱা যিটো ৰোড, গুৱাহাটী চিটি, নলবাৰী আৰু বৰপেটা তিনিটা জিলাত Connectivity road টো enlarge হোৱাৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। আমি দেখিছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে কোকৰাঝাৰ পৰা ৰূপহী বিমান বন্দৰলৈকে অসম মালাৰে যিটো ৰাস্তা দিছে, সেইটো যদি আৰু অলপ দীঘল কৰি ধুবুৰী, ফুলবাৰী দলংঙলৈকে connect কৰি দিয়া যায়, তেনেহ'লে মই ভাবো কোকৰাঝাৰৰ লগতে ধুবুৰী আৰু বেংগলৰ লগত আমাৰ connectivity হৈ যাব। আমি কেইদিনমান আগতে বিলাসীপাৰালৈ যাঁওতে দেখিছিলো যে, লক্ষীগজৰ পৰা পূবমাৰী হৈ কামাখ্যা মন্দিৰলৈ লৈকে যোৱা যিটো ৰাস্তা আছে সেইটো দলং সহকাৰে যদি কৰি দিয়া যায়, তেতিয়া কামাখ্যা মন্দিৰলৈ সেইটো পাৰ্ট ৰ এটা ভাল Connectivity হ'ব। বিলাসীপাৰা পুৰণি বজাৰৰ পৰা মাচানেৰ আলগা হাইস্কুল যোৱা পথটো গৌৰঙ নদীৰ ওপৰত এখন RCC Bridhe হ'লে entire BTAD আৰু সমগ্ৰ চৰ অঞ্চলৰ অতি গুৰুত্বপূৰ্ণ পথ। এতিয়া মই মোৰ সমষ্টিত মনোযোগ দিব বিচাৰিছো। আমি বিভিন্ন কথা শুনিছো। মোৰ জিলাৰ উত্তৰ অঞ্চল, মোৰ মানকাচাৰ সমষ্টিৰ তিনিটা GP, চোবচৰ, মালখোৱা আৰু গোটাবাৰী আৰু দক্ষিণ শালমৰাৰ হাজিৰহাট, টুংনী, পাথাকাটা, মনিৰচাট, দক্ষিণ শালমৰা আৰু বালাদুৰা এই ৯ টা GP ৰ লগত আমাৰ জিলাৰ connectivity ৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, চোবচৰত এখন দলং দিছে। কিন্তু এই দলঙৰ লগত এই ৯ টা GP ৰ কোনো road Connectivity নাই। এইটো যদিও inhabitant Connectivity ৰ কথা কোৱা হৈছে, কিন্তু আমাৰ জিলা Connectivity বেলেগ এটা সমষ্টিৰ লগত Connectivity ৰ কোনো ব্যৱস্থা নাই। এতিয়া মোৰ survey চলাই দেখিলো যে, প্ৰায় ১০ টা মান কাঠৰ দলং আছে, প্ৰায় ৩০ দলংৰ প্ৰয়োজন। মই প্ৰথম phase ত ইতিমধ্যে এই ব্ৰীজৰ প্ৰস্তাৱ দিছো। আমাৰ জিলাখনত connectivity ৰ কাৰণে যথেষ্ঠখিনি কৰিব লগা আছে। আগিয়াৰ পৰা মানকাচাৰলৈ ১৪০/১৪৫ কিঃমিঃ এইখিনি national highway ৰ লগত আনিব পাৰে। এইখিনিত তিনিটা international port মানকাচাৰ, মহেন্দ্ৰ গজ আৰু গাছোৱাপাৰা এই কেইটা connectivity কৰিব পাৰি। এই port কেইটালৈ যোৱাৰ

কাৰণে মানকাচাৰ টাউন ৰ মাজেদি bypass কৰি যদি এটা ৰোড দিয়ে তেতিয়া হ'লে যথেষ্ঠখিনি সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয় কর্তন প্রস্তাবের সমর্থন করে দু-চারটি কথা বলছি। রাস্তার সঙ্গে হেল্‌থ, এডুকেশন, কমার্স সব কিছু জড়িত। রাস্তা শুধু রাস্তা নয়, রাস্তার সঙ্গে আমাদের অল রাউন্ড ডেভেলপমেন্টের কথা রয়েছে। মাননীয় অধ্যক্ষ মহোদয়, ২০০১ সালে আমাদের প্রয়াত তরুণ গগৈ যখন অসমের মুখ্যমন্ত্রী হলেন এবং সেই সময় থেকে শুরু করে বিগত ১৫ বছরে অসমে ধলা-সদিয়া, বগিবিল, শরাইঘাট সেতু থেকে শুরু করে যে পরিকাঠামো হয়েছে, যে ফাউন্ডেশন তৈরি করা হয়েছে, সেটা আমরা অস্বীকার করতে পারি না। আগের সরকার ফাউন্ডেশন তৈরি করায় আজ বর্তমান সরকার সেটাকে তরান্বিত করতে পারছে। সেটা আমাদের স্বীকার করতে হবে।

অধ্যক্ষ মহোদয় , আমি একটি কথা বলতে চাই। আমরা গ্রামাঞ্চলে অনেক সময় আমরা খেলাধূলা করাই। 'হায়ার' করে প্লেয়ার আনি, যারা ভালো খেলে। অধ্যক্ষ মহোদয়, বিগত ১০ বছর আমাদের সরকারে যিনি পি.ডব্লু.ডি মন্ত্রী ছিলেন, আমাদের দিদি এখানে রয়েছে। বর্তমান সরকার সেই পি.ডব্লু. ডি মন্ত্রীকে 'হায়ার' করেছে। অর্থাৎ বিগত দিনে আমাদের সরকার, আমাদের মন্ত্রীরা যে ভালো কাজ করেছিলেন সেটাই আজকের দিনে প্রমাণিত হল। এরজন্যই আমাদের দিদিকে আবার বর্তমান সরকারে অর্থমন্ত্রী করা হল। অর্থাৎ বিগত দিনে দিদি ভালো কাজ করেছেন, অসমের জন্য কাজ করেছেন, অসমের পরিকাঠামোর জন্য কাজ করেছেন, অসমকে একটি নতুন রূপ দিয়েছিলেন। সেজন্য বর্তমান অসম এই অবস্থায় এসেছে।

অধ্যক্ষ মহোদয়, আমি বিশেষ ভাবে বলছি, ইস্ট-ওয়েস্ট করিডোরের কথা। বিগত দিনে আমাদের মুখ্যমন্ত্রী বলেছেন। আমি ভেবেছিলাম সরকারের কাছে কোন যাদু আছে নাকি ? দেখলাম যে না কোন যাদু নেই। বিগত দিনে ব্রডগেজের কাজ শেষ হল। হয়তো বা দুই, তিন, চার মাসের মধ্যে। কিন্তু ইস্ট-ওয়েস্ট করিডোরের পাঁচ-ছয় বছর হয়ে গেছে। প্রায় ৩২ কিমি জায়গা, অর্থাৎ বালাছড়া থেকে হারেঙাজাও— সেই জায়গার কাজ হয়নি। শুধু ফরেস্ট ক্লিয়ারেন্স আসছে, মন্ত্রী বলছেন এসে গিয়েছে, কাজ হবে। অধ্যক্ষ মহোদয়, আমাদের মেঘালয়ের ওপর দিয়ে আসতে হয়। বিকল্প পথে অসমের ওপর দিয়ে যদি আসতে হয়, যদি এই করিডোরের কাজ সমাপ্ত করতে হবে।

অধ্যক্ষ মহোদয়, বিশেষ করে একটি বিরাট অভিযোগ যে অ্যাসিসটেন্ট ইঞ্জিনিয়ার থেকে এসডিও প্রোমোশন, জুনিয়র ইঞ্জিনিয়ার থেকে অ্যাসিসটেন্ট ইঞ্জিনিয়ার প্রোমোশন হয়। সেই প্রোমোশনের ক্ষেত্রে আমরা যদি দেখি আমাদের পি. ডব্লু. ডি বিভাগে অনেক অভিজ্ঞ জুনিয়র ইঞ্জিনিয়ার আছেন। আমরা তা অস্বীকার করতে পারি না। অনেক ভালো-ভালো অফিসারও রয়েছেন। কিন্তু অনেক সময় আমরা দেখি ওদের যখন প্রোমোশন দেওয়া হয়, সেই প্রোমোশনের ক্ষেত্রে একটি সিস্টেম করা হয় যে ওদের সার্ভিস বুকে যদি আউটস্ট্যান্ডিং লেখা হয় তাহলে ওদের একটা এক্সট্রা মার্ক দেওয়া হয়। তাই আমি মনে করি, যে ইঞ্জিনিয়ার ভালো কাজ করতে পারলেন না বা করেনি, সেই ইঞ্জিনিয়ারকেও কোনও কোনও সময় আউটস্ট্যান্ডিং দেওয়া হয়। তার জন্য আমি বলছি, প্রোমোশনের ক্ষেত্রে যে আউট স্ট্যান্ডিং মার্কসের ব্যবস্থা নেওয়া হয়েছে, সেটাকে সরকারের তরফ থেকে দেওয়ার ব্যবস্থা করা হোক। যারা ভালো কাজ করবে, যারা ফিল্ড

লেভেলে গিয়ে কাজ করবে, যে ইঞ্জিনিয়াররা ক্যাপেবল তাদের ক্ষেত্রেই যাতে এই আউটস্ট্যান্ডিং মার্কস দেওয়া হয়। সেটাই আমার অনুরোধ থাকল।

অধ্যক্ষ মহোদয়, বরাক নদীর উপরে পাঁচটি ব্রিজ হওয়ার কথা ছিল। হয়তো এটা স্বপ্ন ছিল। এই স্বপ্ন এখনও বাস্তবায়িত হয়নি। তাই আজ আমার অনুরোধ বরাক নদীর উপর পাঁচটি ব্রিজ হোক। আর বিশেষ করে, পি ডব্লু ডি বিভাগে আমাদের প্রত্যেক সদস্য বলেছেন, ৪০টি ডিপার্টমেন্টে আর আই ডি এফের টাকা দেওয়া হল। আজ এখানে মাননীয় মুখ্যমন্ত্রীও আছেন। মুখ্যমন্ত্রীর সমষ্টিতে হয়তো দশ কোটি টাকা দেওয়া হল। মুখ্যমন্ত্রী বলবেন যে না ওনার সমষ্টিতে দেওয়া হয়নি। কিন্তু এখন যদি দিশপুরে দেওয়া না হয়, তাহলে মুখ্যমন্ত্রীর সমষ্টির রাস্তা ভালো আর পাশের সমষ্টির যদি রাস্তা-ঘাট খারাপ হয় তাহলে হবে না। অর্থাৎ অল রাউন্ড ডেভেলপমেন্ট, অ্যাজ এ হোল ডেভেলপমেন্টের দরকার। আমি করিমগঞ্জের। কিন্তু সাউথ করিমগঞ্জ থেকে যদি কোনও রোগী করিমগঞ্জ সিভিল হাসপাতালে আসতে চায়, সাউথ করিমগঞ্জের রাস্তা খারাপ কিন্তু করিমগঞ্জের ভাল, তাহলে কী করে আসবে ? তাই উন্নয়ন যদি হতে হয়, সব কেন্দ্রে হতে হবে। আমি বিশ্বাস করি, টাকা দিতে অসুবিধা নেই আমাদের, টাকা নিন। কিন্তু প্রতিটি সমষ্টিতে টাকা দিতে হবে। অল রাউন্ড ডেভেলপমেন্ট যাতে হয়, অসমের যাতে উন্নয়ন হয়। সেই আশা ব্যক্ত করে আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব। সময় কমৰ কাৰণে সকলো পাৰ্টিৰে ৰাখি থৈ দিছো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে আজিৰ এই সদনৰ লোকনিৰ্মাণ বিভাগৰ কাট মোচনত অংশ গ্ৰহণ কৰা মই সন্মানীয় বিধায়ক সকলক বিশেষকৈ শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, নৰ কুমাৰ দলে, মজিবুৰ ৰহমান, পৃথ্বিৰীৰাজ ৰাভা, জয়ন্ত বসুমতাৰী, দুৰ্গা দাস বড়ো, মনোৰঞ্জন তালুকদাৰ, শ্বেৰমান আলী আহমেদ, পোনাকন বৰুৱা, সুজামুদ্দিন লস্কৰ, অখিল গগৈ, নন্দিতা দাস, উৎপল বৰা, আমিনুল ইছলাম আৰু কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, আমাৰ বাজেট বক্তৃতাত সন্মানীয়া অজন্তা নেওগ ডাঙৰীয়ানীয়ে ঘোষণা কৰিছিল যে এই বছৰ আমি লোকনিৰ্মাণ বিভাগে এক হাজাৰ কিলোমিটাৰ মথাউৰি পকীকৰণ কৰিম। আগতে লোকনিৰ্মাণ বিভাগে, জল সম্পদ বিভাগে যি মথাউৰি বনাই তাক আমি পকীকৰণ কৰা নাছিলোঁ। কিন্তু দুই এজন বিধায়কে কেতিয়াবা নিজৰ ইনিচিয়েটিভত দুই এটা মথাউৰি পকা কৰে। এইবাৰ আমি এটা দ্ৰোণ চাৰ্ভে কৰিছিলো আৰু দ্ৰোণ চাৰ্ভেত আমি এটা কথা দেখা পাইছিলোঁ, যে মথাউৰি বিলাকৰ যদি ৰাস্তাবিলাক আমি পকী কৰিব পাৰো ৰাস্তাবোৰ চমু হৈ যায়। অৰ্থাৎ যিহেতু নদীৰ কাষে কাষে ৰাস্তাবোৰ বনোৱা আছে সেই কাৰণে সেই মথাউৰি বিলাক যদি ৰাস্তালৈ কনভাৰ্ট হয়, সাধৰণতে গাঁৱৰ মাজত ৰাস্তা হয় গতিকে বহুত দূৰে দূৰেদি এলাইনমেন্ট বিলাক বনাব লাগে কিন্তু মথাউৰিটো যিহেতু চিধা চিধাকৈ বনোৱা হয় তাৰ ওপৰত ৰাস্তা বনোৱাৰ লগে লগে দূৰত্ব বহুত খিনি কমি যায়। মই কেইদিনমান আগতে সেই চাৰ্ভেটোৰ পিছত আমাৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া, সংসদ প্ৰদান বৰুৱা ডাঙৰীয়া আৰু ভূৱন পেগু ডাঙৰীয়াৰ লগত জোনাইত গৈছিলো। আমি যেতিয়া বগীবিল দলং খন পাৰ হওঁ তেতিয়া বগীবিলৰ পৰা মথাউৰিটো একেবাৰে মাজুলীলৈ সংলগ্ন হৈ আছে। ঢকুৱাখানা সমষ্টিৰ মাজেদি, মাটমৰাৰ মাজেদি মাজুলী। অৰ্থাৎ ডিব্ৰুগড়ৰ পৰা মাজুলী ৫২ কিলোমিটাৰ মথাউৰিদি সংলগ্ন হৈ আছে আৰু ৫২ কিলোমিটাৰ ৰাস্তা যদি আমি বনাব পাৰো তেতিয়াহলে ডিব্ৰুগড়ৰ মানুহ মাজুলীত গৈ লখিমপুৰৰ মানুহ গৈ মাজুলীত উপস্থিত হ'ব

পাৰে। অথচ ইমান ডাঙৰ দলঙৰ কথা আমি পাতি আছোঁ, হয়তো দলং এখন আমাক লাগে তাৰ বাজেট হ'ব ১২০০ কোটি, ১৩০০ কোটি, কিন্তু ৫২ কিলোমিটাৰ ৰাস্তা ২ কোটি টকাকৈ যদি আমি খৰচ কৰো, ডেৰ কোটিও হ'ব পাৰে দুই কোটিও হ'ব পাৰে, ক'ৰবাত এক কোটিও হ'ব পাৰে, মোতামোতি দুখন গাড়ী যাব পৰা ৰাস্তা এটা ধুনীয়াকৈ ওলাই যায়। ৰাস্তাটো মই নিজেই চাব গৈছিলোঁ। তেনেকুৰা কথা মোৰ দৃঢ় বিশ্বাস যে আমাৰ বিভিন্ন সমষ্টিত আছে, ব্ৰহ্মপুত্ৰৰ ওপৰত দাইক আছে আৰু উপনদী বিলাকৰ ওপৰত দাইক আছে। প্ৰায় ৭ হাজাৰ কিলোমিটাৰ মথাউৰি আমাৰ বনোৱা আছে। তাৰ ভিতৰত কিছুমান মথাউৰি আছে যিবিলাক একেবাৰে নদীৰ লগত আছে, হয়তো তাত ৰাস্তাৰ প্ৰয়োজন নাই, কিন্তু এনেকুৰা মথাউৰি আছে যাক আমি ৰাস্তালৈ কনভাৰ্ট কৰিলে আমাৰ যাতায়াতটো বহুতখিনি সুবিধা হব। তাৰ লগত পি ডব্লিউ ডি য়ে যেতিয়া ৰাস্তা বনাই তেতিয়া পি ডব্লিউ ডিৰ নৰ্ম্চ মতে তাৰ ওপৰত ৰোল কৰিব লাগে। মথাউৰি যেতিয়া বনোৱা হয় তেতিয়া তাত সাধৰণতে ৰোল নকৰে বা ৰোল কৰাৰ ইমান কথা নাথাকে। কাৰণ সেইটো ৰাস্তাৰ কাৰণে বানোৱা নাযায়। কিন্তু ৰাস্তাৰ কাৰণে কমপেকচনটোৱে আটাইতকৈ বেছি প্ৰয়োজনীয়। সেইকাৰণে আমি বহুত বেছি যেতিয়া ৰোলিং কৰিম মথাউৰিটো অকমান কম্পেক হ'ব পাৰে, স্থায়ী হ'ব পাৰে, হয়তো কৰবাত এনেকুৰা হ'ব পাৰে যে বাননিয়ন্ত্ৰণতো সহায়ক হ'ব পাৰে। এতিয়া ইয়াৰ ওপৰত কোনো গৱেষণা নাই যে, সচাঁকৈ বাননিয়ন্ত্ৰণত সুবিধা হৈছে নে নাই। আমি এটা প্ৰচেষ্টা চলাব সুজিছোঁ, এইবাৰ আমি দেখিছিলো যে আমাৰ গুৱাহাটীৰ পৰা যদি, আমাৰ যি লাহৰীঘাঠ সমষ্টিত মথাউৰি নাই, ব্ৰহ্মপুত্ৰখন মুকলি হৈ আছে, তাৰ ওপৰত যদি আমি মথাউৰিটো বনাই দিব পাৰো, তেতিয়াহলে গুৱাহাটীৰ পৰা চিধা চিধি শিলঘাটলৈ ৰাস্তা এটা বিচাৰিব পাৰো। অৰ্থাৎ মাজত ৭-৮ কিলোমিটাৰ মথাউৰি নাই, বাকী গোটেইখিনি মথাউৰি আছে। একেবাৰে এক্সপ্ৰেছ হাইৱে ধৰণৰ ব্যৱস্থা এটা নহ'ব। কিন্তু অন্তত এটা অলটাৰ্নেট ৰাস্তা এটা হয়তো হ'ব পাৰে। সেই এটা প্ৰস্তাৰ লৈ আজি আমি ইয়াত ২০০ কোটি টকা এটা ধৰিছোঁ। ২০০ কোটি এই কাৰণে ধৰিছোঁ কাৰণ এইবাৰ জলসম্পদ বিভাগে আমাক মথাউৰি বিলাকৰ নাম দিব, দুই এজন বিধায়কেও পৰামৰ্শ দিব, তাৰ ওপৰত মথাউৰিটোৰ ক্ষতি হ'ব নেকি আই আই টিৰ পৰা চাই ল'ব লাগিব। এই গোটেই বিলাক কৰোতে কৰোতে অনুমোদ গৈ গৈ জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ পাবগৈ। সেই কাৰণে এই বছৰ আমাৰ ইমান টকাৰ প্ৰয়োজন নাই, যি খিনি টকা প্ৰয়োজন হ'ব অহাবছৰ। কিন্তু যিকোনো প্ৰশাসনীয় অনুমোদ দিয়াৰ আগতে বাজেটত পুঁজি লাগে আৰু সেই কাৰণে ততাতয়াকৈ ফুল বাজেট পাছ হোৱাৰ পিছত বিধান সভাত এইবাৰে প্ৰথম যে লগে লগে এখন চাপ্লিমেন্টৰী অনা হৈছে। যোৱাকালি ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই আমি যিটো মাইক্ৰফাইনেন্স কোম্পানীসমূহৰ লগত আমাৰ এম ও ইউ কৰাৰ কথা আছিল, সেই MOU খনত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই অনুমোদ দিছে। তাৰ কাৰণেও আমাক আঢ়ৈ হাজাৰ কোটি টকাৰ প্ৰয়োজন, আমি আৰম্ভ কৰিবৰ কাৰণে মহিলা সকলক সহায় কৰাৰ, এই গোটেইবোৰ উদ্দেশ্য ৰাখি আমি ততাতয়াকৈ প্ৰথমবাৰে বিধান সভাত এইটোৱে কিজানি প্ৰথম যে এখন পূৰ্ণাংগ বাজেটৰ পাছ হোৱাৰ লগে লগে এখন এচ ডি। অধ্যক্ষ মহোদয়কো মই ধন্যবাদ জনাইছো যে আমাৰ এচ ডি খন আনিব সুবিধা দিয়াৰ কাৰণে আৰু এই উদ্দেশ্যখিনিয়ে হাতত লৈ আমি এই এচ ডি ডিমাণ্ড এটা আনিছিলো আৰু নিশ্চয় কৰ্তন প্ৰস্তাৱৰ সুবিধা লৈ আমাক সন্মানীয় বিধায়ক সকলে বহুখিনি পৰামৰ্শ আগবঢ়াইছে। মই টোলগেট আদিৰ ওপৰত যাব নোখোজো, এটা কথা ঠিক যে যদি ৰাস্তা ঠিক হয়, ৰাস্তা যদি ভাল হয় তেতিয়াহলে ডিজেল আৰু পেট্ৰ'লত আমি চেভ কৰো। সাধাৰণতে মানুহৰ এটা ধাৰণা

যে চৰকাৰে টোলগেটত টকা লৈছে। আচলতে সেইটো নহয়, তেনেকৈ হলে গোটেই ভাৰতৰ মানুহে টোলগেটত কাকো পইচা ল'ব নিদিলেহেঁতেন। আজি গুৱাহাটীৰ পৰা নগাওঁলৈ যেতিয়া ৰাস্তাটো মখিন হৈ যাব গাড়ী ফোৰ গেৰত চলিব আমাৰ পুৰণা গাড়ী, আজিকালি অটোমেটিক গাড়ীৰ কথাটো বেলেগ। ফোৰ গেৰত চলাৰ লগে লগে আমি নিজে চাব পাৰো যে আগত আমাৰ তেল কিমান লাগিছিল, এতিয়া আমাৰ কিমান তেল লাগে। আৰু যিবিলাক ব্যৱস্থা আমেৰিকাৰ পৰা, ইংলেণ্ডৰ পৰা আৰম্ভ কৰি খুব সম্ভৱ চাইনালৈকে আৰু পশ্চিমবংগলৈকে য'ৰ মুখ্যমন্ত্ৰী আজি আমাৰ কাৰণে একেবাৰে প্ৰধানমন্ত্ৰী হ'ব পৰা যোগ্যৰ এগৰাকী নেত্ৰী, তেওঁৰ ৰাজ্যলৈকে টোল তোলা হয়। গতিকে আমি চোৰ বুলি ক'লেতো সবতে চোৰ বুলি ক'ব লাগিব। মই কাকো নাম ধৰি কোৱা নাই।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** অলটাৰনেটিভ ৰাস্তা থাকিব লাগে। আপোনালোকে মূল ৰাস্তাটোতে টোল লগাই দিছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিদিনাখন তেখেত এইখন চকীত আহিব তেতিয়া সেই কথাবোৰ ক'ব। নহলে বহি বহি কথা নহয়, আপোনাৰ আশা আছে হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইমান ধৃষ্টতা নাই যে অসমৰ ৰাজনীতিত মইয়ে আটাইতকৈ সৎ। (হুলস্থূল)

মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা গুৱাহাটী মেডিলেক কলেজৰ নাৰ্চ, ফাৰ্মাচীষ্ট সকলোৰে সন্মুখত আমি কথা পাতিম, কোন বেছি সৎ বা অসৎ। (হুলস্থুল)

মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিম সদনত আমি আহিছো ৰাস্তা বনাব, দলং বনাব। যদি কোনোবাই টকা লৈছে শাস্তি হ'ব। তাৰ কাৰণে ব্যৱস্থা আছে, লোকআয়ুক্ত আছে, হাইকোৰ্ট আছে, চি বি আই আছে, চলি থাকিব। আমি ইয়াতে আহি ক'ম আমাৰ ক'ত ৰাস্তা লাগে, ক'ত দলং লাগে। কোনটো ৰাস্তাৰে গ'লে আমি short cut ত গৈ পাব পাৰিম, ক'ত alternative হ'ব, ক'ত দৰিদ্ৰ মানুহৰ মুখত হাঁহি বিৰিঙাব পাৰিম। আজি আমাৰ এই সদনত গোটেই কেইজন বিধায়কে কথা কৈছে, সকলোৰে কৈছে মোৰ সমষ্টিত ৰাস্তা হ'ব লাগে। বিধান সভাত কাম হ'ল ৰাস্তা, মথাউৰি, স্কুল, কলেজ লোৱা, বাকী যাৰ যি য'ত যি সমস্যা আছে, তাৰ কাৰণে সংস্থা আছে, আমি আলোচনা কৰিম। গতিকে মই এটা কথাই বিধায়কসকলক অনুৰোধ কৰিম যে প্ৰত্যেকটো কথা আমি যদি একেবাৰে যে মোৰ বাদে ভাল মানুহ নাই, তেনেকুৱা এটা যদি মনত অহংকাৰ লৈ আমি কাম কৰো, আমাৰ গোটেই হিন্দু ধৰ্ম শাস্ত্ৰ, ইছলাম সকলোতে কৈছে অহংকাৰ হ'লে মানুহৰ আটাইতকৈ ডাঙৰ বিপদতো আহি পৰে। মই ভাৰো যে আমি অহংকাৰৰ পৰা বাচি থাকিম। মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাঁচ বছৰত আমি কেইটামান কাম কৰিলো, ইয়াতে অজন্তা নেওঁগ বাইদেউৰ নামতো আহিছে। বাইদেউ যেতিয়া PWD বিভাগৰ মন্ত্ৰী আছিল, তেতিয়া maximum SOPD allocation 250 crore বা 300 crore আছিলে। মোৰ মনত আছে, কংগ্ৰেছৰ দিনত ময়ো মন্ত্ৰী আছিলো, ৫ কোটি টকা যদি বাইদেউৰে কোনোবা বাৰ দিয়ে, তেতিয়া বাইদেউক আমি ধন্যবাদ দি থাকো বছৰতোত। কিন্তু আমাৰ অসম পৰিবৰ্তন হৈছে। PWD বিভাগত যোৱা বছৰত SOPD ত ৩ হাজাৰ কোটি টকা খৰছ কৰিছো। হয়তো Ruling party হিচাপে দুই এজন বিধায়কে বেছি পাইছে, কোনোবাই কম পাইছে। কিন্তু যোৱা পাঁচ বছৰত প্ৰত্যেক সমষ্টিতে ৰাস্তাৰ কাম হৈছে। যি দুই এটা সমষ্টিৰ হোৱা নাই তাকো কৰিব লাগিব। ৰাস্তাৰ ক্ষেত্ৰত বহুত বেছি ৰাজনীতিৰ কথা নাই।

যোৱা বাৰ আমি কৈছিলো **১** হাজাৰ খন দলং বনাম। তাৰে প্ৰায় **৭ শ** দলং হৈ আছে যোৱা পাঁচ বছৰত। **৩ শ** দলং এনেকুৱা কৈছিলো যে RIDF ৰ পৰা আমি বনাম । এইবাৰ আমি বিধায়কসকলক পুঁজি দি দিছিলো আৰু কৈছিলো দলং লাগিলে দলং দিয়ক, ৰাস্তা লাগিলে ৰাস্তা দিয়ক। আপোনালোকে চাই দিয়ক, সেই মতে আমি কাম কৰিম। যি নহওঁক, মোৰ ধৰণা আমি প্ৰত্যেক সমষ্টিত যিখিনি ৰাস্তা লাগে, প্ৰায়বিলাক কামে কৰিব পাৰিম, আমি অহা বছৰকেইটাত পিছৰ পৰ্য্যায়লৈ যাব লাগে। সেইটো হ'ল আজি কালি যিহেতু ড্ৰ'ন, চেটেলাইট আদিৰ সুবিধা আছে, কেনেকৈ কম দুৰত্বত পোৱাকৈ নতুনকৈ ৰাস্তা এটাত ওলাব পাৰিম। নতুনকৈ allignment survey কৰিব লাগে। পূৰণা allignment য'ত লৈ গৈছিল তাতকৈ আমি নতুন ৰাস্তা বনাব পাৰো। আজি কামাখ্যা মন্দিৰ যোৱা এটা ৰাস্তা আছিল। যোৱা বছৰ চিন্তা কৰিছিলো ব্ৰহ্মপুত্ৰ নদী চাই চাই মন্দিৰত সোমাব পাৰো, তাৰে এটা নতুন নান্দনিক দৃশ্য এটা আহিব।তাত এটা alternative route বনাইছো। আপোনালোকে চালে দেখিব যে complete alternative route হৈছে, অসম মালাৰ জৰিয়তে আমি লক্ষ্য কৰিছিলো যে নতুন allignment ত ৰাস্তা বনাব পাৰো নেকি। Forest ৰ কাৰণে অকণমান অসুবিধা হয়, অন্যহাতে মই দেখিছো যে নতুন ৰাস্তা বনালে দূৰত্ব কমাব পাৰিম, সময়, তেলৰ খৰছ আদিও কমিব। সেই কাৰণে বিধায়কসকলে যিমান পৰামৰ্শ দিছে, আজি চেটেলাইট আদিৰ যিমান টেকনলজি নাথাকক কিয়, আমাৰ বিধায়ক সকলেও যিমান কথা বুজি পাই, তাক কেতিয়াবা টেকনলজিয়েও বুজি নাপায়। সেই কাৰণে অসম মালাৰ অধীনত, যিহেতু এইটো আমাৰ পাচঁবছৰৰ পৰিকল্পনা, আমি ইতিমধ্যে কেইবাটাও ৰাস্তা হাতত লৈছো। আপোনালোকে মোক পৰামৰ্শ দি থাকিব, এনেকুৱা কি ৰাস্তা বনালে দূৰত্বতো কম কৰিব পাৰো from the Head quarter, sub-divisional head quarter আমি দূৰত্ব কেনেকৈ কমাব পাৰো আৰু সেই প্ৰচেষ্টা আমাৰ নিৰন্তৰ হ'ব লাগে।

আমাৰ মনত এটা চিন্তা আছিল যে, কাজিৰঙাত আমি দেখিছো প্ৰতি বছৰে বানপানীৰ সময়ত ইমান জন্তু মৃত্যু হয় গাড়ীৰ খুন্দাত, তাৰ দৃশ্যবিলাক আমি উজনি অসমলৈ যোৱা সকলো মানুহে দেখা পাওঁ। এতিয়া কাজিৰঙাত ৩৫ কি.মিৰ এলিভেটেড ফ্লাই অভাৰ এখন যদি আমি বনাই দিব পাৰো তেতিয়া হ'লে বৰ্ত্তমানৰ ৰাস্তাটো অকল মানুহ অহা যোৱা বা গাওঁৰ মানুহখিনিৰ বাবে থাকি যাব। ওপৰেদি আমি অহা যোৱা কৰিব পাৰিম। যেতিয়া নতুনকৈ ৰাস্তা বনাব পাৰিম বিভিন্ন ট্ৰেক, চাইক্লিং ট্ৰেক, বিভিন্ন কথা যোগ কৰি দিব পৰা হ'ব। আমি কি কৰিছো, কৰা নাই মানুহে গম পাই থাকিলে ভাল। মানুহে ভাবিব যে টোল গেট কোনে কি চলাইছে এইটোতে ব্যস্ত থাকো, এইটো নহয় অধ্যক্ষ মহোদয়। আমি যোৱাকালি গোটেই সাংসদসকলক লৈ নিতিন গাডকাৰী ডাঙৰীয়াক সাক্ষাৎ কৰিছিলো। আমি কৈছিলো যে কাজিৰঙাৰ ওপৰত ৩৫ কি.মি এলিভেটেড কৰিডোৰটো আমাক অনুমোদন দিয়ক মোটামোটি এটা লাইনত পৰি গৈছে। ইয়াৰ পিচত মৰিগাওঁৰ পৰা দৰঙলৈ আপোনালোকে জানে যে এটাই এৰিয়া, যদি মৰিগাওঁৰ পৰা দৰঙলৈ আৰু এখন ব্ৰহ্মপুত্ৰৰ ওপৰত ব্ৰীজ বনাব পাৰো তেনেহ'লে এক প্ৰকাৰে ক'ব গ'লে আমাৰ কমিউনিকেশ্যনে এটা নতুন ৰূপ পাব। এই ধৰণৰ অহা ৫ বছৰ কেইটামান ডাঙৰ প্ৰকল্প কৰাৰ বাবে আমি ইচ্ছা কৰিছো। আজি ৰূপচীত বিমান বন্দৰ হৈছে। ধুবুৰী- ৰূপচী সংলগ্ন ৰাস্তাটো অহা কালি বা পৰহি আমি টেণ্ডাৰ কৰিয়েই দিম। নাৰ্বাডে আমাক পুঁজি দিছে। আমাৰ ৰাস্তাটোও অনুমোদন দিছে। আজি ডেৰগাওঁৰ পৰা আমি যদি গোলাঘাটলৈ যাওঁ, সদায় সৰু ৰাস্তাটোৰেদি যাব লাগে। আজি ডেৰগাওঁৰ পৰা গোলাঘাটলৈকে যোৱা ৰাস্তাটো যদি লেণ্ড একুইজেশ্যন হ'ব

পাৰে। আমি চাৰি লেন যুক্ত কৰিব খুজিছো নহ'লে অন্ততঃ আহল বহল কৰিব খুজিছো যে অন্তত ভাল ৰাস্তা এটা হ'ব। আজি যদি আমি এই ধৰণে আগুৱাই যাব পাৰো। হলঙিত এটা এয়াৰ পোৰ্ট হৈ আছে। আজি গহপুৰৰ পৰা হলঙিলৈকে যদি এতিয়াই আমি ৰাস্তাটো বনাও তেতিয়া হ'লে শোণিতপুৰ জিলাৰ মানুহৰ বাবে এয়াৰপোৰ্টৰ কানেক্টিভিটিটো আমি পাই যাম। ওদালগুৰিৰ পৰা ঢেকীয়াজুলি হৈ একেবাৰে ৰাঙাপাৰাত উঠিব পাৰো। সম্পূৰ্ণ হাইৱে ধৰণৰ ৰাস্তা এটা আমি পাব পাৰো। এইবাৰ আমি সেই ৰাস্তাটোৰো টেণ্ডাৰ দুই এদিনতে কৰিম যাতে ওদালগুৰিৰ মানুহে ৰৌতালৈকে আহিব নালাগে ভিতৰে ভিতৰে হুগ্ৰাজুলি হৈ আগুৱাই যাব পাৰে। এই ধৰণে যিটো ধোদৰ আলি আছিল এইটো সম্পূৰ্ণভাবে আমি অসম মালাত ফোৰ লেইনলৈ কনভাৰ্ট কৰাৰ বাবে এটা স্কীম লৈছো। সেইটোৰো টেণ্ডাৰ ইতিমধ্যে আমি উলিয়াইছো। শিৱসাগৰৰ পৰা যিটো ৰাস্তাৰে আমি সোণাৰীলৈকে যাওঁ মই দেখাৰ পৰাই ভাল হয়, বেয়া হয়- সেই ৰাস্তাটো আমি এইবাৰ অসম মালাত লৈছো যাতে ডাঙৰ ৰাস্তা এটা আমি এবাৰতে বনাব পাৰো। যাতে এটা হাইৱে ধৰণৰ পৰ্য্যায় পাব পাৰে। কাৰণ সোণাৰীত মেডিকেল কলেজ হ'ল- ধুনীয়া এটা ৰাস্তা নিৰ্মাণ হৈ যাব। ঠিক সেইধৰণে পেঙেৰীলৈকে আমি এটা ৰাস্তা নিৰ্মাণ কৰিব খুজিছো, অৰুণাচল সিমান্তৰ লগত আমাৰ তিনিচুকীয়া - ডিগবৈৰ লিংকটো আৰু বেছি বেটাৰ হ'ব পাৰে। আজি আপোনালোকে চাওঁক - এটা সময় আছিল মানুহে কৈছিল যে এই বিলাক সপোন। কিন্তু আজি আপোনালোকে চাই আহিব পাৰিব। এটা সময়ত ব্ৰহ্মপুত্ৰৰ ওপৰত ব্ৰীজ হোৱা মানে এটা ডাঙৰ ঘটনা বা সপোন পূৰণ। আজি সেই ঘটনাবিলাক আমি এটা সাধাৰণ ঘটনালৈ কনভাৰ্ট কৰি দিছো। গুৱাহাটীৰ ফেন্সীবজাৰৰ পৰা উত্তৰ গুৱাহাটীলৈকে ব্ৰীজ হ'বলৈ গৈ আছে। বগীবিল দলং ১৮ বছৰ লাগিলে, ধলা -শদিয়াত কিছু সময় লাগিল, ৩ বছৰত বনাই মেলি আমি ফেন্সী বজাৰ - উত্তৰ গুৱাহাটী ব্ৰীজ উদ্বোধন কৰিম। এইটো ষ্টেট পি ডব্লিউ ডিয়ে বনাইছেব্ৰহ্মপুত্ৰত, দুই পাৰ্চেন্ট লৈ থকা মানুহবিলাকে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** বনাইছে কিন্তু। (সদনত বিৰোধীৰ হাঁহিৰ ৰোল )

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আপোনাৰ বাদে সবেই মহত্মা গান্ধী। আপুনিয়ে পৃথিৱীত আটাইতকৈ ভাল মানুহ। আপুনি অসমৰ ভাল কথা শুনি ভাল নাপায়, ডাইভৰ্ট কৰি দিব খোজে। আপুনি পশ্চিমবঙ্গৰ ভাল কথা শুনি ভাল পাব। মই পশ্চিমবঙ্গৰ কথাও ক'ম বাৰু । অসমৰ ভাল কথা শুনিলে আপোনাৰ গাঁত লাগি যায় কাৰণ ডেভল'পমেন্ট হ'লেতো মানুহ ৰাস্তাত নাহিব। (শাসকীয় দলৰ সমৰ্থন আৰু হাঁহিৰ ৰোল )

এতিয়া মই সন্মানীয় বিধায়কসকলক এটা অনুৰোধ কৰিম, যে আমি ৫ বছৰৰ কাৰণে আহিছো। হাতত সময় আছে গতিকে এই ধৰণৰ নতুন কল্পনাবিলাক আপোনালোকে সমাহিত কৰি আমাক প্ৰস্তাৱবিলাক দিয়ক । সকলোখিনি হ'ব যে সেইটো কথা নহয়। কিন্তু অসম মালাৰ এই প্ৰস্তাৱবিলাকৰ জৰিয়তে ৪-৫ টা সমষ্টিক যদি আমি সংযোগ কৰি আগুৱাই যাব পাৰো , আমি বহুতখিনি আগবাঢ়িব পাৰিম। ক্ৰিটিকেল দলং আছে। কিন্তু এই দলংবিলাকৰ ক্ষেত্ৰতো আমি বিভিন্ন শিতানত সুমুৱাই থ'ব পাৰিম। আজি সন্মানীয়া নন্দিতা ডাঙৰীয়ানীয়ে দলঙৰ কথা কৈছে, ৰাজেদ আলি ডাঙৰীয়াইও তেনেকুৱা দলঙ এখনৰ কথা কৈছে, মই ক'লো দাদা এইটো যদি সাংঘাতিক ক্ৰিটিকেল, সকলো বাদ দিয়ক আপুনি এইবাৰ দলঙখন দিয়ক। তেখেতে সকলো বাদ দি দলঙৰ প্ৰপোজেল দিলে আজি ভগবানৰ আৰ্শীবাদত, আল্লাৰ দোৱাত দলঙখন হৈ আছে। গতিকে কেতিয়াবা আমি নিজক অকণমান বুজনি দিব লাগিব যে " মোক বেলেগ আঁচনি নালাগে এইবাৰ মোক দলঙখনে দিয়ক।" কাৰণ মই সকলোকে চাব লাগে। এইবাৰ আমি আৰ আই ডি এফৰ টকা নতুন বিধায়কসকলক

দিছো। মানুহে ভাবিব পাৰে যে জালুকবাৰী মোৰ সমষ্টিত লৈছো নেকি, মই লোৱা নাই। কাৰণ মই জানো , মই যদি এই কামটো কৰো তেনেহ'লে বেলেগক নেতৃত্ব দিব নোৱাৰো। গতিকে জালুকবাৰীতো লোৱা নাই, নালাগে- হ'ব, অহা বছৰ। এইবাৰ আমি নতুন বিধায়কসকলক দিছো। মই ভাবো আমি হয়তো অপেক্ষা কৰিব নালাগে হয়তো ২-৩ মাহ পিচত আন ধৰণে টকা যোগাৰ হ'ব , সকলোকে দিব পৰা পৰ্য্যায় এটালৈ আমি আহি যাম। এই কাৰণে কৈছো যে এই বছৰ আমি মাইক্ৰ ফাইনেন্সত বহুত টকা দিবলগীয়া হোৱা বাবে অলপ প্ৰেচাৰত থাকিম। কিন্তু অহা বছৰ আমাৰ এই প্ৰেচাৰটো নাথাকে। অধ্যক্ষ মহোদয়, দ্বিতীয়তে, প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাতো অসমে ফেচ- ৩ আমি পাবলৈ সক্ষম হ'লো। ওৱানত বজি আছিলো , আমাৰ যোৱা কাৰ্য্যকালত ওৱান শেষ কৰি টু শেষ কৰি আমি থ্ৰি লৈকে আহিলো । এই থ্ৰিৰ চেকেণ্ড ফেজত আমি আৰু ১৮০০ কি.মি ৰাস্তা পাম। পেজ- ফোৰ এটা আহিব। তাতো আমি ৰাস্তা হ'ব। আৰু তাৰ লগত প্ৰতিজন সন্মানীয় বিধায়কে নিজৰ সমষ্টিত কাম কৰিবৰ কাৰণে অহা ৫ বছৰত মিনিমাম ১৫০-২০০ কোটি টকাতো পাব। গতিকে এই ৰাস্তাৰ প্লেনিংখিনি যদি আজি আপোনালোকে কৰি লয়, এচ ও পি ডি থাকিলে আৰ আই ডি এফ থাকিলে , পি এম জি এচ ৱাই থাকিলে , হাইৱে ডেভল'পমেন্ট প্ৰগ্ৰেম থাকিলে আৰু তাৰ লগত আমি অসম মালাৰ কামবিলাকো কৰিব পাৰিম। মানসিকতাৰ লগত আমাৰ কিছু সমস্যা আছে। আজি ইষ্ট-ৱেষ্ট কৰিড'ৰৰ কথা কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই উল্লেখ কৰিছে। সমস্যাটো কি যে ইষ্ট-ৱেষ্ট কৰিড'ৰত যেতিয়া ৰাস্তা বনায় ৰোডটো খহি যায়। ইৰোজন হয় , খহি যায় আৰু ব্যাপক হয় গতিকে তাত টেকন'ল'জি লাগে। তাত এলিভেটেড কৰিড'ৰ বনাব লাগিব। ইমান দিনে নেশ্যনেল হাইৱে অথ'ৰিটিয়ে আমাক কৈ আছিল যে ৰহাত যেতিয়ালৈকে টোল গেটখন এক্টিভেট নকৰো, তেতিয়ালৈকে আমি ফাৰদাৰ ফাণ্ড নিদিও। তেওঁলোকৰ কথাটো হ'ল যদি গুজৰাট- পশ্চিমবঙ্গৰ মানুহে টোলগেটত টকা দিয়ে- আই এম স্পিকিং ফৰ্ম ৰেকৰ্ড। তেনেকুৱা নহয় যে মই ৰেকৰ্ডৰ বাহিৰত কথা কৈছো।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়া, অলপ ৰওঁক- এতিয়া যিহেতু ২ বাজিছে- মই সকলো পৰিপূৰক দাবী মঞ্জুৰী গিলোটিনত দিলো। --- এতিয়া আপুনি উত্তৰ আগবঢ়াওক।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** তাৰ পিছত যেতিয়া যোৱা বছৰ আমি এটা ষ্টেণ্ড ল'লো যে নহয় আমি টোলগেখিনি কৰিম যাতে আমি হাইৱেৰ পুঁজি পাওঁ। যোৱাকালি আমাক নীতিন গাড়কাৰী ডাঙৰীয়াই আমাক জনালে যে আমি ১৮০০ কোটি টকা দি দিছো এতিয়া য'ত য'ত ভূমিস্খলন হয়, তাত এলিভেটেড কৰিড'ৰ থাকিব আৰু এলিভেটেড কৰিড'ৰ দি আমি পাৰ হৈ যাম। এতিয়া আমাৰ ইষ্ট-ৱেষ্ট কৰিড'ৰ টো সম্পূৰ্ণ হৈ যাব Next 2 to 3 years হয়তো আগত হ'ব। এতিয়া আপোনালোকে হিচাপ কৰক বৰাকভেলীৰ মানুহ এজন মেঘালয় দি আহি থাকোতে আমাৰ যিমান টকা লাগিছিল এতিয়া আমি লামডি ঙেদি শিলচৰ গৈ পাওঁতে তেল আধা হৈ গ'ল। Including টোলগেটত দিয়া পইচাখিনি যোগ কৰি দিয়ক তথাপিতো আধা হৈ গ'ল। গতিকে কমিউনিকেশ্যন হ'ব লাগিলে লাগিব চৰকাৰৰ। লগে লগে ভাৰত চৰকাৰৰ পৰিযোজনা সমূহৰ লগত আমি একেলগে খোজ কাঢ়িব লাগিব। চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া পৰিবহণ মন্ত্ৰী আছিল, নীতিন গাডকাৰী ডাঙৰীয়াই তেখেতক কিমান ক'লে যে মোক খালি টোলগেট কেইখন খুলি দে নহ'লে মই বাকী ষ্টেট বিলাকৰ পৰা প্ৰেচাৰত আছো। আপোনাৰ বাকী ৰাস্তা যি লাগে লওঁক। টোলগেটত তেওঁলোকে হাৰ্ডলি দুই কোটি টকাও নাপায়। কিন্তু আমাক দি আছে ১৮০০ কোটি টকা। অসমত বেছি টকা আহি আছে তাৰ জি এচ টি আমি পাম ৮ শতাংশ। অসমৰ ৰাজভঁড়ালত বেছি টকা জমা হৈ আছে।

কিন্তু এজন ব্যক্তিৰ দম্ভালি অহমিকাৰ কাৰণে বৰাকভেলীৰ মানুহ আজি তিনি বছৰ ধৰি ডিপ্ৰাইভ হৈ আছিল আপোনালোকে চিন্তা কৰক। মই কাৰো নাম কোৱা নাই। বাৰে বাৰে কৈ থাকিব নালাগে। এজন ব্যক্তিৰ দম্ভালি আৰু অহমিকাৰ কাৰণে সমগ্ৰ বৰাকভেলীৰ মানুহে আজি last 3 years suffer কৰি আছে। তাত আমাৰ যোগাযোগৰ ব্যৱস্থা আছে, লিখা-পঢ়া আছে। আজি এইধৰণে আমাৰ ৰাজ্যখনৰ জনসাধাৰণক উন্নয়নৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰাই নি মানুহৰ মাজত frustration সৃষ্টি কৰি নৈৰাজ্যৰ সৃষ্টি কৰা ইয়াত এটা ষড়যন্ত্ৰ অহৰহ চলি থাকে। আজি বৰাকভেলীত সাধাৰণ মানুহে কাক গালি দিবহি যে মোদীয়ে ৰাস্তা বনোৱা নাই, হিমন্ত বিশ্ব শৰ্মাই বনোৱা নাই। ষ্টেটে বনোৱা নাই। তাৰ মানে ষ্টেটে কাম-কাজবিলাকক Derail কৰি মানুহৰ মাজত frustration সৃষ্টি কৰি ষ্টেটৰ ওপৰত নৈৰাজ্য চিন্তা কৰা এটা চক্ৰই অহৰহ কাম কৰি থাকে। কিন্তু বিধান সভাত আজি মই এটা এটাকৈ চাইছো। মোক অলপ আগতে অখিল গগৈ ডাঙৰীয়াই কৈছে যে আপুনি শুনা নাই নেকি? মই গোটেই স্পীচবিলাক শুনিছো। এজন এজন বিধায়ক আপোনলোকে চাওঁক। কোনোবাই কৈছে যে four lane টো বাইহাটাৰ পৰা তেজপুৰ আৰু কোনোবাই কৈছে যে আমাৰ ইয়াতে Quality control লাগে। এজনে কৈছে যে মৰিগাওঁৰ পৰা দৰঙলৈ ৰাস্তা নিৰ্মাণ কৰিব লাগে। এজনে কৈছে যে মোৰ মথাউৰি নাই, তাৰ পৰিৱৰ্তে মোক ৰাস্তা দিয়ক। দূৰ্গা দাস বড়ো ডাঙৰীয়াই কৈছে। এজনে কৈছে কোকৰাঝাৰৰ পৰা ৰূপসী লৈকে ৰাস্তাটো বনাব লাগে। নিবিদা কৰিছো আমিনুল ইছলাম ডাঙৰীয়াই কৈছে ৰাস্তাটো ধুবুৰীলৈকে আগুৱাই দিয়ক। আপোনালোকে কোৱা বক্তব্যবোৰেই চিন্তা হয়। গতিকে আপোনালোকক কোৱা গোটেই কথা কৰ্তন প্ৰস্তাৱৰ জৰিয়তে ক'লে with good spirit আৰু spirit of Accomodation. আমি চৰকাৰে তাক গ্ৰহণ কৰিছো। গোটেইকেইটা মই কৰিব পাৰিম নে নাজানো। কিন্তু প্ৰচেষ্টা থাকিব যে আমি যাতে গোটেইকেইটা কৰিব পাৰো। আজি মালিগাঁৱত অভাৰ ব্ৰীজ বনোৱা হৈছে। আপোনালোকে চিন্তা কৰক চুপাৰ মাৰ্কেটত আৰু ভঙাগড়ৰ ওপৰত আমি ব্ৰীজ বনাইছিলো। উলুবাৰীৰ ওপৰতো ব্ৰীজ বনাইছিলো। এই ব্ৰীজ বনাওঁতে সাত-আঠ বছৰ লাগিছিল। এইটো কোনো চৰকাৰৰ কথা নহয়, এইটো ঠিকাদাৰ, অভিযন্তা, হিমন্ত বিশ্ব শৰ্মা হৈছে বুলি সেইটো নহয়। এইটো Technology. আজি দিছপুৰৰ ওপৰত আমি ফ্লাই অভাৰ before time আমি শেষ কৰিছো। চুপাৰ মাৰ্কেটৰ ওপৰত ফ্লাই অভাৰ এতিয়া আমি before time শেষ কৰিম। পূজালৈকে আমি খুলি দিম। আজি গুৱাহাটীত এলিভেটৰ লগোৱা foot over bridge হৈছে। এতিয়াৰ গুৱাহাটীৰ যিটো নতুন পৰিৱেশ হৈছে এই পৰিৱেশ বিলাক আমাক লাগে। মই সদনৰ প্ৰত্যেক গৰাকী সদস্যক প্ৰতিশ্ৰুতি দিছো যে আপোনালোকে আপোনালোকৰ কাৰ্য্যকালত 100 to 300 crore আপোনালোকে পাব only from SOPD or RIDF যিটো আপোনালোকে পচন্দ কৰা মতে হৈ যাব। গতিকে আপোনালোকে এটা প্লেনিং কৰি লওঁক যে মোক এইবছৰ এনেকুৱা ৰাস্তা লাগিব। আমাৰ হাতত ৫বছৰ আছে। সেইকাৰণে মই সদস্যসকলক কৈছো যে Let us not be impatient ৫ বছৰ হৈছে, ২-৩ মাহ হৈছে। এই ২ মাহতে চৰকাৰখনে যি স্পীডত গৈ আছে আপোনালোকে দেখিছে। আমি ভাল পুঁজি পাম। RIDF আৰু SOPD মিলি 100 to 300 crores definitely আমি পাম। কোনোবাই 100 পাব কোনোবাই 300 পাব। আটাইতকৈ কম মই পাম। মোৰ তাত ৰাস্তা নাই। গতিকে কথাটো কৈছো। তেনেকুৱাধৰণৰ কথা। এইটো লৈ বেয়া পোৱাৰ কথা নাই। এইটো হ'ল যে variation ক লৈ সমস্যাক লৈ আপোনালোকে এইখিনি পাব। এখন planning বনাই লওঁক। No.1 অসম মালাৰ কাৰণে আমাক Short

Cut আপোনালোকে ৰাস্তাখিনি চিন্তা কৰি Suggestion কৰক। যিখিনি আমি ডাঙৰ পুঁজি কাৰোবাৰ লগত আমি লিংক আপ কৰিম। তাত মোৰ আৰু এটা নিবেদন হ'ব যে যিবিলাক গুৰুত্বপূৰ্ণ ৰাস্তা আমাৰ 3.7 হৈ আছে, সেইখিনিক আমি 5.5 কৰিব লাগিব। সেইখিনিয়ে আমাৰ সমষ্টিবিলাকত Advantage দিব। আজি আমাৰ শুৱালকুছিত যিটো ৰাস্তা আছিল তাক আমি বহল কৰিলো। ভাল লাগে। আজি নলবাৰী, বিজুলীঘাটৰ ৰাস্তাটো বহল হৈ গ'ল। মানুহৰ মনত লাগে যে ডেভলপমেণ্ট আহিছে। এই যে টকাখিনি পাব বা আহিব নতুন ৰাস্তাৰ লগতে পুৰণা ৰাস্তাবিলাকো 3.7 ৰ জেগাত আমি যদি 5.5 কৰিব পাৰো তেতিয়াহ'লে আমাৰ অকণমান কাম-কাজবিলাকে অলপ মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব। দলঙৰ ক্ষেত্ৰতো আমি 1000 ব্ৰীজ কৰিম বুলি কৈছিলো 700 কৰিছো 300 বাকী আছে। সেই 300 ৰো আমি মুকলি কৰি দিম। কিন্তু এটা পুঁজিৰ ভিতৰত কৰবাত হয়তো কোনোবা সমষ্টিত দলংখন খুব important হ'লে, ৰাস্তাটো sacrifice কৰিব লাগিব। দুয়োটা একেলগে হয়তো সম্ভৱ নহ'ব। কাৰণ আমি balance এটা maintain কৰিব লাগে । এই গোটেইখিনি কামত আমি আপোনালোকৰ লগত আছো। লগত National Highway improvement ৰ কাৰণেও আমি চেণ্ট্ৰেলৰ টকাৰ লগতে ষ্টেটৰ পৰাও আজি আমি টকা-পইচা খৰচ কৰিছো যাতে আমাৰ National Highway বিলাক ভাল হৈ থাকে। তেজপুৰৰ মিছন চাৰি আলিৰ ওপৰত আজি আমি এখন অভাৰ ব্ৰীজৰ প্ৰজেক্ট লৈছো। Highway হয়, কিন্তু অভাৰ ব্ৰীজখন ষ্টেটে নিজৰ টকা খৰচ কৰিব। বাইহাটা চাৰি আলিত এতিয়া এখন অভাৰ ব্ৰীজ হ'ব। বশিষ্ঠত, আমাৰ য'ত জাম হৈ থাকে তাৰ ওপৰত অভাৰ ব্ৰীজখনৰ কাম এই বছৰতে আৰম্ভ হ'ব। বৰাক উপত্যকাত পাঁচখন দলঙৰ কথা কোৱা হৈছে। বৰাক নদীৰ ওপৰত এখন দলং ইতিমধ্যে উদ্বোধন হৈছে। বৰখলা সমষ্টিত কিশোৰ সেঁতু চলি আছে। ৭০ নে ৮০ কোটি টকাৰ কাম চলি আছে আৰু যদি কিবা বৰাক উপত্যকাৰ ওপৰত এনেকুৱা ক্ৰিটিকেল বৰাক নদীৰ ওপৰত দলং কৰিব লাগে, ৫-৬ খন তো এটা পলিটিকেল ষ্টেটমেণ্ট যে আমি ৫ খন কৰিম। কিন্তু যদি মানুহৰ কাৰণে ৭ খনও দৰকাৰ হয়, আমি ৭ খনও কৰিব লাগিব। মই যেতিয়া কৈছো 1000 খন দলং কৰিম। It can be 11 hundred also, 900 also. আজি আপোনালোকে চিন্তা কৰক। যোৱাকালি মই সাংসদ ৰাণী নৰহক লগ পাইছিলো। মোক কৈছে যে ঘূণা সুঁতিত দলংখন হ'লে বহুত ডাঙৰ কাম হ'ব। প্ৰদান বৰুৱাই ক'লে ভৰত নৰহৰ ঘৰেই এতিয়া সোনকালে লগে লগে পাই যাব। মই কিন্তু দেখা নাই। আজি আপোনালোকে চিন্তা কৰক য'ত টাবু টাইডৰ জন্ম হৈছিল। মিছিং সমাজৰ আটাইতকৈ পিছ পৰা গাওঁ কিন্তু আটাইতকৈ শিক্ষিত ব্যক্তি তাৰ পৰা আহিছে। ঘূণা সুঁতিৰ ওপৰৰ দলংখন এনেকুৱা যে যাৰ নিৰ্মাণৰ পৰিকল্পনাই জোনাইত থকা মিছিং মানুহ এজনকো প্ৰেৰণা দিয়ে যে নহয় আমাৰ জাগাত হৈ আছে। আজি সেই কামবিলাক আজি আমি হাতত লৈছো। পাগলাদিয়া নদীৰ ওপৰত দলং সাজি একেবাৰে বৰমা আৰু তামুলপুৰক এতিয়া সংযোগ কৰিব।

এই গোটেই কথাবোৰ আমি চিন্তা কৰিছো, কৰি থাকিম। এই ক্ষেত্ৰত, আপোনালোকে সহযোগীতা কৰিব, ৰাজনীতি ৰাজনীতিৰ ভাগে থাকিব। কিন্তু, বিকাশৰ কামখিনি যদি আমি মিলি-জুলি কৰিব পাৰো তেন্তে আমি বহু দূৰ আগুৱাই যাব পাৰিম । দলং-ৰাস্তাৰ ক্ষেত্ৰত মোৰ বহুত বেছি political consideration একো নাই। আপোনালোকে দিব। কিয়নো, ৰাস্তাৰে আমি সকলোৰে খোজ কাঢ়ো । এ.আই. ইউ ডি. এফ.ৰ সমষ্টিৰ ৰাস্তাৰে কংগ্ৰেছ বা কংগ্ৰেছৰ সমষ্টিত আমি খোজ নাকাঢ়ো নেকি? গতিকে, এইটোক লৈ কোনো কথা নাই। আমি সকলোৰে কাম কৰিম। কেৱল

এটাই কথা যে উন্নয়ন হ'বলৈ আপোনালোকে সময় দিব লাগিব অহাকালিয়েই নহয়, অন্ততঃ পাঁচ বছৰৰ এটা পৰিকল্পনা কৰক আৰু পাঁচ বছৰত আমি আগুৱাই গৈ থাকিম। আৰু দুই মিনিট সময় লৈ মই সামৰিছো । কেইদিনমান আগতে, মই ৰাজনাথ সিং ডাঙৰীয়াৰ লগত অৰুণাচলত গৈছিলো। সীমান্তলৈ আহিবলৈ চীনৰ হাতত পাঁচটা ৰাস্তা আছে, কিন্তু আমাৰ হাতত বমডিলাৰে মাত্ৰ এটা ৰাস্তা আছে । আজি তেওঁলোকে আৰু এটা ৰাস্তাৰ পৰিকল্পনা কৰিছে। আমাৰ Armyয়েও মিচাৰ পৰা তেজপুৰ ওলাব পৰাকৈ সুৰংগ নিৰ্মাণৰ পৰিকল্পনা কৰি আছে। এই কথাটো শুনি বহুতে হয়তো হাঁহিব পাৰে, কিন্তু এয়া মই মোৰ আলোচনাৰ আধাৰত কৈছো। কোনো ধৰণৰ aggression ৰ সময়ত কলীয়াভোমোৰা দলংখন ওপৰেৰে বোমা দি ওফৰাই দিলেও যাতে আমাৰ যাতায়ত ব্যাঘাত নহয়, তাৰ কাৰণে Army য়ে এই পৰিকল্পনাটো কৰিছে । ৪-৫ হাজাৰ কোটি টকাৰ কথা। জম্মুত যেতিয়া Atal Tunnel হৈ গ'ল, গতিকে এনেধৰণৰ Tunnel বনোৱাটো আমাৰ বাবে আচৰিত কথা নহয় । একেটা project, B.R.O. য়েও বনাইছে । আমাৰ Chief of Defence Staff -General Bipin Rawat এ মোক কৈছে -এই project টো আমি আগবঢ়াইছো, আপুনিও ৰক্ষা মন্ত্ৰীক ক'ব আৰু ময়ো ক'ম। ঠিক আছে, আজি এই কামৰ বাবে পৰিকল্পনা কৰা হৈছে, কামটো অহাকালিয়েই হয়তো নহ'বও পাৰে । কিন্তু, এবাৰ যিহেতু সেনা বাহিনীৰ priority সোমাই গ'ল, গতিকে, আজি নহ'লেও কাইলৈ হ'লেও কামটো হ'ব । ব্ৰহ্মপুত্ৰৰ ওপৰত যদি এটা Tunnel ৰ engineering পাই যাওঁ, তেতিয়া আমি এটা নহয়, দুটা Tunnel বনাব পাৰিম । কাৰণ এবাৰ কামটো কৰাৰ পিছত দ্বিতীয়বাৰ কৰিবলৈ সহজ হৈ পৰে । অধ্যক্ষ মহোদয়, কাজিৰঙাৰ ওপৰত Elevated Corridor, পলাশবাৰী-শুৱালকুছিত দলং আৰু সুৰংগযোগে মিচাৰে তেজপুৰ ওলোৱা- এই তিনিটা project আমাৰ হাতত আছে। Elevated Corridor বনাই লামডিঙৰ পৰা বৰাক উপত্যকালৈ যোৱা ইত্যাদি কেইবাটাও ডাঙৰ প্ৰকল্পৰ কাম আমি আগুৱাই নিছো । মই ভাবো, ইয়াৰ ভিতৰত দুই- এটা প্ৰকল্পৰ কাম নিশ্চয় সফল হ'ব। গতিকে, সদনত এটাই প্ৰতিশ্ৰুতি দিছো যে আমি বিকাশৰ এটা ডাঙৰ মন লৈ চৰকাৰত আহিছো আৰু আপোনালোক সকলোৰে সহযোগিতাত আমি আচঁনিবোৰ ৰূপায়ণ কৰিম, লগতে অসমখনক আগুৱাই লৈ যাম । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰিপূৰক দাবী মঞ্জুৰী নং ২২, ২৫, ২৬, ২৭, ৩১, ৩৭, ৩৮, ৩৯, ৪৩, ৬৪, ৬৯, ৭১, ৭৭ আৰু ৭৮ সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যি সকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, পৰিপূৰক দাবী মঞ্জুৰী নং-২২, ২৫, ২৬, ২৭, ৩১, ৩৭, ৩৮, ৩৯, ৪৩, ৬৪, ৬৯, ৭১, ৭৭ আৰু ৭৮ সদনত গৃহীত হ'ল।

এতিয়া lunch আছে। গতিকে, সদন ৩ বজালৈ স্থগিত ৰখা হ'ল।

(পূৰ্ব নিৰ্দ্ধাৰিত সময় অনুসৰি সদন ৩ বজাত পুনৰ আৰম্ভ হয়)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক প্ৰস্তাৱ কৰাৰ বাবে অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন(নং-**২**)বিধেয়ক,

**২০২১** খন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

**শ্ৰী আমিনুল ইছলাম (বিধায়ক) ঃ** অধ্যক্ষ মহোদয়, এইটোত এটা কথা জানিব বিচাৰিছো। ইয়াত যিটো amount দিয়া হৈছে যে **৪** হাজাৰ **৭২৫** কোটি **৯৯** লাখ **৪১** হাজাৰ টকা। কিন্তু আমাৰ যিটো বাজেট already পাচ হ'ল আৰু তাতে যিটো বাজেটৰ estimate ত যিটো amount দিয়া হৈছিল আৰু ইয়াৰ কাৰণে আমাৰ যিটো revenue ৰ expenditure হব আৰু তাত যিটো skill deficit দিয়া হৈছিল তাৰ লগত এই deficit টো add হব নেকি ? সেই বিষয়টো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ আমাৰ বাজেটৰ যিটো orgin estimation আছিল সেইটো হৈছে ১ লাখ ৭৫৬. ২৯ কোটি টকা। এতিয়া আমি SD আনিছো ৪হাজাৰ ৭২৫.৯৯ কোটি টকা। এতিয়া SD পাছত আমাৰ মুঠ টকাৰ পৰিমান হ'ল ১ লাখ ১২,২৮২.২৮ কোটি টকা। এতিয়া আমাৰ voted expenditure ৰ SD ত হ'ল ৪৭২৫.৯৯ কোটি টকা। এতিয়া আমাৰ total charged expenditure নাই। গতিকে এতিয়া আমি SD ত receipt budget দেখুৱা নাই।

**শ্ৰী আমিনুল ইছলাম (বিধায়ক) ঃ** তাৰ মানে আগতে যিটো deficit আছিল, সেই গোটেই খিনি deficit তেই add হব। আমাৰ যিটো revenue collection আৰু capital সেইটোও বাজেটত আহি গ'ল আৰু এইখিনিও আগৰ deficit তে plus হ'বনে, এই কথাটো মই জানিব বিচাৰিছো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা SD বিলাক আমি বিভিন্ন ধৰণৰ পৰিস্থিতত আনিব লগীয়া হয় আৰু এতিয়া আমি SD টো বিভিন্ন আঁচনিৰ ক্ষেত্ৰত আনিব লগীয়া হ'ল যেনে AMRUT scheme ইত্যাদি। ফলত ইয়াৰ state share টো আহি গ'ল। আপুনি জানিব বিচাৰিছে যে আমি গোটেই টকা খিনি কেনেদৰে adjust কৰিম। পিছত যেতিয়া SD টো আহিব পাৰে, তেতিয়া আমি reappropriation ও কৰিব পাৰো grant বিলাকত আৰু সেইদৰে আমি reorganised কৰি লওঁ।

**মাননীয় অধ্যক্ষ ঃ** অনুমতি দিয়া হ'ল। এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়ক খন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ১০ আগষ্ট তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো হ'ল ঃ "Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.II) Bill, 2021 in the Assam Legislative Assembly."

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন (নং-**২**)বিধেয়ক, **২০২১**' খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিব (অসম বিধান সভা)ঃ** The Assam Appropriation (No. II) Bill, 2021.

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ

অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ১০ আগষ্ট তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো হ'লঃ "Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the Assam Appropriation (No.II) Bill, 2021 be taken into consideration by the Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন(নং-২)বিধেয়ক, ২০২১' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- 'অসম বিনিয়োজন (নং২) বিধেয়ক, ২০২১' বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা, প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক,'হয়.'। যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়। মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা, দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক,'হয়। যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়। মই ভবো হয় ৰ সপক্ষে, হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হব। যিসকল মাননীয় সদস্য-সদস্যা, সপক্ষে আছে তেখেতসকলে কওঁক,'হয়'। যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়। মই ভবো হয় ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।**

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন নাম্বাৰ ২ বিধেয়ক, ২০২১' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।**

**মাননীয় অধ্যক্ষ ঃ- মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল অসম বিনিয়োজন নাম্বাৰ ২ বিধেয়ক ২০২১, পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো 'হয়' ৰ সাপেক্ষে, 'হয়' ৰ সাপেক্ষে, 'হয়' ৰ সাপেক্ষে প্ৰস্তাবটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া আছে** The Assam Municipal (Second Amendment) Bill, 2021. **মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক** 'The Assam Municipal (Second Amendment) Bill, 2021' **উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।**

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়,** 'The Assam Municipal (Second Amendment) Bill, 2021' **বিধেয়কখন উপস্থাপন কৰিবলৈ মই সদনৰ অনুমতি বিচাৰিছো।**

**মাননীয় অধ্যক্ষ ঃ-** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় নগৰ উন্নয়ন মন্ত্ৰী বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Second Amendment) Bill, 2021' বিধেয়কখন মই সদনত উপস্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ-**অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিব (অসম বিধান সভা) ঃ-** The Assam Municipal (Second Amendment) Bill, 2021.

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া আছে 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021'। মাননীয় মুখ্যমন্ত্ৰী 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো। মুখ্যমন্ত্ৰীৰ হৈ কোনে কৰিব? কাকো দিয়া নাই সেয়েহে অলপ পিছত কৰিম। এতিয়া 'The Assam Municipal (Amendment) Bill, 2021' । মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক 'The Assam Municipal (Amendment) Bill, 2021' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো। মাননীয় নগৰ উন্নয়ন মন্ত্ৰী।

**শ্ৰী অশোক কুমাৰ সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2021' বিধেয়কখন মই বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ-**এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল- The Assam Municipal (Amendment) Bill, 2021. বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো 'হয়' ৰ সাপেক্ষে, 'হয়' ৰ সাপেক্ষে, 'হয়' ৰ সাপেক্ষে প্ৰস্তাবটো গৃহীত হ'ল। বিধেয়কখনৰ ২নং দফাত মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থৰ নামত ২টা, শ্ৰী হাফিছ বছিৰ আহমেদ, শ্ৰী চিৰাজ উদ্দিন আজমল, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী ফণীধৰ তালুকদাৰ, শ্ৰী আশ্ৰাফুল হুছেইনৰ নামত এটা, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰীমতী নন্দিতা দাস, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ, শ্ৰীমতী শিৱামনি বৰা, শ্ৰী ওয়াজেদ আলি চৌধুৰী, শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, শ্ৰী শশীকান্ত দাস, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী মিসবাহুল ইছলাম লস্কৰ, আৰু শ্ৰী খলিল উদ্দিন মজুমদাৰৰ নামত এটা, মুঠ চাৰিটা সংশোধনী আছে। এতিয়া আমাৰ মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী হাফিছ বছিৰ আহমেদ আৰু সহযোগী সদস্য চাৰিজন আৰু শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু সহযোগী সদস্য ১২ জন। তেখেত সকলৰ সংশোধনী প্ৰস্তাৱ চাৰিটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, I beg to move the clause 2 of the proposed Bill, the words 'twenty four' appearing in the line 4 & 5 shall be substituted by the word 'eigh-

teen’.

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ-** Hon’ble Speaker Sir, I beg to move the clause 2 of the proposed Bill, the words ‘twenty four’ appearing in the line 4 & 5 shall be substituted by the word ‘eighteen’. এতিয়া বক্তব্যটো ৰাখিব পাৰো নেকি ?

**माननीय অধ্যক্ষ ঃ-** এতিয়া কংগ্ৰেছৰ পৰা আগতে ৰাখক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা)ঃ-** Hon’ble Speaker Sir, I beg to move the clause 2 of the proposed Bill, the words ‘twenty four’ appearing in the line 4 & 5 shall be substituted by the word ‘twenty two’.

**মাননীয় অধ্যক্ষ ঃ-** কিবা ক’বলৈ আছেনে ? বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ দে’ পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে, ১২ মাহৰ পৰা একেলগে ২৪ মাহ বিচাৰিছে, আমি ১৮ মাহ কৈছো অধ্যক্ষ মহোদয়। কথাটো হৈছে এনেকুৰা যোৱা বাৰ আমাৰ এচেম্বলিত ইলেকশ্যন হ’ল। বেলেগ বেলেগ বহুতখিনি অনুস্থান হ’ল, এতিয়া কথাটো হ’ল আমি গনতন্ত্ৰটো জীয়াই ৰাখিব বিচাৰিছো। গনতন্ত্ৰটো যাতে অক্ষুন্ন থাকে তাৰ কাৰণে ইলেকশ্যন পাতিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া যদি ২৪ মাহৰ কাৰণে এইটো বঢ়াই লোৱা হয়, তেনেহলে মই ভাৱো মানুহৰ যিটো গনতান্ত্ৰিক অধিকাৰ আছে, সেইখিনি খৰ্ব কৰা হ’ব। প্ৰধান কথাটো হ’ল কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা বহুখিনি টকা আহে। আমি যেতিয়া ইলেকশ্যন পাতো, আজি মিউনিচিপালিটিৰ , আজি পঞ্চায়তৰ ইলেকশ্যন যেতিয়া পাতো, তেতিয়া কেন্দ্ৰীয় চৰকাৰে বহুখিনি টকা দিয়ে। অধ্যক্ষ মহোদয় মোৰ কথাটো এনেকুৰা যে, এইযে ২৪ মাহটো বঢ়োৱা হৈছে, ইয়াৰ পৰা বহুখিনি অসুবিধা হ’ব। আজি মিউনিচিপালিটিৰ ,যিখিনি আছে, আজি কৰিমগঞ্জ মিউনিচিপালিটিয়ে নিজৰ ফাণ্ড নোহোৱাৰ কাৰণে দৰমহা দিব পৰা নাই। আজি devolution ফাণ্ডটো নাই, বিশেষকৈ প্ৰায় ১ কোটি ৫০ হাজাৰ টকা তাতে পৰি আছে। হৰিজন বিলাকক দৰমহা দিব পৰা নাই অধ্যক্ষ মহোদয়। কাৰণটো হৈছে, এই যে অফিচাৰবোৰ থাকে, তেওঁলোকৰ Accountability অকনমান কম থাকে। মই নকওঁ যে তেওঁলোকৰ Accountability নাই, কিন্তু কম আছে। আজি আমাৰ ৰাইজ জড়িত থাকিলে যেনেকৈ Accountability থাকে, আমাৰ যেনেকৈ দায়বদ্ধতা থাকে মই ভাৱো অফিচাৰবোৰ যেতিয়া থাকে, তেতিয়া দায়বদ্ধতা নাথাকে। সেয়েহে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম, যাতে আপোনালোকে একেলগে আৰু ১২ মাহ বঢ়াই ২৪ মাহ নকৰিব, আপুনি আৰু ৬ মাহ বঢ়াই দিয়ক, আৰু মই ভাৱো ইতিমধ্যে নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে, আপোনালোকে জানে যে আগষ্ট মাহৰ ভিতৰত সকলোকে ভেকচিন দিয়া মোটামুটি সম্পূৰ্ণ হৈ যাব। ভেকচিন দিয়া যেতিয়া মোটামুটি হৈ যাব খোলাকৈ চলিব পাৰিম। সেয়েহে মই ভাবো, ৬ মাহ যদি বঢ়াই দিয়া হয় যদি আমি আমাৰ ইলেকশ্যনটো পাতি আকৌ এটা সুন্দৰ আৰু সুস্থ পৰিৱেশ আমি সৃষ্টি কৰিব পাৰিম ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে যিটো আমি এমেণ্ডমেন্ট আনিছো, যিহেতু চৰকাৰে মিউনিচিপালিটি ব’ৰ্ডৰ ইলেকশ্যন যোৱা বছৰ পাতিব লাগিছিল কিন্তু ১২ মাহলৈকে extend কৰা হৈছিল। তাৰ পাছত ক’ভিড পেণ্ডেমিকৰ কাৰণে আৰু ৬ মাহ বঢ়াই ১৮ মাহ হৈ গৈছে, without election, executive officer য়ে চলাই আছে। এতিয়া এই ১৮ মাহ হোৱালৈকে আমি দেখিছো, ৩০ -০৯- ২০২১ লৈকে এইটো যিহেতু আগতে বঢ়াই দিয়া

**হৈছে, যে executive officer ৰে চলাই থাকিব মিউনিচিপালিটি বিলাক। এইখিনি লৈকে ১৮ মাহ হয়, election, ৰ সময় পাৰ হৈ ৩০-০৯-২০২১ লৈকে ১৮ মাহ হৈ আছে। এইখিনি আমি এপ্ৰোভেল দিবই লাগিব। ১৮ মাহৰ কমত আমি এমেণ্ডমেন্ট আনিব নোৱাৰো। যিহেতু already ১৮ মাহ without election municipality বোৰ গ'ল, ছেপ্তেম্বৰলৈকে ১৮ মাহ হৈয়ে আছে। এতিয়া আমি বিচাৰিছো আৰু যদি ২৪ মাহলৈকে extension দিওঁ, যে মিউনিচিপালিটি বোৰ্ড বিলাক without election ২৪ মাহলৈকে executive officer য়ে চলাই থাকিব। তেতিয়া কি হ'ব? এইটো প্ৰেচিদেন্ট হৈ যাব। আজি ক'ভিড পেণ্ডেমিক চিটুৰেশ্যন হৈ আছে। হয়তু অহা বছৰলৈ বা পৰৱৰ্তী সময়ত ক'ভিড পেণ্ডেমিক চিটুৰেশ্যন নাথাকিব। এতিয়া এই আইনখনত যদি আমি ২৪ মাহলৈকে বঢ়াই দিম, without election municipality বোৰ্ড বিলাক ২৪ মাহলৈকে তেওঁলোকে এনেকৈয়ে চলাই যাব পাৰিব।**

মাননীয় অধ্যক্ষ মহোদয়, আইনত যিহেতু আছে, সেইটো তেওঁলোকৰ কাৰণে authorized হৈ যাব। গতিকে আমি ভাবো যে, compulsion আছে। covid pandemic ৰ কাৰণে ৩১ তাৰিখলৈকে যিহেতু তেনেকুৱা আছে, গতিকে সেইটো ১৮ মাহলৈকে সীমিত কৰা হওঁক তাৰ পিছত নিৰ্বাচন পতা হওঁক যাতে তেওঁলোকক unlimited time দিয়াৰ সুযোগ দিয়া নহওঁক। সেই কাৰণে আমি এইটো সংশোধনী আনিছো। মই আন এটা কথা ক'ব বিচাৰিছো। আমাৰ দলৰ এইটো উমৈহতীয়া সিদ্ধান্ত, কংগ্ৰেছ দলৰ পৰাও ২২ মাহ/১৮ মাহ দুই ধৰণে কৈছে। এইটো তেখেত সকলে পইন্ট ত আহিলে ভাল হয়।

**শ্ৰী অশোক সিংহল (নগৰ উন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ২৪ মাহৰ কাৰণে সংশোধনীটো বিচাৰিছো। আগতে ১২ মাহ আছিল। কিন্তু ১২ মাহটো ৩১ মাৰ্চ, ২০২১ চনতে expired হৈ গ'ল। ২৪ মাহ এই কাৰণেই বিচৰা হ'ল যে, তাৰ ভিতৰতো আজি ৪ মাহ ১০/১১ দিন গ'ল। চেপ্তেম্বৰত ১৮ মাহ সম্পূৰ্ণ হ'ব। pandemic যিদৰে চলি আছে, আন্তঃজাতিক যাতায়ত যেতিয়া বন্ধ হৈ আছে, আমি আশা কৰিব নোৱাৰো যে খুব সোনকালে নিৰ্বাচন হ'ব। যেতিয়ালৈকে পৰিস্থিতি স্বাভাৱিক নহয় আৰু স্বাস্থ্য বিভাগে স্পষ্টীকৰণ নিদিয়ে। আমি নিৰ্বাচনটো পাতিব নোৱাৰো। সকলোৱে বিচাৰিছো যে, নিৰ্বাচনটো সময়মতে হ'ব লাগে। আগতেই কিন্তু ক'ভিডৰ বাবে নহ'ল, এই সংশোধনী যিটো ২৪ মাহ বিচৰা হৈছে। অধ্যক্ষ মহোদয়, তাৰ লগত এটা বাক্য আছে - in the bill immediately after the word for the period not excluding 24 months, the word only in case of exceptional circumstances such as covid-19 pandemic অকল ক'ভিড-১৯ ৰ দৰে দুৰ্যোগৰ সময়ৰ বাবেহে ২৪ মাহ কৰি লৈছো। এই নিৰ্বাচন হৈ যোৱাৰ পিছত এই সম্প্ৰসাৰণৰ সুবিধা নাথাকিব। মই ভাবো যে যিটো প্ৰস্তাৱ আমি দিছো ২৪ মাহ extend কৰিবৰ কাৰণে সেইটো ঠিকে আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি ইয়াতে এইটো সুবিধা লগাই দিয়া হয় যে এইটো only for covid-19 pndemic নহলে আগৰ নিচিনা ৬ মাহ।

**মাননীয় অধ্যক্ষ** ঃ সেইটো সংশোধনী এটা আহিছে, হৈ যাব।

**শ্ৰী কমলাক্ষ দে' পুৰুকায়স্থ (উত্তৰ কৰিমগঞ্জ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ২৪ মাহে যে বঢ়াইছে, ক'ভিড নকমিলে এই সময়টো বাঢ়ি যাব পাৰে। এইটো তেতিয়া আমি আকৌ বঢ়াম নেকি? সেই কাৰণে মই ভাবো ২৪ মাহৰ ভিতৰত যাতে আমি নিৰ্বাচনটো পাতিব পাৰো। তাৰ বাবে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। এই ২৪ মাহ সময়টো যাতে ফিক্স থাকে।

**माननीय অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে, এইটো উল্লেখ কৰিছে যে, এইটো ২৪ মাহতকৈ বেছি নহয়।

**শ্ৰী অশোক সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ২৪ মাহ বিচৰা হৈছে। ক'ভিড কাৰো হাতত নাই। চৰকাৰে সম্পূৰ্ণ প্ৰয়াস কৰিলে আৰু আমি মাননীয় স্বাস্থ্য মন্ত্ৰীক ধন্যবাদ দিব লাগে যে তেওঁ ইমান ধুনীয়া এটা পৰিৱেশ ৰচনা কৰিছে। এতিয়া লাহে লাহে ক'ভিড কমি গৈ থাকক। কমলাক্ষই কোৱাৰ দৰে গণতন্ত্ৰটো আমি বচাব লাগিব। অধ্যক্ষ মহোদয়, গণতন্ত্ৰ বচোৱাৰ কথা যেতিয়া কয় তেতিয়া মোৰ ১৯৭৫ চনৰ জুন-জুলাই মাহটো মনত পৰে তেতিয়া emergency জাপি দিয়া হৈছিল। এতিয়া গণতন্ত্ৰক ৰক্ষা কৰা দায়িত্ব আমাৰ হাতত আছে আৰু গণতন্ত্ৰ আমি ৰক্ষা কৰিম। গণতন্ত্ৰ ৰক্ষা কৰাৰ কাৰণে নিৰ্বাচন যিমান সোনকালে পাৰো, পাতিবলৈ সাজু আছো। মাত্ৰ স্বাস্থ্য বিভাগে clearance টো দিলেই হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, হাফিজ বছিৰ আহমেদ আৰু শ্ৰী ভৰত চন্দ্ৰ নৰহ লগতে আপোনালোকৰ সহযোগী। আপোনালোকে সংশোধনী চাৰিটা প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকে ক'ব নালাগে। আমি নেতিবাচক হিচাবে কোৱা নাছিলো। ইতিবাচক হিচাবে কথাটো কোৱা হৈছে। গতিকে আমি সংশোধনীটো withraw কৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিকে আছে, হ'ব। শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি ১৮ মাহ ইতিমধ্যে পাৰ হৈ গৈছে, এই ১৮ মাহৰ ভিতৰতে কিন্তু সাধাৰণ নিৰ্বাচনত আমি বিধায়ক হৈ আহিলো । এতিয়া যিহেতু পৰিৱেশটো যথেষ্ট ভাল হৈ আহিছে। আমি ভাবো নিৰ্বাচনটো পাতি দিয়া ভাল। এইখিনিকে অনুৰোধ জনাই মই সংশোধনীটো withraw কৰিলোঁ।

**মাননীয় অধ্যক্ষঃ** সংশোধনী কেইটা প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে নে? (সদনে সন্মতি জনায়) সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা হ'ল।

দফা ন ং ২ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ২ নং দফাত মাননীয় নগৰ উন্নয়ন মন্ত্ৰীৰ নামত এটা সংশোধনী আছে। মাননীয় মন্ত্ৰী মহোদয়ক সংশোধনীটো উত্থাপন কৰিবলৈ আহ্বান কৰিলোঁ।

**শ্ৰী অশোক সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰী সংশোধনীটো মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই সংশোধনীটো সদনত উত্থাপন কৰিলোঁ। In the bill immediately after the words for a period not exceeding 24 months, the words only in case of exceptional circumstances such as covid-19 pandemic shall be inserted. যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে সংশোধনীটো গ্ৰহণ কৰা হ'ল। সংশোধনীৰ ২ দফা ন ং বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণিত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে ১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Municipal Amendment Bill 2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Municipal Amendment Bill 2021 পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত হ'ল।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সংশোধনী আছিল।

**মাননীয় অধ্যক্ষ ঃ** বিলখন এতিয়া পাছ হৈয়ে গ'ল।

The Bengal-Agra & Assam Civil courts Assam, Amendment Bill, 2021, এই বিলখন সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Bengal-Agra & Assam Civil courts Assam, Amendment Bill, 2021, দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - The Bengal-Agra & Assam Civil courts Assam, Amendment Bill, 2021, বিবেচনা বাবে লোৱা হ'ল।

যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়ক খনৰ দুই নং দফাত মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীৰকিবুল হুছেইন, শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী আবুল কালাম ৰশিদ আলাম, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীচিদ্দেক আহমেদ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰীআব্দুছ চোৱাহান আলী সৰকাৰ, শ্ৰীমতী শিবামনি বৰা, শ্ৰীশশীকান্ত দাস, শ্ৰীমিছবাহুল ইছলাম লস্কৰ আৰু শ্ৰীআবুল বাতিন খণ্ডকাৰ নামত দুটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু সহযোগী সদস্য আপোনালোকক সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** Sir, I beg to move sub-clause (i) of Clause 2 of the proposed Bill, the word 'five' appearing in line 2 shall be substituted by the word 'six'. And Sir, I beg to move in sub-clause

(ii) of Clause 2 of the proposed Bill, the word 'ten' appearing in line 2 shall be substituted by the word'eleven'. Sir, অসম চৰকাৰে 'ডি বেঙ্গল, আগ্ৰা এণ্ড আসাম চিভিল কোৰ্টচ (আসাম এমেণ্ডমেন্ট) বিল, ২০২১' টো আনিছে আৰু ইয়াত section-19 তাৰ sub-section -(i) তাত যিটো চাৰ, ১০ লাখ বুলি লিখা আছিল, The words 5 lakhs shall be substituted, চৰকাৰে ১০ লাখটো ৫ লাখ কৰিব বিচাৰিছে। চিভিল কোৰ্টৰ যিটো pecuniary jurisdiction সেইটো এতিয়া existing law মতে ১০ লাখ আছে, চৰকাৰে এইটো ৫ লাখ কৰিব বিচাৰিছে আৰু চাৰ, চাবচেক্‌চন ২ ত যিটো ২০ লাখ আছিল সেইটো pecuniary jurisdiction এতিয়া অসম চৰকাৰে ২০ লাখটো ১০ লাখ কৰিব বিচাৰিছে। চাৰ, বিধান সভাত যেতিয়া বিল এখন দাখিল কৰে এমেণ্ডমেন্টৰ কাৰণে তেতিয়া সদায় বিলটোৰ লগত statement of object and reason এটা থাকে। ইয়াত চাৰ, এই statement of object and reason ত অবজেক্টটো দিয়া আছে ৰিজ'নটো নাই। কি কাৰণে ১০ লাখটো ৫ লাখ কৰিব বিচাৰিছে, pecuniary jurisdiction ত চিভিল কোৰ্ট জুনিয়ৰ ডিভিজন আৰু ইয়াত ৰিজ'নটো দিয়া নাই, কিন্তু অৱজেক্টটো দিছে যে The Hon'ble Guwahati High Court has examined the matter relating to the pecuniary jurisdiction of Civil Court in the State of Assam, as fixed by the Bengal, Agra and Assam civil Court Act 1887. And after due consideration, recommended the pecuniary jurisdiction of Civil Court should be cited. কিন্তু কি কাৰণে উল্লেখ কৰিব লাগে, ৰিজ'নটো চাৰ, ইয়াত নাই। ঠিক তেনেকৈ Further the Hon'ble Guwahati High Court has also proposed to amend the said Act to impact that the appeal from the Court of Civil Judge Senior Division, where the value of the original suit decreased does not exceed 20 lakhs. The liabilities of the District Judge exceeding 20 lakhs should go to the High Court. ইয়াৰো চাৰ, object এইটো, কিন্তু ইয়াৰ কোনো কাৰণ নাই। চাৰ, এমেণ্ডমেন্টটো অনাৰ কাৰণটো হ'ল আমি খুব চিন্তিত হৈছোঁ, এই যে ১০ টো ৫ লাখ কৰিব বিচাৰিছে আৰু ২০ লাখটো ১০ লাখ কৰিব বিচাৰিছে এইবাৰ এমেণ্ডমেন্টত, কিন্তু আচৰিত কথাটো হ'ল যে আজিৰ পৰা ১০ মাহ আগত ১২ অক্টোবৰ, ২০২০ চনত এই এক্ট এমেণ্ডমেন্ট কৰিছিল। মাত্ৰ ১০ মাহ আগত। তেতিয়া এমেণ্ডমেন্ট কৰি, ২০২০ ত এমেণ্ডমেন্ট কৰাৰ আগতে চিভিল কোৰ্টত জুনিয়ৰ ডিভিজনত pecuniary jurisdiction মাত্ৰ আপোনাৰ ৫০ হাজাৰ আছিল। ২০২০ চনৰ ১২ অক্টোবৰত এমেণ্ডমেন্ট কৰি এই সদনতে ৫০ হাজাৰটো ১০ লাখ কৰিলে আৰু চাবচেকচনত যিটো ২ লাখ আছিল এই ২ লাখটো ২০ লাখ কৰিছিল। আজি মাত্ৰ ১০ মাহ হৈছে। গতিকে ১০ মাহৰ ভিতৰত কি এনেকুৱা ঘটনা ঘটিলে, কি অসুবিধা পালে যাৰ কাৰণে ৰিভাইছ কৰিব লগীয়া হৈছে যে ১০ লাখটো ৫ লাখ, ২০ লাখটো ১০ লাখ। এই সদনে পাছ কৰিছে, মই মেম্বাৰ নহয় তেতিয়া। আইন বিভাগে আনিছিল এই প্ৰস্তাৱটো। আজি ১০ মাহৰ পিছত এইটো ৰিভাইছ কৰিব লগীয়া হ'ল। চাৰ, সেইকাৰণে যিহেতু ইয়াত ৰিজ'নটো নাই সেয়েহে মই মাননীয় মুখ্যমন্ত্ৰী যিহেতু আইন বিভাগৰ মন্ত্ৰী সেই গতিকে তেখেতক অনুৰোধ কৰিব বিচাৰিছোঁ, জেনেৰেলি এনেকুৱা যেতিয়া কনফিউচ হয় তেতিয়া বিলটো লগে লগে পাছ নকৰি চিলেক্ট কমিটিলৈ পঠিয়াই দিয়ে। আমাৰ বিধান সভাত চিলেক্ট

কমিটিৰ প্ৰভিজন আছে। চিলেক্ট কমিটিৰ প্ৰতি আমি আৰু ফাৰদাৰ ষ্টাদি কৰিব পাৰো কি কাৰণে এইটো হৈছে বস্তুটো। চাৰ, ২০২০ ৰ ১২ অক্টোবৰত এমেণ্ডমেন্ট কৰাৰ আগতে এই এক্টটো আৰু এবাৰ এমেণ্ডমেন্ট কৰিছিল, ২০০৫ চনৰ ২১ ডিচেম্বৰত এই সদনত। তেতিয়াই কিন্তু এই যিটো চেক্‌চন ১৯ ৰ, চাবচেক্‌চন এক ৰ যিটো এতিয়া যিটো ১০ লাখটো ৫ লাখ কৰিব বিচাৰিছে, আগতে সেইটো ৭ হাজাৰ আছিল ২০০৫ ৰ আগত। The Bengal, Agra and Assam civil Court Act, 1887. এইটো ২০০৫ চনৰ ২১ ডিচেম্বৰৰ দিনা এমেণ্ডমেন্ট কৰিছিল। এমেণ্ডমেন্ট কৰি ৭ হাজাৰটো ৫০ হাজাৰ কৰিছিল আৰু ২৫ হাজাৰটো ২ লাখ কৰিছিল। তাৰপিছত ২০২০ চনত ২ লাখটো ২০ লাখ কৰিলে আৰু ৫০ হাজাৰটো ১০ লাখ কৰিলে। এতিয়া মাননীয় মুখ্যমন্ত্ৰীক ক'ব বিচাৰিছোঁ আৰু যদিও ইয়াত এমেণ্ডমেন্ট মই অনা নাই চেকচন ১৯ তো মই এমেণ্ডমেন্টত আনিছো, চেক্‌চন ২১ টো মই এমেণ্ডমেন্টত অনা নাই। কিন্তু চেক্‌চন ২১ ত ইয়াত এটা এমেণ্ডমেন্ট আনিছে যে আগতে আমাৰ যিটো জিলা কোৰ্টৰ এপিল, Appeal against the ruling or decree of Civil Court Junior Divisionৰ যিটো এপিল সেইটো জিলা ন্যায়াধীশে লয়। তাত ভেলুটো ফিক্স নাছিল। কিন্তু এতিয়া এই এমেণ্ডমেন্টত এইটো কৰিছে যে ২০ লাখৰ তলৰ যিবোৰ এপিল সেই এপিলবোৰ জিলা ন্যায়ধীশে লব পাৰিব। ২০ লাখতকৈ বেছি হলে উচ্চ ন্যায়ালয়লৈ আহিব লাগিব। এতিয়া নতুনকৈ এইটো চেকচন ২১ ত এইটো দিছে, চাৰ, মই এইটো কব বিচাৰিছোঁ যে হাই কোৰ্টত হাজাৰ হাজাৰ কেছ পৰি আছে, বছৰ বছৰ ধৰি তাত ডিছপোজ কৰিব পৰা নাই, সময়ৰ অভাৱত। এতিয়া যদি আকৌ ২০ লাখৰ ওপৰৰ কেছ বোৰ যদি হাইকোৰ্টলৈ নিয়ে তেতিয়াহলে হাইকোৰ্টৰ এটা বাৰ্দেন হ'ব আৰু আমাৰ জিলাৰ পৰা কেছৰ কাৰণে মানুহবোৰ আহিব লাগিব। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীক ৰিকুৱেষ্ট কৰিছো, কাৰণ তাৰ আমাৰ যিটো হ'ব ২০২০ চনৰ, ১০ মাহৰ আগত যেতিয়া এইটো ১০ হাজাৰটো ১০ লাখ কৰিছিল, ২ লাখটো ২০ লাখ কৰিছিল তাৰ পিছত কোৰ্টবিলাকত এটা চেটিং হৈ গৈছিল, চিভিল কোৰ্ট, জুনিয়ৰ জিলা জাজ্ এটা চেটিং হৈছিল, গোটেই ফাইল বিলাক প্ৰচিডিং বিলাক এনেকৈ কৰোতে কৰোতে জমা হৈ গৈছিল। এতিয়া এইটোত যেতিয়া ১০ মাহৰ পিছত আকৌ এমেণ্ডমেন্ট আনিব তেতিয়া চেটিংটো আকৌ নতুনকৈ ফাইল বিলাক, প্ৰচিডিং বিলাক ইফাল সিফাল হ'ব। তেতিয়া সময় এটা লাগিব। যথেষ্ট সময় হ'ব। সেই কাৰণে যিটো Lowyer অৰ্ডাৰ তাত এটা কথা লিখা থাকে Justice delayed is Justice denied. সেই কাৰণে মানুহৰ হাৰাচমেন্ট হ'ব আৰু এটা খৰচ বেছি বাঢ়িব। সেই কাৰণে আমি গোটেই বস্তুটো আমি স্পষ্টকৈ পোৱা নাই, কাৰণ যিহেতু ৰিজ'নটো নাই, মাননীয় মুখ্যমন্ত্ৰীক মই এইটো ৰিকুৱেষ্ট কৰিছোঁ যে এইটো চিলেক্ট কমিটিলৈ পঠিয়াই দিয়ক আমি ফাৰদাৰ আৰু ষ্টাদি কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী মহোদয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সদনত যেতিয়া আমি বিল বিলাক আনো তেতিয়া এটা preamble এটা দিয়া যায়। আৰু প্ৰিয়েম্বলটোৱে আমি আইন এখন কিয় আনো বা কিয় সংশোধনী কৰো তাক আমি বুজাওঁ। ইয়াত preambleত আমি কৈছো যে Whereas, it is expedient further to amend. অৰ্থাৎ চৰকাৰে ভাৱিছে যে it is expedient. এতিয়া বিধান সভাত যেতিয়া বিল এখন অনা যায় তাত ৰিজ'ন, কি যুক্তি এটা ইমানে কৈ দিয়ে যে It is expedient now, when ammendment are moved তেতিয়া বিৰোধী পক্ষই সোধে আৰু আমি তেওঁলোকক জাষ্টিফিকেচন দিওঁ। এই কথাটো এনেকুৱা যে ২০২০ চনত গুৱাহাটী

হাই কোৰ্টে আমাক ৰিক'মেণ্ড কৰিছিল যে আমাৰ pecuniary যি বোৰ jurisdiction আছে সেই jurisdiction বোৰ বহুত কম আৰু সেই jurisdiction বোৰ বঢ়াব লাগে। সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কোৱাৰ দৰে সেই সময়ত গুৱাহাটী হাইকোৰ্টে আমাক অনুৰোধ কৰিছিল যে আপোনালোকে চিভিল জাদ্‌জ জুনিয়ৰ ডিভিজনৰ যিটো pecuniary jurisdiction সেইটো ২০ লাখ টকালৈকে বঢ়াওঁক,Senior Civil Judge & Jr. Civil Judge ৰ pecuniary jurisdiction সেইটো আপোনালোকে ৪০ লাখলৈকে বঢ়াওক আৰু সেই ধৰণে আমাক তেওঁলোকে এটা recommendation দিছিলে। তাৰ পিছত কোনটো stage ৰ পৰা ক'ত appeal যাব, তেওঁলোকে আমাৰ recommendation দিছিলে। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কোৱাৰ দৰে হাজাৰত আছিল লাখলৈকে গ'ল। ২০০৫ চনৰ পৰা ২০২০ চনত আমি amendment কৰিলো যে এটা pecuniary jurisdiction পালো বুলি। ইয়াৰ পিছত গুৱাহাটী হাইকোৰ্টে অসম চৰকাৰক এখন চিঠি লিখে, সেই চিঠিখনৰ তাৰিখ হৈছে ৩১.০৫.২০২১। যেতিয়া চৰকাৰক চিঠি লিখে, তেতিয়া তেওঁলোক এটা শব্দ ব্যৱহাৰ কৰে যে considering this amongst other aspect in entirely, the Gauhati High Court has been pleased to recommend তাৰ মানে it is not the recommendation of the Chief Justice, it is the recommendation of the Gauhati High Court. আৰু যেতিয়া হাইকোৰ্টে এটা recommend কৰে তাৰ মানে গোটেই কেইজন জৰ্জ আৰু Chief Judge বহি চৰকাৰক এটা বস্তু recommend কৰে। High Court তে justification আমাক দিছিলে, যেতিয়া amendment কৰা হৈছিল, তেওঁলোকে এটা ভাবি recommend কৰিছিল, after that amendment was passed, তেওঁলোকে কলে however, after the amendment of pecuniary jurisdiction of Civil Judge Jr. Division, the court of Civil Judge Jr. Division in Assam, we are flooded with civil suits। On the other hand the court of Civil Judges Sr. division were left with must less work and in some district hardly any work at all. তাৰ মানে এটা সময়ত High Court তে ধাৰণা কৰিছিল যে বহুত সময় পাৰ হৈ গ'ল ইমান পুৰণা Act গতিকে আমি যদি ২০ লাখো কৰি দিও, আমাৰ অসুবিধা নহয়। কিন্তু যেতিয়া practical reality ত গলো, তেতিয়া কেছ ইমান টকাৰ নাহে। Civil Judge Jr. Division ২০ লাখ টকালৈকে যেতিয়া আমি কৈ দিলো, সকলোবোৰ কেছ তেখেতৰ টেবুলত আহি গ'ল। যিজন Civil Judge Sr. Division থাকে, তেখেতৰ হাতত কেছ নাই। Gauhati High Court তে কলে যে in some district they left with no work। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই জানে যে আমাৰ দেশৰ শাসন প্ৰণালী তিনিটা ব্যৱস্থাৰ ওপৰত চলে কাৰ্য্যপালিকা, ন্যায়পালিকা আৰু বিধান মণ্ডল। ইজনে সিজনৰ ক্ষেত্ৰত enforce নকৰো। যেতিয়া Gauhati High Court তে as a High Court collectively আমাৰ recommend কৰিলে যে তোমালোকে এইটো amendment কৰা, আমি সেই amendment টো বিধান সভাত আনিছো। এই চিঠিখনে এইটো কথা বুজাইছে this is recommendation of Gauhati High Court, not of any individual. This recommendation has come from the institution itself. এটা amendment কৰা হৈছিলে, ৬ মাহ চালে, তেওঁলোকে দেখিলে যে this needs to be further amended

। এতিয়া Gauhati High Court ৰ Chief Justice ৰ ওপৰত আমি Select Committee বনাব পাৰো, আমাৰ অধিকাৰ আছে। কিন্তু balance of power আমি maintain কৰো, তেতিয়া আমি যদি Select Committee বনাও we have to summon the Officials of Gauhati High Court before the Select Committee । আমি পাৰো, আজি মাননীয় অধ্যক্ষ মহোদয়কো Gauhati High Court এ summon কৰিব পাৰে। কিন্তু নকৰে, rarest of the rare occassion ত কৰে। that is called balancing the equilibirium যে আমি সকলোৰে নিজৰ নিজৰ সৌৰজগতত চলো। এজনে সিজনক interact নকৰো। It is not a serious matter & for the smooth functioning of Judiciary আমি Select Committee ৰ দৰে ব্যৱস্থাত যাব নালাগে that cast asparation collective will of the High Court । এজন Chief Justice য়ে দিলেও বেলেগ কথা this is a recommendation, শব্দটো হ'ল যে considering this amongst other aspect in entirely, the Gauhati High Court has been pleased to recommend। গতিকে ইয়াৰ ওপৰত মই নাভাৰো যে Select Committee যাব লাগে কাৰণতো কলো যে Jr. division বহুত কেছ আহি গ'ল, Sr. division ত ক'ৰবাত ক'ৰবাত কম আছে, ক'ৰবাত নাই বুলি ক'লে। অহা দিনত হাইকোৰ্টে আমাক কয় যে ইয়াৰ পিছত amendment এটা লাগে। আমি কৰি থাকো, কাৰণ This is for the smooth functioning of the judiciary. We need to respect the institute কথাটো ইমানেই। গতিকে মই ভাৰো সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়াক কাৰণতো ক'লো, চিঠিখনেই আপোনাক দি দিম, কিন্তু হাইকোৰ্টৰ ওপৰত Select Committee কৰি কি কৰিম। মই ভাৰো যে সদনে নিশ্চয় এইটো মানি লব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Act যেতিয়া amendment কৰিছিলো, তেতিয়াও চাগে হাইকোৰ্টে recommend কৰিছিলে। কিন্তু হাইকোৰ্টে recommend কৰাৰ পিছতো আমাৰ Advocate General আছে, Law Secretary আছে, Law Minister আছে, বিধান সভালৈ অনাৰ আগতে তেওঁলোকে চাব লাগে। অন্য বিভাগে যদি বাৰে বাৰে লৈ আহে সেইটো চাব লাগে। ইংৰাজীত এটা কথা আছে King can do no wrong, ঠিক তেনেকুৱা মানুহে ভাৰে Law can do no wrong. PWD department লৈ Finance Department ৰ পৰা দহ মাহ পিছত আহিলে revised বুলি, তাৰ মানে **১০** টো **৫** কৰিব লাগে, **৫** টো **১০** কৰিব লাগে। অৰ্থাটো হ'ল যে **২০২০** চনত amendment কৰিছিলো, It was a wrong তাৰমানে impractical মই এই কথাটো ক'ব বিচাৰিছো। ঠিক আছে Select Committee দিব নালাগে। কিন্তু Advocate General আছে, Law Secretary আছে, Law Minister আছে, এতিয়াহে Chief Minister ৰে Law Minister আগতেতো বেলেগ আছিল। তেওঁলোকে High Court ত recommend কৰাৰ লগে লগে বিধান সভালৈকে বস্তুতো অহাৰ আগতে তেওঁলোকে অধ্যয়ন কৰিব লাগে, আলোচনা কৰিব লাগে, সেইটো মই অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেবিনেটত অহাৰ আগতে গোটেইতো move কৰিছে Law Secretary য়ে। High Court ৰ পৰা recommendation অহাৰ পিছত Law Secretary য়ে matter তো move কৰিছে আৰু Legisla-

tive Secretary য়ে ইয়াক পৰীক্ষা-নিৰীক্ষা কৰি বিলখন আনিব পাৰি বুলি অনুমোদন দিছে। Advocate General য়ে মোক বক্তিগতভাৱে ফোন কৰি অনুৰোধ কৰিছে যে ইয়াৰ ফলত কোৰ্টত খুব অসুবিধা হৈছে। গতিকে This law should be passed। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কোৱাৰ দৰে Advocate General has been consulted, Law Secretary has been consulted, Secretary Legislative has been consulted, ২০২০ চনতো তেওঁলোকক consult কৰা হৈছিলে। Judgement এনেকুৰা যে আমাৰ সদনত বহুত আইন আছে। আমি এতিয়া বাজেট পাছ কৰিছিলো, ৰখি গ'ল, আকৌ আজি SB ত পাছ কৰিলো। গতিকে Institution of accommodation আমি কৰো। That is for the better function of the democracy. ইয়াতে ২০২০ চনত অহাৰ কাৰণে আমি এতিয়া নকৰো, তেনেকুৰা নহয়। কিন্তু তেওঁলোকে যেতিয়া এটা practical reality দেখিলে, delay will cost somebody's litigation যে কোনোবা চোৰ এটা, সি এতিয়া ন্যায় পোৱা নাই। Jr. division ত কেছৰ ওপৰত কেছ হৈ আছে, দিন দি আছে। গতিকে this is legislation which has come for the public interest, সেইকাৰণে মই ভাৱো ইয়াত যদি law issue থাকিলেহেঁতেন আমি debate কৰিলেহেতেন। collective wisdom of High Court, তাৰ ওপৰত প্ৰশ্ন কৰিবলগীয়া কোনো প্ৰয়োজনীয়তা নাথাকে।

**মাননীয় অধ্যক্ষ** ঃ Thank you. মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া আৰু সহযোগী, আপোনালোকে সংশোধনী প্ৰস্তাৱটো withdraw কৰিব। এতিয়া সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ কাৰণে সদনৰ সন্মতি আছে।

এতিয়া সদনৰ সন্মতি সাপেক্ষে দুটা সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ কৰা হ'ল। দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, কওঁক হয়, যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, কওঁক নহয়, মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ৩ নং দফা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ৩ নং দফা সদনত অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, কওঁক হয়, যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, কওঁক নহয়, মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, কওক হয়, যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, কওক নহয়, মই ভাৱো "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" "হয়ৰ সপক্ষে" বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

বিধেয়কখনৰ ৩ নং দফাটো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৩ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো, প্ৰশ্নটো হ'ল ৩ন দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' যিসকলে বিপক্ষে আছে

তেওলোকে 'নহয়' মই ভাবো 'হয়' ৰ সপক্ষে 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ এক নং দফা , সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণৰ সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Bengal Agra and Assam's civil codes Assam amendment Bill, 2021' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল- 'The Bengal Agra and Assams civil codes Assam amendment Bill, 2021' পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষেপ্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** The Assam women's University amendment Bill, 2021 মাননীয় শিক্ষা মন্ত্ৰীক 'The Assam women's University amendment Bill, 2021' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam women's University Amendment Bill, 2021' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- 'The Assam Women's University amendment Bill, 2021' বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ দুই নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। মই দুই নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ'ল বিধেয়কখনৰ ২ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে বিধেয়কখনৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়ক খনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ নামত ৩ টা আমিনুল ইছলাম, জ্যেষ্ঠ, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীফণীধৰ তালুকদাৰ আৰু শ্ৰীৰফিকুল ইছলামৰ নামত দুটা মুঠ পাঁচটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থৰ নামত ৩ টা আমিনুল ইছলাম, জ্যেষ্ঠ, শ্ৰীআশ্ৰাফুল

হুছেইন, শ্ৰীফণীধৰ তালুকদাৰ আৰু শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৰ কেইটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** I beg to move its subscription sub clause ii Clause Three of the proposed Bill the words 'applied & 'industry' appearing in line 2 & 3 respectively shall be retained in the original place.

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** Hon'ble Speaker Sir, I beg to move In sub-clause (i) of clause 3 of the proposed Bill, the word 'post -graduate' occurring in line 1 & 2 shall be deleted and the word 'applied' occurring in line 2 shall be substituted by the word 'environmental'.
and similarly in sub clause (ii) (a) of clause 3 of the proposed Bill, the words 'applied' occurring in line 1 shall be substitited by the word 'environmental'.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীকমলাক্ষ দে পুৰকায়স্থ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** In sub -clause (ii) (a) of clause 3 of the proposed Bill, the words ' applied ' & ' industry' appearing in line 1 & 2 respectively shall be retained in the original place'.
In sub clause (ii) (a) of clause 3 of the proposed Bill, the words ' applied' & 'industry' shall be retained in the original place.

**মাননীয় অধ্যক্ষ ঃ** আৰু নাই। এতিয়া শ্ৰীকমলাক্ষ দে পুৰকায়স্থ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, কথাটো হৈছে এনেকুৱা The Assam women's University amendment Bill, the first line of word apply and industry shall be delete তাৰ পিছতে চেকেণ্ড লাইন কোৱা হৈছে, In between the word science and advanced words shall be inserted. অধ্যক্ষ মহোদয় এনেকুৱা হৈছে যে আমি আত্মনিৰ্ভশীল ভাৰতৰ কথা কওঁ। আমি আত্ম নিৰ্ভশীল অসমৰ কথা কৈ থাকো। তাতে এটা কথা কোৱা হৈছে যে এপ্লাই আৰু ইণ্ডাষ্ট্ৰি আগতে আছিলে এতিয়া ডিলিট কৰা হ'ব। অধ্যক্ষ মহোদয় আমাৰ যিখিনি চাবজেক্ট আছে, কম্পিউটাৰ, ইনফৰমেশ্যন টেকন'ল'জি, এনভাৰনমেন্টেল চাইন্স , ইণ্ডাষ্ট্ৰিয়েল কেমেষ্ট্ৰী, ফুড টেকন'লজি, পেট্ৰলিয়াম কেমিষ্ট্ৰি, থাৰ্মফিজিকেল চাইন্স , এই চাবজেক্ট যিবোৰ আছে, এনে যিবোৰ ক্লাচিকেল চাবজেক্ট আমি জানিব লাগে ঠিক আছে, কিন্তু এইবোৰ চাবজেক্ট যদি আমি নাজানো অধ্যক্ষ মহোদয়, আজি হ'ল গ্ল'বেলাইজেশ্যনৰ যুগ। এই সময়ত আমাৰ লৰা ছোৱালী বাহিৰত গৈ পেলাই কমপিটিশ্যন কৰিব নোৱাৰিব এই কাৰণে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাও বাহিৰৰ ষ্টেণ্ডাৰৰ লগত যদি আমি মিলাব লগা হয় তেতিয়া হ'লে এপ্লাই আৰু ইণ্ডাষ্ট্ৰি ডিপাৰ্টমেন্টটো থাকিব লাগে অধ্যক্ষ মহোদয়। যদি নাথাকে তেনেহ'লে Assam women's University স্থাপন কৰাৰ যিটো উদ্দেশ্য লোৱা হৈছে সেইটো সফল নহ'ব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম এপ্লাই আৰু ইণ্ডাষ্ট্ৰিটো ডিলিট কৰিব নালাগে। এই দুটা থাকিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো প্ৰপোজড কৰা হৈছে- যে এপ্লাইড চাইন্স এই বিষয়টো ইউনিৰ্ভাচিটি চাবজেক্টৰ পৰা কৰ্ত্তণ কৰা হ'ব। এতিয়া আমি এমেণ্ডমেন্ট আনিছো যে এপ্লাইড চাইন্স

এপ্লাইড ৰ্বৰ্ডটোৰ সলনি এনভাইৰনমেন্টেল ৰ্বৰ্ডটো লগাই দিব লাগে। তাৰ মানে এডভাইৰনমেন্টেল চাইন্সটো বৰ্ত্তমান বহু প্ৰয়োজনীয়। গতিকে এপ্লাইড টো ইউনিৰ্ভাচিটি কৰ্চৰ পৰা আউট কৰাৰ সলনিতাৰ সলনি এডভাইৰনমেন্টেল চাইন্সটো ইনট্ৰ'ডিউচ কৰা হওঁক যাতে এডভাইৰনমেন্টেল চাইন্সৰ ওপৰত শিক্ষা দিব পৰা যায় কাৰণ এইটো বহু প্ৰয়োজনীয় বৰ্ত্তমান যুগত। মই এই কথাটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এই সংশোধনীটো মানি ল'বলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়,

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সংশোধনী আনিছো ইয়াৰ বেচিক উদ্দেশ্যটো হ'ল - ক্ল'জ - ৩ , ক্ল'জ - ৩ ত এই ইউনিৰ্ভাচিটিখনে কি কি শিক্ষা দান কৰিব, তাৰ ক্ষেত্ৰত স্কোপ কি কি আছে, সেই ক্ষেত্ৰত যথেষ্ঠ অপেননেচ ৰাখিবৰ কাৰণে এমেণ্ডমেন্টটো আনিছো। যেতিয়া আমি (Applied Science) এপ্লাইড চাইন্স বুলি কওঁ তেতিয়া হ'লে ৰ্বৰ্ডটো ৰেষ্ট্ৰিক্টিভ (restrictive ) হৈ যায় । নিৰ্দ্দিষ্ট কিছুমান চাইন্সৰ শিতানহে তাত পাঠ দান পাব। মানে সাধাৰণতে সকলোকে সামৰি নল'ব। যেনে- কম্পিউটাৰ চাইন্স, মেডিচিন চাইন্স ইত্যাদি কিছুমান নিৰ্দ্দিষ্ট এপ্লাইড চাইন্সহে হ'ব। গতিকে এপ্লাইড শব্দটো প্ৰত্যাহাৰ কৰাৰ লগে লগে আমি স্কোপটো আৰু বহলাই পেলালো। এতিয়া সকলো ধৰণৰ চাইন্স ‘ চাইন্স’ শব্দটোৰঅধীনতে সেই ইউনিৰ্ভাচিটি খনে একাডেমিক কাউন্সিলে সিদ্ধান্ত লৈ পেলাই সেইখিনি চলাব পাৰিব। গতিকে চাইন্স বুলি ক'লে তাত ‘এপ্লাইড চাইন্সো অৰ্ন্তভুক্ত হ'ব আৰু এনভাইৰনমেন্টেল চাইন্সো অৰ্ন্তভুক্ত হ'ব। দ্বিতীয় কথাটো হ'ল যিটো আমি টেকন'ল'জি বুলি কৈছো- আমাক বেলেগে আৰু ‘ইণ্ডাষ্ট্ৰি’ শব্দটো নালাগে। কাৰণ ইণ্ডাষ্ট্ৰি বুলি আচলতে চাবজেক্ট নাথাকে - টেকন'ল'জি শব্দটোৱে আমাৰ গোটেইখিনি কথা সামৰি লৈছে- আৰু এই সামৰি লোৱাৰ ক্ষেত্ৰত এপ্লাইড চাইন্স, কম্পিউটাৰ বা অন্যান্য স্কীল ডেভল'পমেন্ট কোৰ্চবিলাকো এই এমেণ্ড মেন্টৰ জৰিয়তে ইয়াত সামৰি লোৱা হ'ব। restrictive শব্দটো আমি প্ৰত্যাহাৰ কৰিছো। সকলোকে সামৰি ল'ব পৰা জেনেৰেল ৰ্বৰ্ড এটা আমি ব্যৱহাৰ কৰিছো। গতিকে এই ক্লিয়েৰিফিকেশ্যনৰ পিচত মই ভাবো এই এমেণ্ডমেন্টটো সঠিক হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কমিগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, In Sub-clause (IV) of clause 9 of the proposed Bill, in between the words "per" & "UGC" appearing in line 2 the word 'Latest' shall be added. অধ্যক্ষ মহোদয়, সৰু এটা সংশোধনী তাত বেচি একো নাই। কিন্তু "UGC' time to time কিছুমান latest guide line দি থাকে। আজি এটা দিছে, হয়তো বা কালি এটা দিব, অহা কালি আৰু এটা দিব। সেইকাৰণে মই ক'ব বিচাৰিছো যে 'Latest' শব্দটো add কৰি দিলে মই ভাৱো ভাল হ'ব।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে 'Latest' শব্দটো লিখাৰ প্ৰয়োজন নাই। যেতিয়া "UGC' guide line বুলি কয় এইটো imply. Which is in force.যিটো এতিয়া কাৰ্য্যকৰী হৈ আছে। তাত এতিয়া 'Latest' বুলি কোৱাৰ প্ৰয়োজন অনুভৱ কৰা নাই। 'Latest' নাথাকিলেও It is imply. যে যিটো কাৰ্য্যকৰী গাইড লাইন হৈ

আছে সেইটোকে আমি ইয়াত বুজাব বিচাৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কমিগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিকেই আছে।

**মাননীয় অধ্যক্ষ ঃ** withdraw কৰি ল'লে। মই ভাৱো সংশোধনীটো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে।

(প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে সদনে সন্মতি জনায়। )

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল। দফা নং-৯ বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
দফা টোৰ সপক্ষে আছে তেখেত সকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৯নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ১০ আৰু ১১ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ১০ আৰু ১১ নং দফা দুটা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-১০ আৰু ১১ নং দফা দুটা বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
দফা দুটাৰ সপক্ষে আছে তেখেত সকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ১০ আৰু ১১ নং দফা দুটা বিধেয়ক খনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ১২ নং দফাত মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ নামত এটা সংশোধনী আছে। গতিকে তেখেতক মই সংশোধনটো প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Time seting, I would like to requested to kindly asume the Amendment to have been moved. মই সপক্ষে কম। আমাৰ ইয়াত যিটো Amendment অনা হৈছে, তাত কোৱা হৈছে যে Vice-chancellor ৰ ঠাইত chancellor শব্দটো যোগ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে আৰু With the permission of the chancellor last line ত। অৰিজিনেল এক্টৰ যিটো দফা সেইটো মই পঢ়ি দিছো- The Court shall meet at least twice a year on dates to be fixed by the Vice-chancellor. Vice-chancellor ৰ ঠাইত chancellor কৰা হৈ আছে আৰু কৈছে The Court may also meet at such of the times as may from time to time determined. ইয়াত কোৱা হৈছে Court will not determined. Subject টো with due permission of the Chancellor. এতিয়া এই সংশোধনীটো মই delete কৰাটো বিচাৰিছো এই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Educational Institution বোৰ Political interference ৰ পৰা আমি যিমাননেই free ৰাখিব পাৰো সিমানেই Educational Institution will move towards execellent.আমি সকলোৱে জানো Chancellor is a political course. ইয়াত Vice-chancellor ৰ ক্ষমতা কাঢ়ি নি Chancellor ক দিব খুজা হৈছে। গতিকে মই ভাৱো ইয়াত

শিক্ষাৰ উৎকৰ্ষৰ কাৰণে যিহেতু আমি Vice-chancellor জন বিদ্যান মানুহ, এজন পণ্ডিত মানুহ সেই Institution ৰ হেড হিচাপে গতিকে এই কোৰ্টৰ মিটিংৰ কাৰণে আকৌ Vice-chancellor ৰ ঠাইত chancellor এইটো বোধহয় নকৰাটো বেছি বুদ্ধিমানৰ কাম হ'ব। For the better in the rest of that Educational Institution.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Amendment Act খনৰ Saction year 17 টো আমি পঢ়িবলৈ যাওঁতে Saction 17 to16 ৰ লগত একেলগে পঢ়িব লাগিব। Saction 16 ত কেনেধৰণে কোৰ্টখন constitute হ'ব সেইটো উল্লেখ আছে আৰু 16 ত Chancellor is a member of the Court. যিহেতু 16 নং দফাত আমাৰ Chancellor জন কোৰ্টৰ মেম্বাৰ আৰু তেওঁ Sinior most. গতিকে ডেফিনেটলি তেওঁৰেই কোৰ্টৰ চেয়াৰমেন হ'ব আৰু কোৰ্টৰ মিটিংখনৰ ক্ষেত্ৰত কেতিয়া হ'ব কেতিয়া অনুষ্ঠিত নহ'ব তেওঁৰেই সিদ্ধান্তটো দিব। সেইকাৰণে 16 ৰ 17 টোৰ সামঞ্জস্য আছে আৰু সেই সামঞ্জস্যৰ কাৰণে আমি Chancellor গৰাকীক এই অধিকাৰটো ইয়াত দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, In that case 16 clause to also Amendment.

**মাননীয় অধ্যক্ষ ঃ** এইটো আহিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Chancellor জন হৈছে কোৰ্টৰ অংশ। In that case মাননীয় মন্ত্ৰী মহোদয়ে যিটো ক'লে Chancellor জনক কোৰ্টৰ অংশৰ পৰা আঁতৰাই দিয়া মোৰ বোধেৰে ভাল হ'ব। Further Amendment brought in. এতিয়া নহ'লে পিছত আনিলে ভাল। তেখেত যিহেতু হায়াৰ, সেইটো ঠিকেই আছে। My opinion is that Chancellor should be kept as away as possible from the University.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতক তেখেতৰ opinion ৰ কাৰণে কাৰণে ধন্যবাদ। আমি বহু প্ৰচেষ্টাৰ পিছত ২০১৩ চনৰ পিছত এতিয়া আমি অসম Women University খন কাৰ্য্যক্ষম কৰিব বিচাৰিছো আৰু ইয়াৰ কাৰণে এইবাৰ চৰকাৰে ৫০ কোটি টকাও ধাৰ্য্য কৰি দিছে। এতিয়া এই Original Act ৰ 16 no.দফাটো এই মূহুৰ্তত আমি কোনোধৰণৰ সংশোধনীৰ কাৰণে বিবেচনা কৰিব নোৱাৰো আৰু 16 no.দফাটোৰ কাৰণে 17 no.দফাটোৰ সংশোধনীটো অনা হ'ল যে Chancellor গৰাকীক সেই পাৱাৰটো দিয়াৰ কাৰণে। মই ভাৱো আপুনি আপোনাৰ Amendment টো এই টেক্‌নিকেলিটো বুজি আপুনি এইটো প্ৰত্যাহাৰ কৰিব আৰু বিলখন পাচ কৰাত আগবঢ়াই নিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী শ্বেৰমান আলী আহমেদ কৈ দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Withdraw কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হ'ল। এতিয়া সংশোধনী প্ৰস্তাৱ টো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে ?

(প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে সদনে সন্মতি জনায়। )

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যহাৰ কৰা হ'ল।

এতিয়া দফা নং-১২, বিধেয়কখনৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক, ‘হয়’

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক, ‘নহয়’

মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে ১২ নং দফাটো বিধেয়ক খনৰ অংশ হ’ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ১৩ আৰু ১৪ নং দফাদুটাত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ১৩ আৰু ১৪ নং দফাদুটা সদনৰ মজিয়াত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ’ল-

১৩ আৰু ১৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফা দুটাৰ সপক্ষে আছে তেখেত সকলে কওঁক, ‘হয়’

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক, ‘নহয়’

মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে

১৩ আৰু ১৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ’ল।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখনৰ ১৫ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী ফণীধৰ তালুকদাৰ আৰু শ্ৰী ৰফিকুল ইছলামৰ নামত এটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু তেখেতৰ সহযোগীক উত্থাপন কৰিবলৈ আৰু বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, In sub-clause (ii) of clause 15 of the proposed Bill in between the word 'building' & 'works' occurring in line 4, the word 'and' shall be inserted. এইটো এটা অতি সৰু Amendment. এইটো মন্ত্ৰী মহোদয়ে মানিবই লাগিব। কাৰণ এইটো চৰকাৰে যিটো Amendment Bill আনিছে, তাত যিটো construction Committee আছিল, ইয়াৰ আগৰ Amendment টোত আমাৰ proposed Bill টোত construction Committee ৰ নামটো চেঞ্জ কৰি 'works' &'building' কমিটি 'building' আৰু 'works' কমিটি কৰা হৈছে। construction Committee ৰ নামটো চেঞ্জ কৰি। আমাৰ মন্ত্ৰী মহোদয়ে ইয়াৰ পৰৱৰ্তী যিটো Amendment আনিছে, পৰৱৰ্তী Amendment ত ‘Building and Works Committee’ কৰা হৈছে। মন্ত্ৰী মহোদয়ে অনা পৰৱৰ্তী amendment ত ‘Building Works Committee’ বুলি আহিছে। ভুলতে মাজৰ ‘and’ শব্দটো drop হৈ গ’ল। গতিকে, ‘and’ শব্দটো নলগালে বেলেগ এখন সমিতি বুজাব। সেয়েহে, ‘and’ শব্দটো অন্তৰ্ভুক্ত কৰিলে নামটো শুদ্ধ হয়।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ছপাশালৰ ভুল এটা হৈছে। ‘And’ শব্দটো Building আৰু Works ৰ মাজত থাকিব লাগে। সেয়েহে, এই সংশোধনীটো গ্ৰহণ কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষঃ** প্ৰস্তাৱটো গ্ৰহণ কৰা হ’ল আৰু সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো গ্ৰহণ কৰা

হ'ল।

এতিয়া দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ১৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১৬ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী ফণীধৰ তালুকদাৰ, শ্ৰী ৰফিকুল ইছলামৰ নামত এটা আৰু শ্বেৰমান আলী আহমেদৰ নামত এটা, মুঠ দুটা সংশোধনী আছে। এতিয়া আশ্ৰাফুল হুছেইন ডাঙৰীয়াক move কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** Hon'ble Speaker Sir, in Sub-Clause (ii) (a) of Clause 16 of the proposed Bill, the word 'Two' occuring in line 2 shall be substituted by word 'Three'.

মহোদয়, মূল আইনখনত আছিল যে Academic Council ত National and International, reputed University ৰ পৰা ৫ জনকৈ scholar ক nominated member হিচাপে লোৱা হ'ব। কিন্তু, এইবাৰ দুজন scholar হে লোৱাৰ বাবে সংশোধনী বিচাৰিছে। মই ভাৱো একেবাৰে ৩ জন কমাই, ২ জনলৈ নমাই আনিব নালাগে। কাৰণ, বাহিৰৰ scholar সকলৰ পৰা আমি বিভিন্ন input পাব পাৰো, ই academic ক্ষেত্ৰতেই হওঁক বা অন্যান্য ক্ষেত্ৰতেই হওঁক। গতিকে, অতি কমেও তিনিজন scholar ৰখাৰ ব্যৱস্থা যাতে কৰে। তেওঁলোকৰ মাজত যেতিয়া ভিন্ন মত হ'ব তেতিয়া অন্ততঃ এফালে দুজন আৰু আনফালে এজন থকাৰ সম্ভাৱনা থাকিব আৰু তেতিয়া balancing ও হ'ব। গতিকে, মই ভাৱো, সদনে এই ক্ষেত্ৰত তিনিজন scholar ৰখাৰ বাবে বিবেচনা কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপুনি move কৰি একেবাৰে কৈ দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Hon'ble Speaker Sir, the ammendment may kindly be assumed to have been moved. মই এতিয়া কথাখিনি কৈ দিছো। মহোদয়, আমি যদি original act খন চাওঁ, Clause 16 (iii) ৰ Section 22 ৰ (iv) ত আছে - 'the academic council shall be the principal academic body'. তাৰ মানে, academic body টোৰ কথাহে কোৱা হৈছে আৰু সংশোধনীটো অনা হৈছে - ইয়াত বিভিন্ন academic council ত member, Senior Professor, Chief Senior Professor, Reader, Vice-Chanecllor, Executive Council ৰ Member থাকিব। কিন্তু, original আইনখনত থকা 'Dean of Faculty' টো drop কৰিব বিচৰা হৈছে। এইখিনি বুজা নাই চাৰ। This is the Academic Council of the University. They will determine the nature of the Academy. Why the 'Dean of Faculty' will not be there? If it were not there, the amendment should have include the 'Dean of Faculty'. That is my consid-

ered opinion.

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়, একেবাৰতে দুয়োগৰাকী সদস্যৰ উত্তৰটো দি দিব।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো Academic Council খনৰ সম্পৰ্কে আৰু এই Academic Council খনত Ex-Officio Member হিচাপে কোন কোন থাকিব, আগৰ দফাটোত উল্লেখ কৰা আছে। আগৰ আইনখনত আছিল যে- 'Five Scholar will be nominated from outside the State'. আমি 'from outside the State' শব্দকেইটা delete কৰিছো। অৰ্থাৎ, আমাৰ অসমৰ উপৰিও অন্যান্য ৰাজ্যৰ পৰাও scholar nominate কৰাৰ scope থাকিব। যিহেতু, এইটো University খনৰ Academic Council , ইয়াত যথেষ্টখিনি Ex-Officio Member ইতিমধ্যে আছেই, গতিকে, তেওঁলোকৰ লগতে আৰু দুজন scholar ক nominate কৰাৰ provision টো আমি ৰাখিব বিচাৰিছো। ইয়াৰ লগতে আমি sub-para এটা delete কৰিছো। Department of Science and Technology, Indian Council of Agricultural Research ৰ পৰাও Member লোৱাৰ কথা উল্লেখ আছিল। কিন্তু, এইখিনিৰ আমাৰ প্ৰয়োজন হৈছে বুলি ভৱা নাই কাৰণে এই দফাটো আমি delete কৰিছো। বাকী Ex-Officio Member খিনিয়ে পদবী সূত্ৰে Academic Council ৰ Member হ'ব। লগতে, দুজন scholar ও nominate হ'ব। এইখিনিকে লৈ আমাৰ Academic Council খন যথেষ্ট বুলি আমি বিবেচনা কৰিছো আৰু সেইমতে সকলোকে বিবেচনা কৰিবলৈ মই অনুৰোধ জনাইছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, এই 'Dean of Faculty' ক omit কৰাৰ যি কথা কৈছে, কিন্তু, Academic Council ত Dean of Faculty কিয় নাথাকিব? এয়াই মোৰ প্ৰশ্ন। Dean of Faculty যদি আগতে Academic Council ত নাছিল, তেন্তে সংশোধনী আনি তেওঁক অন্তৰ্ভুক্ত কৰিবহে লাগে। Because it will determine the academic curriculum of the University.

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলী ডাঙৰীয়াই The sub clause (iii) of Clause 16 of the proposed Bill ৰ ওপৰত প্ৰশ্ন কৰিছে। কিন্তু, আমি Sub-clause (iv) টো delete কৰিছো। ইয়াক delete কৰাৰ মূল কাৰণটো হ'ল যে a nominee each of the Vice Chancellor of the Universitites in the State representing the Faculties of Science, Engineering, Technology, Social Science, Management, ইয়াৰ পৰা আমি faculty লৈছো। Director of Technical Education, তেওঁ Ex-Officio Member হয়। All members of the Executive Council who are not otherwise Member of the Academic Council, all heads of Department of School of Study and Research. গতিকে, all heads of Department of School of Study and Research এই সকলোখিনি থকাৰ পিছতো Academic Councilখনত Member হিচাপে বেলেগকৈ Dean of Faculty থাকিব লাগে বুলি ভৱা নাই।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপোনালোকে প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বক্তব্যত স্পষ্টভাৱে নোৱাৰে

বুলিয়েই কৈছে। কিন্তু, তাৰ পিছতো আমি ভাৰো যে এই ক্ষেত্ৰত globalization ৰ সময়ত যদি বিশ্বৰ অন্যান্য ঠাইৰ scholar সকলক যদি Academic Council ত সংযুক্ত কৰিব পাৰিলোহেঁতেন তেন্তে নতুন নতুন research আৰু নতুন নতুন ধাৰণাৰ জন্ম হ'লহেঁতেন। লগতে, এই ক্ষেত্ৰত মহিলা সমাজো উপকৃত হ'লহেঁতেন। এইখিনি কথা তেওঁলোকৰ পুনৰবাৰ বিবেচনাৰ বাবে ৰাখি মই মোৰ সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** শ্বেৰমান আলী আহমেদ, আপুনি প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** I do not agree to whatever view has been expressed by the Hon'ble Minister. মই এতিয়াও convinced যে বেলেগতকৈ Dean জনহে থাকিব লাগে। এই কথাটো মন্ত্ৰী মহোদয়ে বিবেচনা কৰি লাগিলে, পৰৱৰ্তী পৰ্যায়ত তেখেতে এটা .. Interruptions.....

**মাননীয় অধ্যক্ষঃ** এতিয়া আপুনি প্ৰত্যাহাৰ কৰিব নে নাই?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** প্ৰত্যাহাৰ কৰা নাই, my conscience is not allowing.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, তেখেতে প্ৰত্যাহাৰ নকৰে।

এতিয়া মই সংশোধনী দুটা সদনত দাঙি ধৰিলোঁ-

In Sub-Clause (ii) (a) of Clause 16 of the proposed Bill, the word 'Two' occuring in line 2 shall be substituted by word 'Three'.

In Sub-Clause (iii) of Clause 16 of the proposed Bill shall be deleted.

যি সকল মাননীয় সদস্য-সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি নজনায়)।

মই ভাৰো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱ দুটা নাকচ হ'ল।

দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ১৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১৭, ১৮ আৰু ১৯ নং দফা তিনিটাত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ১৭, ১৮ আৰু ১৯ নং দফা তিনিটা সদনৰ মজিয়াত দাঙি ধৰিলো-

প্ৰস্তাৱটো হ'ল-

১৭, ১৮ আৰু ১৯ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল বিপক্ষে আছে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

এতিয়া ১৭, ১৮ আৰু ১৯ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হল।

বিধেয়ক খনৰ ২০ নং দফাত মাননীয় বিধায়ক শ্বেৰমান আলি আহমেদ ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছে। এতিয়া সদনত মাননীয় বিধায়ক শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই বক্তব্য ৰাখিব।

**Shri Sherman Ali Ahmed (Baghbor) :** Thank you Sir, I would like to request you kindly to present the amendment has been moved.মোৰ মূল কথাটো হল, In original Act it has been written as the Finance Committee with a person deputed the Executive Council as Chairman. Executive Council এ Finance Committee টোৰ Chairman দিব আৰু আমাৰ সংশোধনীত কোৱা হৈছে, the existing provision of the following shall be substituted namely, the Vice-Chancellor shall be the Chairperson of the Finance Committee. চাৰ, মই ভাৱো যে ইয়াত Vice-Chancellor কেই Finance Committee ৰ Chairman কৰাতকৈ Executive Council will be in a better position to depute course of the Chairman of the Finance Committee. গতিকে মই এইটো delete কৰাটো বিচাৰিছো। অৰ্থাৎ Original আইনত যি আছে, যে Finance Committee ৰ Chairman টো Executive Council এ decide কৰিব, সেইটোৱে থাকক বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ :** মন্ত্ৰী মহোদয়ে ক'ব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) : মাননীয় অধ্যক্ষ মহোদয়,** Vice-Chancellor & Finance Committee খনৰ Chairman, Vice-Chancellor হৈ থাকিব বুলি এই কাৰণেই বিবেচনা কৰা হৈছে যে Vice-Chancellor জন হল Head of the Institution মানে Canceller জনৰ তলতে থকা Institution. কিন্তু এই খনত তেওঁ ক্ষমতা একপক্ষীয় ভাৱে নাপায়। Executive chancellor এ হে কব Committee খনৰ Member কোন কোন হব। সেই কমিটিখনৰ সভাপতি জন বা মুৰব্বী জন Vice-Chancellor থাকিব। আগতে বেলেগ এজনক Nominate কৰাৰ ব্যৱস্থা আছিল, কিন্তু এই ব্যৱস্থাটোত বহুখিনি Conflicting Situation ৰ উদ্ভৱ হৈছিল। গতিকে Vice-Chancellor গৰাকীৰ ওপৰত পূৰ্ণ আস্থা ৰাখি তেখেতে যাতে এখন কমিটিক লৈ University খনক সুচাৰুৰূপে আগবঢ়ায় লৈ যাব পাৰে এই কাম খিনি সুচল হোৱাৰ কাৰণে আমি কৈছো যে Vice-Chancellor গৰাকীয়ে সেই Finance Committee খনৰো দায়িত্ব লব লাগে আৰু মই জনা মতে Central Vigilance Committee খনেও বহুক্ষেত্ৰত এনেকুৱা অনুমোদন দি ৰাখিছে যে এটা অনুষ্ঠানৰ মুৰব্বী কাৰ্য্যবাহী বিষয়া বা পদৱীধাৰী জনেই, Committee on Important Financial matter বিলাকৰ মুৰব্বী হোৱা উচিত। তেতিয়াহে কাম বিলাক বেছি Smoothly আগবাঢ়ি যাব।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। আপুনি উঠাই ল'বনে?

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মোক Justification টো দিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ :** আপুনি Move কৰিছে, গতিকে বিতৰ্কলৈ যাব নালাগে, আমাৰ সময়ো নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** তেতিয়াহলে মোক মোৰ Opinion টো Express কৰিবলৈ দিয়ক, পিছত আপুনি Motion টো Pass কৰাই লব, তাত মোৰ কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি already express কৰিলেই নহয়, Debate type নকৰিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Democratic Republic Set-up টোত এনে কিছুমান Titular পদ আছে, যেনে ৰাষ্ট্ৰপতি, তেওঁ আমাৰ Country খনৰ Administration ত নোসোমায়, Governor is just a Titular Head of the State. তেখেতে Government এ কেনেকৈ Function কৰিব তাতো নোসোমায়। Same is the case with Chancellor.

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কে উত্তৰ দিছে। এতিয়া ইয়াত আপুনি কোৱা কথা খিনিয়েই যে হব লাগিব সেই কথাটো নহব। এতিয়া আপুনি Move কৰিব নে Withdraw কৰিব সেইটো কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** নাই, মই Withdraw নকৰো, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** হয় নেকিঙ্গ এনেক্ষেত্ৰত মই আপোনাক বক্তব্য ৰখাৰ সুযোগেই দিব নালাগিছিল। তেখেতে Withdraw নকৰে, মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো -The Clause - 20 of the proposed Bill shall be deleted.

যিসকল মাননীয় সদস্য সদস্যা সংশোধনীৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল বিপক্ষে আছে কওঁক "নহয়"
মই ভাৱো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে।
সংশোধনী প্ৰস্তাৱটো নাকচ হল।

এতিয়া ২০ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হল। দফা নং ২০ বিধেয়ক খনৰ অংশ হব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল বিপক্ষে আছে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
২০ নং দফাটো বিধেয়ক খনৰ অংশ হল।
বিধেয়ক খনৰ ২১ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই,
বিধেয়ক খনৰ ২১ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।
এতিয়া ২১ নং দফাটো বিধেয়ক খনৰ অংশ হব।
যিসকল মাননীয় সদস্য সদস্যা দফাটোৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল বিপক্ষে আছে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
২১ নং দফাটো বিধেয়ক খনৰ অংশ হল।

বিধেয়ক খনৰ ২২ নং দফাত মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ ৰ নামত ৪ (চাৰি) টা সংশোধনী আছে, এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদে Motion টো Move

কৰিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** প্ৰথমটোত Grammatical Mistake আছে। ২ (দুই) টা Sub-Clause add কৰি আগত লিখিছে “a” বুলি। It is clearly a Grammatical mistake. এইটো delete কৰি new Sub-clause 6 & 7 লিখিব লাগে আৰু তৃতীয়টোত, 7 ত আছে, 1(one) woman member, it should be 1 (one) woman member. Both these two are just grammatical mistake. গতিকে মই ভাৱো মাননীয় মন্ত্ৰী মহোদয়ে এইটো মানি লব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী মহোদয়ে কব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** হয়, মাননীয় অধ্যক্ষ মহোদয়, ইয়াত Grammatical Mistake এটা আছে আৰু এইটো মই গ্ৰহণ কৰিছো। ইয়াত “a” টো delete হব আৰু Woman টো Correction হ’ব।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰীয়ে সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰি ল’লে আৰু মই ভাৱো সদনৰো ইয়াত সন্মতি আছে। (এতিয়া ২২ নং দফাটো বিধেয়ক খনৰ অংশ হ’ব।)

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মই মাত্ৰ এটা Sub-clause কৈছো, আৰু এটা আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** সেইটোও কৈ দিয়ক।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** ছাৰ ২০ To ৩০ ত আছে, Quorum for a meeting of a Selection Committee shall be 3 (three) এইটো original Act খনত আছিল। এতিয়া কৰিব বিচৰা হৈছে in Sub-Section 4 the word 3 (three) shall be deleted, and after the word "shall be" the words "majority including the Cancellers nominee and the domain expart shall be inserted. Domain expart word টো মই Counter কৰা নাই আৰু সংশোধনীও অনা নাই, this is regarding Selection Committee, Selection Committee ত Quorum টো আগতে আছিল ৩ (তিনি) ইয়াত আকৌ কোৱা হৈছে, Chancellor Nominee নোহোৱাকৈ quorum নহব, মোৰ গোটেই কেইটা Amendment ৰ যিটো essence, as if more intervention, more political interference in the University's desired to be brought by the Government. That is why, I have brought it. Which is not good for an Educational Institution Sir.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী মহোদয়ে কব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত quorum ৰ যিটো কথা কোৱা হৈছে, আমি যিখিনি কমিটি গঠন কৰিছো, সেই কমিটিৰ Majority ৰ সপেক্ষেহে Quorum টো হব। তাত Chancellor ৰৰ Nominee জন যেতিয়া তাত Member হয়, গতিকে তেখেতৰ উপস্থিতি, সংখ্যা বা ভোট টো Count কৰিবই লাগিব, গতিকে including the nominee of the Chancellor এই কথাটো লিখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আগতে Motion খিনি Move কৰি লওঁক। এতিয়া আপুনি বেলেগে বেলেগে Withdraw কৰিব নালাগে অন্যথা সময়ো বেছি লাগিব। ৰাতি ৬ - ৭ বজালৈ সদন চলি থাকিলে আৰু মাননীয় সদস্য সকল যদি উপস্থিত থাকে তেতিয়া হলে No problem. সেই

কাৰণে কৈছো, আপুনি একেলগে Amendment motion খিনি Move কৰি লওঁক আৰু যদি কিবা কবলগীয়া আছে সেইখিনিও কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** চাৰ, ২২ ৰ ১৬ ত original Act খনত আছে ২৯, এতিয়া ২৯ ৰ ৯ আৰু ১০ এই দুটা delete কৰিব বিচাৰিছে, ৯ত আছে যে Selection Committee এ যেতিয়া List বনাব, তেতিয়া নং ৯ ত আছে যে The Rank is prepared by the Selection Committee shall be published in the Notice Board of the University and also in the Gazette আৰু ১০ ত আছে A Rank is published under Section 9 shall remain in force for a period of 2 (two) years from the date of Selection.

এতিয়া চাৰ, এটা Selection Committee এ Selection কৰা বস্তুটো Gazette ত publish কৰাত কি অসুবিধা আছে আৰু তাত কি Secrecy আছে? আৰু এইটো for the period of 2 (two) years ২ (দুই) বছৰৰ কাৰণে valid ৰখাৰ কথাটোও উঠাই দিব কৈছে, এইটোও উঠাই দিব কৈছে মানে আজি Selection কৰিলে Secrect কৰি ৰাখিলে, দুদিন পাছত আকৌ সেই Selected Candidate change কৰি আকৌ বেলেগ এটা কৰিলে এইটো fear for any Democracy. Most amazing thing is that a Selection Committee, we prepared a list of the candidates and that list will not be published in the Official Gazette. What is the cause of this Secrecy ? That I want to know. If the Hon'ble Minister can give satisfactory reply, then will go, no issue Sir.

**মাননীয় অধ্যক্ষ ঃ** আপুনি 18 টোও কৰি দিয়ক ।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** ৯নং আৰু ১০নং এই দুটা যিহেতু মই ৰখাটো বিচাৰিছো, গতিকে Re-numbering কৰিছে। এতিয়া ৯নং আৰু ১০নং টো যদি delete কৰে, তেতিয়া এইটোৰ সংশোধনীৰ প্ৰয়োজন নাই। কিন্তু মই বিচাৰিছো এইটো Official Gazette ত publish হব লগে।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৯, ১০। ৯ ত যিটো কৈছে যে, rank of the list prepare মোৰ পদ আছে এটা। এপ্লাই কৰিছে চাৰিজনে। এতিয়া চাৰিজনৰ rank list খন published কৰাৰ লগে লগে পদটো আহি যায় যে দুই নম্বৰৰ কথাটো হ'ল rank ত যিজন দুই নম্বৰজন wait listed candidate. গতিকে ইয়াত এতিয়া wait listed candidate এজন দুই বছৰৰ কাৰণে valid ৰাখে তাকে লৈ University খনত বহু ধৰণৰ কথা বতৰা হয়। সেই কাৰণে যেতিয়া পষ্ট এটা থাকে এজন select হ'ব তেওঁ appointment হ'ব তাত আৰু wait list এখন, rank list এখন বেলেগে hang কৰি সেইখন দুইবছৰৰ কাৰণে valid কৰি ৰখাৰ যিটো প্ৰভিজন আছে, সেই প্ৰভিজনটো আমি প্ৰত্যাহাৰ কৰিব বিচাৰিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** Move কৰি ৰাখিব খোজা সেইটো মই মানিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া সময় নাই। মই এতিয়া সংশোধনীকেইটা সদনত দাঙি ধৰিলো। যিটো withdraw কৰি লোৱা নাই।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা প'ষ্ট আছে, এজনেই

select হ'ব তাৰে second এজন select নহয়। Second এজনৰ লিষ্ট এখন মই নটিছ বৰ্ডত আপোনাৰ position টো দুই নম্বৰ বুলি এটা সম্ভাৱনাও আছে। এটা আশা দি থোৱা এই কাৰবাৰটো আমি কৰিব বিচৰা নাই।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া সংশোধনীকেইটা সদনত দাঙি ধৰিলো। In Sub-clause (xiii) of clause 22 of the proposed Bill, the words the Chancellor's nominee and occuring in lines 3 & 4 shall be deleted. The sub-clause (xvi) of clause 22 of the proposed Bill shall be deleted and one more the sub-clause (xviii) of clause 22 of the proposed Bill shall be deleted.যিসকল মাননীয় সদস্য-সদস্যাই সংশোধনী কেইটাৰ সপক্ষে আছে, তেখেত সকলে কওক, 'হয়'., যিসকল বিপক্ষে আছে তেখেত সকলে কওক, 'নহয়', মই ভাৱো, 'নহয় ৰ' সপেক্ষে, 'নহয়ৰ' সপেক্ষে, 'নহয়ৰ' সপক্ষে সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল। দফা নং ২২ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যিসকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়', মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ২৩ ৰ পৰা ২৯ নং দফাকেইটা সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২৩ ৰ পৰা ২৯ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱ টো হ'ল-২৩ ৰ পৰা ২৯ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই দফাকেইটাৰ সপক্ষে আছে, তেখেত সকলে কওক, 'হয়' যিসকলে বিপক্ষে আছে তেখেতসকলে কওক 'নহয়' মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, ২৩ ৰ পৰা ২৯ নং দফাকে ইটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩০ নং দফাত মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদৰ এটা সংশোধনী আছে। আপুনি just move কৰক।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** The Amendment may kindly be assumed to have been moved.

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো। আপুনিতো উঠাই নলয় নহয়।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** This is not proper Sir.

**মাননীয় অধ্যক্ষ ঃ** কিয় proper নহ'ব। আপুনি move কৰিলে। মই হাউচৰ পৰা concent টো লৈছো। এইটো support কৰে নে নাকচ কৰে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** This is not right Sir. Please allow. Sir, ইয়াতে মই persual amendment হে আনিছো। দুটা amendment চৰকাৰে আনিব কৈছে Or body of the University টো double হৈ আছে, ঠিকে আছে এইটো। This is ok. কিন্তু next amendment ত টো চাৰ, a deaf or dumb or has applied to be adjudicated. আজিকালি চাৰ, আমাৰ প্ৰত্যেকখন চৰকাৰে, ৰাজ্যিক চৰকাৰে হওক, কেন্দ্ৰীয় চৰকাৰে হওঁক, এই বিকলাংগ, যিসকলক আমি দিব্যাংগ বুলি কও, তেখেতসকলক যথেষ্ট আমি গুৰুত্ব দিছো। এজন মানুহ কিবা কাৰণত পৰৱৰ্ত্তী পৰ্য্যয়িত deaf or dumb হৈ গ'ল আৰু তেতিয়া আমি তেওঁক কমিটিৰ পৰা উলিয়াই দিম বোধহয় ভাল কথা নহ'ব। তেখেত সকলৰ প্ৰতি অন্যায় কৰা হ'ব। সেই কাৰণে মই কৈছো এটা portion ঠিকে আছে Or body of the University কিন্তু second portion টো এই deaf or dumb or has applied to be adjudicated এই বস্তুটোৰে বোধহয় দিব্যাংগ সকলক অপমান কৰা হ'ব। মন্ত্ৰী মহোদয়ক

kindly consider কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পূৰ্বতে বুজা কথাটোকে তেখেতে বুজিছে। আমি যিখিনি body of the University সেইটো double হৈ আছে, সেই কেইটা আমি প্ৰত্যাহাৰ কৰিম। এতিয়া deaf and dumb এই শব্দকেইটা আমি প্ৰত্যাহাৰ কৰিব বিচাৰিছো। আমি এই শব্দকেইটা প্ৰত্যাহাৰ কৰিছো। তাৰ পাছৰ যিটো শব্দ থাকিব who has applied to be adjudicated or has been adjudicated as insolvent. এতিয়া has been adjudicated as insolvent সেইটো থাকিব। Deaf and dumb তাৰ আগৰখিনি a deaf or dumb all has applied to adjudicated এই শব্দ কেইটা আমি delete কৰিম অৰ্থাৎ deaf dumb এই শব্দ কেইটা আমি প্ৰত্যাহাৰ কৰিম, কিন্তু has been at judicated as insolvent সেইটো থাকিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই ভাবো সদনৰ সন্মতি আছে। সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰত্যাহাৰ কৰা হ'ল। দফা নং ৩০ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, ৩০ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩১ নং দফাটোৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৩১ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ৩১ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওক 'হয়', যিসকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'। মই ভাৱো, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ৩১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩২ নং দফাটোত মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদৰ নামত এটা সংশোধন আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ The amendment as usual may kindly be assumed to have been moved মোৰ বক্তব্যটো ৰাখিছো, ইয়াতে original আইনখনৰ এটা section delete কৰিব বিচৰা হৈছে। মই section টো মাত্ৰ ক'ব খুজিছো। Original section টো আছিল The Government may at any time and shall on expiry of 10 years from the commencement of this ordinance or at and thereafter at the expiration of every 10 years by order published in the official gazette constitute a commission which shall consist of Chairman and such other members not exceeding five as the Government may appoint on such order shall defined the procedure to be followed by the commission, the commission shall enquiry into the working of the University during the period the financial position of the University and any chance to be made in the provisions of this act and such other matter. এই কথাটো চাৰ, ভালৰ কাৰণে। ইয়াতে act ত আছিল যে, প্ৰতি দহ বছৰৰ মূৰে মূৰে চৰকাৰে এটা কমিশ্যন কৰি দিব। কমিশ্যনে University টোত সেই preeciding 10 years ত কি কি performance কৰিলে working টো এনেকুৱা হ'ল financial position কেনেকুৱা হ'ল আৰু কিবা modify কৰিব লাগে নেকি, That is a very progressive idea. এই idea টো কিয় delete

কৰিব বিচৰা হৈছে। এইটো ভালহে। চৰকাৰে দিব কমিশ্যন।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আইনখনৰ সংশোধনীৰ প্ৰক্ৰিয়াটো Chancellor গৰাকী সম্পূৰ্ণৰূপে জড়িত। ইয়াৰ যিমানখিনি সংশোধনী আনিছে, এতিয়া University এখনৰ ইয়াৰ কাৰণে এই বিশেষ provision টো The Government may at any time and shall on the commission to expiry of 10 years from the commencement of the act. গতিকে বিশ্ববিদ্যালয় বিলাক আমি to the maximum extent possible আমি autonomus হ'ব লাগে। বিশ্ববিদ্যালয় বিলাকৰ তেওঁলোকৰ নিজস্ব এটা আইনী ব্যৱস্থা আছে, য'ত এখন কোৰ্ট আছে, য'ত এখন executive council থাকে, য'ত এখন financial committee থাকে, য'ত এখন academic council থাকে সেই authority টোৰ ওপৰত executive ৰ হস্তক্ষেপ বা যদি এনেকুৱা এটা সম্ভাৱনা থাকে, যে তেওঁলোকৰ ওপৰত এটা enquiry কৰি থকা এই University খনৰ যি স্বায়িত্বশাসিত ক্ষমতা বা status তাক ক্ষতিগ্ৰস্ত কৰে আৰু কামবিলাকৰ অগ্ৰগতিত এটা এটা Brake লগাই থৈ দিয়ে। গতিকে যিমানে Brake ৰ পৰিমাণ বেছি হ'ব সিমানে slow হ'ব University ৰ অগ্ৰগতি। সেইকাৰণে এই দফাটো আমি প্ৰত্যাহাৰ কৰিব বিচাৰিছো।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মন্ত্ৰী মহোদয়ৰ motive টো ভাল যেন লাগিছে। কিন্তু কথা হ'ল on the one hand political involvement is being increased that every state Chancellor ৰ প্ৰত্যেকটো কমিটিত, ফাইনেঞ্চ কমিটিত সোমোৱা হৈছে আনফালেদি চৰকাৰে যিহেতু টকা দিয়ে It is my feeling চৰকাৰে এইবাৰ ২৫ কোটিকে দিছে।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** Chancellor ৰ কৰ্টোত।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Finance committeeChancellor ৰ published হ'ল নেকি ?

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** সেইটো লাগিব। Vice Cencellor হ'ব Finance Committee ৰ Chairman. Chancellor নহয়।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু চৰকাৰে টকা দিয়ে, যোৱাবাৰ হয়টো ২৫ কোটি টকা দিছে, সেই টকাৰ সৎ ব্যৱহাৰ হৈছে নে নাই? সেইটোৰ ওপৰত কোনো অসুবিধা নাই। বৰঞ্চ এইটো এটা খুৱ progressive step আপুনি যিটো কৈছে যে chancellor ৰ তাত সোমাই আছে, chancellor যেতিয়া বিভিন্ন সমিতিত সোমাই যাব, the enquiry by an external committee seems to be odd. কিন্তু সেইফালৰ পৰা চাব গ'লে আমি ৰাজ্যপালৰ নামতেইটো administration চলাই আছো আৰু আমি তদন্তও কৰাই আছো। গতিকে I think it should be continued.

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় এখন পৰিচালিত হ'বৰ কাৰণে বহুত device আছে। Uniersity Grant Commission আছে, আমাৰ চৰকাৰখনৰো বহুখিনি Executive authority আছে। University খনৰ বাবে এই বিধান সভাই প্ৰস্তুত কৰি দিয়া আইন আছে, বিভিন্ন কমিটি আছে আৰু তাৰ উপৰিও আৰু যেতিয়া মন যায় তেতিয়াই তেওঁলোকৰ ওপৰত enquiry কৰি দিব পৰা কমিটি গঠনৰ এই দফা এটা আইনখনত

থাকিব নালাগে বুলি আমি বিবেচনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলি ডাঙৰীয়া আপুনি এইটো withdraw নকৰে।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই withdraw নকৰো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো। "The clause 32 of the proposed bill shall deleted" যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে সংশোধনীটো প্ৰস্তাৱটো নাকচ হ'ল।

দফা নং ৩২ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে ৩২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩২ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ৩৩ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল ৩৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়', যি সকল বিপক্ষে আছে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে ৩৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ১ নং দফা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়', যি সকল বিপক্ষে আছে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে ১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। মই মাননীয় মন্ত্ৰী মহোদয়ক বিধেয়কখনৰ পাৰিত কৰিবৰ কাৰণে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Women University Amendment Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত অনুমোদনৰ কাৰণে দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Women University Amendment Bill, 2021" পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়', যি সকল বিপেক্ষ আছে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

সদন অহা ইংৰাজী ১২-০৮-২০২১ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।